
মঙলদৈ মহাবিদ্যালয় আলোচনী
সম্পাদক
শ্ৰীমুক্তানন্দ শৰ্ম্মা

# মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

## ইং ১৯৮৮-৮৯ চন

MANGALDAI COLLEGE
LIBRARY
Accession No
Class No
Book No 3H.A

সম্পাদক
শ্ৰীমুক্তানন্দ শৰ্ম্মা

তত্বাবধায়ক
ইদ্ৰিছ আলি, এম, এ,

## সম্পাদনা সমিতি

- **সভাপতি**

অধ্যক্ষ আব্দুল মজিদ

- **উপ-সভাপতি**

অধ্যাপিকা উষা বৰা

- **তত্বাবধায়ক**

অধ্যাপক ইদ্রিছ আলি

- **সদস্য বৃন্দ**

উপাধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বৰা

অধ্যাপক মণিমুগ্ধ বৰঠাকুৰ

" মতিৰাম মেধি

" ৰণেন্দু সেন

অধ্যাপিকা, অৰুণাভা ভূঞা


সৰ্বশ্ৰী নিৰ্মালী ডেকা, বিনয় চলিহা, মনীন বৰুৱা, হিৰেন ডেকা, কৈলাশ বৰুৱা, অৰুণ কটকী, মঃ ফাৰুক হাজৰিকা আৰু ফৰিদা বেগম

- **সম্পাদক**

শ্ৰীমুক্তানন্দ শৰ্ম্মা

---

মুদ্ৰণ—সূৰ্য্যখড়ি প্ৰিন্টিং ৱৰ্কচ, মঙলদৈ।



॥ স্মৃতি তর্পণ ॥

মৃত্যুৱে যাক ম্লান কৰিব নোৱাৰে—



জন্ম —
১৯৬৬ চনৰ ২ অক্টোবৰ

মৃত্যু —
১৯৮৯ চনৰ ৯ মে'

আমাৰ মহাবিদ্যালয়ৰ স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰী
৺লিলি চলিহাৰ আকস্মিক দুৰ্ঘটনাত মৃত্যু হয়।

---

## "মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখন কিয় আৰু কাৰ বাবে"

(১) হেজাৰ বাধা বিঘিনি অতিক্ৰম কৰি প্ৰতি বছৰে বাইজৰ আগত মহাবিদ্যালয়ৰ যুৱ-প্ৰতিভা বিকাশ কৰাই মুখ্য লক্ষ্য. ।

(২) গল্প, প্ৰবন্ধ,কবিতা সমূহৰ পৰিচালনাত থাকিব সম্পাদনা সমিতি ।

(৩) সম্পাদক দায়ী নহয় যদিহে কোনোবাই আনৰ লিখনিৰে নিজে সস্তীয়া যশ বিচাৰে ।

(৪) লিখনি সমূহ পৰিপাতি আৰু এপিঠিত লিখা হলেহে গ্ৰহণ যোগ্য ।

(৫) প্ৰকাশ নোপোৱা প্ৰবন্ধপাতি ঘূৰাই দিয়া নহয় ।

(৬) ৰাজনৈতিক, অমাৰ্জ্জিত, সাম্প্ৰদায়িক, অশ্লিল, বিদ্বেষমূলক তথা আথৰ চিনিব নোৱাৰা গল্প, প্ৰবন্ধ পাতি আলোচনীয়ে অনুমোদন নকৰে ।

(৭) এজন ব্যক্তিৰ একাধিক প্ৰবন্ধ পাতি প্ৰকাশ কৰা নহয় ।

—+—

# ভিতৰচ'ৰা

## ভাৰপ্ৰাপ্ত অধ্যাপকৰ একেষাৰ ঃ

মঙ্গলদৈ মহাবিদ্যালয়ত যোগদান কৰাৰ প্ৰায় ডেৰ বছৰৰ পিচতে শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়ৰ অনুৰোধক্ৰমে মহাবিদ্যালয়ৰ আলোচনীখনৰ ভাৰপ্ৰাপ্ত অধ্যাপক হিচাপে দায়িত্ব বহন কৰিব লগীয়া হওঁ। যিকোনো এখন মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ ক্ষেত্ৰত থকা সকলোখিনি সমস্যা মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ সতেও সাঙোৰ খাই আছে। সিবোৰৰ ভিতৰ আৰ্থিক সমস্যাটোৱেই প্ৰধান। কাৰণ ছাত্ৰ ছাত্ৰীসকলৰ বাৰ্ষিক অৰিহণাৰে আলোচনীখন প্ৰকাশ কৰিবলগীয়া হোৱাৰ বাবে ইয়াৰ আকাৰ নিচেই সৰু কৰিবলৈ বাধ্য হোৱা যায়। সাম্প্ৰতিক ছপাখৰছৰ মাত্ৰাধিক্যই ইয়াৰ একমাত্ৰ কাৰণ। কাগজৰ মূল্য বৃদ্ধি ইয়াৰ সতে সংযুক্ত হৈ আছে। গতিকে আলোচনীৰ বাবে ছাত্ৰ ছাত্ৰীসকলৰ পৰা অধিক ধন সংগ্ৰহ অথবা চৰকাৰৰ তৰফৰ পৰা আলোচনীৰ বাবত একোটা বাৰ্ষিক অনুদানৰ ব্যৱস্থা নহলে এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰি উলিওৱাটো এটা দুঃস্বপ্ন মাথোন। দুখীয়া কৃষিজীৱি অভিভাৱক সকলক আলোচনীৰ অৰিহনাৰ বাবে হেঁচা দিয়াতকৈ ছাত্ৰ সমাজে বজাৰৰকে একোটাকৈ বাৰ্ষিক অনুদানৰ বাবে অনুৰোধ জনোৱাটো উচিত বুলি বিবেচনা কৰোঁ।

প্ৰবন্ধাদি গোটোৱা, সিবোৰৰ নিৰ্ব্বাচন কাৰ্য্য আৰু ছপা ব্যৱস্থাৰ বাবে অনুসৰণ কৰিবলগীয়া একাধিক আনুষ্ঠানিকতাৰ বাবে যথাসময়ত আলোচনীখন ছাত্ৰ ছাত্ৰীৰ হাতত তুলি দিয়াত অপ্ৰত্যাশিতভাৱে পলম হৈ যায়। এইবছৰো তাৰ ব্যতিক্ৰম নহ'ল। গতিকে সম্পাদনা সমিতিৰ হৈ এইখিনিতে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ আব্দুল মজিদদেৱ আৰু পৰিচালনা সমিতিৰ সচিব ড° পূৰ্ণচন্দ্ৰ বৰা দেৱৰ লগতে সম্পাদনা সমিতিৰ সদস্য বৃন্দয়ো নানান কামত পৰামৰ্শ আগবঢ়াই সহযোগ দিয়াৰ বাবে সকলোটিলৈকে ধন্যবাদ জ্ঞাপন কৰিলোঁ। সূৰ্য্যখড়ী ছপাশালৰ গৰাকী আৰু কৰ্মীবৃন্দই আলোচনীখনৰ ছপা কাৰ্য্যত যথেষ্ট যত্নলোৱাৰ বাবে তেওঁলোকলৈয়ো ধন্যবাদ আগবঢ়ালো। সম্পাদক মুক্তানন্দ শৰ্মাৰ ঐকান্তিকপ্ৰচেষ্টা আলোচনীখন প্ৰকাশৰ পথত প্ৰধান শক্তি আছিল। শেহত প্ৰবন্ধ, গল্প তথা কবিতা আদি আগবঢ়াই যিসকল ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে আলোচনীখন সজাই পৰাই তুলিলে সেই সকলোটিলৈকে আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল। বহুতো প্ৰকাশোপযোগী লেখনী আলোচনীৰ কলেবৰ সীমিত কৰিবলগীয়া হোৱাৰ বাবেই ছপাব পৰা নহ'ল। তাৰ বাবে আমি সচাঁকৈয়ে দুঃখিত।

শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰী তথা সকলো বৰ্গৰ কৰ্মচাৰী আৰু মহাবিদ্যালয়ৰ সতে জড়িত সমূহ ব্যক্তি আৰু অনুষ্ঠানৰ প্ৰতি আন্তৰিক শুভ কামনাৰে —

ইদ্ৰিছ আলি
প্ৰবক্তা, অসমীয়া বিভাগ
১০।১১।৮৯



অধ্যক্ষৰ কাৰ্য্যালয় কোঠাত ছাত্ৰ-একতা সভাৰ সদস্য ডুগৰাকীৰ সতে আলোচনাৰত অবস্থাত —

অধ্যক্ষ — আব্দুল মজিদ, এম. এ., এল. এল. বি.

সোঁফালে ঃ— শ্ৰীমুক্তা নন্দ শৰ্ম্মা ( সম্পাদক আলোচনী )

শ্ৰীমনীন বৰুৱা ( সম্পাদক সাংস্কৃতিক বিভাগ )

# সূচীপত্ৰ

## প্ৰবন্ধৰ শিতান


| | | |
|---|---|---|
| মঙ্গলদৈৰ বিষয়ে চমুকৈ | ॥ ১ ॥ | ড° পূৰ্ণচন্দ্ৰ বড়া |
| উদ্ভিদ বিজ্ঞানী অতুলচন্দ্ৰ দত্ত | ॥ ৮ ॥ | শ্ৰীকুমুদ চন্দ্ৰ শৰ্ম্মা |
| বৈষ্ণৱ সাহিত্যলৈ মহাপুৰুষ মাধৱদেৱৰ অৱদান | ॥ ১০ ॥ | শ্ৰীৰঞ্জিতা কলিতা |
| সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ॥ ১৫ ॥ | শ্ৰীপূৰবী শৰ্ম্মা |
| মঙ্গলদৈৰ কেইটামান ঐতিহাসিক পুখুৰী | ॥ ১৮ ॥ | শ্ৰীমতিৰাম মেধি |
| সৈনিক শিল্পী ব্ৰজ শৰ্ম্মা | ॥ ২৩ ॥ | শ্ৰীবিপুল কুমাৰ শৰ্ম্মা |
| সুৰৰ পূজাৰী লক্ষ্মীৰাম বৰুৱা | ॥ ২৯ ॥ | শ্ৰীমিনতি ভট্টাচাৰ্য্য |


## গীতৰ শৰাই


| | |
|---|---|
| শ্ৰীবিজয় গোস্বামী । | ॥ ৩৪ ॥ |
| ,, মনীন বৰুৱা | ॥ ৩৪ ॥ |
| মঃ চামাছুল হক | ॥ ৩৫ ॥ |
| মিচ্ হেলমিনা বেগম | ॥ ৩৫ ॥ |
| ইদ্ৰিছ আলি | ॥ ৩৬ ॥ |
| আব্বাচ আলি | ॥ ৩৬ ॥ |


## গল্পৰ শিতান


| | | |
|---|---|---|
| বেদনাৰ জুই | ॥ ৩৭ ॥ | ফাৰুক হাজৰিকা |
| নাইট কুইন | ॥ ৪০ ॥ | শ্ৰীবৰ্ণালী হাজৰিকা |
| উপেক্ষিতা উৰ্মিলা | ॥ ৪৫ ॥ | মিচ্ জুলপ্ৰিয়া ডেকা |
| ডাঙৰ মাছ | ॥ ৫৩ ॥ | যতীন কুমাৰ বৰুৱা |
| বানে গৰকা কৰুণ বিননী | ॥ ৫৬ ॥ | মঃ হাফিজ আলি |
| ভগ্নহিয়াৰ খলকনি | ॥ ৬১ ॥ | সাগৰিকা চহৰীয়া |
| পেহীৰ ঘৰত এসাজ | ॥ ৬৪ ॥ | সাধিৰাম বৰা |
| নিশাৰ শেষৰ বেদনা | ॥ ৬৭ ॥ | জয়ন্ত ডেকা |

## কবিতাৰ ফুলনি


| | | |
|---|---|---|
| নতুন গোসাঁনী | ॥ ৭১ ॥ | শ্ৰীভৱানন্দ বাজখোৱা |
| তোমালোকে তাক চিনি পোৱা | ॥ ৭৩ ॥ | ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা |
| তুমি মৰুভূমি | ॥ ৭৩ ॥ | অপূৰ্ব কুমাৰ শৰ্ম্মা |
| বনৰীয়া বিহঙ্গম | ॥ ৭৪ ॥ | শ্ৰীজ্যোতিষ চন্দ্ৰ নাথ |
| আই | ॥ ৭৫ ॥ | জ্যোৎস্না বৰদলৈ |
| প্ৰতিবাদৰ কণ্ঠ | ॥ ৭৫ ॥ | মিচ্‌ নমিতা ব্ৰহ্ম |
| মই আকৌ আহিম দেশৰ বাবে | ॥ ৭৬ ॥ | হৰেন্দ্ৰ কেওঁট |
| সেই নদী তুমি বসুন্ধৰা | ॥ ৭৭ ॥ | অলি দেৱী |
| হাঁহি কাৰ বাবে | ॥ ৭৭ ॥ | বিনোদ চন্দ্ৰ ডেকা |
| এটি নতুন দিনৰ প্ৰতিশ্ৰুতি | ॥ ৭৮ ॥ | নৱকুমাৰ শৰ্ম্মা |
| সময় আৰু যুদ্ধৰ আখৰা | ॥ ৭৯ ॥ | বিনয় চলিহা |
| পোহৰ তোমাক বিচাৰি | ॥ ৭৯ ॥ | ইচ্‌ কান্দাৰ চাইদ মল্লিক |
| সোঁত | ॥ ৮০ ॥ | নগেন্দ্ৰ নাৰায়ণ বৰুৱা |
| অভিশপ্ত চন্দ্ৰালী আৰু মোৰ প্ৰেমৰ এছোৱা | ॥ ৮১ ॥ | অৰুণ কটকী |
| এবাতি এবুকু তৃষ্ণা | ॥ ৮২ ॥ | মুকুট চন্দ্ৰ শৰ্ম্মা |


## প্ৰতিবেদন চ'ৰা


বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ॥ ৮৩ ৰ পৰা ১০৮ ॥ পৃষ্ঠালৈ ।


## ENGLISH SECTION


| | | |
|---|---|---|
| Some Problems of Teachers and Employees of Aided Colleges—Assam | ॥ 1 ॥ | Abdul Majid |
| A Brief Account of A Refresher Course | ॥ 6 ॥ | Bhupendra Nath Kakati |
| Source of my Song | ॥ 11 ॥ | Kulendra Nath Deka |
| The Flower | ॥ 11 ॥ | Lachit ch. Barman. |



## সম্পাদকৰ কাপৰ পৰা ঃ

মানুহৰ অন্তৰৰ ভাব প্ৰকাশৰ মাধ্যমেই হ'ল ভাষা। এটা জাতিৰ পৰিচয় মূলতঃ ভাষাৰ মাধ্যমেৰেই প্ৰকাশ পায়। যি দৰে Face is the index of mind সেইদৰে ভাষাই সৃষ্টি কৰা সাহিত্যও জাতিটোৰ সভ্যতা সংস্কৃতি, শিল্পকলা, গীত বাদ্য এই সকলোৰে দাপোন স্বৰূপ। নিৰোগী, স্বাস্থ্যবান, চহকী মানুহৰ উজ্জ্বল মুখ মণ্ডলে যি দৰে প্ৰেৰণা যোগাব পাৰে সেইদৰে চহকী ভাষা সাহিত্যয়ো কোনো এটা জাতিৰ শৌৰ্য্য বীৰ্য্যৰ কথা প্ৰকাশ কৰিব পাৰে। আনহাতে সাহিত্য হৈছে এটা জাতিৰ লিখিত দলিল স্বৰূপ। জাতিটোৰ মৃত্যু ঘটিলেও পৃথিবীৰ বুৰঞ্জীত সাহিত্যৰ মাজেৰে শিলৰ বেখাৰ যুগমীয়া হৈ জাতিটোৰ সভ্যতা সংস্কৃতি জিলিকি থাকে।

পৃথিবীৰ বুৰঞ্জীত চীন দেশে প্ৰাচীনতম পুৰণি জাতি আৰু সভ্যতা, সংস্কৃতিৰ দেশ বুলি খ্যাতি অৰ্জ্জন কৰি আহিছে। আজি তেওঁলোক সভ্যতা সংস্কৃতিৰ উৰ্দ্ধতম শিখৰত অৱস্থিত। এফালে গৌৰৱৰ ধ্বজা উৰিছে আনফালে গণতন্ত্ৰৰ দাবীত নিৰীহ ছাত্ৰ আৰু জনতা বন্দুক, ষ্টেনগান, মেচিনগানৰে শাসক গোষ্ঠীৰ হাতত বলি যাবলগীয়া হৈছে। সাম্ৰাজ্যবাদৰ বিপৰীতে তেওঁলোকৰ উন্নতিৰ শিখৰত অন্য এক ভাৱাদৰ্শ জাগি উঠিছে সেয়া হ'ল-গণতন্ত্ৰ !

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ ৪২ বছৰ পিছতো বৰ্তমান পৃথিবীৰ ধনী; সমৃদ্ধিশালী; দেশৰ তুলনাত ক্ৰমোন্নতিশীল দেশ হিচাবে পৰিগনিত। দেশৰ জাতীয় আয় আমেৰিকা, ফ্ৰান্স, কানাডা, ইংলেণ্ড, চীন, ৰুচিয়া আদিৰ তুলনাত বৰ পুতৌলগা। গণতন্ত্ৰৰ ৰাজনীতিৰ আকাশ বৰ্তমান মেঘাছন্ন। হৰতাল, বন্ধ, হত্যা, লুণ্ঠন, মূল্যবৃদ্ধি, শোষণ, নিষ্পেষণ এই সকলোবিলাক নিত্যনৈমিত্তিক। কৃষি প্ৰধান এই বৃহৎ দেশত অত্যাধুনিক বৈজ্ঞানিক পদ্ধতিৰ সা-সজুলীৰ প্ৰাদুৰ্ভৱৰ দিনতো বুঢ়াহালোৱা গৰু আৰু কাঠৰ নাঙলেৰে খেতি কৰি দিনৰ মূৰত এসাজ খায় সৰ্ব্বসাধাৰণে প্ৰাণ প্ৰবৰ্তোৱাৰ যুগ। কম্পিউটাৰ, টেলিভিচনৰ, যুগতো বৰ্তমান সৰ্ব্বসাধাৰণ আজি খাদ্যাভাৱত দুৰ্দশাগ্ৰস্থ। দেশৰ ৭০ কোটি জনসংখ্যাৰ শতকৰা ৬০ জনেই আজি দৰিদ্ৰতাৰ কবলত। সেয়ে গাৱঁৰ সৰ্ব্বসাধাৰণ ৰাইজে বৰ্তমানে জীৱন নিৰ্ব্বাহ, কৰ্ম্মসংস্থানৰ সা-সুবিধাৰ আশাত হৈ পৰিছে চহৰমুখী।

বিগত বছৰকেইটাত অসমত সঘনাই বানপানী, খৰাংবতৰ, দুৰ্ভিক্ষ মাৰিমৰকৰ, অন্তত অসমবাসীয়ে যুজিবলগীয়াত পৰিল বিদেশী বিতাৰণৰ বাবে। সেয়ে ১৯৭৯ চনৰপৰা সদৌ অসম ছাত্ৰ সন্থাই আন্দোলন চলালে অসমত অবৈধভাৱে অনুপ্ৰবেশকাৰী বিদেশী বিতাৰণৰ দাবীত। অপূৰণীয় ক্ষতি আৰু শ শ শ্বহীদৰ আত্মবলিদানৰ অন্তত ১৯৮৫ চনত ভাৰতৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ দ্বাৰা সদৌ অসম ছাত্ৰ সন্থা এখনি চুক্তিত উপনীত হ'ল।

লগে লগে অসমবাসীয়ে পালে স্থানীয় যুৱকৰ এখন নতুন চৰকাৰ 'অসম গণ পৰিষদ' । এই নৱগঠিত চৰকাৰখনে আঢ়ৈ বছৰ কাৰ্য্যকাল চলোৱাৰ পিছত আমাৰ দৈনন্দিন জীৱনৰ ঘাই সুতিৰ চিৰ প্ৰৱাহমান জনজাতি সহোদৰ ভাই সকল হৈ পৰিল বৰ্তমানে সমন্বয়ৰ প্ৰতিবন্ধক স্বৰূপ । ইমানদিনে একান্নভুগী সাত ভাই পৰিয়ালৰ দ্বাৰা চলি অহা ভাই সকলে আজি থিয় দিছে নিজৰ নিজৰ অধিক সা-সুবিধা আৰু সুকীয়া ৰাজ্যৰ দাবীত । এই স্থানীয় জনগোষ্ঠীৰ সমস্যাবোৰ ৰাজনৈতিক ভাবে অথবা অন্য প্ৰকাৰে সমাধান কৰি অসমৰ সামগ্ৰীক একতা ৰক্ষা কৰা বৰ্তমান সময়ত অতি প্ৰয়োজন । ভাষিক ঐক্যৰ লগত সাংস্কৃতিক ঐক্য ভবিষ্যত অসমৰ ভেটি । ইয়াৰ দায়িত্ব চৰকাৰ তথা জনসাধাৰণ দুয়ো পক্ষৰে ।

মঙ্গলদৈ মহাবিদ্যালয়ৰ মুখপত্ৰ এই আলোচনীখন শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ সৃজনাত্মক ভাৱধাৰাৰ অতীত বৰ্তমান আৰু ভবিষ্যতৰ সমন্বয়ৰ এনাজৰী । দৰং জিলাৰ সদৰ ঠাই মঙলদৈ চহৰৰ এই মহাবিদ্যালয়খনি ৰাইজৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ । এই মহান অনুষ্ঠানটিয়ে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক পোহৰ বিলাইছে জীৱিকাৰ সন্ধান দিছে আৰু মঙলদৈ অঞ্চলৰ অনেক বিশিষ্ট ব্যক্তিৰ জন্মদাতাও হৈছে এই মহাবিদ্যালয় খনেই ।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ জৰিয়তে প্ৰতি বছৰে প্ৰকাশ হৈ অহা আলোচনীখনলৈ মোৰ আন্তৰিক শুভেচ্ছা তথা উদীয়মান লিখক লেখিকা সকললৈ ওলগ জনালো । ভবিষ্যতেও আলোচনীখন প্ৰতি বছৰে প্ৰকাশ হৈ ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত ভাবধাৰা প্ৰকাশৰ এক বলিষ্ঠ মাধ্যম হৈ উঠক ইয়াকে কামনা কৰিলোঁ ।

মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদক হিচাবে নিৰ্বাচনত জয়ী কৰাই ছাত্ৰ-ছাত্ৰী সকলে এই কণ সেৱাৰ সুবিধা দিয়া হেতুকে মই সমূহ ছাত্ৰ ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । মোৰ এই গধুৰ দায়িত্ব সম্পাদনত আদিৰ পৰা অন্তলৈ মৰম চেনেহ সহায় সুবিধা আগবঢ়োৱা অধ্যক্ষ আব্দুল মজিদ চাৰ আৰু উপাধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বড়া চাৰলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ ।

লগতে আলোচনীৰ বিভিন্ন পাণ্ডুলিপিৰ পৰীক্ষা কৰি দিয়া বাবে মোৰ মাননীয় শিক্ষাগুৰু ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা, শ্ৰীজীৱন চন্দ্ৰ শৰ্ম্মা, শ্ৰীমনিমুগ্ধ বৰঠাকুৰ, শ্ৰীবিজয় চন্দ্ৰ গোস্বামী আৰু শ্ৰীমতী উষা বড়া বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো । আলোচনীৰ বিভিন্ন দিশত সহায় কৰা মাননীয় ভাৰপ্ৰাপ্ত অধ্যাপক ইদ্ৰিছ আলি চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

ইয়াৰ উপৰিও মোৰ এই গধুৰ দায়িত্বত আদিৰ পৰা অন্তলৈ সহায় আগবঢ়োৱা ছাত্ৰ কেইজনৰ নাম নিলিখালৈ থাকিব নোৱাৰিলো । তেওঁলোক ক্ৰমে শ্ৰীঅপূৰ্ব শৰ্ম্মা, নিৰন, আক্কাচ, মনীন, গোলাপ, তপন, চন্দ্ৰ, মনোজ, মোস্তাফা ডিম্বেশ্বৰ, বিজু আৰু পৰাগ শৰ্ম্মা ।


ভুলৰ ক্ষমা বিচাৰি :—সৰ্ব্বশেষত এই গধুৰ দায়িত্বৰ অজানিতে হোৱা ভুল ত্ৰুটীৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

জয় আই অসম

শ্ৰীমুক্তানন্দ শৰ্ম্মা

সম্পাদক, মঙ্গলদৈ মহাবিদ্যালয় আলোচনী ।

## আলোচনী সম্পাদনা সমিতি



বহি থকা ( সোঁহাতৰ পৰা ক্ৰমে ) অধ্যাপক ইদ্ৰিছ আলি, এম. এ. ( তত্বাৱধায়ক ), অধ্যাপক মনিমুগ্ধ বৰঠাকুৰ এম. এ , অধ্যাপিকা অৰুনাভা ভূঞা এম, এ, এম, ফিল, অধ্যাপিকা উষা বৰা, এম. এ. ( উপ-সভাপতি ), অধ্যক্ষ আব্দুল মজিদ এম. এ এল এল. বি. (সভাপতি) উপাধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বৰা, এম. এ. পি. এইচ. ডি. , অধ্যাপক মতিৰাম মেধি এম. এ. এম. ফিল. , অধ্যাপক ৰনেন্দু সেন এম. এ।

থিয় হৈ থকা ( সোঁহাতৰ পৰা ক্ৰমে ) শ্ৰীমতী নিৰ্মালি দেৱা, শ্ৰীমুক্তানন্দ শৰ্ম্মা ( সম্পাদক ), শ্ৰীবিনয় চলিহা, শ্ৰীমৰ্নীন বৰুৱা, শ্ৰীহিৰেন ডেকা, শ্ৰীকৈলাশচন্দ্ৰ বৰুৱা, শ্ৰীঅৰুণ কটকী, মঃ ফাৰুক হাজৰিকা, ফৰিদা বেগম। ( সদস্য বৃন্দ )

# মঙ্গলদৈৰ বিষয়ে চমুকৈ

● ডক্তৰ শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা

মঙ্গলদৈৰ অক্ষৰেখা ২৬°২৩′ N, দ্ৰাঘিমাৰেখা ৯২°২′ E।

দৰঙীৰজা পৰিক্ষীত নাৰায়ণৰ মনোগ্ৰাহী জীয়ৰী মঙ্গলা দেবীক আহোম ৰজা প্ৰতাপ সিংহলৈ (১৬০৩—১৬৪৯) খৃষ্টাব্দলৈ মঙ্গলদৈ নদীৰ কাষত বিবাহ-দাইঁৰ পাতি বিয়া দিয়া হয়। সেই আপাহঁতেই মঙ্গলদৈ নদীখনৰ নাম মঙ্গলদৈ ৰখা হয় আৰু ঠাই ডোখৰৰ নামো মঙ্গলদৈ ৰখা হয়। এইয়া জন শ্ৰুতি।

দৰঙীৰজাৰ পুৰণি ৰাজধানী আছিল হাউলী মোহনপুৰত। এই ৰাজ্য বৃটিছ চৰকাৰৰ হাতলৈ অহাৰ পিচত দৰঙীৰাজ্যৰ ৰাজধানী মঙ্গলদৈলৈ অনা হয়। কিন্তু ১৮২৫ চনত এই ৰাজধানী তেজপুৰলৈ নিয়া হয়। পিচত পুনৰ মঙ্গলদৈলৈ ৰাজধানীখন লৈ অহা হয়।

দৰঙ ৰাজ্য কোচঁৰজা মহাৰাজ নৰনাৰায়ণৰ ৰাজ্যৰ এটি অংশ মাত্ৰ। দৰঙ ৰাজ্য স্থাপনৰ সময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আৰু দক্ষিণ পাৰেও ভূঞাসকলৰ ৰাজত্ব আছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ উপৰিপুৰুষ চণ্ডীৱৰ কনৌজৰ পৰা আহি মঙ্গলদৈৰ বৌতাৰ পিনে ভূঁঞা ৰাজ্য পাতি শিৰোমণি ভূঁঞা হৈছিল। শিৰোমণি ভূঁঞা মানে ভূঁঞা প্ৰধান। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভূঁঞাসকলৰ ৰাজত্ব আছিল উত্তৰ লক্ষীমপুৰলৈকে। লগে লগে ছুটীয়া সকলৰো ৰাজত্ব সমান্তৰাল হিচাপে আছিল। নগাওঁ জিলাতো ভালেমান ভূঁঞা ৰাজ্য আছিল। কমতা ৰাজ্যৰ ৰজা ধৰ্মপালৰ অধীনত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আঁজুককাক চণ্ডীৱৰে আৰু আন আন ভূঁঞাসকলে ভূঞাৰাজ্য পাতিছিল। চণ্ডীৱৰে দৰঙ জিলাৰ বৌতা অঞ্চলত ভূঁঞাৰাজ্য পাতি নিবাস কৰিছিল। চণ্ডীৱৰৰ দ্বিতীয় পুত্ৰ গদাধৰ ভূঁঞা দৰঙ শিঙৰীত প্ৰতাপশালী ভূঁঞা আছিল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ শিশু কাল ছোৱাত মাধৱ দলৈ নামৰ ভূঁঞা প্ৰধানে দৰঙৰ শিঙৰীত অখণ্ড প্ৰতাপেৰে ভূঁঞা প্ৰধান হৈ আছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ এই ভূঁঞা বংশজাত। আহোম ৰজা চুহুঙ্‌মুঙ্‌ ওৰফে দিহীঙীয়া ৰজাই এই ভূঁঞা ৰাজ্যবোৰ ১৫০৫ খৃষ্টাব্দত জয় কৰি নিজ ৰাজ্যৰ অধীন কৰি লয় আহোম ৰজা প্ৰতাপ সিংহৰ দিনত সমস্ত ভূঁঞা

ৰাজ্যবোৰ আহোম ৰাজ্যৰ লগত চামিল হৈ যায়।

প্ৰথম কোচৰজা বিশ্বসিংহই দৰঙ, দিমৰীয়া, বেলতলা, বাঁণী, লুঁকি, বকো, ছয়গাওঁ, বৰনগৰ, কৰইবাৰী, আঠিয়াবাৰী আদি ৰাজ্যবোৰ জয় কৰে। ই,এ গেইটৰ মতে পূবে বৰনদীলৈকে বিশ্বসিংহৰ ৰাজ্য বিয়পি আছিল।

বৰ্তমান দৰঙৰ বৰনদী পৰ্য্যন্ত ১৫১৫ খৃষ্টাব্দত বিশ্বসিংহই ৰাজ্য বিস্তাৰ কৰে। সেই সময়ত দৰঙৰ বিস্তৃত অঞ্চলত ভূঞাসকলৰ ৰাজত্ব আছিল।

বিশ্বসিংহৰ ১৫৪০ খৃষ্টাব্দত মৃত্যু হয়। তেওঁৰ জেষ্ঠপুত্ৰ মল্লদেৱে নৰনাৰায়ণ নামলৈ ৰজা হয়। শুক্লধ্বজ চিলাৰায়ক কোচৰাজ্যৰ প্ৰধান সেনা নায়ক পতা হয়। অভিভক্ত দৰং জিলালৈকে সমগ্ৰ অঞ্চল কোচৰাজ্যৰ অন্তৰ্গত কৰা হয় ১৫৪৬ খৃষ্টাব্দত ভুয়োভাতৃৰ দ্বাৰা। আহোম ৰজা শুক্লেঁডমুঙে কোচৰজাই খেদি পঠোৱা কেইজন মান বিশিষ্ট ভূঞাঁক আশ্ৰয় দিয়াত কোচঁ ৰজাই আহোম ৰাজ্য আক্ৰমণ কৰি আহোমক ১৫৪৬ খৃষ্টাব্দত দিকৰাই ওচৰত, আৰু কলিয়াবৰত আৰু চলা নামৰ ঠাইত পৰাজয় কৰে।

ভাতৃ চিলাৰাইৰ সহায়ত নৰনাৰায়ণ কোচ ৰজাই আহোম ৰজাৰ ওপৰিয়ো মণিপুৰ ৰাজ্য, জয়ন্তীয়া ৰাজ্য, চিলেট ৰাজ্য, টিপ্পৰা ৰাজ্য, খেৰিম ৰাজ্য আৰু ডিমৰুৱা ৰাজ্য জয় কৰে।

দৰঙ ৰাজ্যৰ মাজেদি গোহাঁই কমল আলি নিৰ্মাণ কৰোৱা হয় যাৰ অৱশেষ আজিয়ো বিদ্যমান, এই গোহাঁইকমল আলি কোঁচৰজাই নিৰ্মাণ কৰিছিল। ইয়াৰ দীৰ্ঘ ৫৬০ কিলোমিটাৰ। কোঁচবিহাৰৰ পৰা আৰম্ভ কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি উত্তৰ লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰলৈকে এই গোহাঁইকমল আলি বিস্তৃত। কোঁচৰজা নৰনাৰায়ণৰ এজন ভাতৃ গোহাঁই কমলৰ নামত এই আলি নিৰ্মাণ কৰা হৈছিল।

মঙ্গলদৈৰ বৰ্ত্তমানৰ কলাই গাৱঁৰ ওচৰৰ ভগ্ন "মূৰাদেৱ" মন্দিৰটো কোঁচৰজা নৰনাৰায়ণে নিৰ্মাণ কৰিছিল বুলি কথিত আছে। প্ৰায় পঞ্চাশ বছৰ ৰাজত্ব কৰি ১৫৮৪ খৃষ্টাব্দত নৰনাৰায়ণে মৃত্যুবৰণ কৰে।

চিলাৰায়ৰ ১৫৭৭ খৃষ্টাব্দত মৃত্যু হয়। চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ। কোঁচৰাজ্যৰ ৰজা ৰঘুদেৱেই হব বুলি ভাবি থকা হৈছিল। কিয়নো নৰনাৰায়ণৰ বহুত দিনলৈকে পুত্ৰ সন্তান নাছিল। পিছত লক্ষীনাৰায়ণ নামে নৰনাৰায়ণৰ এটি পুত্ৰ সন্তান জন্ম হয়। তেতিয়া ৰঘুদেৱ বৰপেটালৈ সপৰিয়ালে আহিল। নৰনাৰায়ণে ৰঘুদেৱক সোণকোষ পূবপিনৰ অংশ দি দিলে।

১৫৮৪ খৃষ্টাব্দত নৰনাৰায়ণৰ মৃত্যু হয়। ৰঘুদেৱৰ পিচত তেওঁৰ ৰাজ্য ভাগত লক্ষ্মীনাৰায়ণ আৰু পৰিক্ষীত নাৰায়ণ ৰাজ্যৰ অধিকাৰী হয়। পিচত উভয়ৰ মাজত খৰিয়াল হয়। লক্ষ্মীনাৰায়ণে ঢাকাৰ নবাৱৰ সহায় লৈ পৰিক্ষীতক পৰাজয় কৰে।

ধুবুৰীত নবাৱৰ লগত যুদ্ধত পৰাজিত হৈ পৰিক্ষীতে আহোমৰজা প্ৰতাপ সিংহৰ সহায়

বিচাৰে । সহায়ৰ চৰ্ত্ত মান্তি নহৈ, পৰিক্ষীতে নিৰাশ হৈ পৰে ।

মোগলে ১৬১৪ চনত আকৌ পৰিক্ষীতৰ ৰাজ্য আক্ৰমণ কৰে । পৰিক্ষীতক পাণ্ডুলৈ খেদি পঠায় । পিচত পৰিক্ষীতৰ এলাহাবাদত মৃত্যু হয় ।

খৃষ্টাব্দ ১৬১৫ চনত পৰিক্ষীতৰ ভাতৃ বলী-নাৰায়ণ পলাই আহোম ৰজা প্ৰতাপ সিংহৰ আশ্ৰয় আৰু সহায় লয় ১৬১৬ খৃষ্টাব্দত প্ৰতাপ সিংহই দৰঙত মোগলক (জাহাঙ্গীৰ) যুঁজত পৰাজয় কৰে ।

আহোম ৰজাই মোগলক খেদি বলীনাৰায়ণক ধৰ্মনাৰায়ণ নাম দি ১৬১৬ খৃষ্টাব্দত দৰঙৰ ৰজা পাতে । কিন্তু আহোম ৰজাৰ বন্ধু বা তলতীয়া ৰজাহে হৈ থাকে ।

১৬১৭ খৃষ্টাব্দত প্ৰতাপ সিংহই বলীনাৰায়ণক লগত লৈ হাজোৰ পৰা মোগলক প্ৰথমবাৰত নোৱাৰি, দ্বিতীয় বাৰত খেদে । দ্বিতীয় বাৰত, বৰফুকনে বলীনাৰায়ণৰ লগত সহযোগ কৰিছিল । প্ৰতাপ সিংহই বলীনাৰায়ণক হাজো অঞ্চল দি দিয়ে। ধৰ্মনাৰায়ণৰৰ পিছত মহেন্দ্ৰ নাৰায়ণ দৰঙৰ ৰজা হয় । কিন্তু ই, এ গেইটৰ মতে, ধৰ্মনাৰায়ণ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ সুন্দ নাৰায়ণহে ৰজা হৈ ৰাজধানী মঙ্গলদৈ নগৰত পাতে ।

মহেন্দ্ৰ নাৰায়ণৰ ১৬৪৩ খৃষ্টাব্দত মৃত্যু হয় । চন্দ্ৰনাৰায়ণ তেওঁৰ পিচত দৰঙৰ ৰজা হয় । তেওঁ মঙ্গলদৈত ৰাজধানী পাতে । ভূটীয়াবোৰে বাৰুকৈ দিগদাৰী দি আছিল । আহোম ৰজাই সহায় কৰাত ভূটীয়াৰ অত্যাচাৰৰ শাঁম কাটে ।

চন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিচত সূৰ্য্যনাৰায়ণ ১৬৬০ খৃষ্টাব্দত দৰঙৰ ৰজা হয় ।

১৬৮২ খৃষ্টাব্দত কামৰূপত মোগলে ৰখা ফৌজদাৰে দৰঙ আক্ৰমণ কৰে । আৰু দৰঙী ৰজা সূৰ্য্য-নাৰায়ণক বন্দী কৰি তেওঁৰ পাঁচবছৰীয়া পুত্ৰ ইন্দ্ৰনাৰাযণক ৰজা পাতে। ইন্দ্ৰনাৰায়ণৰ দিনতেই আহোম ৰজাই দৰঙী ৰজাৰ ক্ষমতা বহুত হ্ৰাস কৰে । আৰু দৰঙী ৰজাৰ ছয় হাজাৰ সৈন্য নি গুৱাহাটীত বৰফুকনৰ তত্বাৱঁধানত ৰাখে । আৰু ভালেমান ঠাই আহোম ৰজাৰ হাতলৈ নি বৰফুকনৰ তত্বাৱঁধানত ৰাখে । দৰঙৰ প্ৰজা সকলকো বৰফুকনৰ তলত ৰখা হয় ।

১৭২৫ খৃষ্টাব্দত ইন্দ্ৰনাৰায়ণৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ আদিত্য নাৰায়ণ দৰঙৰ ৰজা হয় । বৰ্ত্তমানৰ দৰঙ জিলা (মঙ্গলদৈ আৰু ওদালগুৰি মহকুমাহে) মাত্ৰ দৰঙ ৰাজ্যত থাকিলগৈ । বাকী-খিনি আহোম ৰাজ্যৰ লগত চামিল হ'ল ।

১৭২৮ খৃষ্টাব্দত আদিত্য নাৰায়ণৰ ভাতৃ মোদনাৰায়ণে দৰঙ ৰাজ্যৰ দুই তৃতীয়াংশৰ বৰ ৰজা হয় । আৰু আদিত্য নাৰায়ণ ডেকা ৰজা হয় । এইখিনি সময়ৰ পৰায়েই দৰঙী ৰজা নামতহে ৰজা হৈ থাকিল ।

আদিত্য নাৰায়ণৰ ডেকা ৰজা গিৰীন্দ্ৰ-ধ্বজ নাৰায়ণ, দুৰ্ল্লভনাৰায়ণ আৰু হংস নাৰায়ণ (দুই নম্বৰ) আৰু বৰৰজা গিৰীন্দ্ৰ ধীৰনাৰায়ণ, মহৎনাৰায়ণ, কীৰ্ত্তিনাৰায়ণ আৰু হংসনাৰায়ণে (এক নম্বৰ) ভোগ কৰে ।

ধ্বজনাৰায়নক বৰফুকনে সাধাৰণ কথা এটাৰ কাৰণেই ৰাজ্যৰ পৰা বহিস্কাৰ কৰে। আহোম ৰজাই শলালগোহাইক দৰঙ ৰাজ্যৰ শাসনৰ ওপৰত শাসক কৰি ৰাখিলে যাতে দৰঙী ৰজাই আহোম ৰজাৰ ইচ্ছাৰ অনুকুলে কাম কৰে। প্ৰতিকুলে কাম নকৰে।

নানা কাৰণত আহোম ৰজাই হংস নাৰায়ণৰ (দুই নম্বৰ) মৃত্যু দণ্ড দিলে আৰু হংস নাৰায়ণৰ (দুই নম্বৰ) পুত্ৰ কৃষ্ণ নাৰায়ণক ডেকা-ৰজা গিৰীত নিদি বিষ্ণু নাৰায়ণক দিলে।

এইবোৰ ১৭৯০ খৃষ্টাব্দৰ ফেব্ৰুৱাৰী মাহৰ ঘটনা।

কৃষ্ণ নাৰায়ণে বিদ্ৰোহ কৰি জিকিল আৰু উত্তৰ গুৱাহাটীকে ভিতৰ কৰি কামৰূপৰো কিছু অংশ নিজৰ ৰাজ্যত চামিল কৰি ললে।

স্বৰ্গদেউ গৌবিনাথ সিংহই কৃষ্ণনাৰায়ণক দৰঙৰ ৰজা পাতিলে। আৰু গৌবিনাথ সিংহক বছৰি আঠাৰন্ন হাজাৰ টকা দিবলৈ গিৰমিট্ দিলে। গতিকে, কৃষ্ণ নাৰায়ণ দৰঙৰ ৰজা হ'ল যদিও নামতহে ৰজা হৈ থাকিল। দৰঙ ৰাজ্যৰ ৰাজনৈতিক আৰু শাসন সম্বন্ধীয় কাৰ্য্যৰ সম্পূৰ্ণ দায়ীত্ব থাকিল বৰফুকনৰ হাতত‌হে কৃষ্ণ নাৰায়ণে মঙ্গলদৈত নামত দৰঙী ৰাজ ষ্টেট্‌ৰ মালিক হৈ থাকিল।

১৮৮১ খৃষ্টাব্দৰ পৰা ১৮২৪ লৈ অসমৰ দূৰ্গতিৰ সীমা নোহোৱা হ'ল। এই সময় ছোৱাত মানে (বামিজসকলে) আক্ৰমণ কৰিলে। মানে (অৰ্থাৎ বামিজবোৰে) অসম আক্ৰমণ কৰি মানুহক অপাৰ শাস্তি দিলে। পিচত তেওঁলোকে বৃটিছৰ ৰাজ্য আক্ৰমণ কৰে। বৃটিছ কোম্পানীয়ে ১৮২৪ চনত মানৰ লগত ফেপেঁৰি পাতে। আৰু ১৮২৫ চনৰ জানুৱাৰীত ৰঙপুৰ অধিকাৰ কৰে। আৰু মানবোৰক অসমৰ পৰা খেদি নিজ ৰাজ্যলৈ পঠালে। ১৮২৬ চনৰ ছাব্বিশ ফেব্ৰুৱাৰীত মানৰ লগত বৃটিছ কোম্পানীৰ ইয়াণ্ডাবু সন্ধি হয়।

ইয়াৰ লগে লগে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম ৰাজ্য তেওঁলোকৰ ৰাজ্যৰ অন্তৰ্গত কৰে। লগতে দৰঙ ৰাজ্যয়ো বৃটিছৰ হাতলৈ যায়।

১৮৩৩ চনত দৰঙ ৰাজ্যক দৰঙ জিলা নাম দি মঙ্গলদৈত ৰাজধানী/সদৰ ঠাই পতা হয়।

১৮৩৫ খৃষ্টাব্দত দৰঙৰ সদৰ ঠাই মঙ্গলদৈৰ পৰা তেজপুৰলৈ নিয়া হয়। পিচত পুনৰ মঙ্গলদৈলৈ অনা হয়।

১৯০০ খৃষ্টাব্দৰ পৰা ১৯৪৭ লৈ দৰঙৰ জন-সংখ্যা বঢ়া দেখা গৈছিল। ১৯০৫—১৯০৯ লৈ আৰু ১৯২৭—১৯৩৩ লৈ ছেটোলমেণ্ট্ হৈছিল এই দৰঙ জিলাত ১৯২৩ চনত দৰঙ জিলাই লেজিচ্লেটিভ কাউন্চিল্ ইলেক্চনত যোগ দিছিল। আৰু ১৯৩৭ চনত লেজিচ্লেটিভ্ এছে-ম্ব্লি ইলেক্চনতো যোগ দিছিল। বৃটিছ চৰকাৰৰ শেষ লেজিচ্লেটিভ্ এচেম্ব্লি ইলেকচন ১৯৪৬ চনত হয়। ইয়াতো দৰঙ জিলাই সম্পূৰ্ণ ভাগ লৈছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনতো দৰঙ জিলাই ভাগ লৈছিল।

বৃটিছ চৰকাৰে মাটিৰ খাজ্ঁনা বঢ়োৱাত দৰঙীয়াল ৰাইজে ঘোঁৰ আপত্তি কৰিছিল। সেই সন্দৰ্ভত ১৮৬৮ খৃষ্টাব্দত বৃটিছ চৰকাৰৰ লোকৰ লগত দৰঙীয়াল ৰাইজৰ মতানৈক্য হৈছিল। এই মতানৈক্য ১৮৯৪ খৃষ্টাব্দলৈকে চলিছিল। শেষত

দৰঙীয়াল ৰাইজ আৰু বৃটিছ চৰকাৰৰ লোকৰ লগত যুজ হয়গৈ। যুজত দৰঙীয়াল ৰাইজৰ, চৰকাৰী হিচাপমতে পোন্ধৰজন আৰু বেচৰকাৰী হিচাপমতে এশ ছত্রিশজন লোকৰ মৃত্যু হয়। আৰু বহুতো আহত হয়। ইয়াক পাথৰুঘাটৰ ৰণ বোলে। দৰঙত বা মঙ্গলদৈত পণ্ডিত কেইবা গৰাকীও আছিল।

মঙ্গলদৈৰ দৰঙীৰজাৰ ৰাজ পুৰুহিত মহা-মহোপধ্যায় পীতাম্বৰ সিদ্ধান্ত বাঁগীশ ভট্টাচাৰ্য্যই ওঠৰখন কৌমুদী ৰচনা কৰে। ইয়াত বেদ, পুৰাণ, স্মৃতিৰ আৰু নানা শাস্ত্রৰ সাৰ সংগ্রহ কৰা আছে। দূৰ্গোৎসৱ পদ্ধতি, শ্রাদ্ধাদি পদ্ধতি আৰু জন্মাষ্টমী নামৰ পুথি ৰচনা কৰে। কামাখ্যা মন্দিৰ আৰু হাজোৰ হয়গ্রীৱ মাধৱ মন্দিৰ প্রতিষ্ঠা কৰা কাৰণে ৰজা ৰঘুদেৱে কামৰূপৰ ক্ষীৰদধি গাৱঁত ৫৬০ বিঘা মাটি ব্রহ্মোত্তৰ দান দিছিল এখেতে মঙ্গলদৈৰ সৰাবাৰীত নিবাস কৰিছিল। মঙ্গলদৈৰে সূৰ্য্যখড়ি দৈৱজ্ঞ এজন বিখ্যাত জ্যোতিষ পণ্ডিত আছিল। এওঁ ৰাজমাৰ্ত্তণ্ড বৃহৎ জ্যোতিষ পুথিৰ টীকা লিখিছিল। দৰঙ ৰাজবংশাৱলী নামৰ পুথি লিখিছিল। ৰতিকান্ত দ্বিজই ব্রহ্মবৈবৰ্ত্ত পুৰাণৰ অসমীয়া পদ ৰচনা কৰিছিল। এখেতো মঙ্গলদৈৰ।

মঙ্গলদৈৰ সাগৰ খড়িয়ে (চন্দ্রশেখৰে) নিদান শাস্ত্র, জ্যোতিষ শাস্ত্র আৰু কৰ্মপদ নামৰ পুথি লিখে। এখেতৰ ঘৰ মঙ্গলদৈৰ লোকৰাই মৌজাৰ পোৱালজাৰত। পণ্ডিত প্রৱৰ কবিৰাজ মিশ্রৰ (দৈৱজ্ঞ) ঘৰ মঙ্গলদৈৰ ছপৰা গাৱঁত আছিল। ১৬১৬ চনত শিয়ালা গোসাঁই পুথি লিখে।

ৰাম সৰস্বতী দৰঙী ৰজা ধৰ্মনাৰায়ণ দেৱৰ ৰাজ পণ্ডিত আছিল।

পণ্ডিত পাৰিজাত ব্যাসনীঃ—এওঁ চিৰকুমাৰী আছিল। বাকসিদ্ধা আছিল কাৰণে ধৰ্মনাৰায়ণ ৰজাই ৰাজসভাত সভাপণ্ডিত পাতে।

সদানন্দঃ—এওঁ সঙ্গীতজ্ঞহে আছিল (১৬১৪-১৬৩৭) এওঁ ব্যাস গোৱা ওজা। দৰঙী ৰজাই ব্যাস কলাই নাম দিছিল। এই নামেই ব্যাসপাৰা। কিছুমানৰ মতে পণ্ডিত হৰিবৰ বিপ্র দৰঙৰ লোক। থেকেৰাবাৰীত ঘৰ আছিল।

আচাৰ্য্য কবি চুড়ামণি মঙ্গলদৈৰ সৰাবাৰী মৌজাৰ চমতীয়াত এখেতৰ ঘৰ আছিল। সুকবি নাৰায়ণদেৱ মঙ্গলদৈৰ এগৰাকী পণ্ডিত। এখেতে পদ্মপুৰাণখন লিখিছিল। "হস্তী বিদ্যাৰ্ণৱ" নামৰ পুথিখন দৰঙৰ সুকুমাৰ বৰ কায়স্থই ৰচনা কৰা।

মঙ্গলদৈৰ (দৰঙৰ) মাটি অতি সাৰুৱা। খেতি বাতি যথেষ্ট হয়। সৌসিদিনালৈকে বহুত ফলঙ বা পতিত মাটি চন হৈ পৰি আছিল। চাপৰি অঞ্চলত বানপানী হলেও বানপানীয়ে অনা পলসৰ কাৰণে মাটি খেতিৰ উপযোগী হৈ পৰে। বান পানীয়ে নেমাৰিলে খেতি বেছ ভাল হয়। আৰু দৰঙৰ থলুৱা বা স্থানীয় লোকসকল বেচ সৰল। গতিকে দৰঙত সৌসিদিনালৈকে শান্তি বিৰাজ কৰিছিল। স্থানীয় বা থলুৱা লোকসকল বৰশান্তি প্রিয়।

এইবোৰ কাৰণতেই দৰঙলৈ নানা ঠাইৰ পৰা মানুহ আহি ভৰি পৰিলহি। বিশেষকৈ পূৰ্ব্ববঙ্গ, মৈমন সিংহ জিলাৰ পৰা লাখ লাখ মানুহ আহি দৰঙ ভৰ্ত্তি হৈ পৰিল। হিন্দু বঙালী, বঙালী মুছলমান লোকেৰে দৰঙ ভৰপূৰ হৈ পৰিল।

নেপালী, বিহাৰী, উৰিয়া (চাহবাগানৰ শ্ৰমিক সকল) আদিয়ো দৰঙত বসবাস কৰিবলৈ ললে। এনেদৰে বিভিন্ন লোকেৰে দৰঙ আজি লোকাৰণ্য। এই লোকসকল লাহে লাহে এদিন দৰঙৰ অসমীয়া ভাষা কৃষ্টিৰ লগত নিশ্চয় মিলি যাব। আৰু এক বৃহৎ অসমীয়া জাতি গঠনত সহায়ক হব।

দৰঙৰ বড়ো, কছাৰী, ৰাভা, সকল আদিমবাসী। এওঁলোক আছলতে খাটি দৰঙীয়াল অসমীয়া। এওঁলোক হিন্দুধৰ্মী হলেই কোঁচ হৈ পৰে। কিয়নো সকলো কোঁচ বড়ো, কছাৰীৰ পৰা হোৱা।

মঙ্গলদৈ মহকুমাত (দৰঙত) বহুত মুছলমান মানুহ সোভবশ খৃষ্টাব্দতেই বৈ গৈছিল। এই সকল মুছলমান লোক মোগলৰ আক্ৰমণত আহি কামৰূপ আৰু গুৱাহাটীত বৈ গৈ পিছত মঙ্গলদৈলৈকো আহিল। এওঁলোকৰ পৰশ পায় ইয়াৰ স্থানীয় লোক বহুতো মুছলিম হ'ল নানান সামাজিক আৰু ধৰ্মীয় কাৰণত। এইয়া ১৬৮১ খৃষ্টাব্দৰ আগৰ-পিচৰ কথা। যি সকল মুছলিম হ'ল, তেওঁলোক নামতহে মুছলিম হ'ল। পবিত্ৰ কোৰাণ দেখাই নাছিল। নামহে শুনিছিল। আৰু হিন্দু সকলৰ ওচৰা ওচৰি কৰি থকাৰ কাৰণে হিন্দুৰ প্ৰভাৱ পৰি আছিল। আৰু পুৰ্ব্বতে হিন্দু থকাৰ কাৰণেও হিন্দুৰ নীতি নিয়মবোৰ মানি চলিছিল। আনকি নামত মুছলিম হলেও কামত হিন্দুৰ পূজা পাৰ্বনো মানিছিল।

১৮৮০ খৃষ্টাব্দলৈকে এনেদৰেই চলি আছিল এই সময়তেই মুছলিম ধৰ্ম প্ৰচাৰক জলকাহ আলি ওৰফে চফিচাহেব নামৰ এজন লোক গুৱাহাটীৰ পৰা আহি মঙ্গলদৈত ভালেমান দিন থাকি মুছলিম ধৰ্মৰ আদব কায়দাবোৰ মঙ্গলদৈৰ মুছলমান লোক সকলক শিকায়। এইসকল মঙ্গলদৈ মহকুমাৰ (দৰঙৰ) অসমীয়া মুছলমান বুলি পৰিচিত হয়।

মঙ্গলদৈ মহকুমাত (দৰঙত) কিছু খৃষ্টানধৰ্মী শ্বেতকায় লোক থাকিলেও খৃষ্টান সকল ধৰ্মান্তৰ হৈ হোৱা খৃষ্টানহে। বিশেষকৈ জনজাতিলোক সকলৰ কিছুমানে খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰ হৈছে। ১৯৭১ চনৰ চেন্‌চাচ্‌ মতে অবিভক্ত দৰঙ জিলাত শতকৰা পাছজন খৃষ্টান ধৰ্মী লোক আছে।

ইয়াৰ উপৰিয়ো, বুদ্ধধৰ্মী, শিখধৰ্মী লোকো সামান্য পৰিমাণে নথকা নহয়। বাদ বাকী সকলো লোক হিন্দু ধৰ্মৰ।

ব্ৰাহ্মণ-গণকঃ-পঞ্চম-ষষ্ঠ শতিকাত অসমত ব্ৰাহ্মণ সকলৰ স্থিতিৰ কথা পোৱা যায়। পাল-বংশী আৰু বৰ্মন ৰজা সকলে বোধহয় এই ব্ৰাহ্মণ সকলক যজ্ঞাদি কৰিবলৈ অসমৰ বাহিৰৰ পৰা অসমলৈ আনিছিল। দৰঙত ব্ৰাহ্মণৰ সংখ্যা নিচেই কম। দৰঙত মঙ্গলদৈ আৰু পাথৰিঘাট অঞ্চলত কিছু ব্ৰাহ্মণ পৰিয়াল আছে। বাকী অংশতো কম সংখ্যক পৰিয়াল আছে। আহোম ৰজায়ো ব্ৰাহ্মণ, গণক ভাটিৰ পৰা অনাইছিল।

কায়স্থ—দৰঙত কায়স্থৰ সংখ্যা কম। মিথিলা, কনৌজ আৰু কম্পদেশৰ পৰা এওঁলোক অসমলৈ আহে।

কলিতাঃ—দৰঙত কিছুসংখ্যক কলিতা আছে। এওঁলোক কায়স্থৰে এটা ঠাল বুলি কোৱা হয়। যি সকল কায়স্থই হালত ধৰিলে তেওঁলোক কলিতা হ'ল। কিয়নো, ব্ৰাহ্মণৰ দৰে কায়স্থই হাল নেবাইছিল। কথিত আছে যিবোৰ ক্ষত্ৰিয়ই পৰশু-

ৰামৰ ভয়ত ক্ষত্ৰিয় নহয় বুলি মিছা মাতি পৰশু-ৰামৰ কুঠাৰৰ আগৰ পৰা বাচিছিল, তেওঁলোক পিচত কলিতা নামে পৰিচিত হ'ল। ড° বাণী কান্ত কাকতিৰ মতে কলিতা এটা ফৈদ। বঙ্গদেশৰ বৈদ্যৰ দৰে কোনো ব্যৱসায়িক গোষ্ঠি নহয়।

ৰাজবংশী বা কোচঃ—ৰাজবংশী বা কোচ সকল মঙ্গোলীয়ান। যোল্ল শতিকাত কোচৰজা বিশ্বসিংহৰ দিনত এওঁলোকৰ অভ্যুত্থান হয়। এওঁ-লোকক ৰাজবংশীও বোলা হয়।

কেওট—দৰংত কেওঁটো আছে। বৰপেটাত এওঁলোকক কমাৰ (Blacksmith) বোলা হয়। শিৱসাগৰত কলিতায়ো কমাৰ কাম কৰে।

সূঁতঃ—এওঁলোকক বৰীয়াও বোলা হয়। দৰংত কম সংখ্যক বৰীয়া আছে। "বাৰীৰ" পৰা বৰীয়া হৈছে বুলি কোৱা হয়। অৰ্থাৎ বিধৱা ব্ৰাহ্মণ কন্যাৰ লগত শূদ্ৰইৰ বিবাহ হৈ যি সন্তান হয়, সেইয়া বৰীয়া। অথবা ব্ৰাহ্মণ কন্যা শূদ্ৰই বিবাহ কৰিলেও বৰীয়া বোলা হয়। কিছুমানে বৰীয়া সকলক সূঁত নাম দি ক্ষত্ৰিয় বংশধৰ বুলি কয় পুৰাণৰ ঘটনা কেইটামানৰ দৃষ্টান্ত দেখাৰ।

যোগীঃ---দৰংত যোগী যথেষ্ট আছে। এওঁলোকক নাথ বোলে। উজনী অসমত কাতনি বুলিছিল। উজনীৰ কাতনি সকলে বোৱা-কটা ব্যৱসায় কৰিছিল। বাৰশ শতিকাত লেখা "বাল্লাল চৰিতম" নামৰ গ্ৰন্থৰ মতে যোগী সকলে সাপ খেলা দেখুৱাই, ঢোল বজাই জীৱিকা নিৰ্বাহ কৰিছিল। এওঁলোকে কৃষি কাম নকৰিছিল। আৰু লগুণ বা উত্তৰী লৈছিল ব্ৰাহ্মণৰ দৰে। আৰু শৈৱ আছিল। পিচলৈ কিন্তু হাল বাই খেতি কৰিছিল, কাছাৰৰ যোগী সকলে মৃতকক পুতিহে থৈছিল। দাহ নকৰিছিল। কিন্তু, ব্ৰহ্মপুত্ৰ উপত্যকাৰ নাথ সকলে দাহ কৰিছিল এতিয়াও কৰে।

কৈৱৰ্তঃ-দৰংত কৈবৰ্ত্ত লোকো আছে। এওঁলোক প্ৰায় সকলোবোৰেই মহাপুৰুষীয়া বা বৈষ্ণৱ পন্থী।

দৰংত কুমাৰ, সোণাৰী, হিৰা (potter) নাপিত, ধোৱা আদি কৃষীয়া লোকো কম পৰিমাণে আছে।

এইবোৰৰ উপৰিয়ো নানা জাতিৰ লোকে বৰ্ত্তমান দৰংত বাস কৰে। বৰ্ত্তমান যুগত দৰংত জাতি-ভেদ প্ৰায় উঠি গৈছে। বিভিন্ন জাতিৰ মাজত বিবাহ আদি চলিবলৈ লৈছে। আৰু মুকলিভাৱে খোৱা বোৱাও চলিবলৈ লৈছে। এইয়া নতুন যুগৰ নতুন সভ্যতাৰ প্ৰভাৱ।

আজিৰ যুগত শিক্ষা-দীক্ষা ধৰ্ম-নিৰপেক্ষ। ৰাজনীতি ধৰ্ম-নিৰপেক্ষ। এই দুইৰ প্ৰভাৱত নতুন চাম উঠি অহা ডেকা গাভৰু বিশেষকৈ শিক্ষিত সকলৰ ভিতৰত ধৰ্মৰ গোড়ামী, জাতি-ভেদৰ গোড়ামী লাহে লাহে উঠি যোৱা পৰিলক্ষিত হৈছে। দৰংতো এই প্ৰভাৱৰ পৰা প্ৰভাৱান্বিত হোৱা দেখা যায়।

আজিৰ যুগত মানুহে মানৱ ধৰ্ম, মানৱ জাতি, বিশ্বভাতৃত্ব আদি মানৱ সুলভ কথাবোৰতহে গুৰুত্ব দিয়া যেন লাগে। এইয়া মানৱ সমাজৰ উন্নতিৰ লক্ষণ বুলি ভবা হৈছে। ●

# উদ্ভিদ বিজ্ঞানী

# * অতুল চন্দ্র দত্ত *

শ্রীকুমুদ চন্দ্র শর্ম্মা
অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ

উদ্ভিদ বিজ্ঞানৰ ছাত্ৰ ছাত্ৰীক যি বিলাক কিতাপৰ নাম অধ্যয়নৰ বাবে কোৱা হয় তাৰ ভিতৰত Prof. A.C. Dutta ৰ কিতাপঁৰ কথা প্ৰথমে কবলৈ কোনো শিক্ষকে নাপাহৰে। পাহৰিব নোৱাৰা চিৰনমস্য উদ্ভিদবিদ Prof. A.C Dutta হ'ল অধ্যাপক অতুল চন্দ্ৰ দত্ত এজন আদৰ্শ শিক্ষক কটন মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰতিস্থাপক অধ্যাপক। অসম তথা পূৰ্ব্বাঞ্চলত উদ্ভিদ বিজ্ঞান অধ্যয়নৰ প্ৰথম বাটকটীয়া এইজনা উদ্ভিদ বিজ্ঞানৰ পূজাৰীৰ ওচৰত আমি চিৰকৃতজ্ঞ।

বৰ্ত্তমান বাংলাদেশৰ অন্তৰ্গত ফৰিদপুৰ নামে ঠাইত ১৮৯৯ চনৰ ২৮ ফেব্ৰুৱাৰীৰ দিনা এই মহান পুৰুষজনৰ জন্ম হয়। ফৰিদপুৰত অতি সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষা পাছকৰাৰ সময়তে তেখেতৰ পিতৃৰ বিয়োগ হয়। পিতৃৰ মৃত্যুৰ পিছত গোটেই পৰিয়ালটো কলিকতালৈ স্থানান্তৰ হোৱাত তেখেতে কলিকতাৰ বঙ্গবাসী কলেজত নাম ভৰ্ত্তি কৰে আৰু ১৯১৭ চনত I.sc পৰীক্ষা পাচ কৰে। উদ্ভিদ বিজ্ঞানত সৰ্ব্বোচ্চ নম্বৰ সহ ১ম বিভাগত উচ্চ স্থানলৈ। ১৯২০ চনত কলিকতাৰ প্ৰেচিডেন্সী কলেজৰ পৰা উদ্ভিদ বিজ্ঞানৰ সম্মানত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি B.Sc পৰীক্ষা উত্তীৰ্ণ হয়। ১৯২২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা উদ্ভিদ বিজ্ঞানৰ M.Sc পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম হয়।

M.Sc পাছ কৰাৰ পিছতেই তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ অধ্যাপক ড° পল ব্ৰাল ডি, এছ, চিৰ অধীনত বঙ্গদেশৰ পানী মেটেকা নিৰ্মুল সমস্যাৰ ওপৰত দুখন গবেষণা পত্ৰ প্ৰকাশ কৰে। ১৯২৪ চনৰ এপ্ৰিলৰ পৰা ১৯২৬ চনৰ মাৰ্চমাহলৈ দক্ষিণ ভাৰতৰ কইম্বাটোৰৰ Agricultural college and Rescarch Institute ত তেখেতে কপাহৰ ওপৰত গবেষণা কৰে।

কৰ্মজীৱনৰ পাতনিতে তেখেতে কলিকতাৰ ৰিপন কলেজৰ (বৰ্ত্তমান সুৰেন্দ্ৰ নাথ কলেজ) উদ্ভিদ বিজ্ঞান বিভাগত প্ৰথম প্ৰৱক্তাৰূপে যোগদান কৰি বিভাগটো গঠন কৰে। ইয়াৰ পিছত ১৯২৭ চনৰ ২২ জুলাই তাৰিখে তেখেতে গুৱাহাটীৰ কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰতিস্থাপক প্ৰৱক্তাৰূপে যোগ দিয়ে। পিছত সেই বিভাগৰ তেখেত অধ্যাপক আৰু জীৱ বিজ্ঞান (Biology) ৰ মূৰব্বী হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰে।

কিছুকাল তেখেত উপাধ্যক্ষৰ পদতো আছিল। অতি সুখ্যাতিৰে কাৰ্য্যকাল অতিবাহিত কৰাৰ পিছত ১৯৫৪ চনৰ ২৮ ফেব্রুৱাৰীত মাত্র ৫৫ বছৰ বয়সত তেখেতে চাকৰিৰ পৰা অৱসৰ লয়। অৱসৰ লোৱাৰ অন্ততো বেছ কিছু বছৰলৈ ৰাতি পুৱা ৯ বজাতে নিয়মিত ভাবে তেখেতে পূৰ্ব্বৰ বিভাগলৈ আহি অধ্যয়নত ব্যস্ত হৈ আছিল। ১৯৮৬ চনৰ ১৯ জুনৰ দিনা তেখেতৰ পৰলোক প্রাপ্তি হয়।

অধ্যাপক অতুল চন্দ্র দত্তৰ প্রকাশিত গ্রন্থ সমূহ হ'ল—

A class Book of Botany—১৯২৯ চন
A class Book of Botany-১৯৬৮ (পকিস্তানৰ কৰ্মীচাৰ পৰা সংস্কৰণ)
Practical Note Book of Botany ১৯৪৮
Botany for Degree Students—১৯৬৪

বনস্পতি শাস্ত্র (হিন্দী) ১৯৬৮; ইত্যাদি, সমগ্র ভাৰত তথা বিদেশত প্রচলিত উক্ত গ্রন্থ সমূহ বিশেষ আপুৰুগীয়া গ্রন্থহিচাবে সন্মানিত হৈ আছে।

কটন মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ, সন্মুখৰ উদ্যান এইজনা বিদগ্ধ পণ্ডিতৰে অৱদান। দেশৰ বিভিন্ন কোনত থকা নানাবিধ মূল্যবান উদ্ভিদ সযত্নে আনি তেখেতে উদ্যানখনত ৰোপন কৰিছিল। উদ্যানৰ প্রতিজোপা উদ্ভিদক চিনাক্ত কৰি নামাকৰণ কৰিছিল; প্রানভৰি ভাল পাইছিল।

দ্বিতীয় মহাসমৰৰ সময়ত সেনাবাহিনীয়ে যেতিয়া কটন মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগ অধিগ্রহন কৰিছিল তেতিয়া তেখেতে যথেষ্ট মনোকষ্ট পাইছিল।

সেনাদলটোৰ পৰিচালকক তেখেতে এডাল গছপুলি যাতে নষ্ট নহয় তাৰবাবে। লক্ষ্য ৰাখিবলৈ কাতৰ অনুৰোধ কৰিছিল। সেনাবাহিনীৰ দখলত থকা সময়তো স্বৰ্গীয় দত্ত দেৱে উদ্যানলৈ নিয়মিত গৈ প্রতিজোপা গছ চাই আহিছিল। তেখেতৰ এই বৃক্ষপ্রেম দেখি সেনাদলটোৰ বিষয়াসকলে অভিভূত হৈছিল আৰু তেখেতক সন্মান কৰিছিল। স্বৰ্গীয় দত্তদেৱৰ ব্যক্তিত্বৰ ইএটা আছিল সৰু নিদৰ্শন। নানা বিধ গছ-গছনিৰে আবৃত কৰি ৰখোৱা স্বৰ্গীয় দত্তদেৱৰ গুৱাহাটীৰ ছাত্ৰীবাৰীত থকা বাসস্থানে সদায় শান্তি বহন কৰিছিল। এইজনা মহান বিজ্ঞানী এজন সুখেলুৱৈও আছিল।

১৯৫৪ চনতে অৱসৰলৈ ১৯৮৬ চনত পৰলোকপ্রাপ্তি হোৱা এই মহান বিজ্ঞানীজনাৰ সুদীৰ্ঘ অবসৰৰ সময়খিনি আমাৰ চৰকাৰে কোনে সুপৰিকল্পিত বিকল্পমূলক কামত নিৱদ্ধ ৰখাৰ চেষ্টা কৰা দেখা নগ'ল। ই অতি পৰিতাপৰ কথা। যদি চৰকাৰে সুচিন্তিত ভাৱে গৱেষনামূলক কামত তেখেতক ধৰিৰখাৰ চেষ্টা কৰিলেহেতেন তেনেহলে নিশ্চয় অসম বিশ্বত মহীয়ান হ'ল হেতেন। কাৰন তেখেতৰ কৰ্মময় অৱসৰ জীৱণৰ অন্যতম কৃত্তি সাক্ষী হ'ল ১৯৬৪ চনত প্রকাশিত Botany for Degree Students (oxford university press) এখন বিশ্ব সমাদৃত গ্রন্থ যিখন কেৱল স্বৰ্গীয় পুঞ্জীভূত জ্ঞানৰাশিৰ মূৰ্ত্ত প্রকাশ।

উদ্ভিদবিজ্ঞান বিষয়ক আলোচনী
MALANCHA ৰ সহায়ত

# বৈষ্ণৱ সাহিত্যলৈ
## মহাপুৰুষ মাধৱদেৱৰ অৱদান

শ্ৰীবজিতা কলিতা (প্ৰাক্তন ছাত্ৰী)

যুগনায়ক মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক অসমৰ নৱবৈষ্ণৱ যুগৰ প্ৰধান নায়ক বুলি অভিহিত কৰা হয় যদিও বৈষ্ণৱী যুগৰ মহান আদৰ্শক আগত ৰাখি আপুৰুগীয়া সাহিত্য কৰ্ম্মেৰে ধ্বংস প্ৰাপ্ত অসমীয়া জাতিটোক গঢ় দিয়াৰ ক্ষেত্ৰত তেৰাৰ প্ৰিয়তম শিষ্য বিদগ্ধ পণ্ডিত মাধৱদেৱৰ অৱদান অসমীয়া জাতিয়ে কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে। প্ৰধানতঃ মাধৱদেৱ আছিল গুৰুৰ সোঁহাত স্বৰূপ আৰু আনহাতে আছিল এগৰাকী কালজয়ী সাহিত্যিক অগাধ পণ্ডিত আৰু নিষ্কাম নাৰদীয় ভক্তিৰ প্ৰতিমূৰ্তি স্বৰূপ। শক্তি অনুসৰি বিভিন্ন দেৱ দেৱীৰ পূজা আৰু বৈষ্ণৱ ধৰ্মৰ মূল আদৰ্শ। একদেৱ, একসেৱ, একবিনে নাই কেৱ'—এই মতাদৰ্শকে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ সৈতে হোৱা তিনি প্ৰহৰৰ যুক্তি তৰ্কৰ শেষত "যথ তৰুমূলঃ" শ্লোকৰ আগত পৰাজয় স্বীকাৰ কৰি শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰাৰ পাছৰে পৰা মাধৱদেৱে গুৰুৰ ছত্ৰ ছায়াত অসমীয়া জাতি গঠনৰ বাবে বৈষ্ণৱ ধৰ্মত যি বিশাল অৱদান দি থৈ গ'ল সেয়া সদায় অক্ষয় কীৰ্তি ৰূপে থাকি যাব। ৰাজনৈতিক বিপ্লৱ, সামাজিক সাংস্কৃতিক দিশৰ পয়ালগা অৱস্থা, ধৰ্মৰ নামত অধৰ্মৰ অত্যাচাৰ, সাম্প্ৰদায়িক দলাদলি আদিৰ কবলত নিম্নগামী হোৱা অসমীয়া জাতিটোৰ এক মহা সন্ধিক্ষণত মহাপুৰুষ দুগৰাকী আৰিৰ্ভাৱ হৈ বৈষ্ণৱ ধৰ্মৰ মাভৈ বাণীৰে জাতিটোক জীয়াই তুলিছিল।

জয় পৰাজয়ক অস্বীকাৰ কৰি গীতাৰ স্থিতঃ প্ৰজ্ঞৰীতি অনুসাৰে ভক্তিৰসৰ অনুপ্ৰেৰণাৰে মাধৱ দেৱ অনুপ্ৰাণিত হৈছিল। বসন্ত কালত আপোনা আপুনি গছ পাত মুঞ্জৰি উঠাৰ দৰে এইজনাৰ কাব্য প্ৰকাশ স্বভাৱসিদ্ধ আছিল। নামঘোষা, ৰাজসূয়যজ্ঞ, আদিকাণ্ড ৰামায়ণ, ভক্তি ৰত্নাৱলী, জন্ম ৰহস্য, নামমালিকা আদি হৈছে মাধৱদেৱৰ প্ৰখ্যাত ৰচনা, গভীৰ ৰচনা দাৰ্শনিক তত্ত্ব আৰু বুদ্ধিমত্তা প্ৰণোদিত 'ভক্তিৰত্নাৱলী' হৈছে একশৰণীয়া ধৰ্ম মতবাদক তীক্ষ্নতা প্ৰদান কৰা অসমৰ বৈষ্ণৱ ধৰ্মৰ ঘাইশাস্ত্ৰ। ৰাজসূয় যজ্ঞ পুথিত সামাজিক আৰু পাৰিবাৰিক জীৱন বিশ্লেষণৰ মাধ্যমেৰে কৃষ্ণ মাহাত্মক প্ৰকাশ কৰা হৈছে। ৰামায়ণৰ পৰা অনুবাদিত যদিও আদিকাণ্ড পুথি হৈছে মুক্তি

প্ৰধান আৰু নিজস্ব মৌলিক জ্যোতিৰে জ্যোতিষ্মান। কাব্যখনৰ ছন্দ প্ৰয়োগ কেৱল নিটোলেই নহয় প্ৰাণ সঞ্চাৰেৰে শঙ্কৰদেৱৰ কীৰ্ত্তন পুথি যেনেকৈ অসমৰ বৈষ্ণৱ মতবাদৰ মৰ্ম্ম কথা, তেনেকৈ বেদান্ত দৰ্শন তত্বৰ ওপৰত প্ৰতিষ্ঠিত মাধৱ দেৱৰ নামঘোষা পুথিও ধাৰ্মিক দৰ্শন তত্বৰে উদ্ভাসিত, কাব্য প্ৰকাশৰ পিনৰ পৰা মাধৱদেৱৰ বৰগীত সমূহ বাছকবনীয়া সেইদৰে নামঘোষা দৰ্শন তত্ত্ব প্ৰকাশৰ পিনৰ পৰা অতুলনীয়।

আধ্যাত্মিক জীৱনৰ শ্ৰেষ্ঠ অৱদান নামঘোষা বা হাজাৰীঘোষা মাধৱদেৱৰ মূল কীৰ্তিস্তম্ভ আছিল। কৃষ্ণৰ শৰণ লাভেই ভক্ত কবীৰ জীৱনৰ লক্ষ্য। সেয়েহে নামঘোষাত ধ্বনিত হৈছে—

'কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ
পৰম ঈশ্বৰ দেৱ
মাছাড়ি বা তাহান আশ্ৰয়।'

নামঘোষাত গুৰু গম্ভীৰ সঙ্গীত মুখৰ ছন্দ প্ৰয়োগৰ পৰিচয় আছে। এনেধৰণৰ কলা বিষয়ত মাধৱদেৱৰ কাব্য কলা অনুকৰণ কৰোতা বহুতো আছিল যদিও এইজনা কবি শিল্পীৰ সমকক্ষ কোনো নাছিল। এনেদৰে একোজনা গুৰু কবিৰ ব্যক্তিত্ব সাহিত্য সৃষ্টিৰ জৰিয়তে মুখৰ হৈ উঠাৰ উদাহৰণ বিৰল। সাঙ্গীতিক মূৰ্চ্ছনাৰ ঢল বাগৰাৰ লগে লগে কাব্যখনৰ ভাৱৰ গাম্ভীৰ্য্য অটল স্পৰ্শী হৈ পৰে। কেৱল কাব্যিক গুণাৱলীৰ কাৰণেই নহয়, আধ্যাত্মিক ধাৰণাৰ দাৰ্শনিক বিশ্লেষণৰ কাৰণেও নামঘোষা অদ্বিতীয়।

মাধৱদেৱ বিৰচিত ৰাজসূয়যজ্ঞ কাব্যখনি বৈষ্ণৱ সাহিত্যৰ অমূল্য সম্পদ আছিল। মাধৱ দেৱে ৰাজসূয় কাব্যৰ প্ৰাৰম্ভতে লেখিছে—

'জয় জয় কৃষ্ণ জ্ঞানময় কলেবৰ
চাৰিবেদে যাৰ আজ্ঞা বাণী নিৰন্তৰ
নিখিল ব্ৰহ্মাণ্ড ক্ৰীড়া ভাণ্ড ভৈল যাৰ
হেনয় কৃষ্ণক কৌটি কৌটি নমস্কাৰ'—

মাধৱদেৱৰ গুৰু ভটিমাত শঙ্কৰদেৱৰ মধুৰ মূৰ্ত্তি স্পষ্টভাৱে বিকশিত হৈছে এইদৰে—

'জয়গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণত ৰেনুশত কোটি
বাৰেক কৰোহো প্ৰণাম।'

মাধৱদেৱ গুৰু গম্ভীৰ স্বৰৰ কণ্ঠশিল্পী আছিল। নিজে ৰচনা কৰা প্ৰায়বোৰ গীত নিজেই গাইছিল। মাধৱ দেৱৰ কণ্ঠ নিনাদিত বৰগীতৰ সুৰ মাধুৰ্য্যই শ্ৰোতাক ধুমুহা বতাহে নল খাগৰী কঁপোৱাৰ দৰে কঁপাইছিল—

হয়ো ভাই সাৱধান। যাৱে নতু ছুটে প্ৰাণ॥
গোবিন্দৰ ফৰমান। নিকট মিলায়ে জান॥'

মাধৱদেৱৰ বৰগীত সমূহ শঙ্কৰদেৱৰ দৰে বিষয়-বস্তু একে হলেও কোনো কোনো ক্ষেত্ৰত শঙ্কৰদেৱতকৈ মাধৱদেৱৰ গীতত অনুভূতিৰ গাঢ়তা আৰু ভক্ত হৃদয়ৰ আকুলতা পৰিলক্ষিত হৈছে। আত্মলঘিমাৰ কথা উল্লেখ কৰি কবিয়ে বৰ্ণাইছেঃ— 'তুমি মহাধন তোমাক নাসেবি জনম বিফল কৈলো।' গতিকে ভগৱানৰ ওচৰত দাস্যভাৱ আত্মসমৰ্পণৰ বাহিৰে আন একো উপায় নাই। শ্ৰীকৃষ্ণক চিৰশিশু ৰূপে কল্পনা কৰাৰ ক্ষেত্ৰত সমগ্ৰ অসমীয়া বৈষ্ণৱ সাহিত্যত মাধৱদেৱ অকলশৰীয়া। মাধৱদেৱৰ ৰচনাৰ জৰিয়তে শিশু-জীৱনৰ অনন্ত মাধুৰ্য্যৰ আনন্দ আৰু উষ্মা লগতে মাতৃৰ করুণা ইত্যাদিৰে অসমীয়া বৈষ্ণৱ সাহিত্য

ৰঙীণ হৈ আছে। সংস্কৃত ভাগৱত পুৰাণৰপৰা সুৰদাসে শ্ৰীকৃষ্ণ শিশুকালৰ মাধুৰ্য্যসমূহ আহৰণ কৰি শ্ৰীকৃষ্ণৰ শিশুজীৱন মহিমাণ্ডিত কৰিছে। শ্ৰীকৃষ্ণৰ বিশ্বজনীনতাক উপলব্ধি কৰাৰ মানসেৰে মাধৱদেৱে বৃন্দাবনৰ গোৱালিনী আৰু গৰখীয়া ল'ৰাহঁতক একাগ্ৰতা আৰু আবেগেৰে প্ৰতিবিম্বিত কৰিছে। মাধৱদেৱৰ বৰগীত সমূহ অসমীয়া ভক্তি সঙ্গীত মৰ্ম্ম-স্পন্দন। মাধৱদেৱৰ প্ৰতিভা হৈছে ভাবাত্মক আৰু বিশ্লেষণ ধৰ্ম্মী। ছন্দৰ লীলায়িত গাম্ভীৰ্য্য আৰু আবেগৰ সূক্ষ্মতা হৈছে মাধৱ দেৱৰ কাব্যৰ মূল স্পন্দন। মাধৱদেৱৰ সুগায়কত্ব বৰগীতৰ লোকপ্ৰিয়তাৰ কাৰণ।

স্বৰ্গীয় লক্ষ্মীধৰ শৰ্মাই এটি প্ৰবন্ধত লিখিছেঃ— "মাধৱদেৱৰ শ্ৰীকৃষ্ণৰ ৰূপ পুৱাৰ অৰুণৰ দৰে শান্ত আৰু স্নিগ্ধ আৰু শঙ্কৰদেৱৰ শ্ৰীকৃষ্ণৰ ৰূপ দুপৰৰ সুৰুযৰ দৰে উজ্জ্বল তীব্ৰ"। মাধৱদেৱৰ এটি বৰগীতত কৈছে—

'কানাইৰ ৰূপৰ উপমাৰ কিবা ক্ষেম
একপুঞ্জে হুয়া আছে গোপিনীৰ প্ৰেম'।

আৰু তেওঁ কৈছে আপুন ৰূপে কানু উপমা আপুনি এইদৰে। বিচিত্ৰ কল্পনাৰ অনুপম উপমাৰে বাৎসল্যভাবৰ ভক্ত কবিয়ে শ্ৰীকৃষ্ণৰ অনুপম শিশুৰ ৰূপত আত্মবিভোৰ হৈ পৰিছিল। আনহাতে সৰ্বসাধাৰণ বৈষ্ণৱ ভক্ত সকলৰ প্ৰাণত কৃষ্ণৰ প্ৰেমৰ অনাবিল ৰস বোৱাই হৰিৰ কথাত মন নিবিষ্ট কৰি দিছে। মাধৱদেৱ আছিল চিৰকুমাৰ। সেয়েহে তেওঁৰ শ্ৰীকৃষ্ণৰ প্ৰতি থকা নিষ্কাম নিৰ্বিকাৰ ধ্যান শিশু ৰূপৰ মাজেদি আজীৱন ফুটি ওলাইছে। সেয়ে আছিল তেওঁৰ বাৎসল্য ভাব। লৌকিক দৃষ্টিত সেয়ে আছিল দাস্যভাব মাধৱদেৱৰ বাৎসল্য ভাবৰ পৰাকাষ্ঠা গোটেই জীৱন জুৰি প্ৰাগাঢ় হৈ আছিল শ্ৰীমন্তশঙ্কৰৰ পুন্য স্মৃতিৰে সেয়ে মাধৱদেৱে গাইছিল—

আলো মাই কি কহব দুখ।
পৰাণ নিগড়ে নাদেখিয়া চান্দমুখ ॥
শ্যামবন্ধু বিনে জীৱনৰ কিবা কাম।
বিৰহ অনলে জ্বলে হৃদয়ৰ মাজ ॥

একমাত্ৰ নামঘোষা গ্ৰন্থ প্ৰণয়ন কৰ্ত্তা হিচাবেই মাধৱ দেৱৰ কৃতিত্ব অক্ষয় নহয়, এপৰাকী প্ৰতিভাবান নাট্যকাৰ হিচাপে মাধৱদেৱৰ কৃতিত্ব যুগজয়ী। নাট্যকাৰ হিচাপে তেওঁৰ উদ্দেশ্য আছিল শ্ৰীকৃষ্ণৰ বাল্য ৰূপৰ চিত্ৰ ফুটাই তুলি আৰু তাৰ লগত কৃষ্ণৰ আলৌকিক মাহাত্ম প্ৰকাশ কৰা চোৰধৰা, পিম্পৰা গুচোৱা; অৰ্জুন ভঞ্জন, ভূমি লোটোৱা ভোজন বিহাৰ আদি আটাই কেইখনী নাটত মাধৱদেৱে বালক কৃষ্ণৰ ভেম চতুৰালী দুষ্টালি আদি মনোগ্ৰাহীকৈ প্ৰকাশ কৰিছে। বাৎসল্য ৰস প্ৰধান তেওঁৰ প্ৰতিখন নাটতে বালকৃষ্ণৰ অমানবীয় কাৰ্য-কলাপৰ দৃশ্য অঙ্কন কৰিছে যদিও ভক্ত কবিয়ে কৃষ্ণৰ ঈশ্বৰ ৰূপটোৰ কথা পাহৰি যোৱা নাই। বাৎসল্য ৰস স্বৰূপে পূৰ্ণ চন্দ্ৰিকাৰ জ্যোতিৰে মাধৱদেৱৰ বিৰচিত আটাইবোৰ নাটেই জ্যোতিষ্মান।

শঙ্কৰদেৱৰ দৰেই মাধৱদেৱৰ নাটক উদ্দেশ্য মূলক, মাধৱদেৱৰ উদ্দেশ্য সৰল শিশু প্ৰীতিৰ মাজেদি মোক্ষৰ পথ নিদেৰ্শ কৰা। শঙ্কৰদেৱৰ নাটত কৃষ্ণৰ অতিমানবীয় শক্তি প্ৰকাশ পাইছে। মাধৱদেৱৰ নাটত বুঢ়া অৰ্জ্জুন গছ দুজোপা উৰল লগাই ভঙাৰ নিচিনা সাধাৰণ শিশুৰ অসাধ্যকাম দেখুৱালেও মানুহৰ সাধ্যতীত কাৰ্য্য

কলাপেৰে পাঠক, দৰ্শকৰ চকুত চমক লগাই ভক্তি পন্থলৈ আনিবৰ প্ৰয়াস স্পষ্ট । ইয়াত শ্ৰীকৃষ্ণৰ শিশুকৌতুকতে নাট্যকাৰৰ স্বতঃস্ফুৰ্ত্ত আনন্দ । তাৰপৰা যুক্তি তৰ্কৰে কৃষ্ণৰ ঐশ্বৰিকতা প্ৰতিপন্ন কৰা হোৱা নাই । মাধৱদেৱৰ নাটত বৈশিষ্ট্য এটি ৰহস্যত সাধাৰণ গুৱালৰ ল'ৰা হৈ দুষ্ট, মাখন চোৰ কৃষ্ণ অখিল ব্ৰহ্মাণ্ডৰ গৰাকী । এই ভাৱ-টোৱেহে নাট্যকাৰৰ চৰম আনন্দ যোগাইছে আৰু সেই আনন্দ ৰসকে পাঠক, দৰ্শকৰ মনত উদ্ৰেক কৰিবলৈ তেওঁ প্ৰয়াস কৰিছে । এই বিস্ময় ভাৱেই তেওঁৰ নাট্য সৃষ্টিৰ মূল অনুপ্ৰেৰণা । ভক্তিৰ পথ সৰল সি সহজ বিশ্বাসৰ পথ । দৰ্শন, বিজ্ঞা-নৰ তত্ত্ব জ্ঞান তাত নাই, বেদ, জ্ঞান, কৰ্মৰ পথ যেন জটিল অৰণ্য । মাধৱদেৱৰ কাৰণে শ্ৰীকৃষ্ণ পৰম ব্ৰহ্ম প্ৰতীক কৌতুকময় এটি শিশু-

"তিনি তনময় বেদমন পৰিহৰা
গোৱালীৰ ঘৰে গৈয়া ব্ৰহ্ম চিনি ধৰা "

আকৌ—

উড়ুখলে যাৰে বান্ধি
থৈয়া আছে টানি
সেহি বেদ শিৰো ৰত্ন
অৰ্থ ভেজা জানি '

শিশু চৰিত্ৰ আৰু শিশুৰ লগত মাতৃ হৃদ-য়ৰ সম্বন্ধেই মাধৱদেৱৰ এটি ঘাই বিষয় বস্তু । দাস্য ভাৱেই তেওঁৰ পৰমেশ্বৰৰ প্ৰতি দৃষ্টিকোন। মাধৱদেৱৰ কৃষ্ণৰ চৰিত্ৰত চিৰন্তন শিশুৰ লক্ষ্য বোৰ প্ৰকাশ পাইছে । খা বুলিলে নোখোৱা, ৰলৈকো নাযাবি বুলিলে যোৱা আৰু নিসিদ্ধ কাম বা বস্তুৰ কাৰণে প্ৰবল হাবিয়াস শিশুৰ স্বাধীন স্বভাৱ সিদ্ধ । সকলো ক্ষেত্ৰতে নিজৰ প্ৰাধন্য বা গুৰুত্ব ক্ষুন্ন হবলৈ নিদিয়া তেনেঅান এটি লক্ষণ । শিশুৱে লোকৰ আওকান বা নিজ-তকৈ আনক বেছিকৈ দিয়া মৰম সহ্য কৰিব নোৱাৰে । ল'ৰাই যদি ৰণ জিকে বাৰে বাৰে হৃৎৰ বস্তু পৰক দি আনন্দ লাভ কৰে । দুষ্টালি কৰি অভিভাৱকলৈ শিশুৰ ভয় লাগে আৰু সেই কাৰ্য্য ঢাকিবলৈ নতুন দুষ্টালি যোগ দিয়ে ইয়াৰ বাবে আবিষ্কাৰশীল মনেৰে নিৰ্দ্দোষ আমোদজনক ফাঁকিবো সৃষ্টি কৰে । মাক বাপেকে ল'ৰাৰ দোষ উলিয়ালে সিহঁতৰ আত্মসন্মান ক্ষুন্ন হয়, সিহঁতে ঠেহ পাতে । সকলোতকৈ সহজ প্ৰতিশোধ হিচাপে মাকক গালি পাৰে । মাধৱ দেৱৰ শ্ৰীকৃষ্ণৰ গাত এই আটাইবোৰ লক্ষণ ধৰা পৰিছে । শিশু কৃষ্ণই কামতে ধেমালি উলিয়াই নানা ভঙ্গি ধৰি গৰু খেদে, বাঁহী সুহুৰিৰ সুৰেৰে কাজলী ধৱলী গাইহঁতক মাতে, গৰু চৰাবলৈ যাওতে দৈ ভাতেৰে বালিভোজ পাতে । কৃষ্ণই লগৰীয়াবোৰ লগত কাজিয়া কৰে বা ধেমালিতে তেওঁৰ কান্দোন ওলায় । তেতিয়া বিৰোধী লৰাৰ অভিভাৱক লগাই বা নিজৰ ঘৰত গোচৰ দি কোনোমতে নিজৰ জিত কৰিবলৈ বিচাৰে । মাখন বা লাৰুৰ লোভত নচা গীত গোৱা কৃষ্ণও শিশু দিনৰ দিনটো বননিয়ে কাঁইটনিয়ে গৰু চৰাই আহি তাৰ বাবে প্ৰশংসা নাপালে 'ভাত নেখাও, গা-নোধোও' কৰাটোও শিশুৰ লক্ষণ । মাধৱ দেৱৰ নাটত কৃষ্ণৰ চৰিত্ৰত চিৰন্তন শিশুৰূপ প্ৰকাশ পালেও তাৰ মাজতে তিলতে তেল থকাৰ দৰে ঐশ্বৰিক শক্তি নিহিত হৈ থকাৰ কথা আৰু ভক্তৰ অধীন যে ভগৱান এই কথা নাট্যকাৰে ক'বলৈ পাহৰা নাই—

'জাহে চৰণ ৰেণু জেগি নাপাই
ভকতিক বলে তাকু বন্ধন পাই।'

আনফালে যশোদাৰ চৰিত্ৰত চিৰন্তণ মাতৃত্বৰ ছবি ফুটি উঠিছে। সন্তান পিতৃ মাতৃৰ অস্তিত্ব বা ব্যক্তিত্বৰ এটি নতুন বিকাশ মাথোন। কৃষ্ণ যশোদাৰ প্ৰাণ। দেহলাও শিশুৰ মঙ্গলেই পিতৃ মাতৃৰ চিন্তা আৰু সাধনা। শিশুৰ ভালৰ চিন্তাত অঁতৰত থাকিলে মাক বাপেক উদ্বিগ্ন হয় আৰু ওচৰত থাকিলে দোষ ধৰে। ডাবি হুকি মাৰে, শাসন কৰে। আন ল'ৰাৰ দোষ ধৰিলে মাকে সহ্য নকৰে আৰু গোপী সকলক গালী শপনি পাৰে। কিন্তু নিজে পাছে পাছে লৰি লৰি আনি ঘৰত য'ত জৰী আছে তাৰে বান্ধে। আনৰ হাক বচনো নুশুনে। আন মাকৰ দৰে যশোদায়ো কৃষ্ণৰ দোষৰ বাবে মাৰিবলৈ খেদি যায়। মুঠতে মাধৱদেৱে যশোদাৰ চৰিত্ৰত এটা ডাঙৰ অসামঞ্জস্য তেওঁ গোৱাল। কিন্তু তেওঁ 'ত্ৰিজগত পতি হৰি ৰাখোৱাল পাইল'। আকৌ সেই ৰহস্য, এই ৰহস্যতে নাট্যকাৰ মাধৱদেৱৰ নাট্যকলাৰ বিকাশ।

মাধৱদেৱৰ নামঘোষা বৰগীত সমূহ, আৰু নাট কেইখনেই পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যত জ্বলিকট্য 'পুষ্পহাৰৰ' দৰে তেওঁৰ নাম চিৰস্মৰণীয় কৰি ৰাখিব। গুৰুৰ প্ৰতি উৎসৰ্গীকৃত জীৱন, বৈষ্ণৱ ধৰ্ম আৰু আদৰ্শত একনিষ্ঠ আস্থা, সংগঠন শক্তি, উপস্থিত বুদ্ধি. গীত কবিত্ব গুণৰ অসাধাৰণ পৰিষ্ফুৰণ মাধৱদেৱৰ ব্যক্তিত্বৰ প্ৰধান বৈশিষ্ট্য।

মাধৱদেৱৰ ৰচনা দ, বেগী আৰু ভাৱপ্ৰৱণ। ডঃ বাণীকান্ত কাকতিয়ে কৈছে- 'বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব। গীত, পদ, নাট সকলোবোৰেই তেওঁ শ্ৰীকৃষ্ণৰ শিশু চৰিত্ৰ সজীৱ কৰি তুলিছে।' ডঃ মহেশ্বৰ নেওগে কৈছে—"ঈশ্বৰ ভক্তি অনুভূতিৰ তীক্ষ্ণতা, দাৰ্শনিক গাঢ়তা, একশৰণৰ একনিষ্ঠতা, শ্ৰীশঙ্কৰগুৰুত পৰম অনুৰাগ বালক চৰিত্ৰৰ আহ্লাদ দায়ক চিত্ৰত আৰু প্ৰকাশৰ তীব্ৰতা মাধৱদেৱৰ ৰচনাৱলীৰ কেইটামান বিশেষ লক্ষণ।"

এক নতুন ভাৱ ধাৰাৰ ধৰ্মৰে, সাহিত্য কলাৰে, কাব্য, বৰগীত, ভটিমা নাট আদি সংস্কৃতিৰ ঝঙ্কাৰেৰে আজিও মাধৱদেৱ প্ৰত্যেক অসমীয়াৰ প্ৰাণত উজ্জ্বল হৈ জিলিকি আছে আৰু কানুৰ বিমোহন বেণুৰ মোহন সুৰে বিশ্বজগতকেই মঞ্জৰিত কৰি ৰাখিছে—

'ত্ৰিভুবন বিমোহিত গোবিন্দক বেনু।
কহয় মাধৱ গতি কানু পদ ৰেনু'॥

---


সহায় লোৱা পুথিৰ নাম :—

১) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত — ডঃ সত্যেন্দ্ৰনাথ শৰ্মা।
২) অসমীয়া নাট্য সাহিত্য— ঐ
৩) ভাষা আৰু সাহিত্য—ডঃ উপেন্দ্ৰনাথ গোস্বামী।
৪) অসমীয়া সাহিত্যৰ আলোক ৰেখা — ডঃ নবীন চন্দ্ৰ শৰ্মা।
৫) অসমীয়া সাহিত্য—হেমবৰুৱা।
৬) সাহিত্যলেখা—ৰাজেন্দ্ৰনাথ হাজৰিকা।
৭) অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী — যতীন্দ্ৰ নাথ গোস্বামী।

# সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

● পূৰবী শৰ্মা, স্নাতক মহলা, (কলা)
প্ৰথম বাৰ্ষিক

লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্যৰ বুৰঞ্জীত এটি চিৰ পৰিচিত নাম। অসমৰ শৰাইঘটীয়া সাহিত্যিক সকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা প্ৰধান। অসমীয়া ভাষা সাহিত্যক সু-প্ৰতিষ্ঠিত কৰি যিজন সাহিত্যিকে ভাষা সাহিত্যৰ জয়দ'ল বান্ধি থৈ গ'ল, তেওঁৱেই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। সাহিত্যক সকলো দিশতে সামৰি যিজনে সাহিত্য প্ৰতিভা বিকশিত কৰি তুলিছিল, সেইজন সাহিত্য সম্ৰাট লক্ষ্মীনাথ বেজবৰুৱা। তেওঁ অসমীয়া সাহিত্যত এটি যুগৰ প্ৰতীক, বাহক। এনে প্ৰতিভাবান লেখক সাহিত্যিক যি কোনো সাহিত্যতেই বিৰল। তেওঁৰ আশাশুধীয়া সাহিত্য চৰ্চা নোহোৱা হলে অসমীয়া সাহিত্যৰ বুৰঞ্জীত বাধাৰ সৃষ্টি হ'লহেতেন। অসমীয়া সাহিত্যত এনে এটি দিশ পোৱা নাযায়, য'ত লক্ষ্মীনাথৰ অৱদান নাই।

বেজবৰুৱা শব্দৰ অৰ্থ হৈছে ৰাজবৈদ্য। লক্ষ্মীনাথৰ পিতৃৰ নাম দীননাথ বেজবৰুৱা আৰু মাতৃ থানেশ্বৰী দেৱী। ১৮৬৪ চনৰ কাতিমাহৰ লক্ষ্মীপূৰ্ণিমাৰ দিনা ব্ৰহ্মপুত্ৰৰ বুকুত লক্ষ্মীনাথৰ জন্ম হয়। সেয়ে তেখেতে "মোৰ জীৱন সোঁৱৰণ"ত লিখিছে "ভূমিস্থ নহৈ নৌকাস্থ হ'লো।"

শিক্ষা শেষ কৰি বেজবৰুৱাই প্ৰখ্যাত ব্যৱসায়ী ভোলানাথ বৰুৱাৰ লগত কলিকতাত কাঠৰ ব্যৱসায় কৰিবলৈ লয়। ১৮৯১ চনত প্ৰজ্ঞা সুন্দৰীৰ লগত তেওঁৰ বিয়া হয়। ১৯১৭ চনত তেওঁৰ স্বতন্ত্ৰীয়াকৈ কাঠৰ কাৰবাৰ কৰিবৰ বাবে উৰিষ্যাৰ সম্বলপুৰলৈ যায়। "মোৰ জীৱন সোঁৱৰণৰ ভাষাত" "সৰস্বতীৰ পূজা এৰি কিতাপ কলম থৈ লক্ষ্মীদেৱীৰ পূজাৰ বাবে হাতত দা কুঠাৰ লৈ সম্বলপুৰ হাবিত সোমালোঁ।"

লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ নতুন যুগ নিৰ্মাতা। তেওঁৰ বহুমুখী প্ৰতিভাৰ বিচিত্ৰ প্ৰকাশেৰে অসমীয়া সাহিত্যৰ

প্ৰতিটো দিশ চহকী হৈ আছে। যিসময়ত অসমীয়া জাতিয়ে ভাষা সাহিত্য সংস্কৃতি হেৰুৱাই আত্মবিস্মৃত এটা বিজতৰীয়া জাতিত পৰিণত হবলৈ উপক্ৰম কৰিছিল, সেইসময়তে 'জোনাকী' আৰু "বাঁহী"ৰ জৰিয়তে লক্ষ্মীনাথ বেজবৰুৱাৰ নেতৃত্বত গঢ় লৈ উঠা জাতীয়তাবাদী অসমীয়া মানুহৰ আন্দোলনেই প্ৰকৃততে অসমীয়া জাতিক সজাগ আৰু সচেতন কৰি তুলিছিল। অসমীয়া জাতি আৰু সাহিত্যলৈ বেজবৰুৱাৰ অনবৈদ্য অৱদান চিৰস্মৰনীয়। তেখেতৰ সদৃশ বহুমুখী প্ৰতিভাসম্পন্ন সাহিত্যিক অসমীয়া সাহিত্যত অদ্বিতীয়। তেখেত একেধাৰে কবি, গল্পকাৰ; নাট্যকাৰ, ঔপন্যাসিক, ব্যঙ্গকাৰ, হাস্যৰসিক, সমালোচক, চৰিতকাৰ, কটুনিষ্ঠ, সংবাদিক আৰু তত্বজ্ঞও। তেখেতে যে সাম্প্ৰতিক যুগৰ সাহিত্যৰ সকলো দিশতেই অৰিহনা যোগাইছিল অকল সেয়ে নহয়, অসমীয়া সাহিত্যৰ কেইবাটাও দিশত বাটকটিয়াও। পুৰণি বুঢ়ী আইৰ সাধু আৰু চুটি গল্পৰ মাজত তেখেত হৈছে সেতু। তেখেত অসমীয়া সাহিত্যত সৰ্বপ্ৰথম গল্পকাৰ, কটুনিষ্ঠ আৰু প্ৰকৃততে যথাৰ্থ সমালোচকো। এটি সৰু কথাও বেজবৰুৱাৰ লেখনিত সাহিতৰ সাজ পিন্ধি মনোমোহা হৈ ওলাইছিল। সেয়ে ✓চন্দ্ৰকুমাৰ আগৰৱালাদেৱে লিখিছে "বেজবৰুৱাৰ কলমৰ আগেদি যি ওলায়, সি সাহিত্য হৈয়ে ওলায়'।

বেজবৰুৱাৰ সাহিত্যকৰ্ম সমূহ হৈছে—

(১) লিতিকাই, (২) নোমল, (৩) পাচনি, (৪) চিকৰপতি নিকৰপতি, (৫) গদাধৰ ৰজা, (৬) বাৰে মতৰা, (৭) হয় ব ন (আটাইকেইখন ধেমেলীয়া নাটক), (৮) জয়মতী কুঁৱৰী, (৯) চক্ৰধ্বজ সিংহ (১০) বেলিমাৰ (বুৰঞ্জীমুলক নাটক), (১১) কদম কলি, (১২) পত্নম কলি, (কবিতা সংকলন) (১৩) সুৰভি, (১৪) সাধুকথাৰ কঁকি, (১৫) জোনবিৰি, (১৬) কেঁহোকলি (গল্প সংকলন), (১৭) জুনুকা, (১৮) বুঢ়ীআইৰ সাধু, (১৯) ককাদেউতা আৰু নাতি ল'ৰা (শিশু সাহিত্য), (২০) পত্নম কুঁৱৰী (উপন্যাস), (২১) কামত কৃতিত্ব লভিবৰ উপায়, (২২) বাখৰ (নীতিবচন মূলক), (২৩) কৃপাবৰ বৰুৱাৰ, কাকতৰ টোপোলা, (২৪) ওভতনি, (২৫) বুৰবুৰণি, (২৬) বৰবৰুৱাৰ বুলনি (ব্যঙ্গ আৰু হাস্যৰসাত্মক ৰচনা) (২৭) মোৰ জীৱন সোঁৱৰণ (আত্মজীৱনী) (২৮) দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত (জীৱনীমূলক), (২৯) শ্ৰীশ্ৰীশংকৰ দেৱ, (৩০) শ্ৰীশংকৰ দেৱ আৰু মাধৱদেৱ, (৩১) চৈতন্যদেৱ (গভীৰ তত্বমূলক), শ্ৰীকৃষ্ণকথা, ভগৱৎ কথা, তত্বকথা, বৈষ্ণৱ ধৰ্ম্মৰ ইতিহাস আৰু ৰাসলীলা (ধৰ্ম্মীয় তত্বমূলক আলোচনা)।

বেজবৰুৱা প্ৰকৃততে কবি নাছিল, সাহিত্যিকহে আছিল। "কবিতা হয় যদি হওক, নহক যদি নহক" বুলি সাহিত্য বীনৰ কেউডাল তাৰতে আঙুলি বুলাব পৰা এই গৰাকী প্ৰতিভাবন সাহিত্যকৰ এমুঠি কাব্যগুণ সম্পন্ন কবিতাই তেখেতক কবি ৰূপে স্বীকৃত কৰিছে। সেয়েহে ডঃ মহেশ্বৰ নেওগদেৱে লিখিছে লক্ষীনাথ বেজবৰুৱাৰ যি কেইটা কবিতাত কাব্যৰ পৰশ পৰিছে সেই কবিতা কেইটা সোণ পানীৰে চুপাই বন্ধাই থব লগীয়া। স্বাক্ষৰ স্বৰূপে 'ধনবৰ আৰু ৰতনী তেখেতৰ সক্ষম কাহিনীগীতি কবিতা বীন বৰাগী, মালতী, ভ্ৰম, ৰেণুকা আদি তেখেতৰ সফল কবি মনৰ পৰিচয়। আকৌ, বেজ-

বৰুৱা প্ৰাচ্য আৰু পাশ্চাত্য ভাৱধাৰাৰ সংযোগ সেতু। তেখেতে প্ৰথমে পাশ্চাত্য সাহিত্যৰ ৰোমাণ্টিক ভাৱধাৰা অসমীয়া সাহিত্যলৈ বহন কৰি আনে। অৱশ্যে তেখেতে আক্ষৰিক অনুবাদ নকৰি তাৰ ভাবাদৰ্শটোহে গ্ৰহণ কৰিছে। বিশ্বৰ উন্নতমানৰ সাহিত্যৰ ভাৱধাৰাৰ পৰা আদৰ্শ গ্ৰহন কৰি কৰি স্বকীয় বৈশিষ্ট্যৰে সাহিত্য সৃষ্টি কৰিব পৰাটো এটা ভাল বৈশিষ্ট্য। বেজবৰুৱাই এনে সমাবেশ ঘটাইছে তেখেতৰ কিছুমান কবিতাত। "প্ৰিয়তমাৰ সৌন্দৰ্য্য" কবিতাত জৰ্জ ডৰ্লি আৰু ছেক্সপীয়েৰৰ মেকবেথ নাটকৰ প্ৰভাব লিপতিত হৈছে।

Macbeth ত আছে—

Look like the innocent flower

But be the serpent under it".

সেই আদৰ্শতে তেখেতে লিখিছে—

"কেনৈ লাগিছে সেন্দুৰীয়া গাল

ফৰিং প্ৰেমিৰাৰ জুই

কোৱা ভাতুৰীয়া ওঠৰ তলত

ফেটীসাপ থাকে শুই"।

হাস্যৰস বেজবৰুৱাৰ সাহিত্যৰ এবাব নোৱাৰা অংগ। সেয়েহে তেখেতক "ৰসৰাজ" নামেৰে বিভূষিত কৰা হয়। "laugh and grow" ইংৰাজৰ এই মতৰ সৈতে তেওঁৰ একমত। বেজবৰুৱাৰ হাঁহিৰ দৰ্শন এয়া সাহিত্য হৈ ওলাই আহিছে "চালনী আৰু বেজী" কবিতাত—

"তিনি কুৰীয়াই আনে বিয়াই বাৰ বছৰীয়া

পকা দাড়ি চুলি কাটি কৰে নাইকীয়া

সেলেঙি লগাই ভেকালি কৰে ওঠ ৰঙাকৰি

নাতিনী যুৱীয়া ঘৈনীক মাতে বুলি পানেশ্বৰী

নহয়নে বাৰু হাঁহি উঠা ?

বেজবৰুৱাৰ ৰচনাৰ আন এটা উৎস হ'ল দেশপ্ৰেম। সমালোচনা সাহিত্যৰ জৰিয়তে জাতি টোক থকা সৰকা কৰিলেও অতীত গৌৰৱৰ কথা সোঁৱৰাই দি অতীতৰ গুণ গৰিমা প্ৰকাশ কৰি জাগ্ৰত কৰি তুলিছিল—

"আমি অসমীয়া নহওঁ দুখীয়া. কিহৰ দুখীয়া হম।

সকলো আছিল, সকলো আছে নুগুনো নলওঁ গম।'

বেজবৰুৱা এজন প্ৰকৃত দেশপ্ৰেমিক আছিল। দেশপ্ৰেমৰ স্বাক্ষৰ স্বৰূপেই অসমৰ জাতীয় সঙ্গীতটি আমালৈ অৱদান দি থৈ গৈছে। নিজৰ জন্মভূমিৰ প্ৰতি অফুৰন্ত মৰম থকাৰ বাবেই তেওঁ ১৯৩৮ চনৰ ২৬ মাৰ্চৰ দিনা অসমতেই মৃত্যু বৰণ কৰিছিল।

অসমীয়া ভাষা সাহিত্যলৈ বেজবৰুৱাৰ যি অৱদান সেয়া অনস্বীকাৰ্য্য। মধ্যযুগীয়া সাহিত্যত শংকৰদেৱৰ যি স্থান আধুনিক অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰো সেই একে স্থান। বেজবৰুৱা এজন ব্যক্তি নহয় অনুষ্ঠান। বঙালী ভাষাৰ হেচাত মুচকচ গৈ থকা অসমীয়া ভাষা সাহিত্যত সঞ্জীৱনী সুধা ঢালি সজীৱ কৰি তুলি অসমীয়া ভাষাৰ বটবৃক্ষ জুপি ডালে পাতে ঠন ধৰি উঠাৰ প্ৰবল আশাত উৎফুল্লিত প্ৰাণেৰে তেখেতে লিখিছিল—

"বাজক দবা, বাজক শংখ, বাজক মৃদং খোল,

অসম আকৌ উন্নতি পথত 'জয় আই অসম' বোল।

# মঙ্গলদৈৰ কেইটামান
# । ঐতিহাসিক পুখুৰী ।

শ্ৰীমতিৰাম মেধি
প্ৰবক্তা, ভূগোল বিভাগ

ইতিহাস প্ৰসিদ্ধ দৰঙ ৰাজ্য প্ৰাগ্‌ঐতিহাসিক কালৰে পৰাই বিভিন্ন দিশত সমৃদ্ধ। বৰ্ত্তমান জিলাখনৰ কলা সংস্কৃতিয়ে যেনেকৈ সমগ্ৰ অসমতে স্বকীয়া স্থান পাইছে, সেইদৰে জিলাখনত পৰিব্যাপ্ত পুখুৰী আৰু সত্ৰসমূহো বিভিন্ন সময়ত বিভিন্ন দিশত বুৰঞ্জীৰ সমল হৈয়ে আছে। বিভিন্ন সম্প্ৰদায়ৰ বাসভূমি এই ভূমিখণ্ডই ঐক্য আৰু সংহতিৰে দেশবাসীৰ মাজত জাকত জিলিকা হৈ যুগজয়ী ইতিহাস ৰচনা কৰাৰ দৃষ্টান্ত 'পথৰুঘাট ৰণ' আদিয়ে দিয়ে। দৰঙৰ পশ্চিমাঞ্চলৰ সত্ৰসমূহে যিদৰে ঐক্য আৰু আধ্যাত্মিকতাৰ যোগেদি সমাজখনক আগবাঢ়ি যোৱাত সহায় কৰিছে সেইদৰে পুখুৰীসমূহেও কৃষক ৰাইজক খোৱাপানী আৰু জলসিঞ্চনত সহায় কৰাৰ উপৰিও সংহতিৰ মন্ত্ৰেৰে প্ৰগতিৰ পথত আগবঢ়াই নিয়াত সহায় কৰি আহিছে।

বুঢ়ীনগৰৰ ফটিকৰ জোলে
মনপ্ৰাণ মোৰ পেলালে জুৰ
'জয়পাল' আৰু 'লখিমপুৰত'
একে মৰমৰে শুনিলোঁ সুৰ।
বন্দনা গাওঁ মঙ্গলদৈ তোমাৰ ... ... ...

কবি ৰাজখোৱা দেৱৰ সুন্দৰ অভিব্যক্তিখিনিয়ে মঙ্গলদৈৰ অত ত'ত সিঁচৰিত হৈ পৰি থকা কেইটামান ঐতিহাসিক পুখুৰীৰ ঐতিহ্য সুন্দৰভাবে দেখুৱাইছে। এই পুখুৰীসমূহৰ অতীত ইতিহাস বৈজ্ঞানিক পদ্ধতিৰে অনুধাবন কৰিব পাৰিলে বহুতো তথ্য আমি হাততে পাম। এই পুখুৰী সমূহৰ প্ৰায় আটাইবোৰে ৰজাদিনীয়া পৃষ্ঠপোষকতাতে খন্দোৱা হৈছিল। মঙ্গলদৈৰ বুৰঞ্জীবিদ ৺দীনেশ্বৰ শৰ্মাদেৱে লিখিছে মঙলদৈ মহকুমাৰ ৩৬১ টা ৰজাঘৰীয়া পুখুৰী বিৰাট সৰোবৰৰ তুল্যকৈ খন্দোৱা হৈছিল, যাৰদ্বাৰা সমগ্ৰ মহকুমাতে পানীৰ সৰবৰাহত কোনো অভাৱ নাছিল। বৰ্ত্তমান জলসিঞ্চন আঁচনিবোৰ ভালেখিনি কাম এই সৰোবৰ সমূহৰ পৰাই সম্পন্ন হৈছিল।[1] অধ্যাপক ড° মহম্মদ তাহেৰৰ মতেও— The central rice belt was traditionally a zone of dense agricultural population is evident from the fact that there are as many as 361 larges tanks in this region which were dug in the historical past under the patronage of the kings and

১) শৰ্মা, দিনেশ্বৰ "মঙ্গলদৈৰ ইতিহাস" দৰঙ্গ স্মৃতি ১৯৭৪ চন, পৃষ্ঠা—৫৬ দ্ৰষ্টব্য।

feudal lords for irrigation and domestic use.[2] ইয়াৰ পৰা এইটোকে ঠাৱৰ কৰিব পাৰি যে মঙ্গলদৈ মহকুমাৰ পুখুৰীসমূহ কৃষি সমৃদ্ধ অঞ্চলতে সীমাবদ্ধ আৰু ৰাজাঘৰীয়া বা জমিদাৰৰ পৃষ্ঠপোষকতাতে এই পুখুৰীসমূহ প্ৰধানকৈ খেতিপথাৰত পানীযোগান আৰু খোৱা পানীৰ বাবেই খন্দোৱা হৈছিল।

বিভিন্ন সময়ত দৰঙত ৰাজত্ব কৰা ৰজা সকলে এই মঙ্গলদৈ অঞ্চলো শাসন কৰিছিল আৰু পুখুৰী সমূহো খনাইছিল। 'প্ৰাচীন দৰঙ ৰাজ্যৰ তেজপুৰ অঞ্চলত বৰ্মা, জিতাৰী, ভূঞা আদি বংশীয় যিবোৰ ৰজাই ৰাজত্ব কৰিছিল বৰ্ত্তমানৰ পুখুৰীসমূহৰ নামৰ পৰাই সেইসকলৰ তলতে মঙ্গলদৈ অঞ্চলৰ শাসনকাৰ্য্য চলিছিল বুলি অনুমান কৰিব পাৰি'[3] জিতাৰী বংশীয় ৰজা আৰিমত্তই খণ্ডোৱা কলাইগাওঁ মৌজাৰ সেনাপতিপাৰা গাৱৰ "বুঢ়ীনগৰ পুখুৰী" পাল বংশীয় ৰজাই খণ্ডোৱা ৰইনাকুচি মৌজাৰ বৰকলিয়ামাৰ গাৱৰ জয়পাল পুখুৰী, লোকৰায় মৌজাৰ ব্যাসপাৰা গাৱৰ "দেউৰাজ" পুখুৰী, বৰ্মা বংশীয় ৰজাই খন্দোৱা দক্ষিণ মঙ্গলদৈৰ হিন্দুঘোপা মৌজাৰ অন্তৰ্গত "হতিয়াৰ পুখুৰী" আদিয়ে ইয়াৰ প্ৰমাণ দিয়ে। ইয়াৰ উপৰিও পশ্চিম মঙ্গলদৈ অঞ্চলত ভালেমান পুখুৰী সময়ৰ গতিত পোটখাই পিতনি বা জলাহত পৰিণত হৈছে বা খোৱা পানীৰ বাবেও অযোগ্য হৈ পৰিছে। লোকৰায় মৌজাৰ বলদেউ পুখুৰী, ৰইনাকুছি মৌজাৰ বাঘমাৰা, সৰাবাৰী মৌজাৰ বৰমপুৰ পুখুৰী, পচকীয়া পুখুৰী, গোৰাকাটা পুখুৰী, গঙা পুখুৰী, শান্তিপুখুৰী, কলাইগাওঁ মৌজাৰ লখিমপুৰ পুখুৰী, ডাঁহি মৌজাৰ দীঘিৰ পুখুৰী আৰু জলজলী পুখুৰী ইত্যাদি। জিলাখনৰ উত্তৰ দিশৰ পুখুৰীসমূহতো ভেহনী বা পিতনি পৰিছে আৰু প্ৰায় বিলাকেই সময়ত পোট গৈ মাত্ৰ নামটোহে আছে। তাৰ ভিতৰত বণথলী গাৱৰ চানমাৰী, কালিমাৰী আৰু পদোৰৰী পুখুৰী, বিশ্বসত্ৰৰ ওচৰৰ ডোপৰ পুখুৰী, টেঙাবাৰী হাইস্কুলৰ ওচৰৰ চক্ৰেখাইটী পুখুৰী শিমপোটা মৌজাৰ একেবাৰে পশ্চিমত 'ছাগলী কান্দা পুখুৰী, নাহাৰবাৰীৰ দৌলগুৰিৰ ভিজা পুখুৰী, নিজডলা গাৱৰ বৰপুখুৰী, পোটাপুখুৰী, হিৰাপাৰা গাৱৰ জয়পালৰ পুখুৰী, এম, বি, ৰোডৰ কাষতে থকা 'মেচকা পুখুৰী, গণকপাৰা আৰু ভোলাবাৰী গাৱৰ মিশ্ৰ পুখুৰী আদিয়েই প্ৰধান। উল্লেখিত প্ৰায় আটাইবোৰ পুখুৰী বিশেষকৈ দৰঙী ভূঞা, আহোমৰ ৰজা আদিৰ পৃষ্টপোষকতাতে খন্দোৱা হৈছিল। ৺মনোৰঞ্জন শাস্ত্ৰীদেৱে লিখিছে 'পালবংশীয় ৰজা ৰত্নপালৰ পুত্ৰ পুৰন্দৰ পালে 'সম্বৎসৰ' বা শিয়ালা বৈষ্ণৱ নামৰ ব্ৰাহ্মণজনক প্ৰচুৰ ব্ৰহ্মোত্তৰ ভূমিদান কৰিছিল। তেৱেঁই পশ্চিম মঙ্গলদৈ অঞ্চলৰ দিগজগ

২. Dr. M. Taher "The Geoeconomic Basis of population Distribution in Mangaldai Subdivision, Assam," The North Eastern Geography, Vol VIII, No 182, 1976, P—12
৩) শৰ্মা, দিনেশ্বৰ "পুখুৰীসমূহৰ ঐতিহ্য' মঙ্গলদৈৰ বুৰঞ্জী—পৃষ্ঠা ৩২

নদীটোক মৰানৈত পৰিণত কৰিছিল। বয়ৰা পুখুৰীৰ (আজিৰ বোৰা পুখুৰী) পাৰত যজ্ঞ কৰিছিল, বৃক্ষপুষ্কৰিণী (বৰহমপুৰ পুখুৰী) খনাই প্ৰতিষ্ঠা কৰিছিল।[8]

এই পুখুৰীসমূহৰ ঐতিহাসিক ইতিবৃত্ত যিয়েই নহওঁক কিয় এই বিলাকৰ ঐতিহ্য এতিয়াও সমাজত সমাদৃত। একোটা পুখুৰীৰ কিংবদন্তীৰ চাক্ষুচ প্ৰমান নহলেও ই যাউতীযুগীয়াকৈ মানুহৰ মনত সঁাচ বহুৱাই আহিছে। এই নিবন্ধত মাত্ৰ দুটামান পুখুৰীৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হ'ল।

(১) জয়পাল পুখুৰী: মঙ্গলদৈ মহকুমাৰ বইনাকুছি মৌজাৰ ২৪ বিঘা মাটি জুৰি এই পুখুৰী বৰ্ত্তমানে ৰাইজক পবিত্ৰ বিশুদ্ধ জল দান কৰি আছে। পালবংশীয় জয়পাল ৰজাই খৃ: ১১১৫ চনৰ পৰা ১১২৫ খৃ: লৈ এই পুখুৰী খনাইছিল।[5] এই পুখুৰীৰ বিশেষ বৈশিষ্ট এয়ে যে এই পুখুৰীৰ পানী বাৰিষা খৰালী একে সমানে থাকে। বৰ্ত্তমানে এই পুখুৰীৰ চাৰিওফালে পিতনি পৰিছে যদিও মাজভাগ মুকলি অৱস্থাতে আছে। কোনো কোনোৱে কোৱামতে এই মুকলি খণ্ডতে ৰাতি কেতিয়াবা এগচি হেনো বন্তি জ্বলি থাকে। এই পুখুৰীক হিন্দু মুছলমান উভয় সম্প্ৰদায়ৰ মানুহে বৰ পবিত্ৰ জ্ঞান কৰে। ইয়াৰ উত্তৰপাৰে মচজিদ স্থাপন হৈছে আৰু দক্ষিণ পূব কোনত হিন্দু ধৰ্মালম্বীলোকে মাজে সময়ে নাম কীৰ্ত্তন কৰে। এই পুখুৰীৰ পূৱপিনে কিছু নামনিৰ পৰাই ইটাৰ খট্‌খটি আছে। ইয়াত সোনৰ নাও বঠা থকাৰ কথাও শুনা যায়। কিছু বছৰ আগতে স্থানীয় ৰাইজে পুখুৰীটো উন্নয়নৰ বাবে পাম্প লগাই পানী সিচঁাৰ ব্যৱস্থা কৰিছিল যদিও পানী সিচি শেষ কৰিব নোৱাৰিলে যিমানে পানী সিচঁা হয় সিমানেই পানী পুনৰ জমা হৈ পূৰ হয়।[6] বৰ্ত্তমানে ৰাইজে এই পুখুৰীৰ পানী খোৱা পানী হিচাপে ব্যৱহাৰ কৰে। (২) হতিয়াৰ পুখুৰী: দক্ষিণ মঙ্গলদৈৰ হিন্দুঘোপা মৌজাৰ অন্তৰ্গত বৰাচুৱা আৰু সাতথলি গাৱঁৰ মাজত এটা বহু পুৰণি পুখুৰী আছে। পুখুৰীটো বৰ্ত্তমানে ব্ৰহ্মপুত্ৰৰ ঠিক পাৰতে লাগি আছে। ব্ৰহ্মপুত্ৰৰ গৰা খহনিয়াত ইয়াৰ দক্ষিণ পাৰটো খহি গৈছে। এইটোৰ নাম হতিয়াৰ পুখুৰী। চাৰিবিঘা মান কালিৰ এই পুখুৰীটো শালস্তম্ভীয় বংশৰ ৰজা হজ্জৰ বৰ্মাই খন্দোৱা বুলি অনুমান কৰা হৈছে।[7] তেওঁৰ নামৰ পৰাই 'হতিয়াৰ' নাম হোৱা বুলি ধাৰণা কৰা হৈছে।

আগতে হেনো এই পুখুৰীটোত এখন সোণৰ নাও আছিল। নাওঁখনৰ এটা টিঙা পুখুৰীটোৰ পাৰত থকা এজোপা গছত লোৰ শিকলিৰে বন্ধা আছিল। এই পুখুৰীটোত বহুতো সোণৰ সাজ-বাচনো আছিল। ওচৰৰ মানুহে

---

৪) শাস্ত্ৰী, মানোৰঞ্জন "মঙ্গলদৈৰ সৰ্ব্বভাৰতীয় পণ্ডিত সকল" 'দৰঙ্গ স্মৃতি'—১৯৭৩ চন পৃষ্ঠা ৮৮—৮৯.

৫) শৰ্মা, শৰৎ চন্দ্ৰ. "অতীতক নাযাবা পাহৰি" দৰঙ্গ স্মৃতি, ১৯৭৪ পৃষ্ঠা—৯৪

৬) ব্যক্তিগত অনুসন্ধান

৭) ডেকা, ভদ্ৰ "শাহে ৰজা, মুক্তেশ্বৰী মন্দিৰ মনসা পূজা আৰু কেইটামান পুৰণি পুখুৰী" শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সাহিত্য সভা পত্ৰিকা—১৯৭৭—৭৮ চন, ১ম বছৰ, ১ম সংখ্যা, পৃষ্ঠা—৩০ / ৩১.

আৱশ্যক হলে সেই বাচন-বৰ্ত্তনবোৰ আনিছিল আৰু কাম শেষ হলে পুনৰ পুখুৰীত জমা দিছিল। এই বাচনৰ বাবে আগ-দিনাই সেই নাওঁখনত এজোৰ তামোল পাণ দিব লাগিছিল, আৰু ৰাতিৰ ভিতৰতে বাচন-বৰ্ত্তনবোৰ নাওঁখনত সজাই থোৱা পাইছিল। পিছদিনা সেই বাচন আন কামত লগাই পুনৰ শ্ৰদ্ধা সহকাৰে নাওখনত থৈ দিব লাগিছিল। কথিত আছে যে বৰাচুৱা গাৱঁৰ এজনী বিধবাই হেনো এইদৰে বাচন-বৰ্ত্তনবোৰ আনি কাম শেষ হোৱাত সম্পূৰ্ণৰূপে ওভোটাই নিদিয়াত সেইদিনৰ পৰাই নাওঁখন অদৃশ্য হৈ গ'ল। তেতিয়াৰে পৰা বাচন বৰ্ত্তনবোৰো হেনো গাৱঁৰ মানুহে নোপোৱা হ'ল।

খৰালী মাহত এই পুখুৰীটোৰ পানী কমি যায় বাবে ওচৰৰ মানুহে মাছ মাৰে। মাজৰ দ' ঠাইখিনিত চাৰিও পিনে ইটাৰ ঠাক আছে আৰু তাত মাছ মাৰিবৰ হেনো কোনোৱে সাহসনকৰে

(৩) দীঘি পুখুৰী : এই পুখুৰী ডাঁহী মৌজাৰ ভিতৰত। এই পুখুৰীৰ দৈৰ্ঘ্য প্ৰস্থতকৈ দুগুন। সেই কাৰণেই এই পুখুৰীৰ নাম দিঘী হয়।[৮]

বৰ্ত্তমান দৰং জিলাৰ মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত হিন্দুঘোপা মৌজাৰ বৰাবাৰী গাৱঁত নৱম দশম শতিকাত ধৰ্মদেৱ বিপ্ৰ নামেৰে এজন ক্ষমতাশালী বৈষ্ণৱ আছিল। তেওঁৰ আলৌকিক গুণ কিছুমানৰ বাবেই তেওঁ ৰাজ অনুগ্ৰহ লাভ কৰিবলৈ সক্ষম হয়। পোৰাসত্ৰ আৰু বৰদ'লৰ প্ৰতিস্থাপক ধৰ্মদেৱেই এই দীঘিপুখুৰীটো খন্দাইছিল।[৯] এদিনাখন ধৰ্ম্মদেৱ মহন্ত তেওঁৰ সত্ৰৰ উত্তৰে থকা ডাঁহী গাৱঁলৈ ফুৰিবলৈ গ'ল তেওঁৰ ৰাইজৰ খা খবৰ লোৱাৰ উদ্দেশ্যে। সেই সময়ত চ'ত মাহ। প্ৰখৰ ব'দ। নৈ নলা, জান জুৰি শুকাই গৈছে। ডাঁহী গাৱঁৰ এখন বহল পথাৰৰ মাজৰ এজোপা গছত পৰি কিছুমান পানীপিয়া চৰাই বৰকৈ চিঞঃৰি আছে। ওচৰৰ মানুহক সুধি জানিব পাৰিলে যে চৰাইবোৰে পানীৰ অভাৱত পানী খাব নেপাই তেনেকৈ চিঞঃৰিছে। তেওঁ মনত বৰ আঘাটপাই সেই ঠাইতে এটি ডাঙৰ পুখুৰীৰ প্ৰয়োজন বোধ কৰি ৰাইজক মাতি আনি লগে লগে খননকাৰ্য্য আৰম্ভ কৰিলে। গভীৰতা বেছি হোৱাৰ কাৰণে পুখুৰীৰ তলৰ পৰা পানী ওলাবলৈ ধৰিলে। দৈৰজ্ঞক মাতি আনি পুখুৰী গনাই নাম থলে 'দীঘি দিগেশ্বৰী'। সেই সময়ত তেনেকুৱা ডাঙৰ পুখুৰী খান্দিলে হোম যজ্ঞ পাতি মাঙ্গলিক উৎসৱেৰে উদ্বোধন কৰাৰ নিয়ম। কিন্তু কোঁচৰাজ্যৰ প্ৰতিষ্ঠাতা হাৰিয়া মণ্ডলৰ পুতেক বিশুৱে হঠাৎ পৰাক্ৰমী হৈ ধৰ্ম্মদেৱৰ ৰাজ্য কাঢ়ি লোৱাত দীঘি পুখুৰীৰ পবিত্ৰ প্ৰতিষ্ঠা উৎসৱ অনুষ্ঠিত নহ'ল।

আকৌ অন্য এক জনশ্ৰুতি মতে ধৰ্ম্মদেৱ মহন্তই পুখুৰী খন্দোৱাই পানী নোলোৱাত মহা চিন্তাত পৰিল। যিমানে খান্দে সিমানেই পানীৰ কোনো চিনেই নেপায়। শেষত তেওঁ সপোন

---

৮) শৰ্মা, দিনেশ্বৰ, "পূৰ্ব্বোক্ত গ্ৰন্থ," পৃষ্ঠা ৩৬ ॥

৯) নাথ, ভাৰত চন্দ্ৰ, "দীঘি পুখুৰী," শিপ্লালা বৈষ্ণৱ মহন্ত সম্বৎসৰৰ কাহিনী ১৯৮৯—পৃষ্ঠা ১৯

দেখিলে যে তেওঁৰ সৰু ৰাণী কমলা কুঁৱৰীক পুখুৰীত দান দিলেহে পানী ওলাব । অৱশেষত ৰাইজৰ উপকাৰৰ বাবে তেওঁ কমলাক পুখুৰীত দান দিয়াতহে পানী ওলায় । এই সম্বন্ধে দুই এটা লোকগীতো মানুহৰ মুখে মুখে শুনা যায়।

বহুকাল পতিত হৈ থকাৰ পিছত বৰ্ত্তমান চৰকাৰে এই পুখুৰীটোৰ একাংশত মীন পামৰ ব্যৱস্থা কৰিছে । ইয়াৰ একাংশ স্থানীয় ৰাইজে ৰাস উৎসৱৰ বাবে সংৰক্ষণ কৰিছে । ইয়াৰ পাৰতে দীঘিৰপাৰ উচ্চ ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠিত হৈছে ।

এইদৰে প্ৰত্যেকটো পুখুৰীৰে ইতিবৃত্ত ব্যাখ্যা কৰাটো সম্ভৱ নহয় । কিন্তু প্ৰতিটোৰে ঐতিহ্য আৰু বৈশিষ্ট স্বকীয়া । ইমান ডাঙৰ ডাঙৰ পুখুৰীসমূহ এক ডেৰ মাইল আঁতৰে আঁতৰে কিয় খন্দাইছিল ? এতিয়া এইবোৰ পুনৰ উদ্ধাৰ কৰি মীনপাম হিচাপে ব্যৱহাৰ কৰিব পাৰিলে স্থানীয় ৰাইজ নিশ্চয় উপকৃত হব আৰু বহুতো তথ্য আমাৰ হাতলৈ আহিব। শুনা যায় কোনোৱা ৰজা বা জমিদাৰে এটি পুখুৰী ক'ত খন্দোৱা হব ঠাই নিৰ্ণয়ৰ বাবে এগছি বন্তি জ্বলাই ঘূৰি ফুৰিছিল। যি ঠাইতে বন্তিগছি নুমাই যায়, সেইখিনিতে পুখুৰীখন্দাৰ ঠাই হব । ধাৰণা হয় দৰঙৰ প্ৰাচীন ৰজা সকলে বিশেষকৈ পুখুৰী খান্দিয়েই তেওঁলোকে যথেষ্ট প্ৰজাহিতকৰ কাম কৰাৰ যত্ন কৰিছিল । আমি এই পুখুৰী সমূহ, সংৰক্ষণ কৰাতো কৰ্ত্তব্য ।

॥ দৃষ্টি ভঙ্গী ॥

"তোমালোকে দেশক ভাল পোৱা । প্ৰাণ দি মানুহক ভাল পোৱা । দেশ বাসীৰ সেৱা কৰা । একোতেই ভয় নেখাবা । তোমালোক যে বীৰ ! খুব সাহিয়াল হোৱা ।"

—স্বামী বিবেকানন্দ

"যন্ত্ৰ শক্তিক মানসিক শক্তিৰে পৰাজিত কৰা, সবলীক দুৰ্বলীয়ে পৰাভূত কৰা, আধুনিকতাক ঐতিহ্যৰে পৰাস্ত কৰা ।"

—হো, চি, মিন

"কোনো এজন মানুহৰ হাতত অস্ত্ৰ তুলি দিয়াৰ আগতে তাৰ মনটো প্ৰস্তুত কৰি লোৱা ।"

—মাও, চে, টুং

"যুগ ৰথৰ চকৰি বা বিশাল ব্ৰহ্মপুত্ৰক যেনেকৈ বাধা দি ৰাখিব নোৱাৰি-তেনেকৈ এটা কৃষ্টিকো বাধা দি ৰাখিব নোৱাৰি । ই সদায় মহাসাধনাৰ পথত অগ্ৰসৰ হয় ।"

—বিষ্ণু ৰাভা

সংগ্ৰাহক—শ্ৰীগুৰু প্ৰসাদ চহৰীয়া
স্নাতক ১ম বাৰ্ষিক ( কলা )

# সৈনিক শিল্পী—

# ব্ৰজ শৰ্ম্মা

শ্ৰীবিপুল কুমাৰ শৰ্ম্মা (মিণ্টু)
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

অসমৰ নাট্য জগতৰ এজন প্ৰতিভাবান ব্যক্তি ব্ৰজ শৰ্ম্মা। নামনি অসমৰ মাটিত জন্ম লাভ কৰা এই মহান শিল্পীৰ জীৱন বাট এটি সংঘাত-পূৰ্ণ সোঁতৰ মাজেৰে পাৰ হৈছিল। দেশৰ মাটিত দেশপ্ৰেমৰ গোন্ধ লৈ ফুৰা এই মহান স্বদেশ প্ৰেমীৰ জীৱনালেখ্য অতি বিচিত্ৰ।

আজীবন দেশ মাতৃৰ বাবে উচৰ্গা কৰা এইজনা দৰদী শিল্পীৰ জন্ম হৈছিল বৰ্ত্তমান বৰপেটা জিলাৰ অন্তৰ্গত "শিলা" নামৰ গাৱত শৰ্ম্মা দেৱ আছিল তিনি ভাই ককাইৰ কনিষ্ঠ। তেনেই নাবালক অৱস্থাতে শৰ্ম্মা দেৱৰ পিতৃয়ে তেখেতক এৰি যায়। সেয়েহে শৰ্ম্মা দেৱৰ ভৰণ পোষণৰ দায়িত্ব জেষ্ঠ ভাতৃ মহেশ্বৰ শৰ্ম্মা দেৱে মুৰ পাতি লয়।

পৰিয়ালটো চহকী নোহোৱা হেতুকে জীৱিকা হিচাবে শৰ্ম্মাদেৱে ১৯১৪ চনত সৈন্য বাহিনীত ভৰ্ত্তি হয়। ১ম মহাসমৰৰ যুদ্ধৰ বিভিষিকাই গোটেই পৃথিৱী চাটি ধৰিছিল। হিলৈ, বাৰুদৰ কান তাল মাৰিধৰা শব্দই বিশ্বৰ জনগণৰ মাজত সংশয়ৰ সৃষ্টি কৰিছিল।

কিন্তু একুৰি বছৰীয়া ডেকা ব্ৰজনাথৰ ১৪৯ নং বেঙ্গল ৰেজিমেণ্ট আগবাঢ়িল কলিকতাৰ ফোৰ্ট উইলিয়ামৰ পৰা মেছোপটেমিয়া অভিমুখে। ইঠাইৰ পৰা সিঠাইলৈ কেৱল যুদ্ধ। মেছোপটেমিয়া, কেনিয়া, বাগদাদৰ আকাশ কেৱল বোমাৰ গৰ্জনে ভেদ কৰিছে। দশোদিশ ধুৱলী কুঁৱলী হৈ পৰিছে। কেৱল ৰাইফল, মেচিনগান আৰু সাহসিকতাৰ বাবে প্ৰাপ্য প্ৰমোচন।

চিপাহী ব্ৰজনাথৰ সাহসিকতাপূৰ্ণ সেৱাৰ বাবে বৃটিছ চৰকাৰৰ পৰা দিয়া হ'ল প্ৰমোচন। বাগদাদ চহৰনৰ হেজাৰ হেজাৰ আৰব্য সংস্কৃতিৰ পূজাৰিৰ বিচৰণ ভূমি। সৈনিক জীৱনৰ এই সুযোগতে শৰ্ম্মা দেৱে এইপুন্য ঠাইতে এজন ভাৰতীয় খৃষ্টানৰ সৈতে চিনাকী হৈছিল। এই জনাই হ'ল মহান কলাকুশলী মিঃ জর্জ। এই মহান শিল্পানুৰাগীৰ পৰা পোৱা সৃষ্টি সুলভ পৰামৰ্শ আৰু প্ৰশিক্ষনে শৰ্মাদেৱক শিল্পীৰ পৃথিৱীলৈ বাট দেখুৱাই দিলে। কিন্তু এবছৰৰ পিছত ব্ৰজ শৰ্ম্মাদেৱে এই জনা সংগীত প্ৰেমিকক এৰি হেজাৰ বিজাৰ গোলাপেৰে জাতিস্কৃত হৈ থকা 'বছোৰালৈ' বদলি হৈ যাব লগা হয়।

বছোৰা প্ৰকৃতিৰ ৰম্যভূমি । এইখন চহৰৰ বুকুতে গঢ়লৈ উঠা ড্ৰামাটিক ক্লাবৰ লগত ব্ৰজ শৰ্ম্মাৰ সম্পৰ্ক নীবিড় হৈ উঠিল । দহ টকা বছৰেকীয়া বৰঙণি দি ব্ৰজশৰ্ম্মা হৈ পৰিল ক্লাবৰ এজন অন্যতম সদস্য । ক্লাবৰ কৰ্ণধাৰ হৃষিকেশ মুখাৰ্জীৰ অক্লান্ত পৰিশ্ৰমৰ ফলস্বৰূপে গঢ় লৈ উঠা এই ড্ৰামাটিক ক্লাবৰ মূল লক্ষ্য আছিল স্বদেশৰ কলা কৃষ্টিক সজীৱ কৰি জগাইতোলা । আজৰি সময়ৰ সুবিধা লৈ ব্ৰজনাথে মন প্ৰাণ ঢালি দি অভিনয় শিকিলে । বছোৰাৰ বুকুত ব্ৰজ শৰ্ম্মাৰ অভিনয় আৰম্ভ হ'ল । শৰ্ম্মাদেৱৰ নাট্য জীৱনৰ ১ম বঙালী নাটক 'বীজাবাও'ৰ অভিনয় আৰম্ভ হ'ল । শঙ্কৰ ৰাওৰ ভাওঁৰে ব্ৰজশৰ্ম্মা ওৰফে ব্ৰজঠাকুৰে দৰ্শকৰ মন হৰি পেলালে । নাটৰ পিছত নাট । আৰম্ভ হ'ল দুৰ্গাদাস, মিছৰকুমাৰী চন্দ্ৰগুপ্ত, মোগল পাঠান, ৰাণাপ্ৰতাপ, বনবীৰ, ধৰ্ম বিপ্লৱ, ইত্যাদি ভালেমান নাট ! এই নাটবোৰৰ ভাষা বঙলা কিন্তু এজন অসমীয়া যুৱকৰ মুখত আখৈ ফুটাদি ফুটি ওলোৱা বঙালী ভাষাৰ অনৰ্গল প্ৰকাশ ভংগীয়ে ব্ৰজশৰ্ম্মাক বঙালী বুলিয়ে ভাবিছিল ।

সুদূৰ মধ্য প্ৰাচ্যত এনেদৰে নাট্য জীৱনৰ আট বিচাৰি স্বদেশলৈ উভতিছিল সৈনিক শিল্পী ব্ৰজ শৰ্ম্মা । মেছোপটেমিয়াৰ পৰা স্বদেশলৈ অহাৰ পথত শৰ্ম্মাদেৱে কলিকতাত কিছুদিন ৰব লগা হ'ল । বংগীয় নাট্য মঞ্চত সোৱাদ লোৱাৰ অভিপ্ৰায়েৰে শৰ্ম্মাদেৱ কলিকতাৰ সংগীত প্ৰেমী দানি ঘোষৰ ঘৰত থাকিবলৈ ললে । কলাপ্ৰেমি ঘোষৰ অনুৰোধত শৰ্মাদেৱে কলিকতাৰ মঞ্চত ভাও লবলৈ কথা দিবলগীয়া হ'ল । অসমৰ নিচেই ওচৰতে থাকি আনহাতে বিদেশৰ মাটিত সম্পূৰ্ণ পাচ বছৰ অনাই বনাই ঘূৰি ফুৰি শৰ্ম্মাদেৱৰ মাতৃ ভূমিলৈ মনত পৰিল ঘৰ মুৱা হোৱা ব্ৰজনাথৰ স্বদেশৰ মাটিত ভৰিদিয়াৰ লগে লগে শৰ্ম্মাদেৱৰ মন অপাৰ আনন্দৰে ভৰি পৰিল । বহুদিন বিৰতিৰ পিছত স্বদেশৰ মাটিৰ গোন্ধে শৰ্মাদেৱৰ আনন্দৰ চকুলো বোৱাই দিছিল ।

দেওলগা মন ব্ৰজশৰ্ম্মাৰ, হঠাৎ শৰ্ম্মাৰ মনটো যেন ভাগি পৰিল । কিবা এটা চিন্তাই শৰ্ম্মাক যেন খুলি খুলি খালে । কলিকতাৰ মঞ্চত অভিনয় কৰিলে তেওঁৰ হয়তো নাম হব, যশস্যাও বৈ যাব আৰু হাজাৰ অতীতে হয়তো শৰ্ম্মাক মহানগৰীৰ বুকুত সামৰি থব । কিন্তু অসমৰ কি লাভ হব অসমৰ নাট্যমঞ্চৰ কেনেকৈ উন্নতি হব সেয়েহে কলিকতালৈ গৈ বংগীয় মঞ্চত ভাওঁ কৰাতকৈ অসমৰ মঞ্চত অভিনয় কৰি অসমৰ নাম বঢ়োৱাটোকে শৰ্ম্মাদেৱে সিদ্ধান্ত কৰিলে ।

কলিকতালৈ নমস্কাৰ জনাই শৰ্ম্মাদেৱে অসমৰ মাটিত আৰম্ভ কৰিলে শিলা কালিকা অপেৰাপাৰ্টি । ১৪ বছৰ বয়সতে ৰোহিতেশ্বৰৰ ভাও লোৱা ব্ৰজ শৰ্ম্মা এতিয়া হৈ পৰিল ব্ৰজ ঠাকুৰ গানৰ ওস্তাদ, মুখ্য প্ৰযোজক, শ্ৰেষ্ঠ অভিনেতা । ইয়াৰ তিনি বছৰ পিছত ১৯২৪ চনত শৰ্ম্মাদেৱে শিলাগাওঁৰ পৰা উঠি আহি দক্ষিণ গনক গাড়ী গাওঁত নকৈ বাস কৰিবলৈ লয় । এই সময়চোৱাতে গুনেশ্বৰী নামৰ এজনী ছোৱালীক শৰ্ম্মাদেৱে সহধৰ্মিনী হিচাবে গ্ৰহণ কৰে । পত্নীৰ উৎসাহ তথা আগ্ৰহে শৰ্মাদেৱক আকৌ নাট্যভিনয় আৰম্ভ কৰাত যথেষ্ট উৎসাহ

যোগায় । অনাদৰ মহাজনৰ পৃষ্ঠপোষকতাত শৰ্মাদেৱে দক্ষিণ গনকগাড়ী অপেৰাপাৰ্টী আৰম্ভ কৰে । ভ্ৰাম্যমান দক্ষিণ গনকগাড়ী অপেৰাপাৰ্টীয়ে গোটেই অসমৰ বুকুত অভিনয় আৰম্ভ কৰিলে । অসমৰ নাট্যপ্ৰেমী লোকৰ মাজত ব্ৰজশৰ্মা হৈ পৰিল সুদক্ষ অভিনেতা সু-পৰিচালক । অসমৰ মাটিত ১ম বাৰৰ বাবে এনেকুৱা নিজা ভ্ৰাম্যমান থিয়েটাৰদলে অভিনয় আৰম্ভ কৰিলে । গোটেই অসমতে বঞ্চিত সিংহ, বেদ উদ্ধাৰ, বাণৰজা, শিৱাজী, গুলেনাৰ, পানীপথ, ভাস্কৰ পণ্ডিত ললিতাদিতাই সমাদৰ লাভ কৰিলে ।

ব্ৰজশৰ্মাদেৱৰ লগতে তেওঁৰ সহকৰ্মীসকল পাঠশালাৰ চন্দ্ৰচৌধুৰী, নলবাৰীৰ সনাতন হাজৰিকা, চামতাৰ ৰজনীকান্ত ভট্টাচাৰ্য্য, কৃষ্ণ শৰ্মা, ফণী শৰ্ম্মা, (নটসূৰ্য্য) ৰবিনাথ, নবীন নাথ, কৃপানাথ গোস্বামী, দামোদৰ পাঠক, ৰাজমোহন নাথ, মহেন্দ্ৰ দাস, বসুৰাম দাস ৰমেশ মহন্ত, গোপাল বড়াৰ অভিনয়ে সকলোকে চমক খুৱালে । চন্দ্ৰ চৌধুৰী দেৱৰ স্ত্ৰী চৰিত্ৰৰ অভিনয়ে সেই সময়ৰ দৰ্শকক চমক খুৱাব পাৰিছিল ।

সকলো দৰ্শকৰ পৰা পোৱা সমাদৰে শৰ্মা দেৱক নাট পৰিচালনাত উৎসাহ যোগাইছিল । ফলস্বৰূপে ১৯৩০ চনত জন্ম হৈছিল 'কোহিনুৰ অপেৰা' নামৰ অসমৰ ১ম ভ্ৰাম্যমান থিয়েটাৰ দলৰ । শৰ্মাদেৱে অসমৰ নাট্য জগতৰ এটি বিশেষ পৰিবৰ্তন বিচাৰিছিল । সেই বছৰতে পঞ্জিভুক্ত কৰোৱা তেওঁৰ "কোহিনুৰ অপেৰাত' এটি নতুন পৰিবৰ্ত্তনৰ সূচনা কৰিলে । ছোৱালীয়ে নিজেই ছোৱালীৰ অভিনয় সাব্যস্ত কৰিলে । এনে পৰিবৰ্ত্তনৰ ফলস্বৰূপে বহুতৰ মনত ব্ৰজ শৰ্ম্মা হৈ পৰিল কু—সমালোচনাৰ পাত্ৰ । সকলো সমালোচনা কু—মন্তব্যক দৃঢ় ভাবে মূৰ পাতি লৈ ব্ৰজশৰ্ম্মাদেৱে বিপিনচন্দ্ৰ বৰুৱাৰ সহায়ত 'কোহিনুৰ অপেৰাৰ মঞ্চত সহঃঅভিনয় আৰম্ভ কৰিলে । আগবাঢ়ি আহিল ফুলেশ্বৰী, গোলাপী নাথ আৰু সৰ্ব্বেশ্বৰী নামৰ তিনিগৰাকী গাভৰু । এওঁলোকক লক্ষ্য কৰিয়ে বিনোদা গগৈ, শৈলবালা দেৱী আৰু লাবন্য দাসে সহযোগ কৰিলে ।

১৯৩৪ চনত 'কোহিনুৰ অপেৰাই' নাট্যাভিনয় আৰম্ভ কৰিলে । বহুতো মানুহৰ সমালোচনাক শৰ্ম্মাদেৱে যুক্তি-যুক্ত বাক্যৰে খণ্ডন কৰিলে ।

সেই সময়ত বাহিৰৰ পৰা অহা বাংলা যাত্ৰাভিনয়, মণিপুৰী নাচ, বাইজী নাচ পুৰাদমে চলি আছিল । কোহিনুৰ অপেৰাৰ সাজ-সজ্জা উচ্চ স্তৰৰ নোহোৱা বাবেই এইবোৰ বাহিৰা সংগঠনৰ লগত প্ৰতিযোগিতাত আগবঢ়াত শৰ্ম্মাদেৱে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছিল । কৰবাত দল এটি খুলি বহুটকাৰ মালিক হোৱাৰ সপোন দেখি বহুকেইজন অভিনেতাই কোহিনুৰ অপেৰাৰ পৰা গুলাই গৈছিল । ফলস্বৰূপে কোহিনুৰ অপেৰাই নিজে নিজে বৈ যাব লগা হৈছিল । দৰ্শকৰ পয়োভৰ কমা নাছিল, নাট্যানুৰাগী মানুহৰ অভাৱ হোৱা নাছিল, দলীয় কৰ্মীৰ বিশ্বাস ঘাটকতাই শৰ্ম্মাদেৱৰ কোহিনুৰ অপেৰাৰ দুৱাৰ ৰুদ্ধ কৰি দিছিল । দৃঢ় মনৰ গৰাকী ব্ৰজশৰ্ম্মা কিন্তু ভাঙি নপৰিল । ১৯৩৫ চনত শৰ্ম্মাদেৱে কলিকতালৈ গৈ তিনিখন পালা ৰেকৰ্ড কৰে আৰু নতুন উদ্যমেৰে নাট্যাভিনয় মনোনিবেশ

কৰে। সেই সময় ছোৱাতে শৰ্ম্মাদেৱে মনোমতী, উৰ্ব্বশী, আৰু পতিতা নামেৰে তিনিখন নাট ৰচনা কৰে। এই আটাইকেইখন নাটতে শৰ্ম্মাদেৱে অভিনয় কৰিছিল। এসময়ত বিপিনচন্দ্ৰ বৰুৱাৰ সহায়ত গঢ়ি উঠা কোহিনুৰ অপেৰা পাৰ্টিৰ চিন চাব নোহোৱা হৈ পৰিল। যাত্ৰাপাৰ্টি খোলাৰ কোনোধৰণৰ সমল নোহোৱাত শৰ্মাদেৱ হতাশ হৈ পৰিল। সংস্থানৰ পথ নোহোৱা হ'ল তথাপিও বহল অন্তৰৰ মানুহ শৰ্মাদেৱ বিতত নহ'ল। ১৯৩৭ চনত শৰ্ম্মাদেৱে কংগ্ৰেছত গভীৰ ভাবে সোমাইপৰে আৰু সেইবছৰতে শৰ্মাদেৱ বৰনগৰ কংগ্ৰেছ কমিতিৰ উপ সভাপতি নিৰ্বাচিত হ'ল।

গোটেই ভাৰতবৰ্ষতে গণবিপ্লৱৰ জুই জ্বলি উঠিল। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বগা বঙালক খেদি পঠিয়াবলৈ স্বৰাজ মন্ত্ৰেৰে দিক্ষীত শত সহস্ৰ ভগ্নিয়াৰ, ডেকা গাভৰু অবাল বৃদ্ধ বণিতা ৰাজপথলৈ ওলাই আহিল। "কৰেঙ্গে ইয়া মৰেঙ্গে" ধ্বনিৰে গোটেই ভাৰতবৰ্ষ তথা অসমতে গণআন্দোলনৰ জুয়ে চাটি ধৰিলে। বৰনগৰ অঞ্চলৰ বিপ্লৱী ব্ৰজশৰ্মাই গোটেই কামৰূপ তথা অসমত বিপ্লৱৰ জুই জ্বলাই দিলে। ৰাজদ্ৰোহ অপৰাধত, পাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি বৃটিছ চৰকাৰে বহুকেইজন দেশপ্ৰেমিকক ফাঁচী কাঠত ওলোমালে। বহুতে জেল হাজোতত খাটিব লগা হ'ল। ব্ৰজনাথে আত্মগোপন কৰি পলাই থাকিল। বৃটিছ চৰকাৰে ব্ৰজশৰ্মাৰ মূৰৰ দাম দহ হাজাৰ টকা ঘোষণা কৰিলে। যিয়ে ব্ৰজশৰ্মাক ধৰাই দিব তেওঁক বৃটিছ চৰকাৰে দহ হাজাৰ টকা পুৰস্কাৰ দিব। এনেকুৱা দমন নীতিয়ে আন্দোলনক দমন কৰি ৰাখিব নোৱাৰিলে। সৰহভাগ অঞ্চলতে আন্দোলনৰ জুই দপ্ দপ্ কৈ জ্বলি উঠিল। স্বদেশৰ স্বাধীনতা পুনৰ ঘূৰাই আনিবলৈ সকলো ৰাইজ ৰাজপথলৈ ওলাই আহিল। জনতাৰ মুখৰ ধ্বনিত হ'ল 'বন্দে মাতৰম'। গোটেই অসমতে এই জুই জ্বলি উঠিল। স্বদেশ প্ৰেমৰ মন্ত্ৰেৰে দিক্ষীত বহু ডেকা গাভৰুৱে স্বাধীনতাৰ হকে হাঁহি মুখে প্ৰাণদান কৰিলে। দৰং জিলাৰ গহপুৰ থানাত পতাকা উৰাবলৈ গৈ ১৪ বছৰীয়া কনকলতা বৰুৱা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী আদিয়ে পুলিচৰ গুলীত প্ৰাণ এৰিলে। ছাত্ৰ সকলে স্কুল কলেজ এৰিলে। চাকৰিয়াল সৱে চাকৰি ত্যাগ কৰিলে। ছাত্ৰ সকল গুলীখোৱা বাঘৰ দৰে হ'ল। পুলিচৰ চকুত ধূলি মাৰি পলাই থাকি আন্দোলন চলাব লগা হ'ল। বহুতৰ জীৱন বহু সময়ত বিপন্ন হ'ল। মহাত্মা গান্ধীৰ আহ্বানত সকলোৱে নিজৰ প্ৰাণকো তুচ্ছ জ্ঞান কৰি আন্দোলনত দেহ মন সপি দিলে। অক্লান্ত বিপ্লৱী ব্ৰজশৰ্মাই সংগ্ৰামৰ বীজ সিচি অতি গোপনে কলিকতাত থাকিব ললে। কিছুদিনৰ পিছত শৰ্ম্মাদেৱে গোৱালপাৰালৈ আহি বটিয়ামাৰীত থাকিবলৈ লয়। কিন্তু এইবাৰ পুলিচৰ চকুত ধূলি মাৰি সৰহ দিন থাকিব নোৱাৰিলে। শৰ্ম্মা পুলিচৰ হাতত ধৰা পৰিল। তেওঁ ১ম বাৰৰ বাবে জেলত সোমাব লগা হ'ল। গুৱাহাটীৰ কাৰাগাৰত থকা ৰাজনৈতিক বন্দী সকলে শৰ্ম্মাক বন্দী কৰাৰ কথা আগতে গম পাইছিল, যেতিয়া শৰ্ম্মাক তেওঁলোকৰ লগত নাৰাখি জেলত ৰখাৰ হুকুম হ'ল তেতিয়া তেওঁলোকৰ মুখ শেতাপৰি গ'ল।

গোটেই জীৱন দেশমাতৃৰ বাবে ত্যাগ

কৰিবলৈ কুণ্ঠাবোধ নকৰা বিপ্লৱী শিল্পী ব্ৰজশৰ্মাক ইংৰাজ চৰকাৰে অনিৰ্দ্দিষ্ট কাললৈ কাৰাবৰণৰ আদেশ দিলে। দেশমাতৃৰ মুক্তিৰ আহ্বানত ব্ৰজ শৰ্ম্মাই হাঁহি আৰু চকুলোৰ মাজেৰে অক্লান্ত ভাবে বৃটিছ চৰকাৰৰ আদেশ নতশিৰে মানি ললে। ঘৰলৈ মনত পৰাত শৰ্ম্মাৰ মন উগুল থুগুল লাগিল। মনত পৰিল তেওঁৰ সহধৰ্মিনীৰ সৈতে এৰি অহা পুত্ৰটিকলৈ। এইবোৰ কথা ভাবি থাকোতে তেওঁৰ চকুৰ পানী সৰসৰকৈ পৰিবলৈ ধৰিলে। জেলত থকা সময় ছোৱাত তেওঁ খবৰ পালে যে তেওঁৰ একমাত্ৰ পুত্ৰ সন্তানটিৰ টান নৰিয়া। একমাত্ৰ পুত্ৰ সন্তানটিৰ টান নৰিয়াৰ খবৰ পাই তেওঁৰ মন ভাঙি পৰিল। একমাত্ৰ পুত্ৰটিৰ টান নৰিয়া অৱস্থাত চাব নোৱাৰাটো কিমান দুখৰ কথা সেইটো ভুক্তভোগী সকলৰ অন্তৰেহে ভালকৈ জানে। ডি, চি, ৰ হুকুম লৈ শৰ্মাক এবাৰ তেওঁৰ সহধৰ্মিনীয়ে দেখা কৰাত শৰ্মাই চকুৰপানী ৰাখিব পৰা নাছিল।

ব্ৰজশৰ্ম্মাই জেলত থকা সময়খিনিত বৰদলৈ প্ৰমুখ্যে কেবাজনো বিখ্যাত নেতাক সংগী হিচাবে পোৱাত অন্তৰৰ সকলো দুখ বেদনাকে পাতলাই ৰাখিব পাৰিছিল।

এদিনাখন কোনোবাই জেলৰ খেৰিঘৰ এটাত জুই লগাই দিয়াত ঘৰবোৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা হেতুকে চৰকাৰে ব্ৰজশৰ্ম্মাৰ সকলো কাম বুলি ভাবি শৰ্ম্মাক গুৱাহাটীৰ পৰা চিলেট জেললৈ বদলি কৰিলে। সকলো পাপ পুণ্য ভগৱানৰ ওচৰত সপি দি ব্ৰজশৰ্ম্মা হাঁহি মুখেৰে চিলেটলৈ ৰাওনা হ'ল। গুৱাহাটী এৰিব লগা হোৱাত শৰ্মা ডাঙৰীয়াই মৰ্ম্মান্তিক দুখ পাইছিল। কিয়নো বৰদলৈ প্ৰমুখ্যে কেইগৰাকী মান নেতাৰ পৰা আতৰত থাকিব লগা হৈছিল। চিলেট জেলত স্বাধীনতা আন্দোলনৰ অন্যতম যোদ্ধা দেবেশ্বৰ শৰ্মা, হৰেশ্বৰ গোস্বামী, গৌৰিকান্ত তালুকদাৰ, ৰজনী চৌধুৰী, ড° হোমেশ্বৰ চৌধুৰী, কামেশ্বৰ দাস আদিক লগ পাই ব্ৰজ শৰ্মাৰ মুখত পানী আহিল। এখন ঘৰৰ একেটা পৰিয়ালৰ দৰে তেওঁলোক আটাইকেইজন একে লগে বাস কৰিবলৈ লোৱাত তেওঁলোকৰ অন্তৰত থকা দুখ বেদনা কিছুপৰিমাণে উপশম হ'ল। ইয়াৰ কেইবা মাহমান পিছত তেওঁলোক আটাইকেইজন (শৰ্মাৰ বাহিৰে) গুৱাহাটীলৈ অহাত ব্ৰজ শৰ্মা আকৌ অকলশৰীয়া হৈ পৰিল। চুপাৰিণ্টেণ্ডৰ আদেশ শৰ্ম্মাই হেনো জেলত সংযম হৈ থাকিব লাগিব আৰু তাৰ প্ৰতিশ্ৰুতি পত্ৰ লিখি দিলে শৰ্ম্মাক গুৱাহাটীলৈ নাইবা তেজপুৰলৈ পঠাই দিব। কিন্তু শৰ্ম্মাদেৱ এনে কথাত মান্তি নহ'ল। কিন্তু ইয়াৰ এবছৰ পিছত শৰ্ম্মাৰ টান নৰিয়া হোৱাত চুপাৰিণ্টেণ্ডৰ ভয় হ'ল আৰু লিখা লিখিকৈ শৰ্ম্মাক তেজপুৰ জেইললৈ পঠাই দিলে।

তেজপুৰলৈ পঠোৱাত শৰ্মাই আনন্দ পালে। কিয়নো তেজপুৰ শৰ্ম্মাৰ নিজা ঘৰ যেতিয়া তেওঁ ভাবিলে যে তেজপুৰত থাকিলে ঘৰত থকাৰ দৰে হব। তেজপুৰত আহিয়েই শৰ্ম্মাৰ কিছুমান মহান স্বদেশপ্ৰেমিকক লগ পোৱাৰ সৌভাগ্য ঘটিছিল। সেই সকল হ'ল—বিষ্ণুৰাম মেধী, ফকৰুদ্দিন আলি আহমেদ, পূৰ্ণচন্দ্ৰ শৰ্ম্মা, ভদ্ৰকান্ত গগৈ, ৰূপৰাম সুত ইত্যাদি। কিন্তু সকলোৱে তেওঁৰ আগতে মুক্তি পোৱাত শৰ্মা আকৌ অকলশৰীয়া হ'ল। ১৯৪৫ চনত আগষ্ট মাহৰ

খবৰ কাগজৰ চৰকাৰী বিজ্ঞপ্তি এটা প্ৰকাশ হ'ল যে চৰকাৰে হেনো সৰভোগ থানা আৰু বিমান ঘাটী জ্বলাই দিয়া জনক আৰু নগাওঁ মৃত্যু বাহিনীৰ দলটোক এৰি দিব নোৱাৰে।

এনেদৰে তেজপুৰ জেলত এবছৰ কটোৱাৰ পিছত শৰ্মাৰ মুক্তিৰ আদেশ হ'ল। শৰ্মাই যেন হাতেৰে স্বৰ্গখন চুকি পালে। ৰাহুৱে কেতুক গ্ৰাস কৰাৰ দৰে অন্ধকাৰ জেলত বহুদিন কাৰাবৰণ কৰাৰ পিছত শৰ্মাই মুক্ত পোহৰ দেখা পালে।

১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। কিন্তু ভাৰতবৰ্ষৰ বুকুৰপৰা পৰাধীনতাৰ শিকলি খহি নপৰিল। দেশৰ মাটিতে জন্মলোৱা এচাম লোকে নিজকে নিজে শোষণ কৰিবলৈ ধৰিলে। ইংৰাজসকল গুছিগ'ল, ভাৰতবৰ্ষই স্বাধীনতা পালে, ভাৰতত কংগ্ৰেছৰ চৰকাৰ প্ৰতিষ্ঠা হ'ল কিন্তু গণতন্ত্ৰৰ নামত এচাম নতুন মানুহে কংগ্ৰেছী টুপি পিন্ধি হাড়ে হিমজুৱে কংগ্ৰেছী হৈ পৰিল যি চামৰ হয়তো স্বাধীনতা সংগ্ৰামত কোনো ধৰণৰ অৰিহণা নাছিল। কংগ্ৰেছৰ নামত এনেকুৱা ব্যভিচাৰ দেখি ব্ৰজ শৰ্মাই কংগ্ৰেছ ত্যাগ কৰিছিল আৰু চোচিয়েলিষ্ট পাৰ্টীত সোমাই পৰে। শেহত নিৰ্বাচনত নামিও এইগৰাকী অক্লান্ত বিপ্লৱীয়ে পৰাজয় বৰণ কৰিব লগা হয়। কিন্তু অকনো আক্ষেপ নকৰাকৈ ব্ৰজশৰ্মা ব্ৰজশৰ্মাই হৈ থাকিল। এইজনা বীৰ পুৰুষ একেধাৰে শিল্পী, বিপ্লৱী আৰু দেশপ্ৰেমিক হিচাবে অসমৰ মাটিত জন্ম গ্ৰহণ কৰি ১৯৬০ চনৰ আগষ্ট মাহত অমৰ ধামলৈ গতি কৰিলে।

ব্ৰজশৰ্মা আজি আমাৰ মাজত নাই, কিন্তু আছে তেওঁ এৰি থৈ যোৱা অতুলনীয় দেশপ্ৰেম আৰু ভ্ৰাম্যমান অসমীয়া নাট্যমঞ্চখন। অসমখনক এখন নতুন অসম কৰি গঢ়ি তোলাই আছিল শৰ্মাদেৱৰ মূল লক্ষ্য। অতি পৰিতাপৰ কথা যে এইজনা মহান দেশপ্ৰেমীয়ে চিকিৎসাৰ বাবে জীৱনৰ শেষ চোৱাত এটি চিটৰ অভাৱত গুৱাহাটী মেডিকেল কলেজৰ বাৰান্দাত মৃত্যুৰ ক্ষণ গণি গণি জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰিছিল। ইয়াতকৈ দুখৰ কথা অসমীয়া মানুহৰ বাবে আইন একো হব নোৱাৰে।

এইজনা মহান শিল্পী তথা স্বদেশপ্ৰেমীয়ে স্বৰ্গ সুখ লাভ কৰক।

**'শাশ্বত'**

১। মানুহ ভাগ্যৰ বন্দী নহয় নিজৰ মনৰহে বন্দী। —ৰুজ ভেল্ট,

২। সকু বুলি কাকো অৱহেলা নকৰিবা, তুমি সৰু বুলি ভবা বস্তু এটাই তোমাক কেতিয়াবা সত্যৰ সন্ধান দিব পাৰে। —গ্যেটে

৩। সমাজ গঠনৰ উদ্দেশ্যে মানুহৰ সৃষ্টি হৈছে আৰু সেয়ে মানুহে অকলে জীয়াই থাকিব নোৱাৰে আৰু তেনেকৈ থাকিবলৈ সাহসো নকৰে। —ব্লেকস্টন

সংগ্ৰহ—বিনোদ চন্দ্ৰ তেকা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

সুৰৰ পূজাৰী—

# লক্ষ্মীৰাম বৰুৱা

● মিনতি ভট্টাচাৰ্য্য
স্নাতক ১ম বাৰ্ষিক (কলা)

অসম মাতৃৰ গুণী ও কৃতী সন্তান সঙ্গীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা। উনবিংশ শতিকাত মৃত প্ৰায় অসমীয়া জাতিটোক সঙ্গীতৰ সঞ্জিৱনী সুধাৰে এটা মৰ্য্যাদা সম্পন্ন জাতি হিচাবে গঢ় দি তুলিবলৈ বৰুৱা দেৱে আহোপুৰুষাৰ্থ কৰিছিল। উনবিংশ শতিকাৰ সন্ধিক্ষণত সঙ্গীতৰ অপাৰ মহিমাৰে অসমবাসীক আলোড়িত কৰিবলৈ নামি আহিছিল এই গৰাকী সাধক পুৰুষ।

লক্ষ্মীৰাম বৰুৱা আছিল উত্তৰ গুৱাহাটীৰ পুৰণি বেজদলৈ ভণ্ডাৰী বৰুৱা বংশৰ বংশধৰ। ইংৰাজী ১৮৬৫ খৃষ্টাব্দত এই গৰাকী শিল্পী সাধকে জন্মগ্ৰহণ কৰে। বৰুৱাদেৱৰ পিতৃ আছিল বেথাৰাম বৰুৱা আৰু মাতৃ আছিল সেউতি বৰুৱা।

জন্মৰ এবছৰ পূৰ্ণ নহওঁতেই বৰুৱাদেৱ চিৰদিনৰ কাৰণে ঘাটমাউৰা হৈ পৰে। লগে লগে কুমলীয়া শিশুটিৰ জীৱন আৰম্ভ হয় বৰ ককায়েক ললিতৰাম বৰুৱাৰ হাতত। বংশৰ মৰ্য্যাদা অক্ষুন্ন ৰাখিবলৈ ককায়েক অতিশয় সচেতক আছিল। সেয়ে হয়তো ললিতৰাম বৰুৱাই কুমলীয়া ভায়েক লক্ষ্মীৰামক এজন আদৰ্শ ছাত্ৰ হিচাবে গঢ়াৰ সপোন দেখিছিল।

ছাত্ৰ জীৱনৰ আৰম্ভণিতে ককায়েকৰ ইচ্ছানুসৰি লক্ষ্মীৰামেও আদৰ্শ ছাত্ৰৰ নিচিনাকৈ শিল সাকো নিম্ন প্ৰাইমাৰী স্কুলত পঢ়া শেষ কৰে। তাৰ পাছত মাইনৰ স্কুলত ভৰ্ত্তি হৈ উচিত সময়ত তাকো কৃতকাৰ্য্যতাৰে সম্পূৰ্ণ কৰি বৃত্তি লাভ কৰে। অৱশ্যে উত্তৰ গুৱাহাটীত উচ্চ শিক্ষাৰ সু-ব্যৱস্থা নথকাত কিশোৰ ছাত্ৰ আহিব লগা হয় দক্ষিণ গুৱাহাটীলৈ। তাতে পান বজাৰ হাই স্কুলত চতুৰ্থ শ্ৰেণীত ভৰ্ত্তি হয়। শিক্ষাৰ বাবে হোৱা ঠাইৰ এনে সামান্য পৰিবৰ্ত্তনে লক্ষ্মীৰামৰ জীৱনলৈকেও এটা নতুন পৰিবৰ্তন আনি দিয়ে। এই সময়ছোৱাত ক'ব নোৱাৰাকৈয়ে এদিন লক্ষ্মীৰামৰ পৰিচয় ঘটে সঙ্গীতৰ লগত। সেই দিনাৰে পৰা কিশোৰ লক্ষ্মীৰামে মন্ত্ৰমুগ্ধ সৰ্পৰ দৰে অভিভূত হৈ পৰে সঙ্গীতৰ মোহময়ী শক্তিত।

সময়ৰ অগ্ৰগতিত কিশোৰে নিজকে পাহৰি যায়। নিজৰ পঢ়া, ককায়েকৰ কঠোৰ শাসন, সমাজৰ বিধান, বংশৰ মৰ্য্যাদা সকলো পাহৰি সুৰৰ অধিষ্ঠাত্ৰী দেৱীৰ সাধনাত অভিনিবিষ্ট হয় লক্ষ্মীৰাম।

কিশোৰৰ এনে তাৎক্ষণিক পৰিবৰ্তন দেখি পৰিয়াল পৰিজনৰ লগতে সমাজেও কিশোৰক অধঃ পাতে যোৱা বুলি ভাবিবলৈ ধৰে আৰু

অপদাৰ্থ বুলি অভিহিত কৰে। কিশোৰৰ মানসিক পৰিবৰ্তনৰ কথা ভাবি ককায়েক ললিতৰামে লক্ষ্মীৰামৰ শিক্ষা কেন্দ্ৰ অচিৰে নগাওঁলৈ স্থানান্তৰিত কৰে। ঘৰ বথা সমাজৰ এনে বৈ পৰীত্য দেখিও কিশোৰে কিন্তু সঙ্গীত সাধনাত দৃঢ় প্ৰতিজ্ঞ হৈয়ে থাকিল।

নগাওঁত কিশোৰে স্কুলীয়া শিক্ষাৰ পৰা সম্পূৰ্ণকৈ বিদায় লয়, প্ৰৱেশিকা পাছ কৰিবলৈ দুবছৰ বাকী থাকোতেই আৰু একাগ্ৰচিত্তে লাগে সঙ্গীত সাধনাতহে। নগাঁৱতেই লক্ষ্মীৰামে অনুষ্টুপীয়াকৈ হ'লেও সঙ্গীত সাধনাৰ প্ৰথমাবস্থা গঢ় দি তোলে। তাতেই দুই এযোৰা ভাল গায়কৰ অধীনত সঙ্গীতৰ প্ৰশিক্ষণ লোৱাৰ উপৰিও দুই এটাকৈ বাদ্য যন্ত্ৰো চৰ্চা কৰে।

সুৰৰ অধিষ্ঠাত্ৰী দেৱী-পূজাত প্ৰয়োজন হয় সুৰ সাধকৰ অভিনিবেশৰ লগতে সাধনাৰ যোড় শোপচাৰৰ। সাধকৰ বাবে প্ৰয়োজন হয় এটা সুকীয়া অনুকূল পৰিবেশ, প্ৰয়োজন হয় নিজা বাদ্যযন্ত্ৰ—বেহেলা, চেতাৰ, তানপূৰা, তবলা—ইত্যাদি ইত্যাদি। কিন্তু এই সকলো বিলাক অৰ্জন কৰিব পৰা আৰ্থিক স্বচ্ছলতা লক্ষ্মীৰামৰ নাছিল। সেয়ে হয়তো চৈধ্য বছৰীয়া সুৰ সাধকে নিৰাশা নাদৰ গভীৰ তলিত উফৰি পৰাৰ সম্ভাৱনা দেখিছিল। হতাশাৰ কলীয়া ডাৱৰে হয়তো জীৱন বন্তিৰ মৃদু পোহৰক ম্লান কৰি ধৰিছিল। এনে হতাশাই সাধক শিল্পীক কল্পনা ৰাজ্যৰ পৰা বাস্তৱ পৃথিবীৰ বুকুলৈ প্ৰত্যাবৰ্তন কৰিবলৈ শিকায়। লক্ষ্মীৰামে এইবাৰ আৰ্থিক স্বাৱলম্বিতাৰ কথা ভাবিবলৈ ধৰে। মানৱ জীৱনত অৰ্থৰ মূল্য কিমান গুৰুত্বপূৰ্ণ তাক প্ৰথম বাৰৰ বাবে কিশোৰে অনুভৱ কৰিব পাৰিলে। আৰম্ভ হয় কিশোৰৰ জীৱনত আৰ্থিক সংগ্ৰাম।

অৰ্থ উপাৰ্জনৰ ক্ষীণ আশা লয়েই লক্ষ্মীৰামে নগাওঁ এৰি মঙ্গলদৈ ওলায়হি। মঙ্গলদৈত জাহাজ কোম্পানীত লাভ কৰা এটা সৰু চাকৰিয়ে কিশোৰে চাকৰি জীৱনৰ পাতনি তৰে। কিন্তু চাকৰিয়ে কিশোৰৰ মন নিৰানন্দৰহে পৰিণত কৰে। কিয়নো কিশোৰে যিখিনি তলৱ পাইছিল, সেয়া, বাদ্য-যন্ত্ৰ কিনা দূৰৈৰ কথা সাধাৰণ জীৱন যাপনৰ বাবেই পৰ্য্যাপ্ত নাছিল। তদুপৰি চাকৰিত পুৱাৰ পৰা গধূলিলৈকে হোৱা শাৰীৰিক পৰিশ্ৰমে তেখেতৰ সঙ্গীত চৰ্চাৰ বাবে প্ৰয়োজনীয় উৎসাহ শক্তিক বোধ কৰি পেলাইছিল। অৱশেষত অশান্তি গুচাই মনত শান্তি আনিবলৈ লক্ষ্মীৰামে চাকৰিকেই ইস্তফা দিলে। সাধকৰ মন কিন্তু পিজৰাৰ অশান্ত পখী হৈয়ে থাকিল। কিজানি কৰবাত মনে শান্তি পায় এই ভাবেৰে, দুঃসাহসিক অভিযান কৰি এইবাৰ উপস্থিত হয় গৈ চিলং চহৰত। জ্ঞান লাভৰ অদম্য তৃষ্ণাই কিশোৰক কৰি তুলিছিল দুঃসাহসী।

চিলং চহৰত এটা চাকৰি পায় কিশোৰে বেচ পৰিতৃপ্ত হৈ পৰে। চিলং অপৰিচিত পৰিবেশত নিজকে সমাযোজন কৰোঁতে কিশোৰে প্ৰথমতে কিছু অসুবিধা পাইছিল যদিও ক্ৰমে ক্ৰমে প্ৰিয়লাল বসু, গুৰুচৰণ ধৰ, ওস্তাদ পিয়াৰী মোহন বাবু আদি স্থানীয় সঙ্গীতজ্ঞ সকলৰ লগত পৰিচয় ঘটে। অকল সেয়াই নহয় সন্ধিয়াৰ ভদ্ৰ সমাজ এখনত বিচাৰি পায় সঙ্গীত চৰ্চাৰ উপযোগী পৰিবেশ। সেই সঙ্গীত বৈঠকতে ১৭ বছৰীয়া কিশোৰৰ কণ্ঠ নিজৰি ওলাই অহা

সুললিত সংগীত লহৰী শুনি সকলোৱে হৈ পৰিছিল অভিভূত, বিস্মিত। চিলঙত সঙ্গীতজ্ঞ হিচাবে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয় যদিও কিশোৰ কিন্তু সিমানতে সন্তুষ্ট নাথাকিল। চিলঙত পোৱাতকৈ এটা উচ্চ পৰ্য্যায়ৰ সুকীয়া সাঙ্গীতিক পৰিবেশ পাবলৈ কিশোৰৰ মন ব্যাকুল হৈ পৰে।

ইতিমধ্যে চিলঙৰ অফিচৰ পৰা কিশোৰ লক্ষ্মীৰামক বদলি কৰে কহিমালৈ। চিলংবাসৰ সাত বছৰীয়া কাল ছোৱাত লগ পোৱা বিভিন্ন গুণী-জ্ঞানী ব্যক্তিৰ মৰম-স্মৃতি বিপুল অভিজ্ঞতা আৰু প্ৰবীন বন্ধু গুৰুচৰণ ধৰে উপহাৰ দিয়া সৰু বেহেলা খনকে সমল হিচাবে লৈ সাধকে পুনৰ কহিমালৈ যাত্ৰা কৰে। কহিমাত কিন্তু তেওঁ বেছিদিন থাকিবলৈ নাপালে। অচিনাকি ঠাইখন কিছু চিনাকি চিনাকি লাগি অহাৰ লগে লগে বৰুৱাদেৱক পুনৰ ধুবুৰীলৈ বদলি কৰা হয়।

ধুবুৰী চহৰলৈ অহা সময়ত লক্ষ্মীৰাম আছিল ২৪ বছৰীয়া চফল ডেকা। ধুবুৰীলৈ অহাৰ এবছৰৰ ভিতৰতে লক্ষ্মীৰামে গাৰ্হস্থ্য জীৱনৰ পাতনি মেলে। সেই সময়ৰ গুৱাহাটীৰ চিৰস্ত দাৰ নগাওঁ বাসী কমলাকান্ত ভূঞাৰ ভতিজা ছোৱালী জাহ্নৱীৰ লগত বৰুৱাদেৱৰ বিবাহ হয় ১৮৯২ খৃষ্টাব্দত। এফালে সুৰৰ অধিষ্ঠাত্ৰী দেৱীৰ সাধনা আৰু আনফালে নৱ-বিবাহিতা পত্নী। দুটাৰ কোনোটোকেই উপেক্ষা নকৰি লক্ষ্মীৰামে পাতি গৈ থাকিল তেখেতৰ নতুন জীৱন ফুলনি খন আৰু নৱ পৰিণীতা স্ত্ৰীয়ে ফুলৰ গুৰিত সাৰ-পানী যোগাই গ'ল। জাহ্নৱী দেৱীৰো সঙ্গীতৰ প্ৰতি আকৰ্ষণ আছিল যদিও বুজিব পৰা নাছিল সঙ্গীতৰ মহান আলৌকিক শক্তি। কিন্তু সৰল অন্তৰৰ আপোন ভোলা উদাসী মানুহ জনক সততে বুজিব পাৰিছিল জাহ্নৱী দেৱীয়ে। সেয়ে হয়তো জাহ্নৱী দেৱীয়ে সকলো ক্ষেত্ৰতে স্বামীক সহায় কৰাটোকেই জীৱনৰ ব্ৰত কৰি লৈছিল।

এইদৰেই ধুবুৰীবাসৰ সময়ছোৱা লক্ষ্মীৰামৰ বাবে হৈ উঠিছিল মধুময় ও ৰসাল। সুমধুৰ দাম্পত্য জীৱনৰ শুভ পৰিণতিয়ে তেখেতক আগতকৈয়ো অধিক উৎসাহী কৰি তুলিছিল সঙ্গীত চৰ্চাত। এই সময় খিনিতেই ভাৰতীয় সঙ্গীতৰ বিভিন্ন ধাৰাৰ বহুতো ইতিহাস অধ্যয়ন কৰিছিল। এই সময় খিনিতেই সেই সময়ৰ ভাৰতৰ বহুতো যশস্বী সঙ্গীত সাধকৰ লগত লক্ষ্মীৰামৰ পৰিচয় ঘটিছিল। আৰু সেই গুণী ব্যক্তি সকলৰ লগত ভাৰতীয় সঙ্গীত শাস্ত্ৰবোৰৰ ওপৰত আলোচনা সমালোচনা কৰিছিল।

ইফালে লক্ষ্মীৰামৰ সৰু সংসাৰখন ডাঙৰ হৈ আহে এটি ছুটিকৈ পাচোটি সন্তানেৰে। জাহ্নৱী দেৱীয়ে কিন্তু নৱ-বিকশিত সংসাৰখনৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ নাপালে। মাথোন সাতাইশ বছৰীয়া চুটি জীৱনতে জাহ্নৱী দেৱীয়ে এই সংসাৰৰ পৰা বিদায় মাগে। পত্নীৰ আকস্মিক মৃত্যুত বৰুৱাদেৱে অত্যন্তবেজাৰ পালে। অস-হনীয় শোকত তেখেতৰ সুৰীয়া কণ্ঠ হৈ পৰিছিল স্তব্ধ। পাচোটি অবুজ মাতৃবিহীন শিশুৰ দায়িত্ব লৈ সংসাৰ এখন চলোৱাৰ চিন্তাই বৰুৱাদেৱক পুনৰ কৈশোৰৰ দৰে অস্থিৰ কৰি তোলে।

মনৰ পৰিবৰ্তনৰ কাৰণে সম্পূৰ্ণ দুটা বছৰৰ দীঘলীয়া চুটি লৈ শিশু সন্তান কেইটিৰে বৰুৱাদেৱ ধুবুৰী এৰি আহে জন্মঠাই উত্তৰ গুৱাহাটীলৈ

আত্মীয় স্বজনৰ মৰম চেনেহ বিচাৰি। তেখেতৰ অস্থিৰ অশান্ত মনে কিন্তু ক'তো শান্তি বিচাৰি নাপালে। উত্তৰ গুৱাহাটীত অতীত কীৰ্ত্তিৰ লুপ্ত প্ৰায় ভগ্নাৱশেষৰ মাজত তেওঁৰ ভগ্ন হৃদয়ৰ করুণ প্ৰতিচ্ছবি খনকেই যেন চৌদিশে দেখিবলৈ পালে। সাধক লক্ষীৰামৰ দুখত দুখী, ব্যথাত সমভাগী আত্মীয় স্বজনে তেওঁৰ এনে পৰিবৰ্তনত চিন্তান্বিত হৈ পৰিছিল। সেই কাৰণেই হয়তো তেওঁলোকে লক্ষীৰামক দ্বিতীয় বিবাহ কৰাবলৈ টানি অনুৰোধ কৰিছিল। বৰুৱাদেৱে আত্মীয় সকলে কৰা দ্বিতীয় বিবাহৰ অনুৰোধ প্ৰত্যাখ্যান কৰিলে সচাঁ, কিন্তু সঙ্গীত পিয়াসী ডেকা সকলৰ উৎসাহ-আগ্ৰহ তেওঁ উপেক্ষা কৰিব নোৱাৰিলে। বৰুৱাক কেন্দ্ৰ কৰি উৎসাহী ডেকা সকলে উত্তৰ গুৱাহাটীত সঙ্গীত চৰ্চাৰ প্ৰথম কেন্দ্ৰ স্থাপন কৰে। এনেকৈয়ে মৌন সাধকৰ কলীয়া ডাৱৰে ঢাকি ৰখা মনৰ আকাশ মুকলি হৈ আহে।

মনৰ পৰিবৰ্তনৰ লগে লগে তেওঁ উত্তৰ গুৱাহাটীৰ পৰা গুৱাহাটীলৈ গুচি আহে সন্তান পাচোটিৰে আৰু উজান বজাৰত থকা তেখেতৰ আত্মীয় লোক শ্ৰীমোখ্যদা ভূঞাৰ ঘৰত স্থায়ী ভাৱে থাকিবলৈ লয়। ছুটীৰ বেছিখিনি সময় বৰুৱাদেৱে ইয়াতেই কটায়।

ধুবুৰীবাসৰ সময়ত আধৰুৱাকৈ এৰা তেখেতৰ প্ৰথমখন গ্ৰন্থ "সঙ্গীত কোষ" খন সমাপ্ত কৰা কাম গুৱাহাটীত থকা সময়খিনিত পুনৰ হাতত তুলি লয়। তদুপৰি দ্বিতীয় গ্ৰন্থ 'সঙ্গীত সাধনা'ৰ ৰচনাতো লাগি যায়। এই কাৰ্য্যত তেখেতক সহায় কৰিছিল কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ দেৱ, বাধা নাথ ফুকন দেব আৰু সত্যনাথ ৰবাদেৱে।

ইতিমধ্যে বৰুৱাদেৱৰ ছুটীৰ কালো চমু চাপি আহে। ছুটীৰ পিছত তেখেতক পুনৰ তেজপুৰলৈ বদলি কৰা হয়। সেয়ে অনিচ্ছা স্বত্বেও বাধ্য হৈ মাতৃহাৰা সন্তান কেইটিক লগত লৈ বৰুৱাদেৱে জীৱনত শেষ বাৰৰ কাৰণে তেজপুৰত পদাৰ্পণ কৰেহি। গুৱাহাটীত গঢ়ি উঠা সঙ্গীতৰ সুমধুৰ পৰিবেশ এৰি আহিবলৈ মনত বেজাৰ পালেহে, সংসাৰ যাত্ৰাৰ ক্লান্তিহীন পথিকে সকলোতে সুস্থ সমাযোজন কৰিব পাৰিছিল। সেইবাবেই চাকৰি জীৱনত বিভিন্ন ঠাইলৈ যাবলগা হৈয়ো সকলো ঠাঁইতে একাগ্ৰচিত্তে সঙ্গীত চৰ্চা কৰিব পাৰিছিল। তেজপুৰত থাকোতে তেখেতে অসমীয়া পাঠকৰ উদ্দেশ্যে ভাৰতীয় সঙ্গীতৰ ওপৰত বিভিন্ন প্ৰবন্ধপাতি ৰচনা কৰি সেই সময়ৰ অসমীয়া আলোচনী 'উষা'ত প্ৰকাশ কৰিছিল। তাত থকা সময়খিনিত ভাৰতীয় সঙ্গীত সাধনাৰ উপৰিও ইউৰোপীয় সঙ্গীতৰো চৰ্চা কৰিছিল। তেজপুৰতেই তেখেতৰ সঙ্গীত জীৱনে প্ৰৌঢ়তা লাভ কৰে। বৰুৱাদেৱৰ প্ৰতিভা ও পাৰদৰ্শিতা অকল অসমতে সীমাবদ্ধ নাথাকি সময়ৰ সোঁতত সুদূৰ বোম্বেলৈকে বিয়পি পৰে।

নিখিল ভাৰতৰ প্ৰখ্যাত সঙ্গীতজ্ঞ সকল একগোট হোৱা ভাৰতীয় সঙ্গীত কলা পৃষ্ঠপোষক "অল ইণ্ডিয়া একাডেমি অব মিউজিকে" উপযাচী "এছোচিয়েটেড" মৰ্য্যদাৰে সন্মানিত কৰে বৰুৱাদেৱক। এনে সন্মান অকল বৰুৱাদেৱৰ বাবেই নহয় সমগ্ৰ অসম তথা অসমীয়া ৰাইজৰ বাবে এক গৌৰৱৰ বিষয় আছিল। আত্মবিশ্বাস দৃঢ় মনোবল আৰু সৎসাহস থাকিলে যে জীৱনত সকলো ক্ষেত্ৰতে কৃতকাৰ্য্য হব পাৰি, বৰুৱাদেৱ আছিল তাৰেই দীপ্ত নিদৰ্শন।

ইংৰাজী ১৯১৪ চনৰ ১৫ মাৰ্চ। কৃষ্ণা চতুৰ্থী সেই দিনাই সুৰ দেউলৰ নিষ্ঠাবান পূজাৰী,

সঙ্গীত প্ৰকৃতিৰ সাধক লক্ষীৰাম বৰুৱাদেৱৰ জীৱন বন্তি চিৰদিনৰ বাবে নুমাই যায়। ড° মহেশ্বৰ নেওগৰ ভাষাৰে ক'বলৈ গলে বৰুৱাদেৱৰ মৃত্যুত স্তব্ধ হৈ যায় এটি অনুষ্ঠানৰ এটি সাংগীতিক আন্দোলনৰ।

বৰুৱাদেৱৰ মৃত্যুত সমগ্ৰ অসম বাসীয়েই শোকত মৰ্মাহত হৈ পৰে। কিন্তু প্ৰকৃত শিল্পী অমৰ। সেয়ে অসমীয়া গুণগ্ৰাহী ৰাইজে তেখেতক জীয়াই ৰাখিবলৈ বিভিন্ন সভা-সমিতিৰ মৃত্যু-বাৰ্ষিকী আদিৰ যোগে শ্ৰদ্ধাঞ্জলি যাচি আহিছে আৰু ভবিষ্যতেও যাব। এই গৰাকী মৃত্যুঞ্জয়ী পুৰুষ প্ৰতিজন সঙ্গীত মোদীৰ ওচৰতেই বৰণীয় হৈ ৰওক।

---

## শ্বাশ্বত

*নিজক ৰক্ষা কৰিব নোৱাৰা কোনো জাতিয়ে মূল্যবান কিবা লাভ কৰাৰ উদাহৰণ জাতিৰ বুৰঞ্জীত পোৱা নাযায়।*

*— এইচ, এল, মেক্লন*

*ভুল কৰাটো পাপ, কিন্তু তাক লুকাই ৰখাতো তাতোকৈ ডাঙৰ পাপ।*

*প্ৰকৃত কবি বা দ্ৰষ্টা বুলি সেইজনকে মনা হয়, যিজনে মৃত্যুৰ মাজেদি জীৱন আৰু জীৱনৰ মাজেদি মৃত্যুক দেখা পায়।*

*— গান্ধী*

সংগ্ৰহ—শ্ৰীবিনোদ চন্দ্ৰ ডেকা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)



## ॥ গীতৰ শৰাই ॥

১

দুচকুৰ নীল-সাগৰ তোমাৰ
কিমান গভীৰ কোৱা
সপোন লহৰে তোলে যে জোৱাৰ
সেয়ে জানো ভাল পোৱা ॥

মন-গহনত এজাক চৰায়ে
তোলে মধুৰ গুঞ্জন
মন জোনাকত সুৰ-মধুকৰে
কৰে সুৰ-আয়োজন ॥

দূৰ-বনত মায়াবী ফাগুণৰ
অকাৰণ অহাযোৱা
শ্যামল বনৰ কোমল ছাঁয়াত
কাৰ বাবে বাট চোৱা ॥ *

*বিজয় গোস্বামী, এম, এ, অধ্যাপক*

২

বনৰীয়া মই
বনতে থাকো ঐ.........
বনতেই থাকি বিলাও সুবাস,
বনতেই ফুলি
বনতেই সৰি
বনতেই হও নাশ......... ।
অচিনাকী মই
মোক চিনোতা কোনো নাই,
পূজাত নোৱাৰো মই
আশীক বিলাবলে
নিচলা যে মোৰ আই ।
দুখৰ ৰাতিও মই
অকলশৰে থাকো ঐ
চকুৰ চকুলো মোৰ চকুতে মাৰ যায়,
কাৰো যে সহাৰি নাই ।
বন পখীলি !
তই উৰি উৰি উৰি আহ
উৰি উৰি আহি
কাষতেই বহি
মিলনৰ গীত এটি গা ।
বনৰীয়া ......... ..................

মনীন বৰুৱা

* স্নাতক ১ম বাৰ্ষিক

## ॥ গীতৰ শৰাই ॥



৩

তুমি আহিবা বহাগৰ
পূৰ্ণিমাৰে জোনটি হৈ
তুমি আহিবা বসন্তৰ
ৰঙচঙিয়া দিনবোৰ হৈ ॥

তুমি আহিবা ভোগালীৰ
ভোগজৰা লৈ,
তুমি আহিবা শাৰদীয় কুসুমৰ
মধুৰ সুবাস হৈ ॥

তুমি আহিবা বৰষা সৰ্জীৱ
প্ৰাণ এটি লৈ,
হে-শতিকা তুমি আহিবা
সুন্দৰৰ সফুৰা হৈ ॥

*          *

* মহঃ চামাছুল হক।
স্নাতক ১ম বাৰ্ষিক (বিজ্ঞান)



৪

অ' পখী কি যে শুৱনী
তোৰ অ' ফুলাম পাখি দুখনি।
উৰি উৰি পাখি মেলি
পালি গৈ যে দূৰ-দূৰণি ॥
অ' পখী............
দিবিনে বাতৰি তই দূৰ আকাশৰ
কবিনে দিগন্ততে কিনো আছে
দিবিহি তই মনৰ খবৰ সেউজ পথাৰৰ
ধাননিত কোনে বাৰু নাচোন নাচে।
অ' পখী কিযে শুৱনী
তোৰ হৃদয় খনি ॥
ক'লা মেঘ আহিলে তই
আহিবি মোৰ কাষলৈ
বুকুৰ মাজত ৰাখিম যে মই
সাৰাটি যুগ যুগলৈ।
তোৰ বাবে মই কত কিযে
দিম ঐ আনি ॥

* মিচ্ হেলমিনা বেগম (ৰুমি)
H. S. 2nd year.

## ॥ গীতৰ শৰাই ॥

৫

অ' বান্ধৈ ! এবাৰ ভাবি চাবি
বান্ধৈ এবাৰ ভাবি চাবি
ৰঘুমলা নাশ কৰোতে
বৰগছ নেকাটিবি ॥
বান্ধৈ ! এবাৰ ভাবি চাবি ... ... ...

একে জাতি উপজাতি
একে ঘৰ একে মাটি
উকথা চাল চাওঁতে
বৰঘৰ নেভাঙিবি ॥
বান্ধৈ ! এবাৰ ভাবি চাবি ... ... ... ...

জোৰ পুৰি তোৰ পালেহি হাত
হেকৰালি তই বাটৰে আত
সাকোঁ খন ভাঙিলেও
মনটি নেভাঙিবি ॥
বান্ধৈ । এবাৰ ভাবি চাবি ... ... ... ...

O ইদ্রিছ্ আলি এম, এ,

৬

কৰবীৰে সজালো থাপনা
আই অ' সুকজমুখী আই
প্ৰভাতী অমিয়া আনিম বোৱাই
আই অ' আশীষ দিয়া আই ॥

নৱ প্ৰেৰণাৰে উৰুৱাম আমি
স্বাধীনতাৰ ধ্বজা
দিশে দিশে জাগিল আজি
স্বাধীন দেশৰ প্ৰজা ।


ভয় নাই ভয় নাই ভয় নাই
অ'সমনীয়া আহা ওলাই
শান্তি বাণীৰে আমিয়ে নমাও
সৰগী অমিয়াধাৰ

একতাৰ গানেৰে আমিয়ে নাশিম
হৃদয়ৰ অন্ধকাৰ
মাটিৰ বুকুত চেনেহ ঢালি
যাম আই আগুৱাই ॥

* আব্বাচ আলি
স্নাতক মহলা (কলা) ১ম বাৰ্ষিক



# ছাত্ৰ-একতা সভা



বহি থকা ( সোঁহাতৰ পৰা ক্ৰমে ) অঃ বুধীন হাজৰিকা এম. এচ. চি, ( তত্বাবধায়ক, সমাজ সেৱা ) ; অঃ ইদ্ৰিছ আলি, এম. এ. (তত্বাবধায়ক, আলোচনী ) ; অঃ মনিমুগ্ধ বৰঠাকুৰ, এম. এ. ( সহ-তত্বাবধায়ক সাংস্কৃতিক বিভাগ ) · অধ্যাপিকা অৰুনাভা ভূঞা, এম. এ. এম ফিল, অধ্যাপিকা উষা বৰা এম. এ. ( তত্বাবধায়িকা. সাহিত্য বিভাগ ), অধ্যক্ষ, আব্দুল মজিদ, এম এ. এল. এল. বি. ( সভাপতি ), উপাধ্যক্ষ ড° পূৰ্ণচন্দ্ৰ বৰা, এম. এ. পি. এইচ. ডি. ( উপ-সভাপতি ), অঃ মাদৱ নাথ, এম. এচ. চি. ( তত্বাবধায়ক, ছাত্ৰ একতা সভা ) ; অঃ মতিৰাম মেধি, এম. এ এম. ফিল. অঃ ৰনেন্দু সেন ( তত্বাবধায়ক, সুকুমাৰ কলা বিভাগ )

থিয় হৈ থকা ( সোঁহাতৰ পৰা ক্ৰমে ) শ্ৰীমতী মণিকা দেৱী, ( সম্পাদিকা, ছাত্ৰী-জিৱনী কোঠা ), শ্ৰীমুক্তানন্দ শৰ্মা, ( আলোচনী সম্পাদক ) শ্ৰীঅৰুণ কটকী ( সম্পাদক, সাহিত্য বিভাগ ) শ্ৰীকৈলাশ চন্দ্ৰ বৰুৱা, ( সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা ), শ্ৰীহিৰেন ডেকা, ( সহ-সাধাৰণ সম্পাদক ) শ্ৰীলক্ষ্যকুমাৰ নাথ ( সম্পাদক, শৰীৰচৰ্চা, বিভাগ ), শ্ৰীপ্ৰশান্ত নাথ ( উপ-সভাপতি, ছাত্ৰ একতা সভা ), শ্ৰীবিভূতি ৰাজবংশী, ( সম্পাদক, সুকুমাৰ কলা ) শ্ৰীমনীন বৰুৱা, ( সম্পাদক, সাংস্কৃতিক বিভাগ ), শ্ৰীনিৰুপমা ডেকা, ( সহ-সাংস্কৃতিক সম্পাদিকা )



# ॥ বেদনাৰ জুই ॥

ফাৰুক হাজৰিকা
স্নাতক দ্বিতীয় বাৰ্ষিক

...টি উৰুলি দিয়ানা খুবিদেউ । তেতিয়া হলেহে আমাৰ ছোৱালী একেবাৰে পছন্দ লাগিব আৰু আমাৰ যাত্ৰাও সাৰ্থক হব । গকুল ককাই-দেউৰ কথাত মই কিন্তু নাহাঁহি থাকিব নোৱাৰিলোঁ । অৱশ্যে মা, জেঠিমা, খুড়ীমা, আইতা আৰু কাষত থকা ৰুনু পুৰবীহঁতেও যোগ নিদিয়াকৈ থকা নাছিল । গকুল ককাইদেউৰ কথা শেষ কৰি পাঁচ-জনে এজন এজনকৈ গৈ থাকিল পচুলি মুখলৈ এয়া শুভ যাত্ৰাৰ বাবে আমি সকলোৱে ওলাই আহিলোঁ পচুলিলৈ আগবঢ়াই থবলৈ ।

ককাইদেউৰ বিয়া পাতিব । মনত নানা চিন্তাই নানা কল্পনাই জুমুৰি দি ধৰিলে । ছোৱালী-জনীৰ মুখখন এবাৰ মনত পেলাবলৈ চেষ্টা কৰিও বিফল হলোঁ । বাৰে বাৰে কৰা চেষ্টাৰ ফলত ছোৱালীজনীৰ সম্পূৰ্ণ প্ৰতিচ্ছবি মোৰ চকুৰ আগত ভাহি উঠিল । কথা এটা মনত পৰি হাঁহি উঠি গ'ল । গকুল ককাইদেউৱে এটুকুৰা চক্‌পেঞ্চিল লগত লৈ গৈছিল ছোৱালীজনী জুখিবৰ বাবে । কাৰণ মইযে কৈছিলো, ছোৱালীজনী অলপ ওখ হব । চক্‌ডালেৰে সিহঁতে নিশ্চয় জোখ লব আৰু যদি ককাইদেউতকৈ ওখ নহয়, মোক আহি কব যে তোৰ চকু ..... ...........। হঠাৎ চিন্তাবোৰে মোক তিনিবছৰ আগলৈ লৈ গ'ল । এয়া তিনিবছৰ আগৰ কথা । ছোৱালীজনীৰ মাকে আহি আমাৰ ঘৰখনৰ লগত বেছি ঘনিষ্ঠতা বঢ়াইছে । এদিন আকৌ মোমায়েকেও আহি ককাইদেউক নিজ মুখেৰে কথাটো সুধিছিল । ককাইদেউ বিমোৰত পৰিল । খুব সহজভাবে উত্তৰ দিলে মেট্ৰিক পৰীক্ষাটো পাছ কৰিবলৈ দিয়ক কিন্তু মানুহজনে ইমানতে শান্ত নাথাকি মাৰ ওচৰলৈ গৈ কথাটো উলিয়ালে । বহু সময় ধৰি ছোৱালীৰ গুণ বৰ্ণাই মাৰ লগত মানুহজনে বহুতো কথা পাতিলে । হঠাৎ এষাৰ কথা মোৰ কানত স্পষ্টকৈ পৰিল বাৰু অহা বুধবাৰে খুৰীয়েকহঁতে আপোনালোকৰ ঘৰলৈ

যাব। তেওঁলোকৰ পছন্দ হলে আমাৰ একো আপত্তি নাই। হাইস্কুলৰ দেওনা পাৰ হ'ব নোৱাৰা তথা মাউৰা ছোৱালীজনীৰ চাৰিত্রিক দিশৰ বিষয়ে ককাইদেৱে নানা কথা শুনিবলৈ পাইছে। কন্যা পক্ষীয় মানুহজন বিদায় লোৱাৰ পাছত আইতা আৰু মাই ককাইদেউক আকোৰ:গোজ হৈ লাগিছিল। তেওঁলোক দুয়োকে মুঠতে এজনী বোৱাৰী লাগে সেইজনী হব অনন্ত বাবুৰ ছোৱালী। শিক্ষিতা আৰু অশিক্ষিতা, গুনৱতী বা ৰূপৱতীৰ প্রশ্ন তাৰ মাজত আহিব নোৱাৰে, তেওঁলোকৰ যুক্তিবোৰে ককাইদেউক ওফৰাই পেলাইছে। তেওঁলোকে অনন্ত বাবুৰ সম্পত্তিৰ ওপৰত ছোৱালীৰ লগত পাবলগীয়া যৌতুকৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা গ'ল।

মা আৰু আইতাই আনকি ককাইদেউৰ চৰিত্রৰ ওপৰতো সন্দেহ কৰিবলৈ দ্বিধাবোধ কৰা নাছিল। স্পষ্ট ভাষাৰে কৈছিল "তই বহুদূৰ আগ-বাঢ়িলি! তোৰ মতি গতি ধৰিব পাৰিছো। তই কোনোবা এজনী জাত নোহোৱা ছোৱালীক ঘৰত সুমুৱাইহে এৰিবি"।

অৱশেষত ককাইদেউৱে কথা দিবলৈ বাধ্য হ'ল। বাধ্য কৰালে মা আৰু আইতাই। কিন্তু তেওঁলোকে এবাৰো উপলব্ধি নকৰিলে ককাইদেউৰ মনৰ কথা।

বিয়ালৈ মাত্র দুই সপ্তাহ বাকী আছে। গোটেই ঘৰখন উখল-মাখল। মোৰতো কথায়ে বেলেগ তথাপি মাজে-মাজে কিবা এটা নুবুজা আশংকাত বুকুখন কঁপি উঠে। জানোচা মই মনে বিচৰা নবৌ জনী নাপাওঁৱেই নাইবা তেওঁ আমাক হয়তো অতি ক্ষুদ্র প্রাণীৰ লগত তুলনা কৰি নিজকে অতি উচ্চ বুলি ভাবি অহংকাৰত ডুব গৈ থাকে। আকৌ ভাব ওভোতাই জানো নবৌৰ সৈতে মোৰ জীৱনৰ ৰঙীন দিনটোৰ সপোন ৰছোঁ। ক'ত কি কল্পনা কৰো আহ! কিমান সুন্দৰ হব আমাৰ আগত দিনবোৰ। ভাবি থাকোতে ইতিমধ্যে হেই মিনু কি ভাবি আছা তই? সকলোৱে গা পা ধুই ভাত খাবলৈ বহিল। কিবা ধ্যানত বহি খাবলৈও পাহৰিলি নেকি? মাই মাতিলে। মাৰ মাতত্হে কল্‌পনা ৰাজ্যৰ পৰা বাস্তৱ ৰাজ্যলৈ উভতি আহিলোঁ। সচাকৈ এদিন বৰ ধুম-ধামেৰে ককাইদেউৰ বিয়াখন পাৰ হৈ গ'ল। এজনী অচিনাকী ছোৱালীৰ উপস্থিতিয়ে গোটেই ঘৰখনকে আনন্দমুখৰ কৰি তুলিলে। মা আৰু আইতাই যেন মনে বিচৰা ছোৱালীজনী পাইছে, আৰু ময়ো।

এটি এটিকৈ কেইটিমান মাহ পাৰ হ'ল। পৰিবেশ পৰিস্থিতিৰ পৰিবৰ্ত্তন হোৱা দেখা যায়। লাহে-লাহে নবৌৰ মতি গতি সলনি হ'ল মা আৰু আইতাৰ প্রতি তেওঁৰ সন্মান, শ্রদ্ধা ভক্তি আগতকৈ যেন কিছু হ্রাস পাইছে মোৰ লগত বেছি কথা বতৰা নাপাতে। ককাইদেউৰ মুখৰ ৰং আগতকৈ বেছি পৰিবৰ্ত্তন হ'ল। নবৌ আৰু ককাইদেউৰ মাজত যেন কিবা খুটুং খাটাংকৈ লাগি থাকে। নবৌৰ এনেকুৱা আচৰিত পৰিবৰ্ত্তনেই গোটেই ঘৰখনকে এক আচৰিত কৰি পেলালে।

সিদিনা স্কুলৰ পৰা আহি এনেয়ে চোতালত বহি আছিলোঁ। এনেতে গাওঁৰ বুঢ়ী এজনী আহি চোতালত ঠিয় দিলে। আইতাক বহিবলৈ দি তামোলৰ বটাখন আনিবলৈ গৈছিলোঁ। কিন্তু ঘৰৰ ভিতৰলৈ গৈ যি এবাৰ কথা শুনিবলৈ পালো।

"তাই নগলেনো কি হয় ? আমি ছুয়ো যাম ! মই জানো ! আপুনি মোতকৈ তাইকহে বেছি মৰম কৰে" । মই আৰু স্থিৰেৰে থাকিব নোৱাৰিলো । বুঢ়ীজনীৰ হাতত তামোলৰ বঁটাখন দি মই পিচফালে ওলাই গলোঁ, কথাটো ভাবি ভাবি কোনজনীক বাৰু ককাইদেৱে নবৌতকৈও বেছি মৰম কৰে । আমি ইমানদিনে ককাইদেউৰ তেনে এক অসৎ প্ৰকৃতি দেখা নাই । অথচ নবৌ এই দুদিনতে ককাইদেৱে কাৰবাক বেছি মৰম কৰা দেখিলে । মই ভাবি ভাবি অবাক হৈ গলো । মোৰ আৰু বুজিবলৈ বাকী নাথাকিল যে নবৌয়ে নিশ্চয় মোকেই ইঙ্গিত কৰিছে । সেইদিনা আছিল শনিবাৰ । নবৌয়ে ককাইদেউক কৰবালৈ যাবলৈ খাটনি ধৰি আছে । ককাইদেউ কিন্তু মান্তি নহৈ নবৌক বুজাবলৈ যত্ন কৰিছে ।

আমাৰ আইতা আৰু মা পুৰণিকলীয়া হোজা তিৰোতা । তেওঁলোকে সদায় চিনেমা তিনেমা চাই ফুৰাটো একেবাৰে পচন্দ নকৰে । তোমাৰ যদি সপ্তাহটোত ছয় দিনকৈ চিনেমা চোৱাৰ অভ্যাস আছিল এতিয়া সেইবোৰ আতৰাব লাগিব । তুমি এতিয়া এইখন ঘৰৰ বোৱাৰী । বোৱাৰী হৈ এখন ঘৰলৈ অহাৰ লগে লগে কিছুমান অভ্যাস এৰি দিয়া উচিত ।

মই আৰু এইখন ঘৰত থাকিব নোৱাৰো । চুক ভেকুলীৰ দৰে গাৱঁত সোমাই গাৱঁৰ ভুতুনী হৈ অহা নাই । নবৌৰ উত্তৰ । তেনেহলে তোমাক চহৰত বিয়া দিবলৈ নিদিলা কিয় ?

সঁচাকৈ নবৌয়ে ককাইদেউৰ দাম্পত্য জীৱন বিষময় কৰি তুলিছিল । কিন্তু ককাইদেউ তাৰ সম্পূৰ্ণ বেলেগ । সেয়েহে তেওঁলোকে দাম্পত্য জীৱন মধুময় কৰি তুলিব নোৱাৰিলে । আইতা আৰু মাৰ জ্ঞান চকু এতিয়া মেল খালে । তেওঁলোকৰ ভুলৰ বাবে ককাইদেউৰ গোটেই জীৱন অশান্তিৰে কটাবলগীয়া হ'ল, এই কথা তেওঁলোকে এতিয়াহে বুজি পালে ।

এদিন সন্ধিয়া পৰত পদুলি মূৰলৈ ওলাই গৈছিলো, পশ্চিম আকাশত অস্ত যাব ধৰা ৰঙা সূৰ্য্যটোৰ পিনে চাই আছিলো নবৌৰ কথাবোৰ ভাবি । এনেতে ককাইদেউৱে পিছ পিনৰ পৰা মতা শুনিলো । ঘূৰি চাই দেখিলো ককাইদেউৰ চকুত দুধাৰী অশ্ৰু । লগে লগে মোৰো চকুপানী ওলাই আহিল । ককাইদেউৱে মাত লগালে ।

মিনু ?

ককাইদেউ !

মই বৰ ভুল কৰিলো মিনু । নহয় ককাইদেউ । তুমি ভুল কৰা নাই । ভুল কৰিছে মা আৰু আইতাই । ভুল কৰিছে তেওঁলোকৰ ধনৰ লালাসাই । সঁচা মিনু । তেন্তে মই ! মই ভুল কৰা নাই ই মোৰ ভাগ্যৰ দোষ নহয় ।

বেলিটো সম্পূৰ্ণ ৰূপে মাৰ গ'ল । এক ঘোপ মৰা অন্ধকাৰে সকলোকে আবৰি পেলালে । আমাৰ কাষেৰে এখন এম্বেচেডৰ গাড়ী পাৰ হৈ যোৱা দেখা গ'ল । টেক্সিৰ ভিতৰত দেখিবলৈ পাইছিলো নবৌজনীক । আবেলিতে সৰু ককায়েকজন আহি নবৌৰ কাৰণে ৰৈ আছিল ।

O

# নাইট কুইন

শ্ৰীবৰ্ণালী হাজৰিকা
স্নাতক প্ৰথম বাৰ্ষিক (কলা বিভাগ)।

ৰাতি এঘাৰ বাজিছে। শ্বিলঙৰ এক শীতৰ ৰাতি। নাইট কুইন ফুলপাহ ফুলো ফুলো হৈছে। তেতিয়ালৈকে মৃদুল ঘৰলৈ উভতি অহা নাই। অলসভাৱে অজন্তাই বাৰাণ্ডাৰ আৰামী চকীখনত বহি পৰিল। তাইৰ মনটো বৰ উদাস উদাস যেন লাগিল। ন-পুৰণি অনেক চিন্তাই তাইৰ অন্তৰত ভূমুকি মাৰিলেহি। কিমান সুন্দৰ আছিল তাইৰ সেই দিনবোৰ! তেজপুৰৰ সেই সপোন সপোন যেন লগা মূহুৰ্ত্তবোৰ! সেই দিনবোৰলৈ আকৌ উভতি যাবলৈ মন গ'ল তাইৰ। মনত পৰিল তাইৰ পুৰণি বান্ধৱী ইলোৱালৈ।

ইলোৱা বেগম। তাইৰ অন্তৰঙ্গ বান্ধৱী। খোলা মনৰ ছোৱালী ইলোৱা। তেজপুৰৰ নিগাজী বাসিন্দা। অজন্তাৰ দেউতাক ডি, এচ, পি,। আচল ঘৰ ডিব্ৰুগড়ত। অজন্তাৰ তলত দুজন ভায়েক। অজন্তা ক্লাচ টেইনত পঢ়ি থাকোতেই তেওঁলোক তেজপুৰলৈ বদলি হৈ আহে। অজন্তাই তাতে স্কুলত এড্‌মিচন লোৱাৰ পাছতেই লগ পাই ইলোৱাক। দুয়ো নলে-গলে লগা বান্ধৱী হৈ পৰে।

অজন্তাই বিহু নাচে। সেই উদ্দেশ্যে তাই নতুন ঠাইখনত স্থানীয় বিহুদলটোৰ লগত চিনাকি হ'ব লগাত পৰে। এইদৰেই অজন্তাৰ লগত ঢুলীয়া পাৰ্থপ্ৰতিমৰ চিনাকি হয়। প্ৰাইমাৰী স্কুলৰ শিক্ষক অনিল বৰুৱাৰ একমাত্ৰ পুত্ৰ পাৰ্থপ্ৰতিম বৰুৱা বেচ মেধাৱী আৰু অমায়িক ল'ৰা। সেইবাৰ সি অংক আৰু বিজ্ঞানত লেটাৰসহ ফাষ্ট ডিভিজনত মেট্ৰিক পাচ কৰে আৰু তেজপুৰ দৰং কলেজত P.U-Sc. ত এড্‌মিচন লয়। অজন্তাক প্ৰথম দৰ্শনতে পাৰ্থৰ ভাল লাগি গৈছিল। দীঘল চুলিকোচাৰে ধুনীয়া অজন্তাজনীক সি ভাল পাই পেলালে। অজন্তাও পাৰ্থৰ প্ৰেমত পৰিল। জীৱনৰ প্ৰথম তুৱাবদলিত ভৰি দি অজন্তাই ভাববলৈ ধৰিলে পৃথিৱীখন অতীৱ সুন্দৰ। ৰাতি বিচনাত পৰি যিমানেই তাই পাৰ্থৰ কথা ভাৱে সিমানেই তাইক আনন্দ দিবলৈ ধৰে এক অজান শিহৰণে। তাৰ সেই সুন্দৰ চেহেৰাটোৰে, উজ্জ্বল চকুযুৰিৰে পাৰ্থটো সচাঁকৈয়ে মোহনীয়!

দিন গৈ আছে। অজন্তা আৰু ইলোৰাই মেট্ৰিক পাচ কৰি দৰং কলেজতে P.U. Arts ত এড্মিচন ল'লে। ইতিমধ্যে ইলোৰাই অজন্তাৰ সকলো কথা গম পাইছিল। পাৰ্থ আৰু অজন্তাৰ দিনবিলাকো ঠিকেই চলি গৈছিল। দুয়োয়ে দুয়োকো মনে প্ৰাণে ভাল পায়। হ'লেও অজন্তা অলপ চঞ্চল প্ৰকৃতিৰ। এই স্বভাৱটোৰ কাৰণেই পাৰ্থই কেতিয়াবা তাইক খং কৰে। কিন্তু তাই সব হাঁহি উৰুৱাই দিয়ে। পাৰ্থই পতিয়ন যায় এয়া হয়তো এক বিলাসিতাৰে ফেশ্ব'ন। অজন্তাৰ চাকনৈয়াত পৰি পাৰ্থৰ অধ্যয়নো কিছু কিছু অধঃপতনৰ ফালে গতি কৰিলে। অফ্পিৰিয়ডত অজন্তা বাহিৰত থাকিলে পাৰ্থই ভিতৰত ক্লাছ কৰি থাকিব নোৱাৰা হ'ল। অজন্তাৰ ক্লাছ সোনকালে ছুটি হ'লে পাৰ্থয়ো নিজৰ ক্লাছ নকৰি অজন্তাৰ পিছ লয়। এইবিলাক কথা পাৰ্থৰ দেউতাক অনিল বৰুৱাৰ কাণতো নপৰাকৈ নাথাকিল। তেওঁ খঙতে অগ্নি শৰ্ম্মা হৈ পাৰ্থক পাৰেমানে গালি পাৰিলে।

আনফালে অজন্তাৰ কথাবিলাকো দেউতাক ডি,এচ,পি, চৌধুৰীৰ কাণত পৰিবলৈও বেছি দিন নালাগিল। জীয়েকৰ তেনে কাৰ্য্যক তেওঁ গৰিহণা দিলে। ভবিষ্যতে তাইৰ তেনে কথা যাতে তেওঁৰ কাণত নপৰে, তাৰবাবে তাইক সাৱধান কৰি দিলে। মাকে তাইক নিম্নখাপৰ মানুহৰ লগত তেনে লেটি-পেটিখন কৰাৰ বাবে তিৰস্কাৰ কৰিলে।

মাক-দেউতাকৰ তৰ্জন-গৰ্জনত পাৰ্থ আৰু অজন্তাৰ প্ৰেম সাময়িকভাৱে মৰহি পৰিছিল যদিও দিন যোৱাৰ লগে লগে আকৌ সেইয়া ঠন ধৰি উঠিল। সেইবেলি পাৰ্থই ফাইনেল পৰীক্ষা দিলে। পিছে ৰিজাল্টহে সি বেছি ভাল কৰিব নোৱাৰিলে। 2nd division লৈ পাচ কৰিছে। পুতেকৰ ৰিজাল্ট শুনি দেউতাক আকৌ গৰ্জি উঠিল। কিমান আশা কৰিছিল তেওঁ! একমাত্ৰ পুত্ৰ পাৰ্থক এজন ভাল ডাক্তৰ বনাব। বংশৰ খ্যাতি লগতে জনকল্যাণ মূলক কামত নিয়োগ কৰিব। কিন্তু সেয়া হৈ নুঠিলগৈ। পাৰ্থই মেডিকেল কলেজত ছিট্ নেপালে। সি আকৌ দৰং কলেজতে B.Sc.ত এড্মিচন ললে। অজন্তায়ো নিয়মিত কলেজলৈ গৈ আছে। পাৰ্থ আৰু তাইৰ মিলামিছাও আগৰ-দৰেই চলি আছে। এইবোৰ কথা গম পাই ডি, এচ, পি, চৌধুৰীয়ে এদিন পাৰ্থৰ দেউতাক অনিল বৰুৱাক লগ ধৰি কিছু কথা শুনালে। অনিল বৰুৱাও চুপ-চাপ থকা লোক নহয়। তেওঁ এজন আত্মমৰ্য্যদা সচেতন লোক। ডি, এচ, পি, হ'ল বুলিয়েই তেওঁ চৌধুৰীক কেৰেপ নকৰে। গতিকে তেওঁও চৌধুৰীৰ কথাৰ উচিত প্ৰত্যুত্তৰকে দিলে।

ঘৰলৈ আহি চৌধুৰীয়ে অজন্তাক ধমকি দিলে। তাইৰ কাৰণেই আজি বৰুৱাৰ নিচিনা মানুহ এজনে তেওঁক কথা শুনাব পৰা হ'ল।

ইফালে বৰুৱাও খঙত টিঙিৰি টুলা হৈ ঘৰলৈ গৈ পুতেকক গালি পাৰিলে। আজি তাৰ কাৰণেই তেওঁ অপমানবোধ কৰিবলগা হ'ল। তেওঁ ধনৰ দুখীয়া হ'ব পাৰে, কিন্তু মনৰ দুখীয়া নহয়। আগলৈ পুতেকে চৌধুৰীৰ জীয়েকক মতা বোলা কৰিলে কথা বেয়া হৈ যাব বুলি সঁকিয়াই থলে। এনেকৈয়ে তেওঁলোকৰ মাজত হৰি-হৰৰ যুদ্ধই পাতনি মেলিলে।

ইলোৰা খুব বুধিয়ক ছোৱালী। ছুয়োগৰ ঘৰৰ লগতে তাইৰ ভাল আহ-যাহ আছে। অজন্তা আৰু ইলোৰাৰ ফাইনেল পৰীক্ষাৰ্লৈ বেছি দিন নাই। দুখে বেজাৰে অজন্তাৰ পঢ়াশুনা একেবাৰে হোৱা নাছিল। বান্ধৱীৰ দুখত সমভাগী হৈ ইলোৰাই সেই পৰিস্থিতিটোৰ প্ৰতিকাৰৰ কথা ভাবিলে। তাই প্ৰথমতে পাৰ্থহঁতৰ ঘৰলৈ গৈ পাৰ্থৰ মাক-দেউতাকক বুজালে। তেওঁলোকে আগৰপৰাই তাইক মৰম কৰে। তাই তেওঁলোকক একমাত্ৰ পাৰ্থৰ মুখলৈ চাই তেওঁলোকৰ খং কমাবলৈ কলে। তাই তেওঁলোকক এইবুলি পতিয়ন দিলে যে পাৰ্থই কাকো উচ্য-বাচ্য নকৰা ল'ৰা। কাকো একো ক'ব নোৱাৰি সি আন বেলেগ ঘটনাও কৰি দিব পাৰে। আনহাতে ল'ৰাটোৰ পঢ়া-শুনাও একেবাৰে বেয়া হৈ যাব পাৰে। গতিকে সম্প্ৰতি মনে মনে থকাই শ্ৰেয়ঃ। অজন্তাওটো একো বেয়া ছোৱালী নহয়। কাৰ ভাগ্যত বিধাতাই কি লিখিছে কোনে ক'ব পাৰিব ?

ইলোৰাই অজন্তাৰ ঘৰলৈও গৈ তাইৰ মাকক বুজাই কয় যে অজন্তাৰ পৰীক্ষালৈ কেইদিনমানহে বাকী আছে। এইবিলাক হুলস্থুল লাগি থাকিলে তাইৰ মনত চিন্তা হ'ব আৰু ৰিজাল্টো ভাল কৰিব নোৱাৰিব। বৰং তেওঁলোকে কাকো একো নকৈ মৌন হৈ থকাই উচিত। বেছি গণ্ডগোল কৰিলে কবতো নোৱাৰি জীয়েকে বা আকৌ কি কৰি পেলায় ? তেওঁলোকেতো নাজানে ভৱিষ্যতত কাৰ কি আছে ?

অজন্তাৰ মাকে ইলোৰাৰ কথাত পতিয়ন গৈ তাই যোৱাৰ পিছত গিৰীয়েকক বুজনি দিলে অজন্তা সৰু ছোৱালী। তাই কোনো কথাকে গম্ভীৰভাৱে লৈ উঠিব পৰা হোৱা নাই। ঠাই সলনি হ'লে তাইৰ মনটোও নিজে নিজে সলনি হৈ যাব। তাইৰ কোমল অন্তৰত তেওঁলোকে কোনো দ সাচ বহুৱাব নালাগে।

চিত্ৰলেখাৰূপী ইলোৰাই আগন্তুক হৰি হৰৰ যুদ্ধখনক সিমানতে স্থগিত ৰাখিলে। অজন্তা আৰু ইলোৰাই পৰীক্ষা দিলে। ইতিমধ্যে ৰিজাল্ট ওলাল। ছুয়োজনীয়ে 3rd division ত পাছ কৰিলে।

ইফালে চৌধুৰীৰ চেষ্টাত তেওঁলোকৰ বদলিৰ খবৰ আহিল গুৱাহাটীলৈ। সেই সপ্তাহটোৰ ভিতৰতেই তেওঁলোক যাবলৈ সাজু হ'ল। সেই খবৰ পাই পাৰ্থৰ মূৰত স্বৰগখন ভাগি পৰা যেনহে পালে। অজন্তাৰো বেয়া খুবেই লাগিছিল। কিন্তু কি কৰিব তাই ? যাবতো লাগিবই। কান্দি কান্দি থোকা থুকি মাতেৰে তাই বিদায় ললে পাৰ্থ আৰু ইলোৰাৰ পৰা। পাৰ্থই তাইক আজীৱন ভালপোৱাৰ বাবে প্ৰতিশ্ৰুতি দিলে আৰু চিঠিপত্ৰৰ আদান-প্ৰদান নিয়মিত চলি থাকিবলৈ পুনৰবাৰ সঁকিয়াই দিলে।

গুৱাহাটীলৈ আহি অজন্তাই কলেজত স্নাতক মহলাত এড্‌মিচন ল'লে। মহানগৰীৰ বিপুল সৌন্দৰ্য্যই তাইৰ চকুত চাঁট মাৰি ধৰিলে। নতুন নতুন বান্ধৱী-পলী, লীজা, জুৰিহঁতক লগ পালে। ক্ৰমান্বয়ে অজন্তাৰ ফেশ্ব'ন বেলেগ হৈ আহিবলৈ ধৰিলে। দীঘল চুলিকোচা—যিকোচাৰ প্ৰশংসা আগতে সকলোৱেই কৰিছিল, তাই আধামানলৈকে কাটি দি মেলি থাকে। সুন্দৰ চেলাউৰিখিনি উঠাই দি চুলি এডালৰ দৰে মিহি কৰিলে। গোলাপৰ পাহি যেন কোমল কোমল লগা ওঁঠযুৰি লিপষ্টিক

লগাই ক'লা ৰৰণীয়া কৰি পেলালে। সপ্তাহত দুবাৰকৈ বিউটি পাৰ্লাৰলৈ যোৱাৰ নিয়ম কৰিলে। যি অজন্তাই আগতে ঘৰৰ বাহিৰ ওলালে শাৰী, মেখেলা-চাদৰ পিন্ধি গৈছিল, এতিয়া তাই জিন-পেণ্টৰ লগেই নেবা হ'ল। তথাপি কবলৈ গ'লে তাই এতিয়াও ধুনীয়া ছোৱালীয়েই।

প্ৰথমাৱস্থাত পাৰ্থ আৰু ইলোৱালৈ তাইৰ চিঠিৰ আদান-প্ৰদান ভালদৰেই চলিছিল। পিছলৈ সিহঁতৰ চিঠি দুখন-তিনিখন জমা হৈ গলেও উত্তৰ দিয়াৰ প্ৰযোজন বোধ নকৰা হ'ল আৰু শেষলৈ তাই উত্তৰ দিবলৈ একেবাৰে এৰিকে পেলালে। চিঠিৰ উত্তৰ নেপাই পাৰ্থই খং আৰু বেজাৰত বলিয়াৰ দৰে হ'ল। খঙৰ বেগত এদিন সি গুৱাহাটীলৈকে অজন্তাক লগ ধৰিবলৈ আহিছিল। পিছে অজন্তাইহে তাক দেখিও নেদেখাৰ ভাও জুৰিলে। অজন্তাৰ কাণ্ড দেখি সি খঙত ফোঁপাবলৈ ধৰিলে। তাইৰ দুই গালত দুটা চৰ মাৰিবলৈ তাৰ মন গৈছিল। কিন্তু পিছমূহুৰ্ত্ততে সি নিজকে সংযত কৰি ললে। সি তেজপুৰলৈ উভতি গৈ পঢ়া-শুনাত মন প্ৰাণ ঢালি দিলে।

অজন্তাৰ লগত পৰিচিত হ'ল পলীৰ সম্পৰ্কীয় দাদাক মৃদুলৰ সতে। প্ৰতিষ্ঠাবান ব্যৱসায়ী লোক বিদ্যুৎ হাজৰিকাৰ জ্যেষ্ঠ পুত্ৰ মৃদুলে নিজেও আমেৰিকাৰ পৰা আহি বিজ্‌নেচ্ কৰিবলৈ লৈছে। তেওঁলোকৰ শিৱসাগৰত নিজাকৈ দুখন চাহ বাগিচা আছে, গুৱাহাটীত কেবাটাও বিল্ডিং ভাড়ালৈ দিছে, নিজাকৈ চিনেমাহ'ল আছে, কেবাখনো গাড়ীও লাইনত দিছে। মুঠতে তেওঁলোকৰ টকা অহাৰ দিশ চৌপাশে। মৃদুলৰ চাহাবী সাজ-পোচাক, কথাকোৱাৰ ভঙ্গী, খোজ কাটল আদি অজন্তাৰ ভাল লাগি গ'ল। মৃদুলৰ সান্নিধ্যলৈ আহি তাই ভবিষ্যতৰ সুখৰ সপোন দেখিলে। মৃদুলেও তাইক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিলে। তেওঁলোকৰ মাক দেউতাকেও সন্মতি দিলে। গতিকে তেওঁলোক পিছ প'ৰি থকাৰ প্ৰশ্নই নুঠে। সেয়ে অজন্তাই বি-এ. ফাইনেল দি উঠাৰ পিছতে বৰ ধুম-ধামেৰে তেওঁলোকৰ বিয়া হৈ গ'ল। বিয়াৰ পিছতেই মৃদুলে তাইক হিলঙলৈ লৈ আহিল। তেতিয়াৰেপৰা অজন্তাই লক্ষ্য কৰিছে মৃদুলৰ উচ্ছৃংখল জীৱন। একেবাৰে পাৰ্থৰ বিপৰীত। ঘৰলৈ কেতিয়া আহে, কেতিয়া যায় একো ঠিক নাই। কেতিয়াবা নাহেও। মদৰ বটল তেওঁৰ লগত অনবৰতে থাকে। দিনৰ দিনটো অকলে অকলে ছিলঙৰ এই আওহতীয়া ঘৰটোত থাকি তাইৰ বৰ বেয়া লাগে। দিনত খাচিয়ানী এজনীয়ে কিবা-কিবি কাম কৰিবলৈ আহে। তাইৰ লগতনো বাৰু কিটো কথা পাতি থাকিব? ৰাতি দুপৰলৈকে তাই মৃদুললৈ বৈ থাকে। যেতিয়া মাজ-নিশা ক্লাবত নাচ-গান কৰি ঢলং-পলং খোজেৰে মৃদুল আহিব, তেতিয়া তাইৰ চিঞৰি চিঞৰি কান্দিবলৈ মন যায়। নিঃসঙ্গ জীৱন তাইৰ বাবে বৰ কষ্টকৰ-অসহনীয়। তাই সিহঁতৰ জীৱনটো সজীৱ কৰি তুলিবলৈ চেষ্টা কৰে। তাই কৰ্ম্মত ব্যস্ত হৈ পৰে। ঘৰটো চিকুনোৱা, ড্ৰইং ৰুমটো চাফ্ কৰা, বেড্‌ৰুমত সুগন্ধি ফুল আনি সজাই ৰখা, বাৰাণ্ডাত ধুনীয়া ধুনীয়া ফুলৰ টাব ৰখা ইত্যাদি।

টাবৰ ফুলবোৰ বৰ ধুনীয়া হৈছে। আই-ভিলতা আৰু কেক্‌টাছবোৰৰ মাজত ৰখা নাইট-কুইন ডাল যে ইমান ধুনীয়া হৈছে! অতি সুন্দৰকৈ এটা কলিও লাগিছে। আজি ৰাতিয়েই

কলিটো ফুলিব। তাই কিমানদিন আগৰেপৰা গিৰীয়েকক কৈ আছে যে নাইটকুইন পাহ ফুলিবৰ দিনা সিহঁতে উজাগৰে থাকি বেছ ফূৰ্ত্তি কৰি ৰাতিটো কটাই দিব। পিছে মৃদুলেহে তাইৰ কথাত বৰকৈ মন কাণ নিদি পাহৰি পেলায়। সেয়েহে আজি ৰাতিপুৱা মৃদুলক ওলাই যাবৰ সময়ত তাই পুনৰ সঁকিয়াই দিছিল সোনকালে উভতি আহিবলৈ। তেওঁও 'আহিম' বুলি প্ৰতিশ্ৰুতি দিছিল। তাইও খুব আশা কৰি সিহঁতৰ বাবে ৰাতিৰ খানা প্ৰস্তুত কৰি তেওঁ 'আহিব' 'আহিব" বুলি বৈ আছিল। কিন্তু কভা? তেওঁতো এতিয়ালৈকে আহি নাপালে?

ৰুম হিটাৰটোৱে ঠাইখিনি বেছ তপত কৰি ৰাখিছে। খিলংখন তেতিয়া নিতাল মাৰিছে। ওৱাল ক্লকটোৱে নিশা এক বজাৰ সংকেট দিলে। ইমান দেৰিলৈকে তাই পুৰণি কথাবোৰ ৰোমন্থন কৰি উজাগৰেই বাৰাণ্ডাত বহি আছে। তাইৰ মনত পৰিছে পাৰ্থ প্ৰতিমলৈ। তাইৰ মৰমৰ পাৰ্থলৈ। এতিয়া সি গুৱাহাটী ইউনিভাৰছিটিত এম, এচ, চি, পঢ়ি আছে। পাৰ্থই ছাগে তাইৰ কথা একেবাৰে পাহৰি পেলাইছে। তাইৰ চকু নাইট কুইন ফুল পাহলৈ গ'ল। সেইপাহ পূৰ্ণভাবে ফুলি উঠিছে। তাইৰ চকুৰেদি দুধাৰি তপত চকুলো বাগৰি পৰিল। কিমানযে আশা কৰিছিল তাই নাইটকুইন পাহৰ দৰেই তাইৰ জীৱনটোও ফুলি উঠিব। তাইৰ সকলো আশা ভাঙি চূৰমাৰ হৈ গ'ল।

এনেতে মৃদুল টলং-পলং খোজেৰে ঘৰলৈ আহি তাইক নমতাকৈয়ে, কাপোৰ কানি, জোতা-মোজা নসলোৱাকৈ বিচনাত ঢলি পৰিল। অঞ্জু ভিতৰলৈ দৌৰি আহি বিচনাত পৰি হুক্-হুকাই কান্দি দিলে। অলপ পিছতে তাই নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিল।

ৰাতিপুৱা অলপ দেৰিকৈয়ে সাৰ পালে তাই। ইতিমধ্যে মৃদুল শুই উঠি কৰবালৈ গুচি গৈছে। উখহা চকু কেইটাৰে তাই বাহিৰলৈ ওলাই আহিল। পুৱাৰ ৰদকাচলি ঘৰটোত ভালকৈয়ে পৰিছে। নাইট কুইনৰ ফুলপাহ ইতিমধ্যে লেবেলি গৈছে।

## কৌতুক

এজন দৰাই নিজে কইনা চাবলৈ বুলি এঘৰলৈ গ'ল। বিয়াৰ সকলো বন্দোবস্ত হৈ গ'ল। ভাবি শহুৰেকে কিন্তু মদপী মানুহ ভাল নাপায়। সেয়েহে তেওঁ দৰাক লাহেকৈ সুধিলে:

ভাবি শহুৰ: তুমি মদ-ভাং কিবা খোৱা নেকি?

দৰা: নাই নাই নালাগে। আমি (বন্ধুৰ পিনে দেখুৱাই) আহিবৰ সময়তেই ভালকৈয়ে ধৰি আহিছোঁ।

* সংগ্ৰহ— শ্ৰীমুক্তানন্দ শৰ্ম্মা (সম্পাদক)

# উপেক্ষিতা উৰ্মিলা

O মিচ্ জুলপ্ৰিয়া ডেকা
স্নাতক ৩য় বাৰ্ষিক (কলা)

উৰ্মিলা বৰুৱা। কোনে দিছিল বাৰু মোৰ এই নামটো? অৱশ্যে তাহানিৰ বাল্মীকিৰ উৰ্মিলা নহয়, কুৰি শতিকাৰ উৰ্মিলা। বুজিছা জুৰি, নামৰ লগত যে জীৱনৰ ঘটনা বোৰৰ ইমান সাদৃশ্য থকা হব এবাৰো ভবা নাছিলো। বাল্মীকি ৰামায়ণৰ এক উপেক্ষিতা নাৰী চৰিত্ৰ আছিল উৰ্মিলা। বিয়াৰ পিছতেই পত্নীৰ মৰম স্নেহ, চকুৰ পানীক উপেক্ষা কৰি ৰামৰ লগত বনলৈ গুছি গৈছিল লক্ষ্মণ। লক্ষ্মণৰ এই অৱ-হেলা নিৰৱে সহ্য কৰি অযোধ্যাৰ ৰাজকাৰেঙত গোপনে চকুলো মচি মচি উৰ্মিলা জীয়াই আছিল। জীয়াই নাথাকি জানো কিবা উপায় আছিল? আৰু মই? মই তাহানিৰ উৰ্মিলাৰ দৰে হয়তো এটা কোঠাৰ ভিতৰত ভাগ্যকধিয়াই অশ্ৰুৰ বন্যা বোৱাই জীৱন কটোৱা নাই। কিন্তু মোৰ ভিতৰৰ মানুহজনী ডোকা ভগা এক আহত পক্ষীৰ দৰে চট্‌ফটাই সেই তেতিয়াই মৃত্যু হৈছে। তুমি হয়তো একো বুজা নাই জুৰি। বুজিবাই বা কেনেকৈ! তুমি মোক সদায় অমিতাভৰ কথা সুধি আছা। কিন্তু মই তোমাৰ প্ৰশ্নৰ পৰা সদায় ফালৰি কাটি থাকো। আজি বাকে-শক লগ পাই মই পুনৰ সেই ছাত্ৰী জীৱনৰ কাষলৈ গৈছো। অতীতবোৰ যিমানেই বেদনাদায়ক নহওঁক কিয় সিমানেই ৰোমাঞ্চকৰ। তুমিতো হোষ্টেলত থাকি এম,এ পঢ়াৰ সময়ত মোৰ সব কথাই নাজানিছিলা? গতিকে পিছৰখিনি বুজিবা কেনেকৈ। ইচ্ছা কৰিয়েই তোমাক তেতিয়া একো জানিব দিয়া নাছিলো। মাত্ৰ জানিছিলা বিশ্ববিদ্যালয়ৰ ভিতৰত আটাইতকৈ চোকা আৰু গহীন গম্ভীৰ অমিতাভ দত্ত নামৰ লৰাজনৰ সতে মোৰ ভাল চিনাকি। অকল ভাল চিনাকি-তেই যদি আমাৰ সম্পৰ্কবোৰো শেষ হ'লহে-তেন, তেতিয়া হলে আজি মোৰ এই অৱস্থা নহ'লহেঁতেন জুৰি। আজি মই অধ্যাপিকা উৰ্মিলা বৰুৱাই তোমাৰ আগত সেই তাহানিৰ উৰ্মিৰ কথাবোৰ কব খুজিছো। জুৰি আজি তোমাৰ পৰা একো কথাই লুকাব নিবিছাৰো।

কথাবোৰ আনক জনোৱাৰ প্ৰয়োজনবোধ কৰা নাছিলো। কিন্তু ভাগ্যৰ কি পৰিহাস! তুমি আৰু মই আজি একেখন কলেজৰে অধ্যা-পিকা। মই অতীতৰ কাহিনীবোৰ তোমাক কৈছো। শুনি যোৱা জুৰি।

তেতিয়া মই class vii নে viii ত যেতিয়া

অমিতাভহঁত আমাৰ ওচৰলৈ একেবাৰে উঠি আহিছিল। অমিতাভৰ দেউতাক আমাৰ চহৰ খনৰে কোনোবা এখন গাওঁত আছিল। পিছলৈ তেওঁ চেঁচামুখত ল'ৰা ছোৱালী লৈ নিজাকৈ ঘৰ এখন পাতিলে। আমাৰ ওচৰতে তেওঁলোকৰ আগতে কিনি থোৱা মাটি আছিল। অমিতাভৰ দেউতাক অলকেশ দত্ত চেঁচামুখ কলেজৰ অর্থ-নীতিৰ অধ্যাপক আছিল। বৰ অমায়িক মানুহ তেওঁ। আমাৰ দেউতাৰ সতে চিনাকি হৈছিল। শেষলৈ আমাৰ দুয়ো ঘৰৰ মাজত এক আত্মীয়তা গঢ়ি উঠিছিল। চেঁচামুখ হাইস্কুলত অমিতাভে নাম ভৰ্ত্তি কৰিছিল নৱম মান শ্ৰেণীত। একেলগে আমি স্কুললৈ অহা যোৱা কৰিছিলো। অমিতাভ পঢ়াত সকৰে পৰাই বৰ চোকা আছিল হেনো। তাৰ চিন্তাচর্চ্চা বোৰত এক বিশেষত্ব আছিল। জুখি মাখি কথা কৈছিল। আমি দুয়ো দুয়োৰে খুব বন্ধু আছিলো। একেলগে খেলিছিলো, ফুৰিছিলো। দিনটোৰ বেছিভাগ সময় একেলগে কটাইছিলো। ইজনে সিজনক এবাৰ নেদেখাকৈ থাকিব নোৱাৰিছিলো। অমিতাভৰ মাক দেউতাকেও আমাৰ মিলা-মিচাত খুব ভাল পাইছিল। মা দেউতাই অমিতাভৰ নম্ৰতা আৰু পঢ়া শুনাৰ আগ্ৰহ দেখি খুব মৰম কৰিছিল। আমাৰ লৰা নাছিল। একমাত্ৰ সন্তান ময়েই আছিলো। অমিতাভহঁতৰ সিয়েই ডাঙৰ ল'ৰা। তাৰ তলত ভায়েক দুটা। ভনীয়েক নাই। আমাৰ ল'ৰা নাই বাবেই নেকি মাই তাক অসন্তৱ মৰম কৰিছিল। মোৰ দেউতা হাইস্কুলৰ শিক্ষক। অমিতাভৰ দেউতাক আৰু মোৰ দেউতাৰ মাজতো অত্যন্ত বন্ধুত্ব আছিল। যেন আমাৰ অতি আপোন মানুহে এনেকুৱা সম্পর্ক গঢ়ি উঠিছিল। দিনবোৰ সুন্দৰ ভাবেই পাৰ হৈ গৈছিল। অমিতাভ আৰু মোৰ মাজতো মৰম স্নেহবোৰ বেছি গাঢ় হৈ আহিছিল। আমাৰ মাজত পৰীক্ষাত কোনে বেছি নম্বৰ পাওঁ প্ৰতি-যোগিতা চলিছিল। মোতকৈ সি উচ্চশ্ৰেণীৰ ওপৰত আছিল। ময়ো সৰুৰে পৰাই পঢ়াত চোকা আছিলো। দেউতাৰ মোৰ ওপৰতে সমস্ত আশা। সেই বাবেই মই পঢ়া শুনাত খুবজোৰ দিছিলো।

তাৰ পিছত কি হ'ল জানা জুৰি? অমিতাভে মেট্ৰিক দিলে। মেট্ৰিকত সি অসমৰ ভিতৰতে ৩য় স্থান লাভ কৰিলে। সেইদিনা যে আমাৰ দুয়োখন ঘৰৰ কি স্ফুৰ্ত্তি। ৰিজাল্ট লব-যোৱাৰ সময়ত মই তাক শুভেচ্ছা জনাইছিলো। এতিয়াও মোৰ কাণত বাজি আছে জুৰি-তাৰ সেই আনন্দৰ উচ্ছ্বাস মুহুৰ্ত্তত মোক কোৱা কথা-বোৰ। আবেগত বিহ্বল হৈ মোক সাৱটি ধৰি টপৰ টপৰকৈ চুমা খাইছিল আৰু কৈছিল "উৰ্মি মোৰ এই সাফল্যৰ গুৰি তুমি। তোমাৰ মিঠা মিঠা প্ৰেৰণাবোৰে মোক উৎসাহ দিছে। তোমাৰ বাবেই মোৰ এই কৃতিত্ব।" সেই দিনা মোৰ আনন্দত চকুৰ পানী ওলাইছিল জুৰি। সেই দিনাৰ পৰাই আমাৰ জানো কি হ'ল? অমিতাভক দেখিলে লাজ লাজ লগা হ'ল। তাৰ প্ৰতি ভালপোৱাবোৰ আৰু বাঢ়িব ধৰিলে। তাৰ পিছত সি কটন কলেজত বিজ্ঞান শাখাত নামভৰ্ত্তি কৰি হোষ্টেলত থাকিব ললে। অমিতাভ গুছি যোৱাঁৰ পিছত মোৰ মানসিক অৱস্থা

ক্বিবা হৈছিল জুৰি। মোৰ দৰেই তাৰো অৱস্থা হৈছিল বুলি পিছত গম পাইছিলো। মোলৈ চিঠি লিখিছিল প্ৰতি সপ্তাহতে। প্ৰতিখন চিঠিতে সোঁৱৰাই দিছিল পঢ়া শুনাত জোৰ দিবলৈ। তাৰ দৰে যেন ময়ো সুনাম অৰ্জন কৰি মা দেউতাক সুখী কৰিব পাৰো। ময়ো তাৰ কথা-মতে যিমান পাৰো সিমানে চেষ্টা কৰো পঢ়া শুনা কৰিবলৈ। কি যে মিঠা তাৰ চিঠিবোৰত থকা মৰমৰ শাসন। মোলৈ সদায়ে মনত পৰে; মই নপঢ়িলে সি হেনো মৰি থাকিব কিবোৰ যে লিখে। আমি দুয়ো দুয়োয়ে নজনাকৈ ইজনে সিজনক ভাল পাই পেলালো। কিন্তু মুখ ফুটাই কোনেও কাকো একো কব পৰা নাছিলো। মই তালৈ লিখা চিঠিবোৰত দুষ্টা-মিৰে ভৰা আছিল। লিখিছিলো "মই জানো অমিত তুমি মোৰ কথা নাভাবা। কটন কলেজৰ সেই বৰ ধুনীয়া ছোৱালীজনী তুমি যে কৈছিলা তাই হেনো তোমাক বৰ চাই থাকে; তাইৰ সতে তুমি হোলে সদায় কথা পাতি থাকা"। উত্তৰত মোলৈ কি লিখিছিল শুনা জুৰি-'উৰ্মি মই যে এজনী ইমান বেয়া ছোৱালীৰ কথা ভাবি থাকো। বৰ দুষ্ট ছোৱালীজনী। উৰ্মি তোমালৈ কথা এশাৰী লিখিলো-when I happened to, see in you. I fell some sensation in my blood. There were lot of wav-es in my blood. Very easlily I could take you as my that is only colled love. উত্তৰত লিখিবা"। তাৰ পিছত মই বুজিছিলো জুৰি, অমিতাভে যে মোক ভাল পায়। দুটা বছৰ পাৰ হৈ গৈছিল। অমিতাভে P.U. fiual দিছিল মই মেট্ৰিক দিছিলো। সেই বাৰো অমিতাভৰ সুন্দৰ বিজাল্ট হৈছিল। ময়ো মেট্ৰিকত দুটা বিষয়ত লেটাৰ সহ প্ৰথম বিভাগ পাইছিলো। অমিতাভে ডাক্টৰ ইঞ্জিনিয়াৰ হব নিবিচাৰি বি-এচ চি, ত নাম ভৰ্ত্তি কৰিলে। মোকো কটনকলেজতে দিলে। অমিতাভৰ মাক দেউতাকেই জোৰ দিলে কটনত পঢ়িবলৈ। এই বাৰ অমিতক সদায় লগ পোৱা হ'লো ওচ-ৰতে। অমিতাভৰ বন্ধুবোৰে মোক ওচৰৰ ভনী-য়েক বুলিয়েই জানিলে। আচল সম্পৰ্ক আনক জনাব সুবিধাখিনি অৱশ্যে আমি কোনোদিনেই কাকো দিয়া নাছিলো। পূজাৰ বন্ধ এটাত আমি ঘৰলৈ আহিছিলো। সেইবাৰ অমিতে এটা ডাঙৰ কাম কৰিলে জুৰি। সি মোক সোণৰ আঙঠি এটা পিন্ধাই দিছিল আৰু কৈছিল-"তুমি য'তেই নাথাকা আৰু যিমান দুৰৈত নহওক কিয় পাহৰি নোযোৱাৰ প্ৰতিশ্ৰুতিদিলো। তোমাক নিশ্চইয় এই আঙঠিটোৱে ধৈৰ্য্য ধৰিবলৈ শিকাব উৰ্ম্মি। তোমাৰ অমিত মানুহ হোৱালৈ বাট চাবা।" তেতিয়া মই তাৰ মূৰত হাত থৈ তাক কৈছিলো। তুমি এয়া কি কৰিলা নাজানো অমিত। তথাপি তোমাৰ মূৰত হাত থৈ কথা দিলো তোমাৰ বাবে বাট চাম। তোমাৰ আঙঠিয়ে মোক প্ৰতীক্ষা কৰিবলৈ শিকাব, ধৈৰ্য্য ধৰিবলৈ শিকাব। ময়ো তোমাক পাহৰি নোযোৱাৰ প্ৰতিশ্ৰুতি দিলো।" তাৰ বুকুত মুখ লুকুৱাই পোৱা নোপোৱাৰ এক দোমোজাত পৰি উচুপি উচুপি কান্দিছিলো। অমিতে মোৰ মূৰত হাত বুলাই বুলাই বুজাইছিল আনন্দৰ মূহুৰ্ত্তত চকুৰ পানী মচিব নাপায় বুলি। জোৰ কৰি মোক সেইদিনা অমিতে হুঁহুৱাইছিল। ঘৰত

গৈ মাক গোটেইবোৰ কথা কৈছিলো। মায়ে মোক কৈছিল "ভালদৰে বুজা হৈছ । যি কৰ ভাবি চিন্তি কৰিবি।"

জীৱনটো বৰ জটিল জুৰি। যিমান সহজ বুলি ভাবো সিমান সহজ নহয়। আমাৰ কলেজৰ আটাইতকৈ দুষ্ট ল'ৰা ৰাকেশৰ লগত মোৰ চিনাকি হৈছিল। বৰ উশৃঙ্খল ল'ৰা ৰাকেশ দুৱৰা। class ত তাক পোৱাই নাযায়। ৰাস্তাত লগ পোৱা কোনো ছোৱালী তাৰ হাতৰ পৰা-সাৰি নাযায়। জোকাবই। ল'ৰাটোৰ গাত কিছুমান ভাল গুনো আছিল। বিপদত পৰা যি কোনো মানুহকে সি সহায় কৰে। যিকোনো সময়তে সি মদ খোৱাটো তাৰ অভ্যাসত পৰিণত হৈছিল। তাক মই এদিন ইচ্ছা কৰিয়েই আগধৰি মাতিছিলো। কিবা এখন কিতাপৰ কথাই সুধিছিলো। মই মাতাত সি থতমত খাই উঠিছিল। পিছদিনা কিতাপখন আনি দিম বুলি কৈ আতৰি গৈছিল। পিছদিনা সঁচাই সি নতুন কিতাপ এখন আনি মোক দিয়াত মই আচৰিত হৈছিলো। কিয়নো সি মোক যি খন কিতাপ দিছিল একেবাৰে নতুন কিতাপ। দোকানৰ পৰা চাগে লৈ আহিছিল। মই তাৰ লগ লোৱা কৰিছিলো। মই অনুমান কৰিছিলো নিশ্চই ৰাকেশৰ মনত কিবা-দুখ আছে। যাৰ বাবে সি এইবোৰ কৰি ফুৰে। বুজাইছিলে. এইবোৰ নকৰি ভালদৰে পঢ়াশুনা কৰাত আপত্তি কি। সেইদিনা সি বহুত কথাই কৈছিল জুৰি। তাৰ দেউতাক এটা মানুহ মাৰা কেচৰ আচামী আছিল। সেইবাবে তাক চবে ঘৃণা কৰিছিল। অকনমান মৰমৰ পৰিবৰ্ত্তে সি পাইছিল অৱহেলা, অনাদৰ সমাজৰ যি কেইটা কু-স্বভাৱৰ ল'ৰা সেইবিলাক আছিল তাৰ বন্ধু। কাৰোবাৰ পৰা অকনমান মৰম, আদৰ পোৱা হলে সি স্বাভাৱিক জীৱন যাপন কৰাত একো অসুবিধা নাছিল। ৰাকেশক মই ভাল পথলৈ অনাৰ দায়িত্ব ললো। এই বিষয়ে অমিতাভৰ লগতো এটা আলোচনা কৰিছিলো। অমিতে কৈছিল যাতে লোক দৃষ্টিত মই দোষণীয় নহওঁ তাৰ বাবে সাৱধানে চলিবলৈ। ৰাকেশৰ গোটেই কাহিনীবোৰ অমিতক কৈছিলো। অমিতক হাঁহি হাঁহি জোকাইছিলো "ভয় কৰিছা নেকি তোমাৰ উৰ্মিক ৰাকেশে লৈ যাব বুলি"। ৰাকেশ সচাঁই ভাল হৈছিল জুৰি ? মদ খোৱা কমাইছিল, মাৰ-পিট বন্ধ কৰিছিল, ছোৱালী জোকোৱা বুলি তাৰ যি বদনাম আছিল সেয়াও নোহোৱা হৈছিল। কিন্তু জুৰি—তাক মই ভাল পথলৈ আনি নতুন সংঘাট এটা দিলো। সি মোক ভাল পাই পেলালে। খুব ভাল পাই পেলালে। এদিন মোক স্পষ্টকৈয়ে সুধিলে তাৰ জীৱনলৈ যোৱাত মোৰ কিবা আপত্তি আছে নেকি ? মই বাকৰুদ্ধ হৈ পৰিছিলো সেই মূহুৰ্ত্তত। মোৰ হাতৰ আঙু-লিত থকা সোণৰ আঙঠিটো দেখুৱাই কৈছিলো মই যে অমিতাভৰ বাক্‌দত্তা মোক ৰাকেশৰ এজনী ভাল বান্ধৱী হিচাপে লবলৈ কৈ আঁতৰি আহিছিলো। বুজিছিলো মোৰ কথাত সি বৰ আঘাট পাইছে। হঠাতে আজি ৰাকেশক লগ পাই মই অতীতলৈ উভতি গৈছো। জীৱনৰ বাটত কত যে কেনা লাগে জুৰি তোমাক মই বুজাব নোৱাৰো।

মই বি.এ পাচ কৰি এম. এত শিক্ষা বিভাগত নাম ভৰ্ত্তি কৰিলো গুৱাহাটী

বিশ্ব-বিদ্যালয়ত । হোষ্টেলত তুমি মোৰ 'ৰুমমেট' হলা । অমিতাভক তোমাৰ সতে চিনাকী কৰি দিছিলো মোৰ ওচৰৰ বন্ধু বুলি । তুমি তাৰ সতে কথা পাতি সিদিনা খুব ভাল পাইছিলা । চোকা ল'ৰা বুলি তাৰ এটা নাম আছিল । তাৰ পিচত অমিতে জুল'জিত এম.এচ.চি পাচ কৰিলে । জেনেটিক্সত তাৰ এটা Interest আছিল । জেনেটিকচত কিবা এটা নতুন সূত্ৰ আবিষ্কাৰ কৰিবলৈ সি বৰ আগ্ৰহী আছিল । অমিতক মই কৈছিলো বংশ পৰম্পৰাৰ ওপৰত গবেষণাৰ বিষয়-বস্তু এটা লবলৈ । যেনে পূৰ্ব্বপুৰুষৰ কৰ্মফলৰ ভাল বা বেয়া যিকোনো প্ৰভাৱ ভৱিষ্যত বংশধৰ সকলৰ ওপৰত পৰিব পাৰে নেকি । মানুহৰ মাজত যিবিলাক অন্ধবিশ্বাস চলি আহিছে যে চোৰৰ ল'ৰা চোৰেই হব । সাধুৰ ল'ৰা সাধু হব, এনে ধৰনৰ অন্ধবিশ্বাস আঁতৰাই বিজ্ঞানসম্মত ভাৱে মানৱ সমাজলৈ নতুন কিবা এটা আবিষ্কাৰ কৰিব পাৰি নেকি সুধিছিলো । মোৰ কথাখিনি অতি মনোযোগেৰে শুনিছিল আৰু কৈছিল, যে মই যিটো ভাবিছো সিও সেইটোকেই চিন্তা কৰিছিল হেনো । এম.এচ.চি ত 1st class 1st হোৱা বাবে সি অসম চৰকাৰৰ পৰা এটা বৃত্তি পাইছিল গবেষণাৰ বাবে । দিল্লী বিশ্ববিদ্যালয়ৰ পৰা অমিতাভে গবেষণাৰ বাবে আমন্ত্ৰণ পাইছিল । গবেষনাৰ বাবে । যোৱাতো ঠিক হৈছিল । দেউতাকেও যাবৰ বাবে সন্মতি দিছিল । অমিতহতঁৰ ঘৰৰ পৰা আমাৰ ঘৰলৈ বিয়াৰ প্ৰস্তাৱ দিছিল সি উভতি অহাৰ পিছতেই আমাৰ বিয়া হব । মা-দেউতাৰ আপত্তিৰ একো কাৰণ নাছিল । অমিতাভৰ দৰে ল'ৰা এজনলৈ মোক বিয়া দিব-পাৰাতো দেউতাৰ বাবে সৌভাগ্য বুলিয়েই ধৰি লৈছিল ।

অমিতাভ যোৱাৰ আগদিনা আমি কামাখ্যা দৰ্শণ কৰিবলৈ বুলি গৈছিলো । কামাখ্যা দৰ্শণ কৰি উঠি আমি দুয়ো কিছুসময় তাতে বহিছিলো আৰু বহুত কথা-পাতিছিলো । অমিতে মোক কৈ গৈছিল অনৰ্গলভাৱে বহুত কথা । ভালদৰে পঢ়িবলৈ কৈছিল । নাপাহৰাৰ প্ৰতিশ্ৰুতি দিছিল । ঘনাই চিঠি দিবলৈ বাৰে বাৰে কৈছিল । মোৰ পৰা প্ৰেৰণা নাপালে সি হেনো আগবাঢ়িব নোৱাৰে । "প্ৰত্যেকজন পুৰুষৰ সাফল্যৰ আঁৰত এজনী নাৰী লুকাই থকে । এজনী নাৰীৰ মহৎ উপাদানে একোজন পুৰুষক উন্নতিৰ শিখৰত অবৰোহন কৰাব পাৰে ।" এয়া আছিল তাৰ যুক্তি । ৰাকেশৰ দৰে ল'ৰা এজনক ভাল পথলৈ অনাতো মোৰেই সাফল্য বুলি কৈছিল । তাৰ কথাবোৰ মই নিৰৱে শুনি গৈছিলো । মোকো কিবা কিবি কবলৈ কোৱাত তাক জোকৰৰ বাবে কৈছিলো । অমিত তুমি যদি তাতেই বৈ অহা মই কি কৰিম বাৰু ? তাৰ খুব খং উঠিছিল । মোলৈ বোবা চাৱনিৰে চাইছিল আৰু কৈছিল "মোৰ ওপৰত তোমাৰ বিশ্বাস নাই উৰ্মি ? তুমি এয়া কি কৈছা ? তোমাৰ যদি মোৰ ওপৰত বিশ্বাস নাই তেনেহলে গবেষনা কৰিবলৈ মই নাযাওঁ ।" তাক মই বুজাইছিলো যে সেয়া ধেমালীতে কোৱা কথা । তাৰ চুলিত হাত বুলাই মৰমেৰে কৈছিলো তোমাৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে অমিত । তুমি যোৱা তোমাৰ উৰ্ম্মিয়ে কানোদিনেই তোমাক অবিশ্বাস নকৰে । সদায় মোৰ পৰা আশীৰ্ব্বাদ পাবা । তাৰ পিচত আমি ঘৰলৈ উভতি আহিছিলো ।

অমিতাভ যোৱাৰ পিছত মোৰ চাৰিও ফালে কিবা এক শূন্যতাই বিৰাজ কৰিছিল। একোতে ভাল লগা নাছিল। ৰাকেশে কোৱা কথা কিছুমান মোৰ মনলৈ আহি আছিল। ৰাকাশে মোক কি সুধিছিল জানা জুৰি? সুধিছিল মোৰ উৰ্মিলা নামটো কোনে দিছিল। তাৰ হেনো এই নামটো শুনিলেই লক্ষ্মণ পত্নীৰ কথা মনলৈ আহে। তাৰমতে উৰ্মিলা নামটো বেদনাৰ প্ৰতীক। মই হাঁহি হাঁহি উৰুৱাই দিছিলো তাৰ কথা–বোৰ। মই যে তাহানিৰ বাল্মীকি ৰামায়ণৰ উৰ্মিলা নহওঁ কুৰি শতিকাৰ উৰ্মিলা বৰুৱা; এই কথাটো বুজাই দিছিলো। ৰাকেশে জোৰ দি কৈছিল "অৱশ্যে তোমাৰ তাহাণিৰ উৰ্মিলাৰ দৰে কেতিয়াও নহয় উৰ্মি। তোমাৰ দৰে ছোৱালী এজনীক উপেক্ষা কৰাৰ শক্তি কাৰো নহব।" ৰাকাশে কোৱা কথাবোৰত মই আজি যুক্তি বিছাৰি পাইছো জুৰি। তাৰ কথাবোৰত যে কিমান ডাঙৰ সত্যতা লুকাই আছিল আজি মৰ্মে মৰ্মে উপলব্ধি কৰিছো জুৰি। তুমি হয়টো একো বুজাই নাই। আমনি পালেও শুনি যোৱা জুৰি। জানি থোৱা এজনী নাৰীৰ ভাগ্য বিপৰ্য্যয়ৰ কথা। অমিতাভ যোৱাৰ পিছত ময়ো হোষ্টেললৈ গুছি আহিছিলো। অমিতৰ পৰা ঘনাই চিঠি পাওঁ। চিঠিবোৰ যে কত মান অভি-মানেৰে ভৰা থাকে তোমাক কি বুলি বুজাম। কি যে মিঠা অমিতৰ চিঠি বোৰৰ ভাষা। এনেকৈ দিনবোৰ গৈ আছিল জুৰি। কতো একো আউল নলগাকৈ। কিন্তু এদিন কৰবাত আউল লাগিল। অমিতৰ পৰা চিঠি কমকৈ পোৱা হৈছিলো। আৰু চিঠিবোৰত যেন মৰমৰ উচ্ছ্বাস নাছিল। সন্দেহ হৈছিল মোৰ। আকৌ ভাবো হয়টো অমিতৰ গবেষণাৰ কামত হেচাঁপৰিছে। যাৰ বাবে সি সময় পোৱা নাই। অ, তোমাক এলি গাঙ্গুলীৰ কথা কোৱাই নাছিলো। অমিতৰ লেবৰেটৰী সহা-য়িকা আছিল এলি গাঙ্গুলী। বৰ Smart ছোৱালী বুলি লিখিছিল সি। এলি দিল্লীৰে ছোৱালী হেনো। অমিতক তাই সদায় মোৰ খবৰ লোৱা বুলি চিঠিত লিখে অমিতে।

জুৰি-অমিতৰ পৰা পোৱা চিঠি এখনে মোৰ সকলো কল্পনা, আশা-আকাঙ্খাৰ মূৰত চেচাঁ পানী ঢালিলে। ইয়াৰ বাবে মই প্ৰস্তুত নাছিলো কোনোদিনে ভাবিব পৰা নাছিলো যে অমিতে এনে কৰিব পাৰিব। এম. এ. ফাইনেল পৰীক্ষা দি উঠি মই ঘৰতে আছিলো। ৰিজাল্টলৈ বেছিদিন নাছিল। ঘৰতে কিবা কিবি কৰি সময়বোৰ কটাই আছিলো। অমিতৰ গবেষণাৰ কামো বহুত বাকী। অমিতৰ পৰা যিখন চিঠি পালো পঢ়ি উঠি মোৰ ভৰি তলৰ পৃথিবীখন যেন ক্ৰমাত তললৈ নামি গৈছে এনে ভাব হৈছিল। চিঠীখন নি অমিতৰ দেউতাকৰ হাতত দি মই হুক্ হুকাই কান্দিছিলো। ক্ৰোধত ভাগি পৰিছিল অমিতৰ মাক-দেউতাক। গৰ্জি উঠিছিল অমিতৰ দেউতাক। তেওঁলোকক শান্তনা দিয়াৰ ভাষা মোৰ হেৰাই গৈছিল। নিজৰেই অৱস্থা নাছিল। তেনেস্থলত মই তেওঁ-লোকক কি কম। মানুহৰ উচ্ছাসিত বেদনাৰ ঢৌক বাধা দি ৰখাৰ সাধ্য কাৰো উপদেশত নাই। যদিহে মনৰ পৰাই নিজে শান্তনা লভিব নোৱাৰে, কৰবাত এষাৰ কথা পঢ়িছিলো জুৰি। "জীৱন বাটৰ কেঁকুৰী আৰু আলিবাটৰ কেঁকুৰীৰ মাজত একো পাৰ্থক্য নাই।" সচাই এই কথাষাৰ মোৰ জীৱনত মিলি গ'ল। মা দেউতা নিৰৱ হৈ পৰিল তেওঁলোকৰ একমাত্ৰ সন্তানৰ আশা-ভৰষাৰ ওপৰত

কুঠাৰাঘাট পৰা দেখি । তোমাক চিঠিখন দেখুৱাও ৰৱা । তুমি নিজে পঢ়া ।

মৰমৰ উৰ্মি,

সুদূৰ দিল্লীৰ পৰা পঠোৱা মৰমবোৰ লবা নে ? জোৰ কৰাৰ অধিকাৰখিনি মই হেৰুৱাই পেলালো উৰ্মি । কলম থমকি ৰৈছে । কেনেকৈ তোমাক জনাওঁ ? জনাবযে লাগিবই । মোৰপৰা এই চিঠিখন পোৱাৰ পিছত মা দেউতা তথা তোমাৰ ঘৰখনে মোক প্ৰবল ঘৃণা কৰিব । তোমা লোকে মোক কোনেও ক্ষমা নকৰিবা ।

উৰ্মি তোমাক মই এলি গাঙ্গুলীৰ কথা কৈছিলো । প্ৰথম চব ঠিকেই চলি গৈছিল । এদিন কৰবাত কণা লাগি গ'ল উৰ্মি । এদিন বহুনিশালৈকে আমি লেবৰেটৰীত কাম কৰি বহি আছিলো মোৰ চকুত পৰিছিল এলিয়ে মোৰ ফালে. বৰ কৰুণ চাৱনিৰে চাই আছিল মই অস্বস্থি অনুভৱ কৰিছিলো । এলিক সুধিছিলো মোলৈ কিয় তেনেকৈ চাই আছে । তাইৰ ওঠ জুৰি কঁপি আছিল । একো কব পৰা নাছিল । তাইলৈ পুনৰ চাইছিলো । গা বেয়া যদি শুই থাকিবলৈ কৈছিলো । কিন্তু উঠি যোৱাৰ কোনো লক্ষণেই নাছিল । তাইৰ দুচকুত দেখা পাইছিলো কামনা বিহ্বল চাৱনি । সেই চাৱনিত মই তোমাৰ মাজলৈ গুছি গৈছিলো উৰ্মি । নিজক সংযত কৰিব চেষ্টা কৰিছিলো । আদিম পুৰুষৰ কামনাৰ জুইত নিজক উটুৱাই দি এটা মাৰাত্মক ভুল কৰিলো উৰ্মি । আদিম পুৰুষৰ কামনাৰ তেজ বোধহয় মোৰ শৰীৰত দ্ৰুতগতিত প্ৰবাহিত হৈছিল । জীৱনৰ আটাইতকৈ ডাঙৰ নকৰিব লগীয়া ভুলটো মই এলি গাঙ্গুলীৰ ওচৰত কৰি পেলালো উৰ্মি । যিটো ভুলৰ স্বাক্ষৰ বহন কৰি এলি মাতৃত্বৰ পথত । উৰ্মি মই জানো তুমি মোক ক্ষমা নকৰা কোনোদিনেই । মই বিমোৰত পৰি গলো । এফালে মোৰ গবেষণাৰ ফলাফল ওলাওঁ ওলাওঁ অৱস্থা আৰু আনফালে তুমি । সেই অৱস্থাত যদি এলিৰ কাষৰ পৰা আঁতৰি আহো তেন্তে মোৰ ইমান দিনৰ কষ্ট চেষ্টা সকলো অথলে যাব । অসম চৰকাৰৰ পৰা পোৱা বৃত্তিৰ ঠাইত কাকতত ডাঙৰ ডাঙৰ আখৰেৰে প্ৰকাশ হব মোৰ কাহিনী । তোমাক কথা দিছিলো উৰ্মি মই বংশ পৰম্পৰাৰ ওপৰত কিবা এটা নতুন সূত্ৰ উদ্ভাৱন কৰিম । সেয়া সম্পূৰ্ণ নকৰাকৈ উভতি নেযাওঁ । মই এলিৰ ওচৰত ৰৈ যোৱাটোকে ঠিক কৰিলো । তোমাক পাহৰি নোযোৱাৰ প্ৰতিশ্ৰুতি দিছিলো । কিন্তু মই এয়া কি কৰিলো উৰ্মি । তুমি মোক গালি পাৰা, অভিশাপ দিয়া ! এটা কথা মনত ৰাখিবা তোমাৰ অমিতে তোমাৰ ভালপোৱাখিনি কোনোদিনে পাহৰি নাযায় । তোমাৰ প্ৰেৰণা, মৰম স্নেহ, হৃদয়ৰ পূজাৰ বেদীত সযতনে সজাই ৰাখিম । মোৰ স্বাৰ্থৰ বাবেই এলিৰ ওচৰত ৰৈ যোৱাটো ঠিক কৰিলো । বিশ্বাস কৰা উৰ্মি, তোমাক হেৰোৱাৰ বেদনাত মই প্ৰতিনিশা চট্‌ফটাই পাৰ কৰি দিওঁ । তুমি মোক ক্ষমা কৰিব নোৱাৰিলেও অন্ততঃ এবাৰ বুজিবলৈ চেষ্টা কৰিবা ।

উৰ্মি তোমাৰ লক্ষ্যত যেন তুমি উপনীত হব পাৰা । মই জানো তুমি মোলৈ প্ৰতিক্ষা কৰি আছা । তুমি মোৰ কথা পাহৰি যোৱা উৰ্মি । ধৰিলোৱা তোমাৰ অমিতৰ লেবৰেটৰীত বিস্ফোৰণ ঘটি মৃত্যু হৈছে । অমিতাভ দত্ত জীয়াই

আছে। ভাবিবা অমিতাভ দত্তক তুমি কোনো দিনেই চিনি পোৱা নাছিলা। দেউতাক কথাবোৰ জনাবা। আৰু লিখি তোমাক আমনি নকৰো। বিদায় উৰ্মি।

ইতি—
তোমাৰ (?)
"অমিত"

কি হ'ল জুৰি। তুমি কান্দিছা কিয়? মই যে বন্দা নাই। চাওঁ জুৰি চিঠিখন দিয়া। অমিতক মই ক্ষমা কৰিছো জুৰি। আজি ৰাকেশক লগ পাইছিলো। সন্ধিয়া মোক লগ ধৰা কথা। বহুদিনৰ মূৰত ৰাকেশক লগ পাই ছাত্ৰীজীৱনৰ মাজলৈ উভতি গৈছিলো। সেয়ে তোমাক সব জনালো। আজি মই সৌ উৰ্মিজনী নহয় জুৰি। কানৈ কলেজৰ অধ্যাপিকা উৰ্মিলা বৰুৱা। ৰাকেশ দুৱৰা আজি এজন ভাল অফিচাৰ ডিব্ৰুগড়তে থাকে। চাকৰীটো পাই মই গুছি আহিলো জুৰি। আহি অকৌ তোমাক লগ পালো। এয়াই তোমাৰ বান্ধৱী উৰ্মিৰ কাহিনী।

আজি ৰাকেশ আহিব। ৰাকেশক মই জনাই দিম জুৰি। তাৰ কথা সত্য। "উৰ্মিলা" বেদনাৰ প্ৰতীক। মই অধ্যাপিকা উৰ্মিলা বৰুৱাই জনাই দিম যে "তাহানিৰ বাল্মীকি ৰামায়ণৰ উৰ্মিলা আৰু আজিৰ কুৰিশতিকাৰ উৰ্মিলা বোৰৰ মাজত অকনো পাৰ্থক্য নাই। যুগে যুগে সিহঁত পুৰুষৰ ওচৰত উপেক্ষিতা আৰু অৱহেলিতা।

—●—

---

"পাৰ্থিব হওক বা আধ্যাত্মিক হওক এটা বিশেষ ঘটনাৰ বৰ্ণনাই চুটি গল্প। সেই ঘটনাক তাৰ বিস্তাৰৰ বাবে অপ্ৰয়োজনীয় অবান্তৰৰ অৱতাৰণা নকৰাকৈ নাটকীয় সংহতি দিব পৰাতেই চুটি গল্পৰ সফলতা।"

—চমাৰচেট মম

* সংগ্ৰহ— শ্ৰীমুক্তানন্দ শৰ্মা (সম্পাদক)

# ॥ ডাঙৰ মাছ ॥

যতীন কুমাৰ বৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক ( ক'লা )

এখন সৰু গাওঁ। গাওঁ খনৰ নাম আছিল পদুমনী। সেই গাওঁৰ সকলোবোৰ মানুহেই সহজ সৰল আছিল। গাওঁখনত মানুহৰ ঘৰ তেনেই পাতল। সেউজীয়া গছ-গছনীৰে ভৰি গাওঁখনক এক সৌন্দৰ্য্যৰ উপমা কৰি তুলিছিল। প্ৰায়বোৰ মানুহৰ ঘৰৰ আগফালে বা পিছফালে হলেওঁ এটাকৈ খাল আছিলেই গাওঁখনৰ মাজতে এটা ডাঙৰ পুখুৰীও আছিল। জাকে জাকে গাভৰু ছোৱালীবোৰে কাষত কলহ লৈ পানী আনিব গৈছিল। কেতেকী, মিৰা, মালতী, মেৰী আৰু কত বোৰ গাভৰু ছোৱালীয়ে আপোন ভৰা মনৰ কথাবোৰ পাতি পানী আনিছিল। আৰু গাওঁৰ তিৰোতা বোৰেও পানী আনিব গৈছিল। তিৰোতা বোৰৰ আজৰী নাই পানী আনিব লাগে। ইফালে ঘৰত বহুত কাম পৰি আছে, ঘৰ সৰা, চোতাল সৰা, আৰু চাহ বনুৱা কাম। কাৰো লগত কথা পাতি থকাৰ সময় নাই। সেই পুখুৰীটোৰ কাষতেই বিৰেনৰ ঘৰ। বিৰেন একেবাৰে দুখীয়া লৰা। বিৰেন যেতিয়া ৮ বছৰীয়া আছিল তেতিয়াই তাৰ বাপেক ঢুকাইছিল, সৰু এজনী ভনিয়েক আছিল। নাম তাইৰ অপমা নামতো যেনে আছিল দেখিবলৈয়ো তেনে আছিল। যেন স্বৰ্গৰ পৰা এক অপেস্বৰীহে নামি আহিছে। অপমাক নৱম মান শ্ৰেণীলৈ পঢ়ায় গাওঁৰে এজন লৰালৈ বিয়া দিলে। বিৰেনে বাপেক ঢুকোৱাৰ পৰাই পঢ়িব এৰি দিব লগা হৈছিল। সি সৰুৰ পৰাই বৰ কষ্টকৰি আৰু পৰিশ্ৰমী আছিল। মাতি বুলিব সিহতৰ নায়েই। যি দুদৰা আছিল। বাপেকৰ মৃত্যুৰ কামত বন্ধকী থব লগা হ'ল। মাকে আনৰ ঘৰত ইদায় সিদায় কাম কৰি যি অলপ পইছা, বা চাউল পাইছিল তাকে আনি মাক পুতেক দুয়ো ৰান্ধি খাইছিল। বিৰেন সিয়ো ঘৰত এনেয়ে থকা নাছিল। সদায় আনৰ ঘৰত হাজিৰা কৰিব গৈছিল। দিনতো আনৰ ঘৰত কাম কৰি সন্ধিয়া হাজিৰাৰ নামত যি পায় তাকে লৈ আহি মাকৰ হাতত জমা দিয়েহি। বিৰেন লাহে লাহে ডাঙৰ হ'ল, ২২ বছৰীয়া এটা যৌৱন পূৰ্ণ ডেকা হৈ পৰিল। তাৰ এতিয়া বহুত চিন্তা। মাকেও চলিব নোৱাৰা হৈ পৰিল। মাকে চিন্তা কৰি গাওঁৰে চাৰু নামৰ ছোৱালী এজনীক বিৰেনৰ লগত বিয়াৰ যো-জা কৰিলে চাৰুও দেখিবলৈ ধুনীয়া আছিল। তাই কামতো পাকৈত আছিল। শাল বোৱা ভুই ৰোৱা, কামবোৰ ভাল দৰেই জানিছিল। ফাগুন মাহৰ ২৪ তাৰিখে বিৰেন আৰু চাৰুৰ বিয়া অতি আনন্দৰে হৈ গ'ল।

বিৰেনৰ ঘৰত এতিয়া বহুত মানুহ গোট খায়। কইনা চোৱা মানুহ। নতুন কইনা চোৱাৰ কিমান আশা সকলোৰে। তাতে বিৰেনৰ কইনা চাৰু। চাৰুই যাক যেনেকৈ পাৰে শুশ্রূষা কৰিব ধৰিলে। বিৰেনে কিন্তু হাজিৰা কৰিব যাবই লাগে। সি হাজিৰা কৰিব ৰাতি পুৱাতে ওলাই যায়। ইফালে চাৰুই ঘৰৰ সকলো কাম পৰি পাতিকৈ কৰি যায়। এখন ঘৰ এৰি নতুন এখন ঘৰ সজাই পৰাই লোৱা কিমান তানৰ কাম। চাৰুই কিন্তু সেইবোৰ কথা অনুভবে কৰা নাছিল। শাহুয়েক আৰু বিৰেনৰ মৰম পাই চাৰু যেন সেইখন ঘৰতে ডাঙৰ-দীঘল হৈছে তেনে অনুমান হ'ল। শাহুৱেকে চাৰুক ঘৰৰ সকলো কাম সিকাই বুজাই থাকে। কোন মানুহক কেনেকৈ মাতিব লাগে, কোন জন মানুহক কেনেকুৱা ব্যৱহাৰ কৰিব লাগে ইত্যাদি বোৰ। এনেকৈ উলহ-মালহৰে সিহঁতৰ এবছৰ পাৰ হ'ল সিহঁতেই গমেই নেপালে। আহিন মাহৰ কোনোবা এটা দিনত বিৰেনৰ মাক এই সংসাৰৰ পৰা চিৰদিনৰ বাবে চকু মুদিলে। সেইদিনা বিৰেনে বহুত কান্দিছিল, সেইদিনাহে তাৰ অনুমান হৈছিল যে কাৰৰ পৰা যেন কিবা এটা বস্তু নোহোৱা হ'ল। চাৰুয়ো সেইদিনা বহুত কান্দিছিল, সেইদিনাৰ পৰা চাৰুই অকলশৰীয়া অনুভৱ কৰিছিল। বিৰেন হতাশ হৈছিল, কিন্তু চাৰুৰ অনুভূতি, মৰমবোৰ পায়হে সকলো পাহৰিব চেষ্টা কৰিছিল। এনেকৈ সিহঁতৰ দুৰ বছৰ পাৰ হোৱাত এদিন চাৰু আৰু বিৰেনৰ মাজত আনন্দৰ ৰোল উঠিল। চাৰুৰ গৰ্ভৰ পৰা এটি নৱ জাত শিশু জন্ম পালে, বিৰেনৰ কিমান আনন্দ সি এতিয়া লৰাৰ বাপেক হ'ল। লাহে লাহে লৰাটো ডাঙৰ হব ধৰিলে আৰু তাৰ নাম থলে গৌতম। গৌতমক লৈ সিহঁত দুয়োৰো মাজত এতিয়া বহুত চিন্তা কৰিব ধৰিলে। গৌতমক কি পঢ়াব, কি পঢ়ালে সি ভাল মানুহ হব পাৰিব আদিবোৰ চিন্তা। গৌতম দুবছৰত ভৰি দিলে আৰু গৌতমৰ এজনী ভনিও জন্ম পালে।

এদিনৰ কথা তেতিয়া জেঠ মাহ। বিৰেন সেইদিনা হাজিৰা কাম পোৱা নাছিল। ঘৰতে ইদাই সিদাই কাম কৰি আছিল। চাৰুয়ো বিৰেনৰ লগত কাম কৰি আছিল, দুপৰীয়া হোৱাত চাৰুই কেইতামান ভাত ৰান্ধিবলৈ যো-জা কৰিব ধৰিলে চাৰুই চাউল ধোৱৰ কাৰণে পিছ-ফালৰ খাল তোলৈ গ'ল। গৌতমেও মাকৰ পিছে পিছে গৈ আছিল মাকে কিন্তু দেখা নাছিল। চাৰুই চাউল ধুই গুছি আহিল। গৌতমে মাকক খালত নমা দেখি সিয়ো নামিলে। গৌতমৰ ভৰি পিছলি খাই পোনেই খালৰ মাজ পালে গৈ। মাকে আকৌ খালত আহি দেখিলে যে সিহঁতৰ খালত কিবা এটাই এবাৰ তল এবাৰ ওপৰ হব ধৰিছে। চাৰুই ভাবিলে সেয়া নিশ্চয় ডাঙৰ মাছ হব। চাৰুই গিৰিয়েকক মাতি আনি কলে যে আমাৰ খালত ডাঙৰ মাছ এটাই মাৰি আছে। বিৰেনো খালত আহি দেখিলে যে হয় সিহঁতৰ খালত ডাঙৰ মাছ এটাই মাৰি আছে। লগে লগে ঘৰৰ পৰা জাঠি দাল আনি মাছতোলৈ বুলি মাৰি দিলে। জাঠি দালে মাছতোৰ পিঠিৰেদি খুছি

ধৰিলে। বিৰেনে আনন্দ মনেৰে মাছতোক লাহে লাহে টানিব ধৰিলে। অলপ মান কাষ পাওতেই বিৰেনে দেখিলে যে সেইতো ডাঙৰ মাছ নহয় তাৰ ডাঙৰ লৰা গৌতমহে। বিৰেন আৰু একো কব নোৱাৰা হৈ পৰিল। চাৰুই পাৰৰ পৰাই সকলোবোৰ দেখি আছিল। লগে লগে চাৰুই মাত্তিত পৰি গ'ল। চাৰুই আৰু একো নেখালে গাওঁৰ মানুহ গোট খালে, গৌতমক তুলি আনি চোতালত থলে। আৰু সকলোবোৰ মানুহে অন্য একো উপায় নেপায় ভাগ্যক দোহাৰিলে। গাওঁৰ মানুহ আৰু বিৰেন গৌতমক লৈ শ্মশানলৈ গ'ল। চাৰুই সাৰ পায় দেখে যে তাই এখন বিছনাত পৰি আছে আৰু সন্মুখত কোনোবা এজনী ছোৱালীয়ে মূৰত পানী ঢালি আছে।

---

## কৌতুক

এজন প্ৰথম শ্ৰেণীৰ অশিক্ষিত ঠিকাদাৰে এখন হেকেণ্ড হেণ্ড গাড়ী কিনিলে গাড়ীৰ ড্ৰাইভাৰে কলে গাড়ী মজবুট। একো পাৰ্টচ্ চেঞ্জ কৰিব নালাগে।"

এদিন গাড়ীখন ওখ ঠাইলৈ ওঠোতে ঘেৰ্ ঘেৰ-কৈ শব্দ হ'ল।

ঠিকাদাৰঃ—কিহৰ শব্দহে ড্ৰাইভাৰ ?

ড্ৰাইভাৰঃ—গিয়াৰ চেঞ্জ কৰিছোঁ।

ঠিকাদাৰঃ—তুমি দেখোন কৈছিলা একো পাৰ্টচ্ চেঞ্জ কৰিব নালাগে। আৰু এতিয়া কিবা গিয়াৰ চেঞ্জ কৰা বুলি ক'লা চোন ?

* সংগ্ৰহ— মুক্তানন্দ শৰ্মা ( সম্পাদক )

# বানে গৰকা কৰুণ বিননী

মঃ হাফিজ্জ আলি
স্নাতক ৩য় বাৰ্ষিক (কলা)

মৰমৰ

নিবোদ,

মৰম থাকিল।

বহু বছৰৰ মূৰত তোলৈ লিখাৰ বাবে তই আচৰিত হবি। হোৱাতো স্বাভাৱিক। আশা-কৰো তোৰ মঙ্গল। আমাৰ গাওঁৰ মানুহখিনিৰ অৱস্থা পয়ালগা। তোৰ বা-বাতৰি জানিবলৈ ইচ্ছা থাকিলেও জানিব নোৱাৰো। তইও গাওঁলৈ একেবাৰেই পাহৰি গলি।

তই নিশ্চয় বাতৰি কাকতবোৰত বা ৰেডিঅ'ত আমাৰ অঞ্চলৰ বানপানীত ডুবাবস্থাৰ কথা শুনিছা। কিন্তু পানী শুকাই যাবলৈ আজি বহুদিনেই হ'ল। অথচ তই গাৱৰ খবৰ লবলৈ এবাৰো নাহিলি, নললি বৰদেউতা বৰমাৰ খবৰ— বলীয়া বান পানীত কি হ'ল ? কি নহ'ল ? অথচ খবৰ ডাঙৰ লৰা বুলিয়েই কপালৰ কেঁচা ঘাম মাটিত পেলাই বহু আশাৰে ডাক্তৰ বণালে। তই ডাক্তৰ হোৱাত গাৱৰ মানুহে জাউৰিয়ে জাউৰিয়ে কৰা আশিৰ্বাদ আৰু তেওঁলোকে তোক কেনেদৰে বিছাৰিছিল ? তই চাগে পাহৰি গলি।

আজি বৰমাই অসুস্থ দেহেৰে বাৰুকৈ লিখিব কোৱাত নিলিখাকৈ থাকিব নোৱাৰি লিখিলো—

বানপানীত উটি গ'ল—উটি গ'ল সকলোটি। জীয়াই থকাৰ লিপ্সাৰে কোনোৱাই সাতুৰিলে প্ৰাণ পনে আৰু কোনোৱাই উৱাদিশকে নেপালে উটি গ'ল ককা। উটি গ'ল আমাৰ লবালিৰ মোহনীয় স্মৃতিত এক বলিষ্ঠ অৱদান থকা ককা হলধৰ !! তোৰ চাগে মনত পৰা নাই। মনত নপৰিবও পাৰে ; এই গাৱলৈ অহা আমাৰো মনত নপৰে। সেই যে চাকৰিটো কৰিব গলি তেতিয়াৰে পৰা।

যোৱাটো আহিনত আমাৰ গাৱঁখনিৰে সৈতে অঞ্চলটোত হাইজা লাগিল। নিভিণা খুড়াৰ লৰাটো এই বেমাৰত মৰি থাকিল। মনত পৰিছে নে তোৰ ? সেই যে পথাৰৰ মাজত ৰবাব টেঙা থাওঁতে লোন আনিবলৈ ঘৰলৈ দৌৰাই দৌৰাই পঠাইছিলো লৰাটো, সি মৰিল। যাওঁক যোৱাবোৰ কথা আৰু নকও।

আমাৰ মাটিৰ সীমাত থকা বৰজামু ডালৰ ওপৰত শগুণ উৰিবলৈ ধৰিলে। আকাশত শগুণ উৰিলে মানুহে তললৈ চায়-মানুহৰেই শ নে কোনোৱা জীৱঁজন্তুৰ ! জামুৰ তলত আমি পিছে মানুহৰ মৰাশহে পালো। বহু চেষ্টা কৰিলো চিনাক্ত কৰিবলৈ মানুহজন কোন ? ভিভিত এটা কৰচ পালো; লগে লগে চিঞৰি উঠিল ললিতাই।

মই বোলা এইজনীৰ আকৌ কি হ'ল ! কিন্তু তাইটো দেউতা দেউতা বুলি কান্দিব ধৰিলে। মই খাতাংহলো এয়া আন কোনো নহয়, এয়া হলধৰ ককাৰ মৃতদেহ।

প্ৰানৱন্ত গাওঁখনৰ কলিজাত বানে বাক্ককৈ-য়েই পদাঘাত কৰিলে ! চটফটাই থাকিল আমাৰ প্ৰাণৰো আপোন গাওঁখনি। আমাৰ যে তৰাপেহী বিশ পুৰা মাটিৰ অধিকাৰিণী হব নোৱাৰিলেও, কোনোৱা চৰকাৰি চাকৰিয়াল পুত্ৰৰ মা হব নোৱাৰিলেও এইবাৰ কিন্তু বিধবা জীৱনৰ অধিকাৰিণী হ'ল। মই কি ক'ব গৈছো তই নিশ্চয় অনুমান কৰিব পাৰিছ। সেই যে যাদৱ খুড়াৰ মৰম লগা লৰাটো ! সিদিনাখন বাঢ়নী পানী দেখি দেউতাকে সোনকালে পামৰ পৰা গৰু কেইটা আনিবলৈ পঠাইছিল। নদীৰ মঠাউৰি ভাঙি যোৱাত গোটেই পামখন ডুবি গৈছিল আৰু সি গৰু খেদি আহি থাকোতেই পানীৰ সোঁতত গৰু, মানুহ উটি গৈছিল। তাক আজিলৈ বিছাৰি পোৱানাই। দদাই খুৰী শোকত ম্ৰিয়মান। ৰহিম খুড়াই বাঢ়নী পানীৰ প্ৰকোপ দেখি কলৰ ভেল এখন সাজি লৰা-ছোৱালী দুটিৰে সৈতে খুৰী আৰু মাকক আমাৰ দোল শলাৰ টিলাটিলৈ আনি থাকোতেই ভেলখন বতাহৰ কোবত ঢৌগাই আৰু গোটেই কেইজন পানীত পৰে। লৰা-ছোৱালী, খুড়ী আৰু মাক পানীত তল পৰি হেৰাই যায়। ৰহিম খুড়াই কোনোমতে সাতুৰি আহি টিলাটোত থুপ খাই থকা আমাৰ গাৱঁৰ মানুহ খিনিৰ মাজত ৰয়হি। খুড়া এতিয়া শোকত পাগল তেওঁ উন্মাদ। কাৰো বাৰ ওপৰত যেন প্ৰতিশোধ লব। বুজায় মেলায়ও সুস্থ অৱস্থালৈ আনিব পৰা নাই। ছব্বিশ বছৰে ভোগালীৰ মুখ নেদেখা আইকণ বাইৰ গিৰিয়েকটো কাহানিবাই ঢুকাইছিল। একমাত্ৰ ফাকুক নামৰ লৰাটোৰ মুখলৈ চাই জীয়াই আছিল। ফাৰুক এইবাৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ তৃতীয় বাৰ্ষিকৰ (ক'লা) ছাত্ৰ আছিল। সি বাঢ়নী পানী দেখি মাকক আমাৰ গাৱঁৰ মানুহখিনিৰ লগত শান্তিপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিবিৰত থৈ তাৰ শৈশৱৰ লগৰী যৌৱনৰ প্ৰেয়সী যতীন খুড়াৰ ছোৱালী ৰীতালৈ মনত পৰাত গোটেই শিবিৰটো চলাথ কৰি দেখা নোপোৱাৰ ফলত নাও লৈ ৰীতাহঁতৰ ঘৰমুখে দ্ৰুতগতিতগৈ আছিল। তাক যেন মৃত্যুৱে হাত বাউলী মাতি নিছিল। সি দ্ৰুতগতিত বায় যোৱা নাওঁখন হঠাৎ ৰাষ্ট্ৰীয় পথৰ ভাঙি যোৱা ঠাই খিনিত টুলং-বুলুং হৈ নাওঁৰ ভিতৰত পানী সোমায় আৰু এটা সময়ত গভীৰ সোঁতত ডুবি যোৱা নাওঁখন বহু দূৰত ওলায়। কিন্তু ফাৰুক নাওত নাই। সি পানীৰ গভীৰ সোঁতত হেৰাই যায় আৰু দুদিন পিছত তাৰ মৃত দেহ পথাৰৰ আলিৰ কাষত পোৱা গৈছে। ইফালে ৰীতাই দদায়েকৰ ল'ৰা মোহনৰ লগত কেতিয়াবাই শিবিৰ পাইছিল গৈ। তাৰ খবৰ শুনা মাত্ৰকে বিধৱা মাক চিৰ দিনৰ বাবে মূৰ্চিত হৈ পুত্ৰৰ পথগামী হয়। তুয়ো মাক পুতেকক শিবিৰৰ ওচৰৰ এখন মুছলমান গাৱঁত কবৰ দিলো। ৰীতাইও তাৰ খবৰ শুনা মাত্ৰকে কিছু সময় মূৰ্চিত হৈ থাকি আৰোগ্য হয় যদিও আজি কালি তাই মানুহৰ লগত প্ৰায় কথা নেপাতে। কেৱল উচুপি উচুপি থাকে। তাই খিনাই এটা জীৱন্ত কঙ্কাল সদৃশ হৈ পৰিছে। তাইও বোধয় নেবাচিব। বানপানীৰ মাজতেই ভোগধন দদাইৰ খুড়ীয়ে এটি পুত্ৰ সন্তান

প্ৰসৱ কৰিলে। বৰ কষ্ট হ'ল দদাইৰ । ল'ৰা ছোৱালী, গৰু-গাইক লৈ। কোন ফালে যাব? আৰু কি কৰিব? ইফালে সেই সময়ত গাৱত এটাও মানুহ নাই পানী বাঢ়িহে আছিল. ইফালে খুড়ী প্ৰসৱ যান্ত্ৰণাত চটফটাই আছিল। ল'ৰা-ছোৱালী কেইটি পালেং চালপিৰা জোৰাই ওপৰত আছিল। গৰু কেইটা পানীত ডুব যাওঁ যাওঁ অৱস্থা। এনেতে আমি কেইজন মানে নাও, ভেল লৈ যোৱাতহে দদাইৰ সকলোটি বাচিল। এটা সময়ত দদাইৰ ঘৰৰ মুধচত পানী লাগিছিল গৈ।

বলীয়া বানে মানুহক ধংস কৰাৰ উপৰিও মানুহ নামৰ কিছুমান মানৱিয়তা থিনি ধংস কৰিব খোজে। সিদিনা পানী বাঢ়ি থকা দেখি গধুলি নৌহওঁতে আমাৰ গাওঁৰ সিমুৰত থকা সকতে মাউৰা হোৱা দুজনী বায়েক-ভনীয়েক ৰাষ্ট্ৰীয় ঘাই পথেৰে কোনোৱা শিবিৰ মুখে পানীৰ মাজেৰে খোজ কাঢ়ি গৈ আছিল। এনেতে এখন ট্ৰাক আহি সিহঁতৰ কাষত ৰয় আৰু সিহঁতক ড্ৰাইভাৰে গাড়ীত উঠিব দিয়ে শিবিৰত নুমাই দিব বুলি। সিহঁতেও ড্ৰাইভাৰৰ মিঠা ব্যৱহাৰত বিপদৰ সময়ত সহায়কণ পোৱাত প্ৰত্যাখ্যান নকৰি ছুয়োজনী উঠিছিল। গাড়ীখন সিহঁতক কোনো এটা শিবিৰত নুনুমোৱাই লৈ যায়। আজিলৈ সিহঁত নিৰুদ্দেশ হৈয়েই আছে। মুঠতে গাওঁখনিৰে সৈতে গোটেই অঞ্চলটো পানীৰ তলত বুৰি থাকিল আৰু আকাশত আনন্দত উৰি থাকিল কাউৰী, শগুণ।

জানা নিৰোদ, বানপানীত সকলো মানুহ সৰ্বস্বান্ত হ'ল। পথাৰৰ গোটেই শস্য গেলি পচি গ'ল। গোহালীৰ গৰু ছাগলী, চৰাই হাঁহ আদি উটি গ'ল। ভৰালৰ ধানবোৰ গজি পচি গ'ল। বহুত সম্পত্তি নষ্ট হল, উটি গ'ল আৰু বহু ছাত্ৰ-ছাত্ৰীৰ কিতাপ কানিৰে সৈতে চাৰ্টিফিকেট নষ্ট হৈ গ'ল। এই অঞ্চলৰ প্ৰায়ভাগ মানুহক বলীয়া বানে অনাথ কৰিলে।

বাঢ়নী পানীত যেতিয়া আমাৰ গাওঁৰ দৌল শলাটো তল যাব ধৰিছিল। ঠিক তেতিয়াই সেনা বাহিনীৰ নাও ছুখন আহি গাৱৰ মানুহবোৰক শান্তি পুৰ শিবিৰলৈ লৈ যায়। শিবিৰত থকা দিন কেইটাত কিছুমান কাৰ্য্য দেখি আচৰিতেই হলো। ভাৱিছো বিপদৰ সময়তো মানুহ কিছুমানে নিজস্বাৰ্থৰ বাবে কেনেকৈ কাম কৰে? নে লোভহলে সকলো পাহৰি যায়! বানপানীত ক্ষতিগ্ৰস্ত লোকক চৰকাৰে চাউল, দাইল আদি দি সহায় কৰিছে। এই চাউল, দাইল বিতৰণৰ ভাৰ সমাজৰ কিছুমান যুৱকৰ হাতত। তেওঁলোকৰ কিছুমানে বিতৰণৰ সুবিধা লৈ নিজৰ ঘৰতে বস্তাই বস্তাই সুমোৱালে। আৰু সেই চাউল দাইল বাইজৰ মাজলৈ ওলায় নাহিল। আকৌ কিছুমান মানুহৰ চকুত ফাঁকি দিব নোৱাৰি ধৰা পৰিল। ইয়াৰ লগত কিছুমান চৰকাৰি চাকৰিয়ালো জৰিত বুলি জানিব পৰা গৈছে। কিছুমানৰ চাকৰিটো গলেই আকৌ হাজোতহে থাকিব লগা হ'ল। শিবিৰত পালো কিছুমান মানুহে জীৱনটোতকৈ জাত-পাত ধৰ্মকহে শ্ৰেষ্ঠ বুলি ভাৱে। নহলেনো সিদিনাখন শিবিৰত সেই প্ৰয়ত্ৰিশ বছৰীয়া তিৰোতা গৰাকীয়ে কব পাৰানে বানপানীত ঘৰ-ছুৱাৰ ধন-সম্পত্তি উটি গ'ল বুলিয়েইনো নিজৰ জাতটোকো খেদাব পাৰো নে? চিনি জানি নোপোৱা কোন জাতৰ লৰা ছোৱালীয়ে বন্ধা-বঢ়া কৰি খুৱাইছে ঠিক নাই।

দৰকাৰ হলে নেখায় মৰিম।" গতিকে তই ভাৱি চাবি আমাৰ সমাজখন কিমান পিছ পৰি আছে।

আজি কালি বিপদৰ সময়তো ৰাজনীতিৰ স্থান ওপৰত। বিধায়ক মন্ত্ৰী সকলৰ মাজত বাক বিতন্দা। কোনোৱা বিধায়কৰ সমষ্টিত চৰকাৰী সাহায্য নেপালেই আনকোনোৱা বিধায়কৰ পানী নুঠা ঠাইলৈ চাউল গাড়ীয়ে গাড়ীয়ে গ'ল। কোনো-বা মন্ত্ৰীয়ে নিজৰ ঠাইত পৰিভ্ৰমণ কৰোতেই পানী শুকাল। আন কোনোৱা মন্ত্ৰী বান পানী উঠাৰ সময়ৰ পৰাই পৰিভ্ৰমণ কৰিম কৰিম বুলি থাকোতেই পানী শুকাল আৰু অহাও নহ'ল। আকৌ সাহায্য দিব বুলি প্ৰতিশ্ৰুতিহে দিলে কিন্তু সেইমতে সাহায্য নাহিল। কোনোৱা ৰাজনীতিবীদৰ চকুলো লুইতৰ সোততকৈও বেছি হ'ল।

ইফালে চৰকাৰ বোৰে ৰাজনীতিৰ ধানা-খন সকলো সময়তে প্ৰয়োগ কৰি দুখীয়া ৰাইজক প্ৰতিবছৰে জুৰুলা-জুপুৰা কৰাই আহি আছে। আজি কেইবছৰ মানৰ পৰাই বলীয়া বান পানীৰ প্ৰকোব বেছি হৈছে। কাৰণ সঘনাই হোৱা ভূমি-কম্পবোৰৰ ফলত কিজানি লুইতৰ তলি ওপৰলৈ উঠিছে। সেয়ে বোধয় পৰ্ব্বত-পাহাৰৰ পৰা বৈ অহা উপনদীৰ পানীয়ে লুইত নধৰা হৈ পৰে। তাৰ ফলতেই চাৰিও ফালেদি পানী সোমায় প্ৰতিবছৰে সহস্ৰ ৰাইজক এই বিলায় বিপত্তি কৰে। যদি চৰকাৰে ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা হাতত ললেহেতেন ৰাইজৰ ইমান দুখ দুৰ্গতি নহ'ল হেতেঁনে। প্ৰতি-কাৰৰ ব্যৱস্থা বহুত আছে। কিন্তু কাৰ্য্যত পৰিণত নকৰে। অহা বছৰো যে এনে বিলায় নহব তাৰ কোনো নিশ্চয়তা নাই। বানপানী মুঠতে আমাৰ সহস্ৰ দুখীয়া ৰাইজৰ বাপতি সাহোন হৈ পৰিছে।

এতিয়া পানী শুকাবলৈ ধৰিছে। মানুহ বোৰ ঘৰলৈ যাব ধৰিছে। কিন্তু সকলো বস্তুপচি যোৱাৰ ফলত গোন্ধত থাকিব নোৱাৰা অৱস্থা। হাইজা, যক্ষ্মা ৰোগ দেখা দিছে। এই ৰোগতো বহুত মানুহ মৰিব ধৰিছে। সিদিনাখন ভূবণ খুড়াই এই ৰোগ বোৰৰ কথাৰ প্ৰসঙ্গত তোৰ কথা কৈছিল। "আমাৰ নিৰোদ বোপা এতিয়া বৰ নামী ডাক্তৰ সি চহৰত ভাল নাম কৰিছে। সি এবাৰ আমাৰ গাওঁলৈ আহিলেই বেমাৰ আজাৰ বোৰ ভালহৈ যাব।" কিন্তু তই এবাৰো নাহিলি নিৰোদ। সিদিনাখন শিবিৰৰ পৰা উভতি আহি ঘৰপোৱাত হাইজাৰ প্ৰকোবত তই অতিকৈ ভাল পোৱা, মৰম কৰা আৰু তোৰ জীৱন সঙ্গিনী হোৱাৰ সপোন দেখা জোনালী। তোৰ নামলৈ-য়েই মৰিল। তই অহাহলে কিজানি........। এৰা, ভালেই কৰিলি গাওঁলৈ নাহি। তইতো ভালদৰেই জানা যে গাওঁৰ মানুহবোৰ প্ৰায় ভাগেই দুখীয়া। আজি কালি ডাক্তৰ বোৰে টকা নহলে ৰোগী নেচায়, দুখীয়াৰ ঘৰলৈ নাহে আৰু আমাৰ দুখীয়া মানুহবোৰে তোক কৰপৰা টকা দিলোহেতেন।

বিপদ আহিলে চাৰিও ফালৰ পৰাই আহে। ঠিকেই দাতাই দিলেও বিধাতাই নেৰে। বান পানীত যি ক্ষতি হ'ল হৈয়েই গ'ল। ভাৱিছিলো উত্তৰাঞ্চলৰ ফালে পানী উঠা নাই। গতিকে অহা বাৰৰ বাবে সেই ফালৰ পৰাই বিধান কেইটি আনি সচটা ৰাখিব পাৰিম বুলি। কি জানো; আজি কেইবছৰ মানৰ পৰা পথাৰৰ ধানবোৰত পোকেই নে কিবা বেমাৰ এবিধ আহি পৰিছে। ধানবোৰ বগাপৰি জহি খহি যায়। এই বেলিও পানী নুঠা অঞ্চলবোৰত ধান বিলাকত সেই বেমাৰে

দেখা দিছে আৰু ধান বোৰ মৰি যাব ধৰিছে। গতিকে বিধান পোৱাতো দুৰৰেই কথা গৃহস্থৰেই টনা টনি । চৰকাৰেও এই ৰোগবোৰ প্ৰতিকাৰৰ ব্যৱস্থা হাতত লোৱা দেখা নাযায়। চৰকাৰে ইচ্ছা কৰিলে বাহিৰৰ পৰা কোনোৱা কৃষি বিভাগৰ বৈজ্ঞানিক আনি মাটি, শস্য পৰীক্ষা কৰায় কি ঔষধ প্ৰয়োজন তাৰ ব্যৱস্থা কৰিলে দুখীয়া কৃষক সকলক বচাব পাৰিলেহেতেঁন । ইফালে পুখুৰীৰ মাছবোৰতো বেমাৰ লাগি গোটেই মাছবোৰ মৰি গ'ল । মুঠতে নিয়তিয়ে এইবাৰ ৰং চাব এৰা নাই ।

দুৰ্গাপূজা আহি গ'ল । মানুহ কিন্তু ব্যস্ত নহ'ল পূজালৈ । ঠিক তেনেকৈ বিহু , ঈদ উৎসৱবোৰতো মানুহ বোৰক আনন্দ মুখৰ নেদেখি বৰ দুখ লাগে । মানুহ বোৰে যেন বৰ দুখ-কষ্ট পাইছে। মানুহবোৰৰ মুখ বোৰ শেতা পৰি গৈছে । জীৱন যুদ্ধৰ সংগ্ৰামত যেন বাগৰি পৰিছে আৰু জীৱনৰ মোহ হেৰুৱাই পেলাইছে, নিৰেদ ।

মোৰ খবৰ লবলৈ তোৰ কাহানিও সময় নহ'ল । সেয়ে নিজেই লিখিলো—

মা অসুস্থ ! ডাক্তৰক দেখুৱাবলৈও পইছা কড়ি নাই । এখন গাওঁতে হাইস্কুল পাতি শিক্ষকতা কৰি আছো । স্কুলখন বৰ্ত্তমানলৈ চৰকাৰীকৰণ হোৱা নাই । সেয়ে এপইছাও নেপাও ।

শুনিলো তই বোলে বৰ ধনী ঘৰৰ ছোৱালী বহু যৌতুক সহ বিয়া কৰালি । মই কিন্তু সেই বিষয়ে ভাৱিবৰ সময়েই পোৱা নাই ভাইটী ভণ্টী হতক পঢ়া শুনা কৰাব লাগে । আগতে ধান মাহ কেইটি বেচি কোনোমতে চলি আছিলো । এইবাৰ তাৰো মুধা মৰিল ।

বহু লিখিলো ; তই চাগে আমনিয়েই পাইছা... ........। শেষবাৰৰ বাবে হলেও ৰৰমাৰৰদেউতাক চাই যাবি । ৰৰমাৰ সিমান ভাল নহয় । ইফালে তোৰ চিন্তাতেই দিনে ৰাতিয়ে টোপনি নাই । তই এবাৰ ভাৱি চাইছনে যে কোন মাতৃয়ে পুত্ৰক স্নেহ নকৰাকৈ, চকুৰ আগতে নেদেখাকৈ থাকিব পাৰে । তই এবাৰ ভাৱি চাবি কেনেকৈ আজি ডাক্তৰ হলি ? মোক কেৱল কৈ থাকে তোক চোৱাৰ কথা । ইফালে কেতিয়া কি হয় ঠিক নাই । গতিকে এবাৰ হলেও তই আহি যাবি ।

শেষত বহুত মৰমেৰে ... ... ...

তোৰ তাহানিৰ —

দিগন্ত

*ভগ্ন হিয়াৰ*

# খ ল ক নি

● সাগৰিকা চহৰীয়া
স্নাতক ৩য় বাৰ্ষিক (কলা)

এই বেদনাদায়ক মুহূৰ্ত্তত মই যিমানে ভায়োলেটৰ স্মৃতি মোৰ মানস পটৰ পৰা মচি পেলাবলৈ চেষ্টা কৰিছোঁ, সিমানেই তাইৰ স্মৃতিবোৰে মোক বেচিকৈহে আমনি কৰিছে। এতিয়া ৰাতিৰ এই এক বজাত গুৱাহাটী অভিমুখী এই বিমান খনত মোৰ বাহিৰে হয়তো সকলোৱে শান্তিৰে শুই আছে। কোনোৱে হয়তো টোপনি গৈছে। কোনোৱে আকৌ প্ৰিয়জনৰ কথা চিন্তা কৰি ছাগে পুলকিত হৈ পৰিছে। তেওঁলোকে মোৰ অন্তৰত লগা জুইকুৰা দেখা নাই আৰু সেই জুইত পৰি উৱাদিহ নাপাই চিঞৰি ফুৰা মোৰ অন্তৰাত্মাৰ চিঞৰো শুনা নাই।

"ভায়োলেট" এটা সম্পূৰ্ণ আধুনিক নাম! ছোৱালীজনীও আধুনিকা। বহুতে আকৌ নামে মানুহে তাইক দেখি ইংৰাজ ছোৱালী বুলিয়েই ভাৱে। যিয়েই নহওক, পাশ্চাত্যৰ বহন সনা এটি অসমীয়া পৰিয়ালৰে তাই এজনী অসমীয়া ছোৱালী।

যেতিয়া মই প্ৰথম ভায়োলেটৰ সান্নিধ্যলৈ গৈছিলোঁ, তেতিয়া মোৰ বন্ধুবৰ্গই মোক কৈছিল 'এই ৰূপক ছোৱালী নাপালি আৰু।' পলাশে কৈছিল 'ওই নিজকে পাহৰি গৈছ যেন পাওঁ"। এনেধৰণৰ মন্তব্যৰ বাহিৰে সিহঁতে তাইৰ চৰিত্ৰৰ বিষয়ে কিন্তু একো কব পৰা নাছিল। সিহঁতৰ সতৰ্ক বাণী শুনি মই যিমানেই ভায়োলেটৰ ওচৰৰ পৰা আতৰি আহিবলৈ চেষ্টা কৰিছিলোঁ, সিমানেই মোৰ মনটো মোৰ অজানিতে তাইৰ ওচৰ চাপি গৈছিল। ভায়োলেট আধুনিকা হব পাৰে, কিন্তু তাইৰোটো আনক মৰম দিব পৰা আৰু আনৰ পৰা মৰম বিচাৰিব পৰা এখন সৰস অন্তৰ থাকিব পাৰে। শেষত মোৰ আৰু ভায়োলেটৰেই জয় হৈছিল আৰু মোৰ বন্ধুবৰ্গই পৰাজয় বৰণ কৰিছিল।

ভায়োলেটৰ অনুৰোধক্ৰমে যেতিয়া মই প্ৰথম দিনা সিহঁতৰ ঘৰলৈ গৈছিলোঁ, সেই দিনটোৰ কথা আজিও মোৰ মনত স্পষ্টকৈ জিলিকি আছে। মোক তাই ড্ৰয়িং ৰূমত বহুৱাই থৈ ক্ষন্তেক পাছতে মাক দেউতাকক লৈ আহি

মোৰ লগত চিনাকি কৰাই দিছিল। প্ৰসাধনে মুখৰ প্ৰকৃত ৰং ঢাকি ৰখা ভায়োলেটৰ মাকক প্ৰথম দৃষ্টিত মোৰ তাইৰ বাইদেউৰেক যেনহে লাগিছিল। তেওঁলোকৰ লগত বহি মোৰ নিজকে কিবা চিৰিয়াখানাৰ বান্দৰটো (লাজুকী) যেনহে লাগিছিল। তেওঁলোকে মোৰ সতে ইটো সিটো বহু কথাই পাতিছিল যদিও মইহে কোনো এটা কথাকেই নিঃসঙ্কোচে কব পৰা নাছিলোঁ মোৰ অৱস্থাটো দেখি ভায়োলেটে মিচিকি মাচাককৈ হাঁহি আছিল। গধূলি যেতিয়া তেওঁলোকৰ পৰা বিদায় লৈ আহিছিলোঁ, তেতিয়া ভায়োলেটে মোক আগবঢ়াই থব আহি ওঠত দুষ্ট হাঁহি এটা বুলাই কৈছিল, 'এনে ডেকাটো তুমি, কথা কওঁতেও ইমান লাজ কৰিব লাগে নে ?

তাৰ পাছত কিয় জানো সিহঁতৰ ঘৰলৈ যাবলৈ মোৰ লাজ সংকোচ নলগা হ'ল। ভায়োলেটৰ মাক দেউতাকেও মোক যথেষ্ট মৰম কৰে। তেওঁলোকক মই মাহীদেউ, মহাদেউ বুলিয়েই মাতিবলৈ ললোঁ। তেওঁলোকৰ ঘৰলৈ যোৱাটো মোৰ নিত্ত নৈমিত্তিক কৰ্ত্তব্য হৈ পৰিল। মাজতে দুদিন নগলেই ভায়োলেটৰ মুখখন ওফন্দি উঠে। তাই মোলৈ নোচোৱাকৈয়ে কয় 'পাহৰিছিলা বুলিয়েই ভাবিছিলোঁ"। তাইক আৰু খং তোলাই লোৱাৰ মানসেৰে কওঁ—' মহাদেউৰ লগত এটা জৰুৰী কাম আছে বাবেহে আহিব লগাত পৰিলো'। তেনেকৈ কলেই ভায়োলেটৰ চকু চলচলীয়া হয়, গাল দুখন ৰঙা পৰি যায়। মই আকৌ তাইৰ ওঁঠত বহি অভিমান ভাঙিবলগীয়া হয়।

ভায়োলেটৰ লগত সম্পূৰ্ণ এবছৰ ৰংৰহইচৰ মাজত কটোৱাৰ পিছত উচ্চ শিক্ষাৰ বাবে মই আহ্মদাবাদলৈ আহিব লগা হলো। মোৰ বিদায় পৰত ভায়োলেটৰ চকু চকুপানীৰে চিপ্চিপীয়া হৈছিল। তাইক এৰি ইমান দূৰলৈ আহিব লগা হোৱাত মোৰো মনটোৱে হাহাকাৰ কৰিছিল। ভায়োলেটে মোৰ হাতত এটা উপহাৰৰ টোপোলা গুজি দি কৈছিল "ৰূপক মোক পাহৰি নাযাবা। তুমি যেন কেতিয়াও আনৰ হৈ নোযোৱা"। সেই মুহূৰ্ত্তত মোৰ অজানিতে মুখৰ পৰা ওলাইছিল 'তোমাক পাহৰাৰ আগতে মই নিজকে পাহৰিব লাগিব ভায়োলেট"। আজি সেই ভায়োলেটজনীকেই পাহৰিবলৈ চেষ্টা কৰি মই তাইক প্ৰতাৰণা কৰিছোঁ নেকি ? আজি ভায়োলেটক এৰি আহমদাবাদলৈ অহাৰ মোৰ দুবছৰ হ'ল। ইয়াৰ মাজতে মই তিনিবাৰ অসমলৈ গৈছোঁ। ভায়োলেটৰ পৰা সপ্তাহৰ অন্তৰে অন্তৰে চিঠি পাওঁ। তথাপি মোৰ মনত শান্তি নাই। কোনোমতে আৰু এটা বছৰ পাৰ কৰাৰ চিন্তাতে মোৰ চকুত টোপনি নাই।

যোৱা মাহত ভায়োলেটক জোকাই লোৱাৰ মানসেৰে তাইলৈ লিখিলোঁ "জানা ভায়োলেট ইয়াত এজনী খুউব ধুনীয়া ছোৱালীৰ লগত চিনাকী হৈছোঁ। তোমাতকৈও বহুত বেছি ধুনীয়া ছোৱালী।" চিঠিখন পোৱাৰ পিছত ভায়োলেটৰ অন্তৰত কেনে জোৱাৰ উঠিব পাৰে সেইটো মই ভালকৈয়ে জানো। সেয়েহে সেই চিঠিখন লিখাৰ পিছদিনাই ভায়োলেটৰ ৰূপ গুনৰ প্ৰশংসা কৰি তাইলৈ এখন দীঘলীয়াকৈ লিখি পোষ্ট কৰিলোঁ। কিন্তু সপ্তাহৰ মূৰে মূৰে চিঠি পোৱা ভায়োলেটজনীৰ পৰা যোৱা এমাহ ধৰি চিঠি পোৱা নাছিলোঁ। সেয়েহে

মোৰ মনত নানা ভাৱে খেলি মেলি লগাই দিছিল "চিঠিখন লিখি সঁচাকৈয়ে ভুল কৰিলোঁ নেকি ? মোৰ ভায়োলেটজনীয়ে ছাগে মুখখন এপাচিমান কৰি বহি আছে। তাই মোক সঁচাকৈয়ে সন্দেহ কৰিছে নেকি ?" এই বোৰকে চিন্তা কৰি কালি গধুলি মোৰ হোষ্টেলৰপৰা ওলাইছো মাত্ৰ, তেনেতে হোষ্টেলৰ বন্ধু এজনে মোৰ নামৰ চিঠি এখন আগ-বঢ়াই দিলে। ভায়োলেটৰ চিঠি বুলি বন্ধুজনৰ হাতৰপৰা প্ৰায় থাপ মাৰি চিঠিখন লৈ দেখো যে চিঠিখন ভায়োলেটৰ নহয়, বন্ধু পলাশৰ। যিয়েই নহওক, লৰা লৰিকৈ মোৰ ৰুমলৈ আহি চিঠিখন পঢ়িবলৈ ললোঁ। চিঠিখন পঢ়াৰ আগ-মূহুৰ্তত মই বুজিব পৰা নাছিলোঁ যে এই চিঠি-খনেই মোৰ জীৱনৰ আটাইতকৈ বেছি ভয়াবহ খবৰটো কঢ়িয়াই নিছে।

চিঠিখনত লিখা আছিল মৰমৰ ৰূপক ;

মোৰ মৰম লবি। তোলৈ এটা ভয়াবহ খবৰ লিখিব লগাত পৰিলোঁ। তোৰ ভায়োলেট আৰু ইহ সংসাৰত ... ... ...। ভায়োলেট আৰু তাই মাকক কঢ়িয়াই লৈ যোৱা সিহতৰ ফিয়েটখনে ট্ৰাক এখনত খুন্দিয়াৰ ফলত মাকৰ সামান্য আঘাত হয় যদিও ভায়োলেট চিৰদিনৰ বাবে নিঃ-শেষ হৈ যায়। ঘটনাটো ঘটিবলৈ বিশদিন হয় যদিও তোলৈ এই সাংঘাতিক খবৰটো দিবলৈ মোৰ সাহস হোৱা নাছিল। শেষত, ভায়োলেটৰ মাক দেউতাকৰ অনুৰোধক্ৰমে আজি লিখিলোঁ।

"পলাশ"

চিঠিখন পঢ়াৰ পিছত মোৰ কি হৈছিল, কব পৰা নাছিলোঁ। যেতিয়া চকু মেলি চাইছিলোঁ, তেতিয়া দেখিছিলোঁ আমাৰ হোষ্টেলৰ প্ৰায়বোৰ ল'ৰাই মোৰ ৰুমটোত ঠাহ খাই সোঁমাই আছে। সিহতৰ প্ৰায়বোৰে মোৰ আলপৈচান ধৰি আছে। সপোন যেন লগা চিঠিৰ কথাবোৰ পঢ়ি কান্দোনত ভাগি পৰা দেখি মোৰ অনা অসমীয়া বন্ধুবোৰে ভেবা লাগি চাই থাকিল। এটা সময়ত মই নিজেই সিহতক সকলোবোৰ কথা কৈ মোৰ বেদনাৰ উপশম কৰিবলৈ চেষ্টা কৰিলোঁ। সিহতে মোক সান্ত্বনা দিবলৈ বৃথা চেষ্টা কৰিলে। মই কোৱা-মতেই বন্ধু ৰমেন্দ্ৰই আজিৰ ৰাতিৰ বাৰ-বজাৰ অসম অভিমুখী প্লেনখনৰ বাবে এটি আগতিয়াকৈ টিকট কৰি আনিলে।

বহু আগতিয়াকৈ আহি আজি প্লেনফিল্ডত উপস্থিত হলোঁ। অসমখন কেতিয়া পাওঁ, সেই চিন্তাত মোৰ বুকুৰ স্পন্দন দ্ৰুততৰ হৈ পৰিছে। নিজকে প্ৰশ্ন কৰিছোঁ—"মই গৈ পোৱাৰ লগে লগে বুজাব নোৱাৰা আনন্দত সাৱটি ধৰিবলৈ মোৰ ভায়োলেট জনী সঁচাকৈয়ে এই পৃথিৱীত নাই নেকি ?" কথাটো ভবাৰ লগে লগে মোৰ বুকুখন বিষাই গৈছে, অন্তৰভেদি কান্দোনৰ শব্দ ওলাই আহিছে। জোৰ কৰি মোৰ চকুহালি মুদিবলৈ চেষ্টা কৰিলোঁ যদিও বৃথা হ'ল বিশেষকৈ ভায়ো-লেটৰ এষাৰি কথাই মোক বেছিকৈ মনোকষ্ট দিছে—"ৰূপক, মোক পাহৰি নাযাবা। তুমি যেন কেতিয়াও আনৰ হৈ নোযোৱা।"

[এটি আলেখ্য]

# পেহীৰ ঘৰত এসাজ

O সাধি ৰাম বড়া
কাৰ্য্যালয় সহায়ক

পেহীদেউ হতঁৰ ঘৰলৈ যাম যাম বুলি বহুত দিন মনতে ভাৱি আছিলো। কোনো দিনে যোৱাৰ সুবিধাকে উলিয়াব নোৱাৰো। কিবা এটা নহয় কিবা অমঙ্গলীয়া ক্ষন এটা আহি উপস্থিত হয়। তথাপি এদিন নিশ্চয় যাব লাগিব। পেহীদেউহঁতৰ জুনে হেনো মোৰ খুব বিচাৰ কৰি থাকে।

পেহীদেউ চহৰত থাকে। পেহীদেউৰ সংসাৰ বুলিবলৈ পেহীদেউ, পেহাদেউ, জুনু মুনু, দীপা, দিলীপ, আৰু দীপাঙ্ক, এই সাতোটা পৰিয়াল পেহাদেউৰ এটা সৰু চাকৰীৰ আয়ৰ বাটেৰে পোহ গৈ আছে। জুনু ডাঙৰ ছোৱালী। যোৱা বছৰ হাইস্কুলৰ শেহান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজত পঢ়িছে। জুনুক কলেজত নাম ভৰ্ত্তি কৰাৰ আগ-মূহুৰ্তত দেউতাকে এদিন এইদৰে কৈছিল "জুনুমা তুমি আমাৰ বংশৰ গৌৰৱ। তুমি আমাৰ নয়ন-মনি। তুমি আমাৰ এই ঘৰখনত বন্তি প্ৰজ্বলন কৰি এন্ধাৰ আঁতৰাব লাগিব। তুমি উচ্চ শিক্ষাত ব্ৰতী হৈ সেৱাৰ আশাৰে ব্ৰতী হোৱা। তুমি নিশ্চয় জানা মই এজন সাধাৰণ তৃতীয় শ্ৰেণীৰ চৰকাৰী কৰ্ম্মচাৰী। মই ঠিক তোমাৰ নিচিনাকৈ মুনু, দিপা, দিলীপ আৰু দীপাঙ্ককে চাব লাগিব। মোৰ এই অকনমান আয়ত জমা খৰচৰ তহবিল টানি তহঁতৰ ইন্ধন যোগোব লাগিব। জুনুমা মন দি পঢ়িবা। তুমি বি, এ, টো পাচ কৰি কিবা এটা চাকৰি কৰিলে মোৰ অকমান সহায় হব।" মুনু অষ্টম শ্ৰেণীত, দিপা ষষ্ঠ শ্ৰেণীত আৰু দিলীপ, দীপাঙ্ক প্ৰাইমাৰীতে আছে।

পেহীদেউৱে ঘৰখন বৰ পৰিপাটিকৈ ৰাখে। পেহাদেউক কয় আপুনি ল'ৰা ছোৱালী কেইটাক লৈ বৰ ব্যস্ত। সিহঁতে নিজে নিজে মানুহ হবলৈ চেষ্টা নকৰিলে কি আপুনি সিহঁতক চাহাব বনাব! সিহঁতক খাব পিন্ধিব দিয়াটো আমাৰ কৰ্ত্তব্য। সিহঁতে পঢ়া-শুনা কৰিব লাগে, নাচ-গান শিকিব লাগে—সিহঁতৰ কৰ্ত্তব্য শিক্ষা লোৱাটো। আমি চহৰত থকা মানুহ। চহৰীয়া মানুহক টি, ভি, টেপৰেকডাৰ, ৰন্ধন গেছ, ভায়েলিন গীতাৰ আদিৰ বৰ প্ৰয়োজন। এইবোৰ ঘৰখনত নেথাকিলে ঘৰখন আজিৰ যুগত বৰ উকুঙা যেন লাগে। আমাৰ নিচেই ওচৰতে থকা কলিতা হতঁৰ ঘৰখনত কি টি, ভি, উলহ-মালহ নাচ গান, গীত-মাত আৰু

চোৰা মানুহৰ ভিৰ । মোৰ হলে গা বেজ-বেজাই যায় । আমাৰ ল'ৰা-ছোৱালীহঁতে এখন খবৰ কাগজ পঢ়িবলৈ নাপালে, টি, ভি, চাবলৈ নেপালে বাদ্য-সংগীত নেদেখিলে নুশুনিলে কেনেকৈ মানুহ হব। তুমি এটা টি, ভি, অনাৰ ব্যৱস্থা কৰিবাচোন ।

পেহীদেউক ঘৰখন সজাই পৰাই তুলিবলৈ বহুত বস্তুৰ দৰকাৰ ।

পৰ্টিকৰ সন্মুখত কিছুমান "টাব'ত বাৰে বৰনীয়া ফুলৰ ফুল বাগান পতাৰ স্বপ্ন । আৰু কিবা কিবি বহুতো লাগে । অগ্ৰগতিৰ যুগ : পেহী-দেউৰে এইদৰে ঘৰখনৰ এটা অভিজাত পৰিবেশৰ ছবি দাঙি ধৰে । পেহীদেউৰে বজাৰ খৰচৰ তালিকা এখন যুগুতাই দিওঁতে মাছ-মাংসৰ উল্লেখ নকৰাকৈ নেথাকে । চাউল, গেছৰ চিলিণ্ডাৰ অনা আৰু দোকানৰ বাকী এইবোৰ চিন্তাত পেহা-দেউৰে কিবা কিবি ভাৱি থাকে ।

পেহাদেউৰে কতিয়াবা ঘৰত আৰেলি সময়ত ইজি চেয়াৰ খনত বহি চিন্তা কৰি থাকে । আমি চহৰত থকা মানুহ, আমাক বহুত কিবা কিবি লাগে । আমাৰ গৃহিনীৰ কথাবিলাকৰ যুক্তি আছে। এটা নতুন বস্তু চাবলৈ, লবলৈ, দেখিবলৈ নেপালে, এখন চিনেমা, থিয়েটাৰ চাবলৈ নেপালে চহৰত থকাৰ সাৰ্থকতা নাথাকে । বস্তু বাহিনীৰ দাম, যুগৰ পৰিবৰ্তন এইবোৰ চিন্তাই পেহাক জুৰুলা কৰে ।

এদিন মই "মা'ক কলো—"মা মই অহা-কালি চহৰৰ পেহীদেউ হতঁৰ ঘৰলৈ যাবলৈ ইচ্ছা কৰিছো যামনে ?" মায়ে কলে বাপু যাবি বাৰু। সিহঁত চহৰীয়া মানুহ । তই এটা ৰাতিহে থাকিবি। খোৱা লোৱা আদি বহুত চিন্তা । মই পেহীদেউ হতঁৰ ঘৰত গৈ উপস্থিত হলো। পেহীদেউ তথা দীপা হঁতে মোক আথে বেথে আগবঢ়াই নিলে । বহুদিনৰ মুৰত পেহীদেউ হঁতৰ ঘৰত এসাজ খোৱাৰ স্বপ্ন দিঠকত পৰিণত হ'ল ।

পেহীদেউ হঁতৰ ঘৰত এৰাতি থাকিলো । ডাঙৰ ভণ্টী জুনুই মোৰ শোৱা ৰুমত সোমাই ৰাতি ১০ বজালৈ মোৰ লগত কথা পাতিলে । "দাদা আপুনি চাকৰী কৰি কেনে পাইছে । ঘৰৰ খা-খৰৰ কি ?" ইত্যাদি । লগতে খবৰ ললে মা-দেউতা তথা আমাৰ ৮ম শ্ৰেণীত পঢ়া এক মাত্ৰ ভণ্টীজনীৰ । জুনুই কৈ যাবলৈ ধৰিলে "দাদা আমি চহৰত থকা মানুহ । আমাৰ খৰচৰ মাত্ৰা খুব বেছি। দেউতাই আমাৰ পঢ়া-শুনা, খা-খৰচ যি ধৰণে দিব লাগে সেইদৰে দিব নোৱাৰে । তথাপি আমি পঢ়া-শুনাকে জীৱনৰ ব্ৰত বুলি ধৰি লৈছো । আমাৰ মা, অলপ চৌখিন। ঘৰখন সজাই খুব ভাল পায় । মোৰ তলৰ ভণ্টীজনী ৭ম শ্ৰেণীত পঢ়ে । সৰু জনীয়ে নাচ-গান ভাল পায় । তাই লগৰ ছোৱালীৰ লগতে এইবোৰ শিকিছে । এইবেলি তাই আন্তঃ জিলা নাচ-গান প্ৰতিযোগিতালৈ জিলাৰ তিনিজনী ছোৱালীৰ ভিতৰত নিৰ্বাচিত হৈছে । কোনো গান মাষ্টৰ নোলোৱাকৈ তাই ইমান-খিনিলৈ আগবাঢ়িছে । আমাৰ দিলীপ ভাইটি পঢ়া শুনাত সিমান ভাল নহয় । সি লগৰ ল'ৰাৰ লগত খুব ঘূৰে । তথাপি দেউতাই তাক সন্ধ্যা পঢ়ায় । সি ৪ৰ্থ শ্ৰেণীত পঢ়ে । সৰু ভাইটি দীপাক্ষ সি বৰ দুষ্ট । সকলোৰে মৰম পাই সি বৰ বেছি আদৰুৱা হৈছে । লাগ বুলিলে কিবা এটা লাগে । নহলে ঠেহ পাতে । মায়ে আমাক কয়, বয়স হলে বুজা হব ।" জুনুই মোক আকৌ কৈ যাবলৈ ধৰিলে ।

"দাদা তুমি বহু দিনৰ পিছত আমাৰ ঘৰলৈ আহিছা । গতিকে তুমি আমাৰ ঘৰত কেইদিন মান থাকি যোৱা । চিনেমা চাবা আৰু আমিও তোমাৰ লগত চিনেমা চাবলৈ যাম ।" ৰাতি ১০ বজাত মই শুই থাকিলো ।

জুনুৰ পৰা মই পেহীদেউহঁতৰ ঘৰখনৰ এটা প্ৰতিচ্ছবি দেখিলোঁ ।

ৰাতিপুৱা চাহ খোৱাৰ পিছত জুনুক মতাই আনি মই কলো—"জুনু শিক্ষাকে যদি জীৱনৰ ব্ৰত বুলি ভাৱি লৈ লিখা পঢ়া কৰা হয়, তেতিয়াহলে জীৱন যাত্ৰাৰ পথ নিশ্চয় সুগম হব । বৰ্তমানৰ যুগ বিজ্ঞানৰ যুগ, বৰ্তমানৰ যুগ শিক্ষাৰ যুগ । বৰ্তমান যুগত সকলো কৰ্মব্যস্ত হব লাগে । নিজৰ কলা, সংস্কৃতি, ৰাষ্টীয় ঐক্য অক্ষুন্ন ৰাখিবলৈ হলে সকলোৱে নিজকে উপযোগী কৰি তুলিব লাগিব । আজি চোৱা ৰাষ্ট্ৰই ৰাষ্ট্ৰই সংঘৰ্ষ, গাৱে-গাৱে সংঘৰ্ষ , ঘৰে-ঘৰে হাই কাজিয়া এইবোৰ আতঁৰ কৰিবলৈ আমি সক্ষম হব লাগিব । দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ চেষ্টা কৰিব লাগিব । জুনু শুনা, আমাৰ মা-দেউতা একেবাৰে অশিক্ষিত । ঘৰৰ লাম-লেকুটি বজাৰত বেচি মোক পঢ়া শুনাৰ খৰচ দিয়ে । মই কোনোমতে বি. এ. টো পাচ কৰি এটা সামান্য চাকৰিত সোমাইছো । মই আমাৰ পৰিয়ালবোৰৰ বাবে একো কৰিব পৰা নাই । জুনু, প্ৰতিকূল পৰিবেশে মানুহক অনাদৰ কৰে । আমাৰ গাৱৰ ঘৰখনটো আমাৰ মায়ে দেউতাক ইটো নাই সিটো নাই বুলি কৈ ব্যতি ব্যস্ত কৰে । আমি বৰ দুখত ডাঙৰ হৈছোঁ ।

—♣—

---

"জীৱনৰ একাজলি বৰিষাল হাঁহি, এটোপাল চকুৰ পানী, এমুঠি বিস্ময়ৰ জিলিঙণি, এচেৰেঙা সপোনৰ আভাষ, অলপমান দোধোৰ-মোধোৰ—এইবোৰেই হ'ল একো একোটা চুটি গল্পৰ অৱলম্বন ।"

— ডঃ মহেন্দ্ৰ বৰা

* সংগ্ৰহ— মুক্তানন্দ শৰ্ম্মা ( সম্পাদক )

# নিশাৰ শেষ বেদনা

O জয়ন্ত ডেকা
প্ৰথম বাৰ্ষিক ( কলা )

কাষৰ অট্টালিকাটোৰ কোনোবা এটি কমৰ পৰা ভাঁহি আহিছিল এফাঁকি গীতঃ 'মানুহে মানুহৰ বাবে যদিহে অকনো নেভাবে " তেতিয়া নিজৰ কোঠাৰ ভিতৰত আন্ধাৰে মুন্ধাৰে পৰি আছিল কিশোৰ । ৰাতি অল্প হৈছিল। ৰান্ধনি ঘৰত হয়তো কিশোৰৰ মাকে যোৱা ৰাতি খাই ৰোৱা সাচঁতীয়া চাউল কেইটামান সিজাইছিল। কিশোৰৰ সামান্য ভাগৰ লাগিছিল । এক অনামী বেদনাই মনটোকো তাৰ গ্ৰাস কৰি পেলাইছে। অকাৰণতে মনটোৰ প্ৰতিক্ৰিয়া দেহটোৰ ওপৰতো পৰিছে । নানা অবোধ্য-দুৰ্বোধ্য ক্লান্তিয়ে মনটোৰ লগত দেহটোকো ভাগৰাই পেলাইছে।

আন্ধাৰতে কোনোবা এটা আহি কিশোৰৰ কোঠাৰ মুখত ৰোৱা যেন পালে সি । হয়তো মাকে সি আছেনে নাই, যদি আছে কি কৰিছে খবৰ কৰি গ'ল । কিশোৰ লৰচৰ নকৰাকৈয়ে পৰি থাকিল ।

ভিতৰত কিশোৰৰ ভায়েক অপুলে কোনোবা কবিৰ কবিতা এফাঁকি পঢ়ি আছিল"...... মৰম ভালপোৱাৰ প্ৰিতীৰ সমান আন তীৰ্থ নাই জগতত ..." কিশোৰৰ হঠাৎ খং উঠি গ'ল ।

"অপু" ?

"ককাইদেউ" ।

"আজি আৰু নালাগে পঢ়িব । কিতাপ থোৱা আৰু ভাত খোৱাগৈ" । আদেশটো পাই অপুই নিশ্চয় ভালেই পালে । এনেতে মাক ৰান্ধনি ঘৰৰ পৰা ওলাই আহিল । মাকে কিশোৰৰ কমত সোমাই কিশোৰক আন্ধাৰৰ মাজত বহি থকা দেখা পাই কিবা এটা ভাবিলে । পুনৰ ওলাই আহি এডাল আধাপোৰা মমবাতি জ্বলাই আনি তাৰ আগত থৈ দিলে । মাকে কিশোৰৰ মুখলৈ চালে । ধুনীয়া কিশোৰটো এই কেইদিনত ইমানকৈ খিনাইছে । চকুহুটিও কিবা উদভ্ৰান্ত চাৱনি । মাকে তলমূৰ কৰিলে । কিশোৰেও মাকৰ মুখলৈ বেচি সময় চাই থাকিব নোৱাৰি ভঙা বেৰৰ মাজেৰে বাহিৰলৈ চালে । তেতিয়া বাহিৰত কৃষ্ণপক্ষৰ আন্ধাৰ । বহুত দূৰত দুটা এটা তৰা আছে হয়তো । কিন্তু প্ৰথম চাৱনিতে চকুত নপৰে । চকুত পৰে কেৱল ঘন নিবিড় আন্ধাৰ ।

ভাত খাহি বোপাই, মাকে সৰুকৈ কলে ।

'মই এতিয়া নেখাওঁ আই' কিশোৰে কলে ।

নেখাবি কেলেই, আমি নেখাই মৰি গলেও অভিজাতাৰ প্ৰসাদত ৰং - বিৰঙৰ আহাৰ কৰা সেইখন সমাজৰ অকনো হানি নহয়' । মাকে প্ৰতিবাদ কৰি কলে । কিশোৰে একো নকলে । অপুলক লৈ মাক যোৱাৰ পিচত কিশোৰো বহাৰ পৰা উঠিল আৰু লাহে লাহে ৰান্ধনি ঘৰলৈ গ'ল । নিৰবে এষাৰি কথা নকোৱাকৈ

অনিচ্ছাৰে দুগৰাহ খাই উঠি আহিল। ভাত কেইগৰাহ খোৱাৰ কাৰণেহে নেকি তাৰ অলপ গৰম লগা যেন অনুভৱ কৰিলে। সি ঘৰৰ পৰা ওলাই পিচফালে ঘাঁহে ধকা চোতাল খনলৈ ওলাই গ'ল। হঠাৎ দূৰৈত থকা মৌজাদাৰৰ প্ৰকাণ্ড দুইমহলীয়া ঘৰটোলৈ চকু পৰিল তাৰ। নিয়ন লাইটৰ চিকমিকনিত প্ৰসাদটোৰ চাৰিওদিশ জোনালীময় হৈ আছে। এক অপ্ৰকাশিত করুন বেদনাই তাক মোলান কৰি পেলালে। সেই ফালে চাই চায়েই সি ঘাঁহৰ ওপৰত বহি পৰিল। এচাতি বতাহে কৰবাৰ পৰা ৰজনীগন্ধা আৰু শেৱালী ফুলৰ গোন্ধলৈ তাৰ মূৰৰ ওপৰেৰে বাগৰি গ'ল। সি অনুভৱ কৰিলে দুটি মিশ্ৰিত ফুলৰ সুগন্ধি .........

... ...তাক পঢ়াবলৈ গৈ আজি তাৰ ঘৰখন শেষ হৈ গৈছে। কিশোৰৰ দেউতাক আছিল প্ৰাইমাৰী স্কুলৰ এজন আদৰ্শ শিক্ষক। সেয়ে তেওঁৰ একমাত্ৰ ডাঙৰ ল'ৰা কিশোৰক ভাল মানুহ কৰাৰ স্বপ্ন দেখিছিল। পঢ়াই শুনাই দেশৰ জনগণৰ এজন সুনাগৰিক হিচাবে গঢ়ি তুলিবলৈ ব্যৰ্থ প্ৰয়াস কৰিছিল। কিন্তু নিষ্ঠুৰ নিয়তিৰ অভিশাপত পৰি দেউতাকে তাক, কেচুৱা অপুল আৰু হতভাগী মাকক অকলশৰীয়াকৈ জীৱন সমুদ্ৰৰ অটল গহ্বৰৰ মাজত এৰি গুচি যায়। ইয়াৰ পিছত দুৰ্ভগীয়া মাকেই সিহঁতৰ ভাৰ লব লগা হয়। দেউতাকৰ স্বপ্নবোৰ বাস্তৱত ৰূপ দিবলৈ, সিহঁতক ডাঙৰ মানুহ কৰি গঢ়ি তোলাৰ অলিক স্বপ্নৰে সিহঁতৰ বাবে, মাকে বহুত কিবা কিবি কৰিব লগা হ'ল। এজন শিক্ষিত শিক্ষকৰ ঘৈনীয়েক হৈ আনৰ ঘৰৰ কাম কৰিবলৈ ওলাই গ'ল, "কল্পনাক বাস্তৱত ৰূপ দিয়াৰ প্ৰয়াসত... ..!" —দুখৰ সাগৰত এখন সুখৰ জাহাজ তৈয়াৰ কৰাৰ বিপুল বাসনাত ... ... ... !

এদিন-দুদিনকৈ কিশোৰো দশম মান শ্ৰেণীৰ দেওনা খন পাৰ হবলৈ প্ৰস্তুত হ'ল। মাকৰ দুৰ্দান্ত চেষ্টাৰ ফলত কিশোৰ প্ৰবেশিকা পৰীক্ষাত ভাল দৰেই উত্তীৰ্ণ হ'ল। মাকৰ মনত সীমাহীন আনন্দ! বেছিকৈ একো কৰিব নোৱাৰিলেও আদৰ্শ শিক্ষকৰ ঘৈনিয়েক হিচাবে তেওঁ গিৰিয়েকৰ আশা কিছু-পৰিমানে হলেওঁ পূৰ্ণ কৰিছে—এয়ে বহুত !! অপুলো এতিয়া তৃতীয় শ্ৰেণীৰ ছাত্ৰ। মাকে কিশোৰৰ নিজৰ বাবে বহুতো কৰিলে! অপুলৰ আগন্তুক জীৱনৰ দায়িত্ব জানো কিশোৰে লব নালাগিব? আৰু সি নিজেওটো পঢ়িব লাগিব ... ... ...

আজি কলেজৰ নামভৰ্ত্তি হৈ গ'ল। কিন্তু টকাৰ অভাৱত সি কলেজত নাম ভৰ্ত্তি কৰিব নোৱাৰিলে। মাকে মৌজাদাৰৰ ওচৰত বন্ধকত থকা দুই বিঘা মাটিৰ পৰা অলপ মাটি বিক্ৰি কৰিবলৈ কৈছিল। প্ৰথমে সি আপত্তি কৰিছিল যদিওঁ পিচত তাৰ পঢ়াৰ প্ৰতি থকা আগ্ৰহ আকাংক্ষা বোৰক ফাঁকি দিব নোৱাৰি মাটিকে অলপ বিক্ৰি কৰিবলৈ মৌজাদাৰৰ ঘৰলৈ সি ৰাওঁনা হৈছিল। কিন্তু মৌজাদাৰে তাক টকা দিবলৈ সন্মত হোৱা নাছিল। কাৰণ মাকে আজি দুই বছৰৰ আগতেই হেনো তাক পঢ়াবলৈ সকলো খিনি মাটি বিক্ৰি কৰিছে। হঠাৎ অজানিতে কিশোৰ ঘামি গৈছিল, গোটেই দেহৰ ৰক্ত সঞ্চালন যেন বন্ধ হৈ যাব খুজিছিল। তথাপি সি অতি কষ্টৰে তাৰ ঘৰখন, পঢ়া জীৱনটো ধ্বংসস্তুপত পৰিণত নকৰি, কেইটামান টকা ধাৰলৈ দি সহায় কৰিবলৈ দুটোপাল অশ্ৰুৰে সৈতে মৌজাদাৰৰ ভৰিত পৰি ভিক্ষা মাগিছিল। কিন্তু টকা ধাৰে দিবলৈ মৌজাদাৰ মান্তি নহ'ল। সদায় পেট ভৰাই খাই থকা শগুনে মৰাশৰ দুখ বুজি নোপোৱাটোৱেই স্বাভাবিক। সি ঘৰলৈ উলটি আহি মাকক সকলো কৈছিল। মাক চিঞৰি উঠিছিল, কান্দিছিল, হাঁহাকাৰ কৰি মাটিত বাগৰি পৰিছিল .. ... ...

কিশোৰ পুনৰ মৌজাদাৰৰ ঘৰলৈ ৰাওঁনা হৈছিল এক বুজিব নোৱাৰা দুখৰ অনুভূতিত। তাৰ মাকে যে মাটি খিনি বিক্ৰিকৰা নাই বন্ধকতহে দিছে সেই কথা পুনৰ কৈছিল মৌজাদাৰে দানলোপেৰে আবৃত কোমল চকিখনত বহি শান্ত মূৰ্ত্তিৰে কিশোৰক মাটি বিক্ৰি হোৱা ৰচিদ-দলিল বোৰ দেখুৱাইছিল।

কিশোৰে চাইছিল-সি বুজিবলৈ বাকী নেথাকিল যে মাকৰ অসহায় আৰু দুৰ্ব্বল অৱস্থাৰ সুযোগ লৈ মৌজাদাৰে সিহঁতৰ সকলো বোৰ কাঢ়ি নিলে। সি উদভ্ৰান্ত হৈ উঠিছিল। তেতিয়াই যেন মৌজাদাৰ নামৰ এই ভণ্ড শিয়ালটোক টেটুচেপি হত্যা কৰিব তেনেকুৱা লাগিছিল কিশোৰৰ। কিন্তু সি তাৰ বিধবা মাক আৰু অপুলৰ বাবে একো নকৰিলে; কৰিব নোৱাৰিলে! ... ... ... ...

হঠাৎ কাৰোবাৰ শুকান হাত এখনৰ স্পৰ্শ পাই কিশোৰ চমকি উঠিল। ভাবিলে, হয়তো মাকে তাক বিচাৰি বিচনাত নাপায় ইয়ালৈ আহিছে। 'এই দৰে চিন্তা কৰি থাকি কি কৰিবি বোপাই। ৰাতিওঁ বহুত হ'লহি, আহ শুই থাকহি।" মাকৰ কথা মতে সি তাৰ পৰা উঠি ঘৰৰ ভিতৰত সোমাল। তাৰ কমটো তেতিয়াও ঘোৰ আন্ধাৰে আবৰি আছিল। মাকে মম বাতি এডাল জ্বলাই তাক শুবলৈ কৈ নিজেওঁ শুবলৈ গ'ল।

এৰা ৰাতি হয়তো বহুত হ'ল-সি ভাবিলে। জ্বলি থকা মম বাতি ডালৰ ফালে সি এনেয়ে এবাৰ চালে। এৰা, সেই মমবাতি ডালৰ তাপ সামান্য, পোহৰো সামান্য কিন্তু প্ৰবল মাথো দহন শক্তি; সেই কন জুইয়ে এটা মমবাতি পুৰি শেষ কৰিব পাৰে। এটা ঘৰো পুৰি শেষ কৰিব পাৰে, এখন চহৰো পুৰি ছাঁই কৰি দিব পাৰে।

ভাল্লেমান পৰ সি নিৰবে বহি থাকিল। কিশোৰ হঠাতে হেৰোৱা বস্তু এটা পোৱাৰ দৰে উঠি গৈ মমবাতি ডাল ফুৱাই দিলে। সমগ্ৰ কোঠাটো, সমগ্ৰ জগত খন গাঢ় আন্ধাৰৰ মাজত সোমাই পৰিল। এই নিবিড় অন্ধকাৰ খিনিৰ লগত সিহঁতৰ জীৱনবোৰ তুলনা কৰি চালে সি! পাৰ্থক্য বিচাৰিলে সিহঁতৰ জীৱন আৰু এই আন্ধাৰ খিনিৰ মাজত থকা নিগুঢ় সম্বন্ধ খিনিক।

সি এতিয়া কি কৰিব।—পঢ়িব? কিন্তু কেনেকৈ? উচ্চ শিক্ষা লোৱাৰ সামৰ্থ্য তাৰ যে নাই। তাৰ লগৰবোৰ কলেজত পঢ়িব; ভাল মানুহ হব। কিন্তু সি—? দেউতাকৰ আশাবোৰ সিহঁতে কিয় পূৰণ কৰিব নোৱাৰিলে?

কিশোৰ আকৌ চোতাললৈ ওলাই আহিল। ৰাতিটো আৰু গহীন হৈ আহিছে। কিছুসময়ৰ পিচত হয়তো ৰাতি পুৱাব। ৰাতিৰ ৰহস্যময় পৃথিৱী খন দিনৰ পোহৰত গতানুগতিক আৰু নিৰস হৈ পৰিব। মানুহৰ বুকুৰ অনুতাপ অনুশোচনা লৈ এটা আন্ধাৰ ৰাতি মহাকালৰ বুকুত হেৰায় যাব। কোনো ক্ষতি নাই! আৰু বহুত ৰাতি আহিব; আৰু বহুত ৰাতি যাব। মনৰ মাজৰ ঘাঁবোৰ ক্ৰমে শুকাই যাব। কিশোৰৰ মনত নতুন বল পোৱা যেন লাগিল। আনৰ ওপৰত অভিযোগ কৰিলে নিজৰ দুৰ্বলতাৰেই প্ৰকাশ মাথো। তাক কোনোবাই আঘাত কৰিলে; কোনোবাই অপদাৰ্থ প্ৰতিয়মান কৰিলে, কোনোবাই শুধৰনি নোহোৱাকৈ ঠগিলে, হয়তো সঁচা কথা। কিন্তু তাত গুৰুত্ব দি কি লাভ? জীৱনৰ জয় পৰাজয়তকৈ জীৱন নিশ্চয় বহুত ডাঙৰ। এটা আত্মাৰ দুৰ্ব্বিসহ বেদনা, এটা প্ৰাণৰ অবৰুদ্ধ কান্দোন এখন ভাঙি যোৱা হিয়াৰ দুঃসহ মৰ্ম্মদাহ সকলো সঁচা কথা। কিন্তু জীৱনৰ ঘাত - প্ৰতিঘাতবোৰ হাঁহি মুখে লব নোৱাৰিলে জীয়াই থকা অসম্ভৱ, আৰু বহুত কথাই ভাবিলে কিশোৰে। জীৱনৰ সাৰ্থকতা কেৱল পোৱাতেই জানো? হেৰোৱাৰ জানো কোনো মহিমা নাই? কোনো মূল্য নাই? মুখা পিন্ধা কোনোবা ভদ্ৰলোকে অনাদৃত কাৰোবাৰ জীৱন ধ্বংস কৰিব। তেন্তে এয়ে নেকি—অ' মোৰ আপোনাৰ দেশ, অ' মোৰ মৰমৰ দেশ, এনেখন শুৱলা, এনেখন মৰমৰ দেশ। কোনোবা ঘৰশত্ৰু বিভিষনে গুলাপি নিচা সেৱন কৰি টকাৰ মায়াত মতলীয়া হৈ দেশখনৰ উঠি অহা নাগৰিকৰ ভৱিষ্যত ধ্বংস কৰাৰ প্ৰস্তুতি চলাব, সেয়ে জানো মোৰ আপোন, মোৰ মৰমৰ অসমী আইৰ সন্তান? ভাবি ভাবি কিশোৰৰ বিস্বাদ লাগিল। লাহে লাহে সি ভিতৰলৈ সোমায় আহিল। হয়তো ৰাতি পুৱাবই। সি লাহে লাহে বিচনাত বাগৰ দিলে। শুবলৈ প্ৰবল

ইচ্ছা থকা স্বত্বেও কিশোৰ শুব নোৱাৰিলে। সি ভাবিলে যাৰ পঢ়া সমূলি ইচ্ছা নাই, তেওঁৰ কিজানি টকাৰ অভাব নাই।

ঘৰৰ চাল নথকা ফুটা মূধচৰে সি আকাশৰ বহুত দূৰৰ তৰা এটালৈ চালে যদি এই তৰাটোলৈ গুচি যাব পাৰিলেহেতেন। হয়তো তাত সকলো আছে কিন্তু মানুহ নাই। মানুহ হয়তো নাই, কিন্তু কিজানিবা তাত মৰম ভালপোৱা আছে, স্বপ্ন আছে, আশা আছে ......

নিজেই কব নোৱাৰাকৈ তাৰ এই নিষ্ঠুৰ পৃথিবীখনৰ প্রতি বিতৃষ্ণা ভাব জাগি উঠিল। অনুভৱ হয় তাৰ অতৃপ্ত আত্মাই যেন বহুত কিবা কিবি কৰিব বিচাৰিছে। নিজৰ অজানিতেই সি বাহিৰলৈ ওলাই আহিল। একেবাৰে বাওঁ কেকুৰীটো ঘূৰি সি প্ৰকাণ্ড অট্টালিকা ঘৰটোৰ সন্মুখত ৰৈ গ'ল। সি অনুভৱ কৰিছে, সি যেন ক্ৰমান্বয়ে নিজক হেৰুৱাই পেলাইছে 'কোনোবা ৰক্তপিপাসু পিশাচৰ ৰাজ্যত" ॥

অলপ পিচত সি নিজেই নিজৰ বিদ্ৰোহী মনটোক প্ৰশ্ন কৰিলে সি ইয়ালৈ কিয় আহিছে ? তাৰ পাপ্য বিচাৰি ? নে কাৰোবাক হত্যা কৰিবলৈ ?? হত্যা ! এৰা সি হত্যা কৰিব ! কোমল আসনত বহি দেশ মাতৃক বিপথে নিয়াৰ পৰিকল্পনা কৰা সেই বিষাক্ত সাপটোক সি ধ্বংস কৰিব আৰু উঠি অহা কোনো কিশোৰৰ জীৱন যাতে ধ্বংস কৰিব নোৱাৰে তাৰেই ব্যৱস্থা কৰিব কিশোৰে। লাহে লাহে কিশোৰে লোহাৰ প্ৰকাণ্ড বেৰ খন পাৰ হৈ ভিতৰত প্ৰবেশ কৰিলে।

অলপ পিচতেই শুনা গ'ল-এটি বিভৎস মৃত্যুকাতৰ গোঙনি আৰু এটা গুলিৰ শব্দ—

দূৰৈৰ পৰা বাগৰি অহা বেলৰ দীঘলীয়া শুহুৰীটো কিশোৰৰ কানত পৰিল। ওচৰতে কাৰোবাৰ গুণ-গুণনি শুনি সি আচৰিত হ'ল ! অলপ লৰচৰ কৰিব খোজোতেই ভৰিত সোমোৱা গুলিটোৱে প্ৰতিবাদ কৰি উঠিল। সি কেকাই উঠিল ওচৰতে কাৰোবাৰ পুত্ৰস্নেহ আকুল ক্ৰন্দন শুনি সি লাহেকৈ চকু মেলি চালে। দেখিলে এজন পুলিচ অফিচাৰে হেণ্ডকাফ ডাল তাৰ হাতত পিন্ধায় দিছে। এজন পুলিচে এজনী বুঢ়ী মানুহক তাৰ কাষৰ পৰা জোৰেৰে আঁতৰাই নিছে। দুজন মানে বুঢ়ীলৈ চাই কৰা মন্তব্য তাৰ কানত পৰিলে—যা, যা, বুঢ়ী এতিয়া আহিছ পুত্ৰস্নেহ দেখুৱাব। এজন আদৰ্শ শিক্ষকৰ সন্তান হৈ এনে নীচ কাম কৰিব পাৰিব বুলি ভবাই নাছিলো। আন এজনে কলে—পুতেৰে সমাজৰ এজন সৎ মানুহক হত্যা কৰিছে।

দুজন পুলিচে কিশোৰক এখন ৰঙা গাড়ীৰ ভিতৰত ভৰাই দিলে। লাহে লাহে গাড়ীখন ধাৱিত হ'ল—কোনোবা এখন নৰক ৰাজ্যলৈ। মানুহ জাকৰ মাজৰ পৰা এজনী বুঢ়ী উচুপি থুকা-থুকি কণ্ঠৰে কিবা কিবি চিঞৰি মাটিত বাগৰি পৰিল। সি মাত্ৰ চালে-অশ্ৰুজলে ওপঁচা এটি শোকাতুৰা চাৱঁনিৰে ! নয়নৰ কোবাল ধাৰে বোৱা চকুপানীয়ে আৰু এখনি সৰু বুকু তিয়াই পেলালে—সেয়া তাৰ সৰু ভায়েক অপু !

উচুপনিৰ লগত বুকুখনিৰ কপঁনিৰ সুৰে আন এখনি বুকুকো কপাই তুলি—"নিশাৰ শেষ বেদনাই !!"

কবিতা



# নতুন গোসাঁনী

শ্ৰীভৱানন্দ ৰাজখোৱা, এম-এ
( সাহিত্যিক পেন্সনাৰ )

শাৰদী জোনাকে জিলমিলালে
শেৱালি, উৎপলে মউ বৰষিলে,
আকউ আহিল সিংহবাহিনী
দশভুজা ৰূপ ধৰি;
জননী দুৰ্গা দনুজদলনী,
ভদ্ৰকালী আই শুভপ্ৰদায়িনী,
তেওঁৰে পূজাৰ শঙ্খ বাজিল
বিল্ব বোধন কৰি।
কাৰ পূজা মই কৰোঁ আয়োজন
কাৰনো মায়াত পৰি।

কনক কিৰণ নামিল পূৱাৰ,
বন-বিহগীৰ উঠিল জোকাৰ,
মোৰ পূজা মই কৰোঁ আয়োজন
নতুন বোধন কৰি;
আই গোসাঁনীক বহুতো পুজিলোঁ,
দেৱী কৱচৰ মন্ত্ৰ মাতিলো
কোমল কমল অপৰাজিতাৰ
অৰ্ঘ্য হাতেৰে ধৰি।
সন্ধিপূজাত বাণ্ডলী জবাৰ
জেউতি উঠিল চৰি।

এইবাৰ মোৰ নতুন পূজাৰ
নাই সমাৰোহ 'নৱপত্ৰিকা'ৰ,
বহিছেহি আই পাহৰা গোসাঁনী
হিয়া 'ভদ্ৰাসন' জুৰি
কেঁচা ধাননিৰ সেউজীয়া বোলে
সোণালী ৰ'দত জিলিকনি তোলে,
কপাহী ডাৱৰে জুৰণি নমালে
শুধ চন্দ্ৰতাপ তৰি।
বন - কুঁৱৰীয়ে কৰিলে বৰণ
ফুলাম কঁহুৱা ধৰি!

দশভূজা মোৰ গোসাঁনী নহয়,
নিৰিচাৰে আয়ে সংহাৰ প্ৰলয়,
দেখা দিছে আহি জননীয়ে মোৰ
করুণা-মুৰুতি ধৰি;
পাট মেজাঙ্কৰি, নিকা সাজপাৰ
ডিঙিত ধুনীয়া গজমতি হাৰ
সোণখতা খাৰু জিলিকে হাতত
কেনে চিক্‌মিক্ কৰি ।
সোণপৰুৱাই ফেঁটটি পিন্ধালে
শুৱনি শিৰত পৰি !

দেৱীৰ পূজাৰ মহাষ্টমীত
কিমান মিঠা চিকমিকনিত
পদ পদুমত 'মহায়ান'ৰ
অমৃত পৰিল জৰি ;
মোৰ গোসাঁনীৰ পূজাৰ পৰত
সোণ শৰতৰ পুষ্পপাত্ৰত
কোন নন্দনৰ চন্দন বনৰ
সৌৰভ পৰিল ভৰি ।
পূজোঁ আজি মই কোন গোসাঁনীক
নতুন বোধন কৰি !

পূজেঁা আজি মই মোৰ গোসাঁনীক
নিৰুপমা আই জনমভূমিক
শাৰদী হিয়াৰ বক্তজবাৰে
চৰণ বৰণ কৰি ;
বীণৰ জোকাৰ কিমানে শুনালে,
মাণিক মুকুতা কতজনে দিলে,
জীয়া তেজবোৰ কিমানে ঢালিলে
তোমাৰে মায়াত পৰি ।
যুগে-যুগে তুমি কামৰূপা দেশ,
ধ্যানৰ স্বৰ্গপুৰি ।

তুমিয়ে লখিমী কুবেৰ-ভাণ্ডাৰ,
তুমি বীণাপাণি জ্ঞানৰ আধাৰ,
মঙ্গলদায়িনী, শকতিৰূপিনী
হাতত ত্ৰিশূল ধৰি ;
দানৱক তুমি কৰিছা দমন
লৌহিত্য-তীৰত নমাই নন্দন
সিংহবাহিনী কত লাচিতক
তোমাৰে বাহন কৰি ।
সকলোকে আই বাচিছা অমৃত
অমল পাত্ৰ ধৰি !

পূজেঁা আজি মই মোৰ গোসাঁনীক
শত জনমৰ অসম মাতৃক,
সন্ধিপূজাত দিওঁ বলিদান
ঈৰ্ষা, অসূয়া চিৰি ;
অসমীয়া মাতে সঁজাল ধৰক,
আই, আই বুলি তোমাক মাতক,
তোমাৰ কোলাতে উঠক জননী
মিলন-তীৰ্থ গঢ়ি ।
বনকৰা পাট উৰি যুগে যুগে
হোৱাঁ আই বিশ্বেশ্বৰী ।

# তোমালোকে তাক চিনি পোৱা

ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা

তোমালোকে এটা দৈত্যক চিনি পোৱা
কেৱল এটা দৈত্যক
যাৰ ঠেং দীঘল
নেজ দীঘল
ছুঁটোও তাৰ
ওক গছজোপা আৱৰি ধৰিব পৰা বিধৰ
পোছাক নোম নখ ইত্যাদিৰ
সি নিজেই এখন বৰ পীৰা
তোমালোকক সোধ পোচ কৰি বহিবলৈ কয়
খবৰ লয় তোমালোকৰ
তোমালোকে সেইকাৰণে সেই দৈত্যটোক
চিনি পোৱা
দৈত্যটোৱে অৱশ্যে
নিজৰ নেজতে নিজে বহে কেতিয়াবা
নিজৰ মঙহ
কেতিয়াবা নিজেই চিকুটি খায়
অজীৰ্ণ হলেও তাৰ ভয় কিহৰ ?
দীঘল হাত তাৰ
হাতৰ মুঠিত তাৰ চিকিৎসালয়বোৰ
অট্টালিকাবোৰ
ফাইভষ্টাৰ হোটেলবোৰ
তাৰ ইশাৰাত
সাগৰ নগৰ হয়
নগৰ সাগৰ
সি চকু মেলিলেহে
বহুৱে চকু মেলে যে
সি তাৰ অঁকুহীৰে
তোমালোকক গছৰ পৰা পাৰি আনে
কেতিয়াবা পানীলৈ ঠেলা মাৰে
কেতিয়াবা ওপৰলৈ
কেতিয়াবা তললৈ
তলৰ পৰা ওপৰলৈ
ওপৰৰ পৰা তললৈ
অৰ্থাৎ 'দেশ'ৰ পৰা 'বিদেশলৈ'
নাম তাৰ পদ্মলোচন কিন্তু !

* * *

# তুমি মৰুভূমি

শ্ৰীঅপূৰ্ব কুমাৰ শৰ্ম্মা
স্নাতক ১ম বাৰ্ষিক

ফাগুণৰ পছোৱাত
সৰি পৰা
গছৰ পাতবোৰ
দেখিলে, গছকিলে
মনত পৰে
সেই শুকান
বালিময় মৰুভূমিখনলৈ
য'ত মই হেৰুৱাইছিলো
মোৰ জীপাল
হৃদয়খনক ।

O

# "বনৰীয়া বিহংগম"

শ্ৰীজ্যোতিষ চন্দ্ৰ নাথ
স্নাতক ২য় বৰ্ষ ( কলা )

বিশাল আকাশৰ
উদাৰ বুকুত
তুমি এটি বনৰীয়া বিহংগ ।

প্ৰকৃতিৰ কোলাত
আলফুলে ডাঙৰ হোৱা
লাহি পাখিৰে উৰি
মুক্ত মনে গীত গোৱা
তুমি এটি বনৰীয়া বিহংগ ।

মুখত সুৱলিত কণ্ঠ
দেহত বৰণীয়া পাখিৰে
যেতিয়া তুমি উৰি যোৱা

প্ৰকৃতি প্ৰিয় কোনো
আলসুৱা কবিৰ
কোমল প্ৰাণত
তোমাৰ প্ৰতি ভালপোৱা জাগে ।

নিৰৱ নিস্তব্ধ কোনো বননিৰ
লাহি সেউজী ডালত পৰি
তুমি গোৱা এটি গীতত
মৰম আকলুৱা কোনো প্ৰেমিকৰ
মনত বিৰহৰ অগ্নি জ্বলে ।

হাত মেলি ঢুকি নোপোৱা
উচ্চ বিৰিখত
লয়লাস ভংগিমাত
তুমি বহি —

সৌন্দৰ্য্য পিপাসী কোনো শিল্পীৰ
লাহি তুলিকাত চিত্ৰ বিচিত্ৰ ৰঙত
যেতিয়া তুমি দিয়া দেখা
তেতিয়া হয়তো শিল্পীয়ে
এটিবাৰো নাভাবে
মুক্ত আকাশৰ তুমি এটি
'বনৰীয়া বিহংগম' ।

অসম্পূৰ্ণ চিত্ৰ পটখন
আৰু মনত
আশা ভংগৰ বিষাদেৰে
যেতিয়া পূজাৰী (শিল্পী) আঁতৰি যায়
চকুৰ কোনত দুটোপাল চকুপানী ।
আৰু তুমি ?
মুক্ত আকাশৰ এটি 'বনৰীয়া বিহংগম' ।



# আই

( এটি ইলিজি )

O জ্যোৎস্না বৰদলৈ
স্নাতক ১ম বাৰ্ষিক (কলা)

(১)

বিশাল ধৰাবপৰা,
উৰিগ'ল মোৰ সৰগৰ তৰা !
কেনেনো চিকন আই
তোমাৰ মুখখনি
অকালতে কিয় আই
আমাক কন্দুৱাই থই
এৰি গলা কিয় আমাক আই
নিঠৰুৱা কৰি... ... ... ... ।

(২)

কিমান আগ্ৰহেৰে আই
আছিলো মই বাট চাই,
একেলগে ভাত খাম বুলি,
অন্তৰৰ কথা বোৰ
অন্তৰতে গাঁথি লৈ
একো কথা মোক নকলাযে খুলি ·· ····!

(৩)

তোমাৰ মনত আই
ফুৰিম বুলি বহু ঠাই
বহুতো আছিল যে আশা
উপায় বিহীন কৰি সকলোৰে মনত
দিলা তুমি মাথোন হতাশা ······!

(৪)

তোমাৰ বুকুৰ মাজত উম দি ৰাখি
আছিলা মোক অ'াকোৱালী ধৰি,
ইমান মৰমৰ মাজত
কিয় আই গুছি গ'লা
সংসাৰত আমাক অকলশৰীয়া কৰি ······! O

# প্ৰতিবাদৰ কণ্ঠ

O মিচ্ নমিতা ব্ৰহ্ম
স্নাতক ১ম বাৰ্ষিক (কলা)

আমাৰ যাত্ৰাৰ শেষ ক'ত
কালচক্ৰৰ মায়া বান্ধোনত
আমি বিচাৰোঁ মুক্তি
জীবাত্মা কফিনৰ
উচুপনিবোৰে
দেৱালত খুন্দা মাৰে
মাথো প্ৰতিধ্বনিত হয়
আমাক মুক্তি লাগে ।
বহুদিন পাৰ হ'ল
অনাহাৰে অৱহেলাই
প্ৰতিবাদৰ একেটা তালৰ
মুখৰিত ধ্বনিত
বহন সানো
বিক্ষোভ আনো মানৱ প্ৰাণত ।
স্বপ্নৰ মায়াজালত
সোনৰ কাৰেঙত বহি
তোমালোকৰ কথাকেই ভাবো
স্নেহ ওপজে তোমালোকলৈ
ক্লান্ত মুখ আৰু শৰীৰবোৰলৈ ।

# মই আকৌ আহিম দেশৰ বাবে

O হৰেন্দ্ৰ কেওঁট
প্ৰাক্তন ছাত্ৰ

মোক যদি কোনোবাই হত্যা কৰে
দুহাতত শান্তিৰ পতাকা লৈ
শুকান গছৰ যন্ত্ৰণা উপশম কৰিবলৈ
মই আকৌ আহিম দেশৰ বাবে
ধুমুহাৰ বুকুত থকা গছপুলি আজুৰিবলৈ
হাতত পোহৰৰ জোৰ লৈ
আউশী ৰাতি মই আকৌ আহিম !

মই আকৌ আহিম দেশৰ বাবে
অন্ধকাৰ গলিৰ গণিকাবোৰক
সহানুভূতি অকন যাচিবলৈ
'মা' বুলি এষাৰি মাত দিবলৈ ।
কণ্ঠত প্ৰতিবাদৰ ভাষা কঢ়িয়াই
শান্তিৰ চৰাইটি পিঞ্জৰামুক্ত কৰিবলৈ
মই আকৌ আহিম দেশৰ বাবে
শাওনৰ পথাৰৰ ভদিয়া, ৰংমন
ৰঙিলী, পমিলীহঁতক এষাৰ মাত দিবলৈ
সিহঁতৰ ঘৰ্মাক্ত মুখৰ ভাষা বুজিবলৈ
মই আকৌ আহিম !

আজন্ম চিনাকি মানুহবোৰৰ মাজৰ পৰা
মোক যদি কোনোবাই আঁতৰাই লৈ যায়
বায়ুবেগেৰে মই আকৌ আহিম ।
বাক্‌হীনক ভাষা দিবলৈ
হৃদয়ৰ সতে হৃদয়ৰ মালা গাঁথিবলৈ
নাঙঠ শিশুবোৰক চকু দিবলৈ
ধৰ্ষিতা গাভৰুৰ হকে মাত দিবলৈ
মই আকৌ আহিম ।
মই আহিম ! আহিমেই !!

O

# সেই নদী তুমি—বসুন্ধৰা

শ্ৰীঅলি দেৱী
স্নাতক ২য় বাৰ্ষিক ( কলা )

আকাশৰ দেওনা পাৰ হোৱা
এটি মাথো বিন্দু
সেই যে মই কৈছিলো
সাগৰ খন নীলা !

জেতুকা পাতেৰে হাত ধোৱা
নীলা কৰবী খোপাত পিন্ধা
মদন পিছলি পৰা
সেই নদী তুমি
বসুন্ধৰা !

বুকুৰ কাঁচলি উদঙাই দিয়া
মুখ গোলপুৰা হোৱা
হিয়া উজাৰি মৰম দিয়া
কথা কণ্ঠতে গীত গোৱা
সেই নদী তুমি
বসুন্ধৰা !

বহুত আছে কবলগীয়া
নকও বাৰু
আকাশৰ দেওনা পাৰ হোৱা
এটি মাথো বিন্দু
সেই নদী তুমি মাথো
বসুন্ধৰা ।।

O

# হাঁহি কাৰ বাবে

শ্ৰীবিনোদ চন্দ্ৰ ডেকা
স্নাতক ১ম বাৰ্ষিক (কলা)



দুহাতত যেতিয়া এথুপি ফুল থাকে
ফুল জুপিৰ কথা কোনেনো ভাবে ?
অন্তৰত যেতিয়া দুখ থাকে
কাৰ মনে বাৰু হাঁহিব পাৰে ?
পুঞ্জীভূত হৈ যেতিয়া তোমাৰ চকুলো
অন্তৰত ওলমি থাকে
হাঁহিলেও তুমি ভাবিব লাগে
কিজানি অলক্ষিতে চকুলো সৰে
তথাপি তুমি হাঁহিব লাগে
হাঁহিৰোৰ সদায় আনৰ বাবে ।

O

### এটি নতুন দিনৰ

# প্ৰতিশ্ৰুতি

O নৱ কুমাৰ শৰ্ম্মা
স্নাতক ২য় বাৰ্ষিক (কলা)



বিগত দিনবোৰলৈ
উভতি চাওঁ
দেখো

ক্লান্ত মনৰ উচুপনি য'ত
সহস্ৰ জনৰ বেদনাৰে
জৰ্জৰিত একোখন
প্ৰচণ্ড জলন্ত অগ্নিপিণ্ড
আক

এই ৰঙা-নীলা শিখাবোৰত
প্ৰজ্বলিত হৱ ধৰা
শোষিত চামৰ হতাশাবোৰ
ক্ৰমাগত ভাবে ৰক্তাভ হৈ
আগবাঢ়িছে ।

সিহঁতক লাগে, মুক্তি—
নতুনৰ সন্ধান ।
প্ৰতিশ্ৰুতি !

তেজপিয়াহঁতক কঠোৰ
বজ্ৰাঘাত কৰিবলৈ সমবেত
জনতাৰ চৰম প্ৰতিজ্ঞা,
বিগত দিনৰ বেজাৰৰ
কলীয়া ডাৱৰবোৰ উৰি উৰি
ভাস্বত হোৱা নীলাকাশৰ
প্ৰতিশ্ৰুতি ।

## সময়

আৰু

## যুদ্ধৰ আখৰা

( পেলেষ্টাইনী শিশুসকলৰ হাতত )


O বিনয় চলিহা
ত্রিবর্ষীয় স্নাতক (কলা)


সৈনিকৰ সাজ পিন্ধায়, এতিয়া
কেঁচুৱাটোক শিকাইছো যুদ্ধৰ আখৰা ;
তাৰ তেজত তজ্ বজাই হেজাৰটা বনৰীয়া ঘোঁৰা ।
পঢ়াশালিলৈ'' তাক পঠোৱা বাটেৰে
সি এতিয়া যাব বিচাৰে সমৰ-শালীলৈ' ।
সি নাজানে,
সি নিচিনে, কিতাপৰ আখৰ !
শান্তি নামৰ শব্দ এটাও যে আছিল—
আমি আটায়ে সম্ভৱ পাহৰিলো ;
কেঁচুৱাটোক শিকাবলৈয়ো নহ'ল ।
সি মাথো জানে, সি মাথো চিনে—
যুদ্ধলৈ' যোৱা পথ,
বন্দুক-বাৰুদৰ গোন্ধ ; সৈনিকী পোচাকৰ ৰঙ ।
কেঁচুৱাটোক শিকাইছো এতিয়া, যুদ্ধৰ জয়গান গাবলৈ
যাতে, সি পাহৰি থাকে—
'মানবতা' নামৰ কৌটিকলীয়া শব্দ
তাৰ তেজত তিৰ্ বিৰাই এতিয়া
তেজৰ নিচাৰ স্বপ্ন ॥ O

## পোহৰ

### তোমাক বিচাৰি —


ইচ্ কান্দাৰ ছাইদ মল্লিক
স্নাতক ২য় বার্ষিক


পোহৰ !
নিশা স্তব্ধ হয় যেতিয়া
তেতিয়া মোৰ মনে বিচাৰি ফুৰে
পোহৰ তোমাক !
মাজনিশাৰ স্বপ্নৰ মাজত
তোমাৰ লাৱন্যক বিচাৰি
হাবাথুৰী খায় মোৰ মনে
পোহৰ ! তোমাক বিচাৰি ।
কেতিয়াবা মোৰ গভীৰ হৃদয়
কিছুমান বেদনাৰ অশ্রুয়ে প্লাৱিত কৰিব বিচাৰে
পোহৰ তোমাক বিচাৰি ।
ঠিক সেই সময়ত মোৰ আশাৰ মাজুলিত
জাগি উঠে
হাজাৰ ভাৱৰ সঞ্চাৰ
পোহৰ ! তোমাক বিচাৰি । O

# সেঁাত

শ্রীনগেন্দ্র নাৰায়ণ বৰুৱা
স্নাতক দ্বিবৰ্ষ (কলা)

পেষিত নিষ্পেষিত জনতাৰ
বুকুৱে বুকুৱে বাগৰি যায়
এজাক নৰখাদকৰ তীক্ষ্ণ
দঁাতৰ আচোঁৰ !
'Born free' মানুহৰ দল
সমাধিস্থ হ'ল 'ৰুচো'ৰ
সমাধি তলত,
ওপৰেৰে পাৰ হৈ যায়
নিচান হাততলৈ চামে চামে
সুযোগ সন্ধানিৰ দল,
ৰৈ যায় মাথো তাত বুটজোতাৰ
গিৰিপা গিৰিপা শব্দৰ
প্ৰতিধ্বনি !
উত্তৰ বিচাৰে সিহঁতে
মানৱতাৰ জয় গান গোৱা
সেইচাম খাদকৰ ওচৰত
কিন্তু প্ৰশ্নবোৰ—
গুলি আৰু বাৰুদৰ
প্ৰচণ্ড আঘাতত ধূলিসাৎ হৈ
হেৰাই যায় আন্ধাৰৰ
গোপন কক্ষত !
তথাপি সিহঁত মৰি মৰি জীয়াই আছে
অত্যাচাৰ অনাচাৰৰ
দুৰ্বিসহ বোজা কঢ়িয়াই,
আৰু জীয়াই থাকিব নতুন পুৰুষৰ
চকুৱে চকুৱে
মধ্যাহ্ন বেলিৰ দৰে চিৰ জ্যোতিষ্মানহৈ।

# অভিশপ্ত চন্দ্ৰালী আৰু মোৰ প্ৰেমৰ এছোৱা

O অৰুন কটকী
স্নাতক (কলা)

তোমাৰ বুকুত, শিল্পীৰ তুলিকাৰ আঁছোৰ
তোমাৰ দেহত, কবিৰ কলমৰ তীক্ষ্ণ আখৰ
বাগৰি থকা, একুৰি চাৰিটা গ্ৰাস আৰু
মানুহৰ পদাৰ্পণৰ বিপৰীতে
তোমাৰ কলিজাটো ?
বট বৃক্ষৰ তলত শোৱা কোনো মানুহ
বিষন্ন প্ৰকৃতিৰ কোলাত নীলা চৰাইজনী
এতিয়া গভীৰ টোপনীত !
মই সাৰে আছোঁ
তোমাৰ চন্দ্ৰালীৰ সতে, উৰুখা চালৰ তলত !
যোৱা পূৰ্ণিমানিশাৰ লাজ লাজ চাৱনিত
মই দেখিছিলো
তোমাৰ লাৱন্যময়ী চাৱনীৰ ফাঁকে ফাঁকে
তোমাৰ যৌৱনৰ অনুপম মাদকতা
মই হেপাহেৰে থৰ লাগি চাইছিলো
তোমাৰ চন্দ্ৰালীতে মই পাইছিলো, মোৰ
ভগ্ন জীৱনত, মমতাৰ প্ৰথম পোহৰ !
এটা অমাবস্যাৰ পৰা আন এটা পূৰ্ণিমাৰ মাজছোৱাত
তুমি মোৰ নয়নৰ, কল্পনা হবা উত্তপ্ত বেদনাৰ ।
মই পৰিত্যক্তা ঃ আশাৰে বাটচাম তৰুন পূৰ্ণিমালে ।
ভয় নকৰিবা চন্দ্ৰা
অসভ্য ভেটিত মানুহৰ, চহৰৰ বিজুলীবাটিত !
বিদ্ৰূপৰ হাঁহি আৰু আনন্দৰ আতাচ বাজিত
পূৰ্ণিমাৰ পঞ্জীভূত ৰূপম চন্দ্ৰালীক ঠাই দিয়া নাই
ঠাই দিছোঁ ঃ মোৰ সদ্যজাত নয়ন আৰু
উৰুখা চালৰ তলত ।

O

# এৰাতি এবুকু তৃষ্ণা

O মুকুট চন্দ্ৰ শৰ্ম্মা
উঃ মাঃ ১ম বাৰ্ষিক (বিজ্ঞান)

তুমি
দুহাতেৰে
আগবঢ়াই দিছিলা
এৰাতি এবুকু তৃষ্ণা
আকুল
ব্যাকুল

মোৰ ওৰেটো
ৰাতি
হৃদয়ে
দুৱাৰ খুলি
দেখিছিল
প্ৰিয়তমাৰ
লাৱনী
দেহা

বৰফৰ পজা
যেন
পমি
আছে
এটোক
দুটোক
আবেগত
কবিতাৰ
ৰ'দ
তোমাৰ
বুকুৰ

অন্তৰখনো
যেন
শৰতৰ
নিশাটিৰ
দৰে ।

—✤—

## মহাবিদ্যালয় সপ্তাহৰ প্ৰতিভাৰ বেঙণি ('৮৮-৮৯ চন)







শ্ৰীদীপ্তি দেৱী
শ্ৰেষ্ঠা গায়িকা ১৯৮৮-৮৯ :

শ্ৰীঅঞ্জনা চক্ৰৱৰ্ত্তী
একেৰাহে তিনি বছৰৰ বাবে
শ্ৰেষ্ঠা তৰ্ক প্ৰতিযোগী ৰূপে পুৰস্কৃত :

শ্ৰীৰুমী শৰ্মা
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী

বছৰৰ শ্ৰেষ্ঠ কুইজ প্ৰতিযোগী দলটি—থিয়হৈ লক্ষন চহৰীয়া, বহি বাওঁফালৰ পৰা নিত্যানন্দ তালুকদাৰ, বীৰেন্দ্ৰ কুমাৰ কলিতা। →





শ্ৰীকুশল ডেকা
কেৰেলাত অনুস্থিত সৰ্ব্বভাৰতীয় ক্ৰীড়া প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰা আৰু একে ৰাহে তিনিবছৰ ধৰি এই বছৰৰ ← শ্ৰেষ্ঠ বহিঃ দ্বাৰ খেলুৱৈ —

ৰাষ্টীয় সেৱা আঁচনিৰ বিশেষ শিবিৰ- ৮৮-৮৯ কলিয়াবৰ মহাবিদ্যালয় থিয় হৈ বাওঁফালৰ পৰা ঃ শ্ৰীজ্যোতিষ চন্দ্ৰ নাথ, কুশল শৰ্ম্মা, দিলীপ কুমাৰ নাথ (অধিনায়ক) বহি বাওঁফালৰপৰা ঃ অনঞ্জন ডেকা, ৰাজেন্দ্ৰ বৰুৱা (কাৰ্য্যসূচী বিষয়া), প্ৰমোদ ডেকা ।

→





সুকুমাৰ কলা বিভাগৰ সকলো প্ৰতিযোগিতাতে পুৰস্কাৰ লাভ কৰা আৰু বছৰৰ শ্ৰেষ্ঠ সুকুমাৰ কলা প্ৰতিযোগী

← শ্ৰীদাদুল চলিহা



শ্ৰীঅলি দেৱী
বছৰৰ শ্ৰেষ্ঠ বহিদ্বাৰ খেলুৱৈ
→



বছৰৰ শ্ৰেষ্ঠ নাট্যদল আৰু কোৰাছ দল

বহি বাওঁফালৰ পৰা সৰ্ব্বশ্ৰী গিৰীশ শইকীয়া ( শ্ৰেষ্ঠ পৰিচালক একেবাহে দুবাৰ ) ভৱজ্যোতি চহৰীয়া, ( শ্ৰেষ্ঠ অভিনেতা ) হেমন্ত বৰুৱা, ঠিয় হৈ বাওঁফালৰ পৰা প্ৰনৱ ডেকা, ( শ্ৰেষ্ঠ-কৌতুক অভিনেতা ) কামাখ্যা ডেকা আৰু প্ৰশান্ত নাথ ( ছবিত দেখা নগ'ল কঙ্কণ চহৰীয়া, অভিজিৎ শৰ্ম্মা মিচ্ মুণ্ম ডেকা )।



বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মী দল (বাওঁফালৰ পৰা) সৰ্বশ্ৰী প্ৰমোদ ডেকা, জ্যোতিষ নাথ আৰু কুশল শৰ্ম্মা ।

## মহাবিদ্যালয় সপ্তাহৰ প্ৰতিভাৰ বেঙণি ( ৮৮ ‌‌- ৮৯ চন )




শ্ৰীনৰ কুমাৰ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ প্ৰাচীৰ কবি



শ্ৰীজ্যোতি প্ৰসাদ শইকীয়া
বছৰৰ শ্ৰেষ্ঠ সমাজ কৰ্মী



শ্ৰীকল্যান মেচ্
বছৰৰ শ্ৰেষ্ঠ দেহশ্ৰী



শ্ৰীবৰ্ণালী ডেকা আৰু শ্ৰীঅপৰাজিতা ভৰৰাজ
৺কুশল ডেকা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা
আৰু অন্যান্য তৰ্ক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল
ৰূপে পুৰস্কৃত মঙ্গলদৈ মহাবিদ্যালয় দল।



শ্ৰীবিনয় চলিহা
বছৰৰ শ্ৰেষ্ঠ সাহিত্যিক



শ্ৰীতপেশ্বৰ ডেকা.
১৯৮৯ চনত দিল্লীত অনুষ্ঠিত হোৱা গণতন্ত্ৰ দিৱসত আমাৰ মহাবিদ্যালয়ৰ পৰা যোগদান কৰি সুখ্যাতি অৰ্জন কৰে।



# মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ
## *সাধাৰণ সম্পাদকৰ প্ৰতিবেদন*

প্ৰতিবেদনৰ প্ৰাৰম্ভনিতে যি সকল ছাত্ৰ ছাত্ৰী বন্ধু বান্ধবীৰ নিভাজ আৰু অকৃত্ৰিম সহায় সহযোগত, হেজাৰ জনক নেতৃত্ব দিয়াৰ গুৰু দায়িত্ব শিৰ পাতি লৈছিলোঁ, সেই সকললৈ মোৰ সহস্ৰ কৃতজ্ঞতা জনাইছো।

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব লৈ মঙলদৈ মহাবিদ্যালয়ৰ ঐতিহ্য অক্ষুন্ন ৰখাৰ দৃষ্টিৰে প্ৰতিতো কাম সুবিবেচনাৰে কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিলোঁ। কিন্তু কামবোৰ সুচাৰুৰূপে হোৱা নোহোৱাটো আপোনাসবৰ বিচাৰ্য্য বিষয়। এই দীৰ্ঘকাল চোৱাত কিবা যদি দোষ ত্ৰুটি হৈ গৈছে বা অভাব পূৰণ কৰিব নোৱাৰিলোঁ তাৰ বাবে মই এই সুযোগতে ক্ষমা বিচাৰিছোঁ।

## আমাৰ মঙলদৈ মহাবিদ্যালয় :--

দৰং জিলাৰ বিভিন্ন প্ৰান্তত থকা জনগণৰ বহু আশা হেপাঁহ আৰু আদৰৰ স্বাক্ষৰ বহন কৰি অহা একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান এই মঙলদৈ মহাবিদ্যালয় জনসাধাৰণৰ উৎসাহ আৰু দৃঢ় মনোভাবৰ এক কালজয়ী চিন্তা ধাৰাৰ সফল প্ৰতিশ্ৰুতিৰ বাবেই বহু বাধাৰ প্ৰাচীৰৰ বিপৰীতে গঢ় লৈ উঠিছে এই পবিত্ৰ বিদ্যামন্দিৰ। জনসাধাৰণে আশা কৰিছিল, পাহাৰ, ভৈয়াম আৰু বুঢ়া লুইতৰ ইপাৰ সিপাৰ মিলি এই মঙলদৈ নৈৰৰ পাৰতে জ্ঞানৰ বন্তি জ্বলাই হেজাৰ জনৰ মানসপটত উজ্বল ভৱিষ্যতৰ দীৰ্ঘ ৰশ্মি ৰেখা অংকন কৰিব। ৰাইজৰ এনে দুৰ্বাৰ স্বপ্ন বাস্তৱত কিমানদূৰ প্ৰতিফলিত হৈছে-তাৰ ভগ্নাংশ সময়ে পাতি যাব। তথাপি যুগৰ বতাহে বৰ্ত্তমান জন সাধাৰণৰ যি পৰিবৰ্ত্তন ঘটাব লাগিছে তাৰ প্ৰতি সজাগ দৃষ্টি ৰাখি এই মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ লগতে কতৃপক্ষই নিজা নিজা গুৰু দায়িত্ব পালন কৰাত বলিষ্ঠ পদক্ষেপ লোৱাটো অত্যন্তই প্ৰয়োজনীয়। এই মহাবিদ্যালয়খন সৰ্বাংগ সুন্দৰ কৰি তুলিবলৈ যি অদম্য আশা প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ মাজতেই প্ৰবাহিত হৈ আছে, তাক বাস্তৱত ৰূপায়িত কৰিবলৈ হলে নিশ্চয় দৰং জিলাৰ প্ৰতিজন সু-নাগৰিক, বুদ্ধিজীবী, সংস্কৃতি প্ৰেমী আৰু প্ৰতিজন শিক্ষা প্ৰেমীয়েই দৃঢ় মুষ্টিবদ্ধ আশাশুধীয়া প্ৰচেষ্টাৰে কৰ্ত্তব্য ক্ষেত্ৰত অৱতীৰ্ণ হব লাগিব।

## মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ হকে ১৯৮৮-৮৯ চনৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দাবী সমূহ :

এই মহাবিদ্যালয়ৰ বিভিন্ন অভাব অভিযোগ আছে। তাৰে গুৰুত্ব পূৰ্ণ অভাব সমূহ প্ৰতিবেদনৰ লগতে সন্নিবিষ্ট কৰা কৰা হ'ল।

(১) আজি কেইবা বছৰ আগতে আৰম্ভ কৰা আমাৰ মহাবিদ্যালয় প্ৰেক্ষা গৃহটোৰ নিৰ্মাণৰ কাম আজিলৈও সম্পূৰ্ণ নোহোৱাত ছাত্ৰ-ছাত্ৰী সকলে নানান অসুবিধা ভোগ কৰি আহিছে। সেয়ে অতি সোনকালে প্ৰেক্ষাগৃহ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিব লাগে।

(২) মহাবিদ্যালয়ত নতুন শ্ৰেনী কোঠা নিৰ্মাণ কৰিব লাগে।

(৩) মহাবিদ্যালয়ত পানীযোগানৰ সু-ব্যবস্থা আজিলৈ হৈ নুঠাৰ ফলত আবাসিক ছাত্ৰ-ছাত্ৰী সকলৰ উপৰিও মহাবিদ্যালয়ৰ পৰীক্ষাগাৰ সমূহত ছাত্ৰ ছাত্ৰী সকলে কাম কাজ কৰাত যথেষ্ট অসুবিধা ভোগ কৰি আহিছে।

(৪) মহাবিদ্যালয়ৰ কোঠালি মেৰামতি আৰু পৰিস্কাৰ কৰাৰ লগতে চৌহদৰ পকা দেৱাল, তোৰণ আদি মেৰামতি কৰিব লাগে।

(৫) ইংৰাজী আৰবী, দৰ্শন, অসমীয়া অংক আৰু শিক্ষা বিষয়ত অধ্যাপক / অধ্যাপিকাৰ সংখ্যা কম হোৱা হেতুকে নতুনকৈ উক্ত বিষয়কেইটিত অধ্যাপক / অধ্যাপিকাক নিযুক্তি দিব লাগে। লগতে শিক্ষা বিষয়ত মুখ্য ( Major ) পাঠ্যক্ৰমৰ ব্যবস্থা কৰিব লাগে।

(৬) মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যক্ৰম খোলাৰ ব্যবস্থা কৰিব লাগে।

(৭) মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী জিৰণি কোঠাৰ উন্নতি সাধন কৰিব লাগে।

(৮) মহাবিদ্যালয়ৰ বিভিন্ন পৰীক্ষাগাৰত ছাত্ৰ ছাত্ৰীৰ অধ্যয়নৰ বাবে লাগতীয়াল সজুলি সমূহ যোগান ধৰিব লাগে।

(৯) মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ উন্নতি সাধনৰ লগতে ইয়াৰ পৰা অধিক পৰিমাণে নতুন পাঠ্যক্ৰমৰ কিতাপ ছাত্ৰ-ছাত্ৰীক যোগান ধৰিব লাগে।

## মহাবিদ্যালয় গ্ৰন্থাগাৰ :

সমগ্ৰ দৰং জিলাৰেই একমাত্ৰ উচ্চ শিক্ষাৰ অনুস্থান, মঙলদৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো নামতহে হৈ আছে। গ্ৰন্থাগাৰটোত প্ৰয়োজনীয় সা-সামগ্ৰী তথা সুস্থ পৰিবেশ এটিৰ অভাৱ আজি কেইবা বছৰৰ পৰাই পৰিলক্ষিত হৈ আহিছে। ছাত্ৰ-ছাত্ৰীৰ চাহিদা অনুসৰি গ্ৰন্থাগাৰটোৱে পাঠ্য পুথি যোগান ধৰিব নোৱাৰাত বহু ছাত্ৰ ছাত্ৰীয়ে শিক্ষা আহৰণৰ ক্ষেত্ৰত জীয়াতু ভুগিবলগীয়া হৈছে। গ্ৰন্থাগাৰটোৱে প্ৰয়োজনীয় নতুন কিতাপ যোগান ধৰিব নোৱাৰাটো মহাবিদ্যালয় খনৰেই অকৃতকাৰ্য্যতাৰ চিন। তদুপৰি গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া সুবিধাজনক পঢ়া-কোঠা নথকাৰ ফলত ছাত্ৰ ছাত্ৰী সকলে সাময়িক ভাবে অৰ্জন কৰিবলগীয়া বিভিন্ন অভিজ্ঞতাৰ পৰা দূৰৈত থাকিব লগা হৈছে। সেয়ে আমি আশা ৰাখিছোঁ, মহাবিদ্যালয় কতৃপক্ষই আমাৰ গ্ৰন্থাগাৰটোৰ উন্নতি সাধন কৰি ছাত্ৰ ছাত্ৰীৰ অভাৱৰ জোৰা মাৰিব পৰাকৈ নতুন কিতাপৰ যোগান বৃদ্ধি কৰি গ্ৰন্থাগাৰটোৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ লগতে আদৰ্শনীয় কৰি তুলিব।

## মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী নিবাস :

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস দুটিৰ অৱস্থা তেনেই দুখ লগা। এই নিবাস দুটিৰ সংৰক্ষিত মুষ্টিমেয় আসনে দূৰ-দূৰণিৰ পৰা শিক্ষা আহৰণ কৰিব অহা ছাত্ৰ ছাত্ৰীৰ আশা পূৰণ কৰিব নোৱাৰে। সেয়ে মহাবিদ্যালয় কতৃপক্ষই এই ক্ষেত্ৰত তৎকালীন ভাবে কাৰ্য্য পন্থা হাতত লোৱাটো বাঞ্চনীয়।

মহাবিদ্যালয় ছাত্ৰী নিবাসটিত চৌহদৰ অভাবে মহাবিদ্যালয়ৰ নিস্তেজ ভূমিকা উদঙাই দিছে। আজি বহুদিনৰ পৰাই ছাত্ৰী নিবাসৰ বাবে এখন নিৰাপত্তামূলক দেৱালৰ নিতান্তই প্ৰয়োজন বোধ কৰি অহা হৈছে যদিও কতৃপক্ষৰ উদাসীন মনোভাবৰ বাবেই ছাত্ৰী নিবাসৰ আবাসীসকলে আজিও নিৰাপত্তাহীনতাৰ মাজেৰে দিন অতিবাহিত কৰিবলগীয়া হৈছে। ইয়াৰ উপৰিও দুয়োটা নিবাসতে বিজুলী যোগান, বিজুলী বিচনী, পানী যোগান আৰু সু-চিকিৎসাৰ অভাবে ছাত্ৰ ছাত্ৰী সকলৰ বিভিন্ন অসুবিধাৰ সৃষ্টি কৰি আহিছে।

মহাবিদ্যালয় ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস দুয়োটাতে প্ৰয়োজনীয় আসন বৃদ্ধি কৰাৰ লগতে অন্যান্য সুবিধা সমূহ প্ৰদান কৰি ছাত্ৰ ছাত্ৰী সকলৰ আশা-শুধীয়া প্ৰচেষ্টা সফল ৰূপায়নত কতৃপক্ষই এক বাস্তৱ পদক্ষেপ লওঁক। এয়া আমাৰ অনুৰোধ।

## প্ৰতিবাদ সভাৰ সফল ৰূপায়ন ঃ

অসম আৰু অসমীয়া জাতিৰ অস্তিত্বক জীয়াই ৰখাৰ ক্ষেত্ৰত ঘোষিত সকলো কাৰ্য্যসূচী সফল ৰূপায়ন কৰিবলৈ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাই আন্তৰিকতাৰে সহযোগিতা আগবঢ়াই আহিছে।

## উৎসৱ সমাৰোহ :--

আমাৰ মহাবিদ্যালয়ত প্ৰায়বোৰ উৎসৱ পাৰ্বনেই উলহ মালহেৰে পালন কৰা হয়। যোৱা ছাব্বিশ (২৬) ডিচেম্বৰ ৮৮' ৰ পৰা এক জানুৱাৰী ৮৯' লৈ বিভিন্ন কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুস্থিত হোৱা সকলো প্ৰতিযোগিতাতে প্ৰত্যেক গৰাকী ছাত্ৰ ছাত্ৰীৰ যোগদানে 'মহাবিদ্যালয় সপ্তাহ উৎসৱটিৰ মানদণ্ড আৰু অধিক উন্নত কৰে। এক জানুৱাৰী সামৰনিৰ দিনা আয়োজন কৰা মুকলি সভাত কেইবা গৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতি আৰু তেখেত সকলৰ সাবলীল তাৎপৰ্য্যপূৰ্ণ বক্তৃতা মালাই সভাৰ সৌষ্ঠৱ দুগুনে বঢ়ায়।

আন আন বছৰৰ দৰে এইবাৰো মহাবিদ্যালয়ত সৰস্বতী পূজা, ফাটেহা-ই-দোৱাজ দাহম আৰু আনবোৰ উৎসৱৰ লগতে জাতীয় আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি মৃত্যুক আকোৱালী লোৱা ছহিদ সৱৰ মৃত্যু বাৰ্ষিকী উদযাপন কৰা হয়। ইয়াৰোপৰি ইং ১৪ চেপ্তেম্বৰ ৮৯' তাৰিখে অতি উলহ মালহেৰে ন-পুৰণি ছাত্ৰ ছাত্ৰীৰ মিলন উৎসৱ 'নবাগত আদৰণি সভা' খন অনুস্থিত কৰা হয়। এই সভাত ন-পুৰণি ছাত্ৰ ছাত্ৰী সকলে তেওঁলোকৰ ব্যক্তি প্ৰতিভাৰে উৎসৱটিৰ পৰিবেশ আনন্দ মুখৰ কৰি তোলে।

## আমাৰ কৰণীয়া :—

আমাৰ মহাবিদ্যালয়খন যেন বাৰে বৰনীয়া ফুলেৰে তৈয়াৰ কৰা এখন ফুলাম দলিচাহে। মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী ঐক্যবদ্ধ হৈ আমাৰ বাৰে ৰহনীয়া কৃষ্টিক জীয়াই ৰখাৰ সংকল্প লব লাগিব। জ্ঞান পিপাসু প্ৰত্যেক জন ছাত্ৰ-ছাত্ৰীয়েই নিজৰ কৰ্তব্য পথত অৱতীৰ্ণ হব লাগিব। গুৰু শিষ্যৰ মধুৰ সম্পৰ্ক শ্বাশ্বত কৰি আমি আৰম্ভ কৰিব লাগিব জ্ঞানৰ বৰ্ত্তি জ্বলাই ভবিষ্যতৰ সোনালী সপোন বাস্তৱত ৰূপায়িত কৰাত এক অন্তঃহীন যাত্ৰা। এই যাত্ৰা পথত প্ৰতিজন ছাত্ৰ ছাত্ৰীয়ে নিজ নিজ কৰ্তব্য অক্ষুন্ন ৰাখি বাস্তৱৰ সৈতে নিজক সন্মুখীন কৰিবলৈ হলে নিৰ্ভীকতা আৰু নৈতিকতা সাৰোগত কৰি শৃংখলা বদ্ধতা আৰু নিয়মানুবৰ্ত্তিতাৰ মাজেৰে আগবাঢ়িব লাগিব আৰু এই মধুৰ সময়চোৱাক অতি মধুৰ কৰি তুলিব লাগিব। অৱশ্যে এই ক্ষেত্ৰত শিক্ষাগুৰু সৱেও মূখ্য দায়িত্ব পালন কৰিব লাগিব। ঐতিহ্যমণ্ডিত বাৰে-বৰনীয়া সংস্কৃতিৰে পৰিপূৰ্ণ অসমৰ শান্তি, সম্প্ৰীতি আৰু ঐক্যৰ এনাজৰীডাল সুদৃঢ় কৰি আগবাঢ়ি যাব লাগিব চিৰপ্ৰবাহমান বৰলুইতৰ পাৰে পাৰে হাতত হাত মিলাই আমাৰ অতি আদৰৰ চিৰ সেউজীয়া অসম মাতৃক জীয়াই ৰাখিবলৈ।

অঞ্চলটোৰ শৈক্ষিক দিশৰ লাইখুটা স্বৰূপ এই মহা-

বিদ্যালয়খনে আমাৰ মাজলৈ হেজাৰ আশা আকাংশা কঢ়িয়াই আনিছে। এই আশা বাস্তৱত ৰূপায়িত কৰিবলৈ ছাত্ৰ ছাত্ৰীৰ লগতে মহাবিদ্যালয় কতৃপক্ষ আৰু পৰিচালনা সমিতিও কৰ্ত্তব্যৰ মহামন্ত্ৰৰ আগুৱান হব লাগিব।

আমি আশা ৰাখিছোঁ, আমাৰ ন্যায্য দাবীবোৰ কতৃপক্ষই অনতিপলমে মানিবলৈ বাস্তৱমুখী চিন্তা ধাৰাৰ সফল ৰূপায়নেৰে মহাবিদ্যালয় খনক সৰ্বাংগ সুন্দৰ কৰি তুলিব।

## কৃতজ্ঞতা স্বীকাৰ :

কৃতজ্ঞতা জ্ঞাপনৰ আগতে মই ১৯৮৮-৮৯ চনৰ আমাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ কথা উল্লেখ নকৰি নোৱাৰিলোঁ। ইং ৬।১২।৮৮ তাৰিখে আমাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ ভোটদান শেষ হোৱাৰ পিছত অৰ্থাৎ ভোট গণনা কাৰ্য্য শেষ হোৱাত গণনা কেন্দ্ৰৰ পৰা কোনোবা দুস্কৃতিকাৰীয়ে ভোট চুৰি কৰি খেলি-মেলিৰ সৃষ্টি কৰি দিয়ে যদিও কতৃপক্ষই এই ক্ষেত্ৰত কোনো পদক্ষেপ নোলোৱাকৈ পুনৰ ইং ৯।১২।৮৮ তাৰিখে সাধাৰণ সম্পাদকৰ নিৰ্বাচন অনুস্থিত কৰে। উক্ত কাৰ্য্যত মোৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সবে আচৰ্য্য প্ৰকাশ কৰে।

যা হওঁক এই মহান বিদ্যামন্দিৰৰ সেৱা আগবঢ়াবলৈ বুলি যি সকল ছাত্ৰ ছাত্ৰী বন্ধু বান্ধবীয়ে অশেষ ধৈৰ্য্য আৰু নিষ্ঠাৰে মোক সাধাৰণ সম্পাদক হিচাবে দুবাৰেই জয়ী কৰিলে তেওঁ সবলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমাৰ কাৰ্য্য কালৰ সময়চোৱাত সকলো দিশতে দিহা পৰামৰ্শ দি আমাৰ আঁচনিবোৰ ৰূপায়নত অনুপ্ৰেৰনা দি মহা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধেয় যাদব নাথ দেবলৈ মোৰ কৃতজ্ঞতা জ্ঞাপিছোঁ। আনহাতে ছাত্ৰ সন্থাৰ বিভিন্ন বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক / অধ্যাপিকা সবে মোৰ লগতে বিভাগীয় সম্পাদক সকলক সকলো সময়তে দি যোৱা দিহা-পৰামৰ্শৰ বাবে তেওঁসবলৈও মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

বিভিন্ন পৰামৰ্শৰে আমাক সহায় কৰা বাবে অধ্যক্ষ মাননীয় আব্দুল মজিদ দেব, উপাধ্যক্ষ ড° পূৰ্ণ বৰাদেৱ প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কাৰ্য্য নিৰ্বাহকৰ সমূহ সদস্য বৃন্দই যি আন্তৰিকতাৰে মোক সহায় কৰিলে সেয়া মই কেতিয়াও পাহৰিব নোৱাৰিম। সেয়ে তেওঁ সবলৈও মোৰ অন্তৰ ভৰা মৰম ও কৃতজ্ঞতা জনাইছো।

বৰ্ত্তমান মঙলদৈ মহাবিদ্যালয়ত শ্ৰীযুত অজয় কুমাৰ ভাল্লা (অতিৰিক্ত উপায়ুক্ত, দৰং) দেবৰ নেতৃত্বত গঠিত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে যি ধৈৰ্য্য আৰু নিষ্ঠাৰে আমাৰ মহাবিদ্যালয় খনিক পৰিচালনা কৰিছে তাৰ বাবে পৰিচালনা সমিতিলৈ মই মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীৰ হৈ কৃতজ্ঞতা জনাইছো।

## সামৰণি :—

শেষত মই আশা ৰাখিছো যে আমাৰ মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক অধ্যাপিকা আৰু কৰ্মচাৰী লগতে বাসী বাইজে মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ বাবে চেষ্টা চলাই যাব। লগতে এই মহাবিদ্যালয়ত শিক্ষাৰ এটি সুস্থ বাতাবৰণৰ সৃষ্টি কৰিব।

সদৌ শেষত মোৰ অজ্ঞাত ভুল ত্ৰুটিৰ বিচাৰৰ ভাৰ আপোনাসবৰ হাতত অৰ্পন কৰি মোৰ প্ৰতিবেদনত ইতি ৰেখাৰ ছাঁ পেলালোঁ।

॥ জয়তু মঙলদৈ মহাবিদ্যালয় ॥

॥ জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ॥

॥ জয় আই অসম ॥

**শ্ৰীকৈলাশ চন্দ্ৰ বৰুৱা**
সাধাৰণ সম্পাদক
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।
১৯৮৮-৮৯ চন।



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

আৰম্ভনীতে মই মঙলদৈ, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ। আপোনালোকে মোক যি গধুৰ দায়িত্ব অৰ্পণ কৰি ছাত্ৰ-ছাত্ৰীৰ সেৱা কৰাৰ সুবিধা কণ দিলে তাৰ বাবে মই চিৰঋণী।

ঐতিহ্য মণ্ডিত মঙ্গলদৈ মহাবিদ্যালয় খনি ১৯৫১ চনতে স্থাপিত হয়। জন্ম লগ্নৰে পৰা এই মহাবিদ্যালয় খনিৰ ছাত্ৰ-ছাত্ৰী সকলৰ সকলো ধৰণৰ অভাৱ অভিযোগ লগতে মহাবিদ্যালয় খনিৰ উন্নতিৰ ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ সন্থাই এক গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰি আহিছে। ১৯৮৮-৮৯ চনৰ মহাবিদ্যালয় ছাত্ৰ সন্থায়ো ইয়াৰ চেষ্টাৰ ত্ৰুটি কৰা নাই বুলি মই ভাবো।

আন আন মহাবিদ্যালয়ৰ দৰে আমাৰ মহাবিদ্যালয় খনিয়েও বিভিন্ন ক্ষেত্ৰত অভাৱ অভিযোগৰ পৰা হাত সাৰিব পৰা নাই। এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰগতি হবলৈ হলে ছাত্ৰ-ছাত্ৰী সকলক যিখিনি সা-সুবিধাৰ প্ৰয়োজন সেইখিনি আমাৰ মহাবিদ্যালয়ে দিব পৰা নাই। বিশেষকৈ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰত। সেয়েহে মই মহাবিদ্যালয় পৰিচালনা সমিটিক অনুৰোধ জনাওঁ যে সমিটিয়ে যেন ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকা সকলৰ অসুবিধা সমূহ বুজিবলৈ চেষ্টা কৰে।

যোৱা কেইবছৰৰ দৰে এই বছৰো আমি কাৰ্য্যভাৰ হাতত লৈয়েই "মহাবিদ্যালয় সপ্তাহ"ৰ সন্মুখিন হওঁ। ২৬/১২/৮৮ তাৰিখৰ পৰা ১/১/৮৯ তাৰিখলৈ সাতদিনীয়া কাৰ্য্যসূচীৰে উদ্‌যাপিত হোৱা মহাবিদ্যালয় সপ্তাহৰ যোগেদি ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন দিশত প্ৰতিভা বিকাশ কৰিবলৈ সমৰ্থ হয়।

আন কেইবছৰৰ দৰে এই বছৰত পালন কৰা স্বৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, ফাতেহা-ই-দোৱাজ দাহম ছাত্ৰ-ছাত্ৰী সকলৰ মাজত একতা তথা উৎসাহী মনৰ কৰি তোলা পৰিলক্ষিত হৈছে। এই বছৰ আমাৰ মহাবিদ্যালয়ৰ "নবাগত আদৰণি" সভা খন ১৪/৯/৮৯ তাৰিখে এক গাম্ভীৰ্য্য পূৰ্ণ পৰিবেশত

সম্পূৰ্ণ হয় । ইয়াৰ উপৰিও বিভিন্ন ধৰণৰ আলোচনা চক্ৰ লগতে তৰ্ক সভা পাতি ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ ক্ষেত্ৰত উৎসাহী কৰি তোলাৰ বাবে বিভাগীয় সম্পাদক কেইগৰাকীক শলাগিছোঁ ।

আমাৰ এই কাৰ্য্যকাল ছোৱাত সকলো দিশতে দিহা-পৰামৰ্শ দিয়াৰ বাবে ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত যাদৱ চন্দ্ৰ নাথদেৱ আৰু মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাৰ ওচৰত মই চিৰ কৃতজ্ঞ । বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱাৰ বাবে মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জনালোঁ ।

শেষত আমাৰ কাৰ্য্যকালৰ জ্ঞাত তথা অজ্ঞাত ভূল ত্ৰুটি সমূহৰ বাবে ক্ষমা বিচাৰিছোঁ । লগতে মহাবিদ্যালয় খনিৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

ধন্যবাদেৰে—

শ্ৰীহিৰেন্দ্ৰ ডেকা

সহঃ সাধাৰণ সম্পাদক

মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা, ১৯৮৮-৮৯ চন ।



## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বাৰে বৰণীয়া সংস্কৃতিৰে ভৰপুৰ অসমৰ বিভিন্ন উচ্চ শিক্ষানুষ্ঠান সমূহৰ ভিতৰত আমাৰ আটাইৰে শ্ৰদ্ধাৰ শিক্ষানুষ্ঠান 'মঙ্গলদৈ মহাবিদ্যালয়' এনে এখন শিক্ষানুষ্ঠানৰ সাংস্কৃতিক বিভাগৰ গুৰুভাৰ পালন কৰিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে দায়িত্ব দিয়াত প্ৰথমে চিন্তিত হৈছিলো, পিছলৈ সকলোৰে উৎসাহ আৰু অনুপ্ৰেৰনা পাই বহুখিনি সাহস পালো।

পুৰণি কাৰ্য্যনিৰ্বাহকৰ পৰা কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে সন্মুখীন হও মহাবিদ্যালয় সপ্তাহৰ। উক্ত সপ্তাহত আন আন বছৰৰ দৰে উলহ মালহ আৰু আনন্দ উৎসৱ মুখৰ পৰিবেশত সাংস্কৃতিক প্ৰতিযোগিতা সমূহ অনুস্থিত কৰা হৈছিল। সাংস্কৃতিক প্ৰতিযোগিতাৰ ভিতৰত সংগীত আৰু নাট প্ৰতিযোগিতাৰ দায়িত্বই মোৰ ওপৰত পৰিছিল। মঙলদৈ মহাবিদ্যালয়ত মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুস্থিত হোৱা সংগীত প্ৰতিযোগিতাৰ অলপ বৈশিষ্ট্য আছে। আমাৰ মহাবিদ্যালয়ত উক্ত প্ৰতিযোগিতা তিনিটা শাখাত বিভক্ত কৰি অনুস্থিত কৰা হয়, যেনে- শাস্ত্ৰীয় সংগীত, লোক সংগীত, লঘু সংগীত। প্ৰতিটো শাখাক আকৌ কণ্ঠ সংগীত, বাদ্য সংগীত আৰু নৃত্য সংগীত বিভাগত বিভক্ত কৰা হয়। এই ভাগবোৰ কৰোতে আগৰ কেইবছৰৰ দৰে আমিও অৰ্থাৎ মই, ভাৰপ্ৰাপ্ত অধ্যাপক, আৰু দুটীয়া ভাৰপ্ৰাপ্ত অধ্যাপক কেতবোৰ প্ৰশ্নৰ সন্মুখীন হবলগীয়া হৈছিলো। উদাহৰণ স্বৰূপে শাস্ত্ৰীয় সংগীত শাখাৰ কণ্ঠ সংগীত বিভাগত খেয়াল, ঠুংৰী, ৰাগ প্ৰধানৰ উপৰিও পূৰ্বৰ ৰীতি অনুযায়ী ৰাগ ভিত্তিক ভজন আৰু গজলকো স্থান দিয়া হৈছিল। কিন্তু মাত্ৰ ৰাগ ভিত্তিক হলেই ভজন আৰু গজলক শাস্ত্ৰীয় সংগীত বুলি আখ্যা দিব পাৰি জানো যদিহে বিস্তাৰ নাথাকে? যদি পাৰি মিশ্ৰ বা বিশুদ্ধ ৰাগৰ ভিত্তিত সুৰবদ্ধ কৰা আধুনিক গীতবোৰকো শাস্ত্ৰীয় সংগীতৰ শাৰীত যোৱা হোৱা নাই কিয়? আন কেইটিমান জটিল প্ৰশ্ন হয় বৰগীতক শাস্ত্ৰীয় সংগীত নে লোক সংগীতৰ শাৰীত থব পাৰি? কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতী প্ৰসাদ বৰুৱাই ৰচনা কৰা কেতবোৰ গীতক আধুনীক বনগীত আদি বুলি ধৰিব পাৰিনে নোৱাৰি? সংগীত প্ৰতিযোগিতা বুলি আমি কণ্ঠ সংগীত প্ৰতিযোগিতাহে পাতি আহিছো নেকি? নৃত্য, গীত আৰু বাদ্য যদি সংগীতৰ অংশ হয় আমি মাথোন

শ্ৰেষ্ঠ গায়ক বা গায়িকাকেই এটা বিশেষ বঁটা দি আহিছো কিয় ? শ্ৰেষ্ঠ গায়ক গায়িকাৰ উপৰিও শ্ৰেষ্ঠ শিল্পীকো এটা বিশেষ বঁটা দিয়া উচিত নহয় জানো ? নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভিনেতা আৰু শ্ৰেষ্ঠা অভিনেত্ৰীৰ উপৰিও শ্ৰেষ্ঠ নাট্যকাৰকো এটা বিশেষ বঁটা দিয়াৰ ব্যৱস্থা কৰিলে কেনে হয় যদিহে নাট্যকাৰ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ বা ছাত্ৰী হয় ? পিছৰ সাংস্কৃতিক বিভাগৰ সম্পাদক সকলে অলপ আগতিয়াকৈ বিবেচনা কৰিচাবলৈ সুবিধা পাব বুলিয়েই কথা কেইষাৰ লিখিলো ।

ইং ১৯৭৭ চনৰে পৰা জনৈক অজ্ঞাত নামা শাস্ত্ৰীয় সংগীত প্ৰেমীয়ে শাস্ত্ৰীয় সংগীতৰ কণ্ঠ, বাদ্য আৰু নৃত্য বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগী জনক একোটিকৈ সৰ্ব্বমুঠ তিনিটা বিশেষ বঁটা দিয়াৰ (অনামী) প্ৰতিবছৰে আগ বঢ়াই আহিছে । অধিবক্তা শ্ৰীবিনয় ঘোষেও ইং ১৯৭৮ চনৰ পৰা লোক সংগীতৰ শ্ৰেষ্ঠ প্ৰতিযোগীজনলৈ ৺মন্মথ ঘোষ সোঁৱৰণী বঁটা নামৰ এটি বিশেষ বঁটা আগবঢ়াই আহিছে । শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতাত দুবছৰ মানৰ পৰা বিলম্বিত খেয়াল পৰিবেশন কৰা প্ৰতিযোগী ওলোৱাত নিঃসন্দেহে সুখৰ কথা । এই বছৰত প্ৰথমবাৰৰ বাবে ঠুংৰী প্ৰতিযোগী ওলোৱাত মহাবিদ্যালয়ৰ সংগীত প্ৰেমী সকল নিশ্চয় আনন্দিত হৈছিল । কিন্তু এইবাৰ শাস্ত্ৰীয় সংগীত বিভাগৰ নৃত্যৰ প্ৰতিযোগী নোলোৱাতো নিতান্তই দুৰ্ভাগ্যজনক যেন লাগিছে । মঙ্গলদৈ লোক সংগীতৰ কাৰণে বিখ্যাত কিন্তু লোক সংগীত প্ৰতিযোগিতাত মঙ্গলদৈৰ বিখ্যাত দেওধনী নৃত্যৰ প্ৰতিযোগী নোলোৱাতোও অলপ হতাশ জনক কথা । এই কথা আজি প্ৰত্যেক জন ছাত্ৰ ছাত্ৰীয়ে উপলব্ধি কৰিছে যে, এজন সুদক্ষ শিল্পীয়ে তেওঁৰ জীৱনৰ সংস্থানৰ বাবে নিশ্চিত হৈ থাকিব পাৰে । সেয়ে আজি অকল পাঠ্য পুথিৰ চাৰিবেৰৰ মাজত আবদ্ধ নাথাকি বাহিৰৰ মুকলি আকাশ খনো একাৰ পৰ্য্যবেক্ষন কৰিচোৱাতো প্ৰয়োজন । ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ এটি অনুৰোধ তেওঁলোকে যেন যিকোনো প্ৰতিযোগিতাতে অন্তত অংশ গ্ৰহণ কৰে । ছাত্ৰ-ছাত্ৰী সকলৰ বহুমূলীয়া প্ৰতিভা বিকাশ কৰি সুনাম অৰ্জন কৰাতো মোৰ কাম্য—।

মহাবিদ্যালয় সপ্তাহৰ সামৰণিৰ দিনাখন অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত প্ৰখ্যাত নাট্যকাৰ আৰু প্ৰাক্তন শিক্ষামন্ত্ৰী শ্ৰীলক্ষ্যধৰ চৌধুৰীকে আদি কৰি অসমৰ দুজন প্ৰখ্যাত শিক্ষা বিদৰ উপস্থিতিয়ে সভাৰ সৌষ্ঠৱ বঢ়াই । সন্ধিয়া এখনি সাংস্কৃতিক সমাবোহৰ আয়োজন কৰা হয় । উক্ত সাংস্কৃতিক সন্ধিয়াত অসমৰ প্ৰখ্যাত শিল্পী শ্ৰীকুইন দাসক বিশেষ ভাবে আমন্ত্ৰণ জনোৱা হৈছিল । তেখেতে কেবাটিও মনোগ্ৰাহী গীতেৰে দৰ্শকক আমোদ দিয়ে ।

শেষত মোৰ ছাত্ৰ বন্ধু সকলক বিশেষকৈ সম্ভাবনাপূৰ্ণ শিল্পী বন্ধু সকলক মোৰ ক্ষুদ্ৰ অভিজ্ঞতাৰে দুআষাৰ কথা সোঁৱৰাই দিব খোজো । বৰ্ত্তমানে মানৱ সমাজৰ প্ৰতিটো স্তৰতে ঘুনে ধৰিছে । নানা কাৰণত উৰ্চ্চ স্তৰৰ শিল্পীয়েও বহু সময়ত ন্যায্য স্বীকৃতি পোৱা নাই । ভাগ্যৰ বলত বা কৌশলৰ সহায়ত বহুজনে নাপাবলগীয়া স্বীকৃতিও পাইছে । ন-শিকাৰু সকলৰ কথা বাৰু নকওঁৱেই । ভাৰতীয় সংগীত গুৰুমুখী বিদ্যা হোৱা স্বত্বেও বহু সময়ত গুৰু সকলেও শিষ্যৰ পৰা

ন্যায্য স্বীকৃতি নাপায় বুলি শুনিছো। নিজৰ মূল্য বঢ়াবলৈ শিষ্য-শিষ্যাই বহু সময়ত প্ৰকৃত গুৰুৰ কথা গোপন কৰি নিজকে কোনোবা মুধা ফুটা শিল্পীৰ শিষ্য-শিষ্যা বুলি পৰিচয় দিয়ে বুলি শুনা যায়। তথাপিও সৃষ্টিৰ আনন্দত উন্মনা হৈ প্ৰকৃত শিল্পী সংগীতজ্ঞই শিল্পৰ সাধনা অব্যাহত ৰাখিছে। স্বীকৃতিৰ অনিশ্চয়তাৰ কথা জানিও সাধক শিল্পীয়ে সৰ্বান্তঃ কৰণে শিক্ষাদান কৰি শিল্প আৰু শিল্পীৰ সৃষ্টি কৰিবলৈ এৰা নাই। সুন্দৰৰ আৰধনা কৰিব পাৰে বাবেই মানুহ জীৱ শ্ৰেষ্ঠ বুলি পৰিগণিত হৈছে। সংগীত প্ৰতিযোগিতাতো কেতিয়াবা প্ৰতিযোগী শিল্পীয়ে ন্যাৰ্য্য পাপ্য নাপাব পাৰে বিচাৰকৰ ভুলৰ বাবে যেলি মেলি হব পাৰে। বিচাৰক সকলো মানুহ। গতিকে মোৰ অনুৰোধ ৰ'ল প্ৰতিযোগিতাত পুৰস্কাৰ নাপালেই যেন কোনেও হতাশাত ভাগি নপৰে। পুৰস্কাৰ পালেও যেন আনন্দত আত্মহাৰা হৈ নপৰে। যদি তাৰ বিপৰীতটো হয় সাংস্কৃতি বিভাগৰ সম্পাদক হিচাপে চলোৱা মোৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হোৱা বুলি ধৰি লম আৰু হয়তোবা সাংস্কৃতিক (সংগীত আৰু নাট) প্ৰতি-যোগিতা চিৰদিনৰ বাবে বন্ধ কৰাই সমীচিন হব বুলি ভাবিবলৈ বাধ্য হম।

বিভিন্ন জটিল পৰিস্থিতিৰ সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত মূল্যবান পৰামৰ্শ, উপদেশ, নিদেশ আদি দি অহা বাবে সাংস্কৃতিক বিভাগৰ ভাৰ প্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত দেবী দাস নেওগ আৰু যুটীয়া ভাৰ প্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত মনিমুগ্ধ বৰঠাকুৰলৈ শলাগৰ শৰাই আগবঢ়ালো। মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৱে মোক মৰম কৰি সহায়, সহযোগিতা আগ-বঢ়াইছিল তেখেত সকলৰ প্ৰতিও মই কৃতজ্ঞ। বহু মহান ব্যক্তিৰ মহান প্ৰচেষ্টাৰ ফলত আৰু মুৰৰ ঘাম মাটিত পেলাই অৰ্জা ধনৰ অনুদান দি হাজাৰ হাজাৰ দুখীয়া অভিভাৱকে গঢ়ি তোলা এই মহাবিদ্যালয় খনিৰ সৰ্ব্বাঙ্গীন মঙ্গল কামনা কৰি, মঙলদৈ তথা অসমৰ সাংস্কৃতিক বিকাশ কামনা কৰি সহায় সহযোগ আগবঢ়োৱা সকলক উদ্দেশ্যি নতশিৰে প্ৰনাম জনালো। সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে বিগত দিনত কৰা ভুল ক্ৰটীৰ মাৰ্জনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে

শ্ৰীমনীন বৰুৱা (মনীন্দ্ৰ)

সম্পাদক

সাংস্কৃতিক বিভাগ

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।



## খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

যিখন বেলুৰ পৰা সদায় নিলগত থাকিব বিচাৰিছিলো তাৰ মাজত যেতিয়া হাজাৰ হাজাৰ জন আশাবাদী তথা শুভাকাঙ্খীৰ মৰমৰ আহ্বানত জয়ধ্বনিৰ মাজেৰে প্ৰবেশ কৰিলো তেতিয়া আনন্দিত হলো, কিছু চিন্তান্বিত হলো কল্পনা আৰু বাস্তৱৰ সম্পৰ্ক অহিনকুল । প্ৰতিটো লাগে, প্ৰতিটো হোৱা উচিত ।

মোৰ কৰ্তব্যৰ কালছোৱাত মহাবিদ্যালয় ক্ৰীড়া জগতলৈ কিবা নতুনত্ব অনা বুলি কবলৈ মোৰ অকনো সাহস নাই । মঙ্গলদৈ মহাবিদ্যালয়, দৰং জিলাৰ ভিতৰতে এখন উল্লেখযোগ্য মহাবিদ্যালয় । ইয়াৰ ভিতৰ চৰাত প্ৰবেশ কৰিলে কিছুমান ভাবৰ সৃষ্টি হয় । কাৰণ এই বৃহৎ মহাবিদ্যালয় খনত ছোৱালী খেলুৱৈ প্ৰতিযোগী আঙুলিৰ মুৰত গনিব পাৰি । এনে হ'ল কিয় ? যি যুগত ভাৰতীয় তথা অসমৰ ছোৱালীয়ে বিদেশত হোৱা বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাত চাঞ্চল্যৰ সৃষ্টি কৰিছে তেনে এখন দেশত খেলুৱৈৰ অভাৱ ।

অনাগত দিনবোৰে কি কয় ? পৰিবৰ্তন হবনে ? হবই লাগিব । বৃত্তৰ পৰিধিটো নেভাগিল, কিন্তু আঘাত নিশ্চয় লাগিছিল । সদৌ শেষত মহাবিদ্যালয় সপ্তাহ তথা গোটেই কাৰ্য্যকালত মোক সকলো দিশতে দিহা পৰামৰ্শ দি সহায় কৰি যোৱা মাননীয় গুৰুবৰ ড° আমানুল হক দেৱলৈ অন্তৰিক শ্ৰদ্ধা থাকিল । তাৰ উপৰিও মোক মহাবিদ্যালয় সপ্তাহত সকলো দিশতে সহায় কৰা তুলু, কঙ্কন, গিৰিশ, কন, ধন, ভাস্কৰ, মৃনাল, কামাখ্যা আদিলৈ মোৰ আন্তৰিক মৰম যাচিলো । সময়ৰ বলিষ্ঠ পদক্ষেপেৰে আগবাঢ়ি যাবলৈ প্ৰতিশ্ৰুতি বদ্ধ আমাৰ ছাত্ৰ-ছাত্ৰী সমাজৰ মঙ্গল কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো ।

ঘহিলে শিলো ক্ষয় যোৱা দেখিছোঁ ।

শ্ৰীদিগন্ত মনি বৰা ( বিমান )
খেল সম্পাদক
মঙলদৈ মহাবিদ্যালয়, ১৯৮৮-৮৯ চন

# Annual Report Of The Debate & Talk Secy. - 1988-89



At the threshold of my repoet. I would like to offer my sincere and heartiest thanks to all the students of Mangaldai college for giving me the opportunity to serve as the Debate and Talk secretary in the students Union during the session of 1988-89. The Mangaldai College Students Union body of 1988-89 took charge on 8-12-88, and so I also became the Debate and Talk secretary from that day. Our College week for the session 1988-89 started on 26-12-88. It was less then twenty days after we had taken charge. But despite this handicap I was able to introduce new features in the Debating branch. The "Model Parliament" was one such feature which became popular among the students, This became possible because of the advice and guidance given to me by our respected teacher prof. Nagen Sarma and Ex Debating Secretary Mr. S. K. Sarma Baruah. I am also grateful to the N, C. C. cadets, the teaching staff and the students who made the "Model parliament" very successful by their presence in the auditorium.

Quiz competition, Extempore speech and Debating competitions were also held in the college week during my tenure. The renouned Assamese poet Sjt Bhabananda Rajkhoah was also present as the president in Extempor speech Competition. I was really happy to see spontaneous enthusiasm amongst the participants in these events. All these competitions were interesting and lively in which a good number students took part,

I tried my best to bring coaches to our college to hone up the talents of the students. But I was able to take the talented students to "North East Region" and "All Assam level Debating Competitions" where they performed creditably.

In the "Late Kulen Deka Mamorial All Assam Debating Competition" organised

by Mangaldai Govt. H. S. School in Mangaldai on 27th December 1988, the competitions of our College Ms. Aparajita Bharadwaj and Ms. Barnali Deka were able to eatch the eyes of the audience and came home with flying colours. They won the 1st and 3rd Prizes respectively and our College team was adjudged as the best team in that Competition.

We also participated in "The North-East Region Late Sarbananda Ray memorial inter-college debating competition" organised by Pragjyotish college of Guwahati "The All Assam Inter College and University debating compettion organised by Guwahati Law College, 'Dr. Jamuneswar Choudhury memorial All Assam Inter college debating competition' organised by Guwahati Medical college students union. Although we failed to win medals the efforts of our compettitors were praised by the audience and they earned valuab'e experience which will stand them in good stead in the future.

In conclusion I must express my heartiest regards to our respected Principal Md. Abdul Majid, Vice principal Dr. Purna ch. Bora, prof. Manimugdha Barthakur and other honourable professars for their valuabe advice and guidance. I must specialy mention the name of Sri Bicitra kr. Madhi prof-in—charge of Debate and Talk without whose loving care and guidance I could not have chiened anything.

I also off my heartiest gratitude to Diganta, Dilip, Kushal, Palash, Amzad, Jaideep Pradip, Kamal, Saidul and others withoute whose wholhearted Co—operation and advice my service as the Debate and Talk secretary would not have been possible.

Long live M. C.
Long live M. C. S. U.
**Amarendra Sarma.**



## 'ব্যায়াম শালা' বিভাগৰ সম্পাদকৰ প্ৰতিবেদন —

মঙ্গলদৈ মহাবিদ্যালয়ৰ ব্যায়াম শালা বিভাগৰ লগতে এই বিভাগৰ খেলুৱৈ সকলৰ উন্নতি সাধনৰ বাবে আপোনালোকৰ আশীষলৈ আগবাঢ়িছিলো মঙ্গলদৈ মহাবিদ্যালয়ৰ 'ব্যায়াম শালা' বিভাগৰ সম্পাদক ৰূপে।

১৯৮৮-৮৯ চনৰ মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ব্যায়াম শালা বিভাগত মোক মোৰ ওচৰত থকা আস্থা প্ৰকাশ কৰা বাবে আপোনালোকৰ ওচৰত কৃতজ্ঞ।

কাৰ্য্যভাৰ অৰ্পণ কৰা সময়ত অতি সীমিত সামগ্ৰীহে মোৰ হাতত অৰ্পণ কৰা হৈছিল। সেই সীমিত সামগ্ৰীৰে কাৰ্য্যভাৰ গ্ৰহণ কৰি এই বিভাগত থকা অতি কম পুজিৰ দ্বাৰাই দুই-এটা অতি আৱশ্যকীয় সামগ্ৰী কিনিছিলো।

এইবাৰ মহাবিদ্যালয় সপ্তাহত প্ৰথম বাৰৰ বাবে এখন কাৰাটে প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগিতাখনত অৱশ্যে বহুতো এই বিভাগৰ অভিজ্ঞ ল'বাই যোগদান কৰা দেখা গৈছিল। এই প্ৰতিযোগিতাত সীমান্ত বৰ্মণ, কাজু বড়ো, ৰাজেশ গুৰং, জয়ন্ত, ধ্ৰুৱ, ভাস্কৰে বিভিন্ন দিশত মোক দিহা-পৰামৰ্শ তথা সহায় কৰা বাবে তেওঁলোকলৈ মই ধন্যবাদ জ্ঞাপন কৰিলো। অন্যবোৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা কম যদিও তাৰ ভিতৰত ভাল প্ৰতিভাশীল প্ৰতিযোগী আছে বুলি মই ভাবো। এই প্ৰতিভাশীল প্ৰতিযোগীসকলে ভাল প্ৰশিক্ষণ বা সকলো সুবিধা পালে হয়তো ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্য্যায়তো সুনাম অৰ্জন কৰিব পাৰিব।

অতি লজ্জা আৰু হতাশজনক কথা এই যে, দৰং জিলাৰ ভিতৰতে উচ্চ শিক্ষাৰ এটাৰ ডাঙৰ কেন্দ্ৰ মঙ্গলদৈ মহাবিদ্যালয়ত এটা ব্যায়ামগাৰৰ অভাৱ। মই এই বিষয়ে বহুবাৰ প্ৰস্তাৱ দাঙি ধৰিছিলো যদিও এই প্ৰস্তাৱে কোনো ধৰণৰ সহাৰি নেপালে। অপ্ৰিয় আৰু অবাঞ্চনীয় হ'লেও মই এইটো কথা অতি দুখেৰে উল্লেখিবলৈ বাধ্য হৈছো যে, ১৯৫১ চনতে স্থাপিত হোৱা এই মহাবিদ্যালয়খনে কতৃপক্ষৰ হেমাহিৰ বাবে আজি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীয়ে

তুলনামূলকভাবে পাবলগীয়া সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। আকৌ এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কতৃপক্ষক টানি অনুৰোধ জনাইছো যে তেখেতসকলে যেন অনতি পলমে ব্যায়ামগাৰ এটাৰ কথা চিন্তা কৰে।

এই মহাবিদ্যালয়খনৰ ব্যায়াম শালা বিভাগত থকা আসোঁৱাহ সমূহ দূৰ কৰাত কিমানখিনি বৰঙণি আগবঢ়াব পাৰিলো সেয়া ছাত্ৰ-ছাত্ৰীৰ বিচাৰৰ বিষয়।

সদৌ শেষত মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰীলৈ তথা মো'ৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত ভাস্কৰ মল্ল বুজৰবৰুৱা দেৱলৈ মোৰ ওৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰি মঙ্গলদৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নয়ণৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

শ্ৰদ্ধাৰে—

শ্ৰীলক্ষ্য কুমাৰ নাথ।

সম্পাদক, 'ব্যায়াম শালা'

মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।



# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সাহিত্য বিভাগৰ সম্পাদক হিচাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীৰ প্ৰতি সেৱা আগবঢ়াবলৈ মোক সুবিধা দিয়া বাবে মই সকলো ছাত্ৰ-ছাত্ৰীকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ এবছৰীয়া কাৰ্য্যকালছোৱাত মহাবিদ্যালখনৰ সাহিত্য বিভাগৰ কিমানখিনি গঠনমূলক কাম কৰিবলৈ সক্ষম হ'লো সেইটো ছাত্ৰ-ছাত্ৰীসকলৰ বিচাৰ্য।

সম্পাদকৰ দায়িত্ব লৈ মহাবিদ্যালয়ৰ সাহিত্য দিশৰ উন্নতি আৰু বিকাশৰ বাবে মই কিছুমান আঁচনি হাতত লৈছিলো আৰু সেই আঁচনি সমূহ কাৰ্য্যকৰী কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। তাৰ ভিতৰত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ উন্নতিসাধন, প্ৰাচীৰ ভড়াল স্থাপন, ইত্যাদিবোৰৰ বাস্তব ৰূপায়ন হ'ল। নতুনকৈ এখন প্ৰাচীৰ পত্ৰিকা নিৰ্মাণ কৰাৰ আচনি আছিল যদিও বৰ্তমানলৈ এই কাম সম্পূৰ্ণ হোৱা নাই। অন্যান্য বছৰৰ দৰে এইবাৰো মোৰ কাৰ্যকালত প্ৰাচীৰ পত্ৰিকাৰ সমূহ সংখ্যা প্ৰকাশ কৰা হ'ল। "আলোচনা চক্ৰ" এখনৰ বিষয়ে আলোচনা কৰা হৈছে যদিও এতিয়ালৈ তাৰ বাস্তৱ ৰূপায়ন হোৱা নাই ; তথাপি মোৰ কাৰ্য্যকালৰ ভিতৰত আলোচনা চক্ৰখনো অনুষ্ঠিত কৰিব পৰা হব বুলি আশা ৰাখিছো।

ডিচেম্বৰ মাহত অনুষ্ঠিত 'মহাবিদ্যালয় সপ্তাহত মোৰ সমূহ কাৰ্যসূচীৰ লগতে "প্ৰাচীৰ কবি" প্ৰতিযোগিতা নতুনকৈ পতা হ'ল। এইবেলি মহাবিদ্যালয় সপ্তাহত "বছৰৰ প্ৰাচীৰ কবি" সন্মান শ্ৰীনৱকুমাৰ শৰ্মাই আৰু শ্ৰেষ্ঠ সাহিত্যিকৰ সন্মান লাভকৰে শ্ৰীবিনয় চলিহাই।

উপৰোক্ত কাম কাজ আৰু মোৰ বিভাগৰ অন্যান্য কাম-কাজত আৱশ্যকীয় দিহা-পৰামৰ্শ আৰু গঠনমূলক সেৱা আগবঢ়োৱাৰ বাবে সাহিত্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰদ্ধেয়া উষা বড়া বাইদেউলৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত বিভাগীয় কাম-কাজ সুচাৰু ৰূপে চলোৱাত মূল্যবান দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে অধ্যাপক শ্ৰীজীৱন শৰ্ম্মা, শ্ৰীইদ্ৰিছ আলি, শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্ম্মা, শ্ৰীবিজয় চন্দ্ৰ গোস্বামী শ্ৰীহৰিশ চন্দ্ৰ ডেকা, শ্ৰীবিজয় শৰ্ম্মা ( অধ্যাপক পঃ বঃ উঃ মাঃ বিঃ ) চাৰ আৰু অধ্যাপিকা মিছ্ নাহাৰুন নেছা আৰু শ্ৰীবন্দনা গোস্বামী বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো । অন্যান্য কাম-কাজত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে শৈলেন, বিনয়, প্ৰবীন, অপূৰ্ব, নিৰ্মালী, মুনিন, সোন, আৰুচ দিলীপ, গোলাপ আৰু উবালৈ ধন্যবাদ জ্ঞাপন কৰিলো ।

সদৌ শেষত ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি আৰু প্ৰগতি কামনা কৰিলো ।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-সন্থা
জয় আই অসম ।

**শ্ৰীঅৰুণ কটকী**
সম্পাদক, সাহিত্য বিভাগ ।
মঙ্গলদৈ মহাবিদ্যালয়, ১৯৮৮-৮৯ চন



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ লিখনিতেই মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ মোৰ প্ৰতি থকা আন্তৰিক মৰম আৰু গভীৰ আস্থাৰ বাবে মই তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই কলেজ সপ্তাহৰ সন্মুখীন হওঁ। এইবাৰ ইং ২৬।১২।৮৮ তাৰিখৰ পৰা ১।১।৮৯ তাৰিখলৈ আমাৰ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হৈছিল। সেয়ে সপ্তাহটো যিহেতু চাফ-চিকুণতাৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে আৰু দায়িত্ব ভাৰ চলাই নিয়া বিভাগটোত ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী সকলে মোকেই এই সুবিধাকণ দিয়া হেতুকে একলম লিখাৰ সুবিধাকণ পালো। সমাজৰ সেৱা কৰাটো প্ৰত্যেকজন সুস্থ ব্যক্তিৰেই একো-একোটা মহৎ কাম। এতিয়া কলেজ সপ্তাহৰ বিষয়ে একলম লিখিবলৈ আগবাঢ়ো। এইবাৰ এদিন আগতিয়াকৈ মই মোৰ কাৰ্যসূচীমতে শ্ৰমদান প্ৰতিযোগিতা আৰম্ভ কৰিছিলো। দেখা গৈছিল কাৰ্যসূচীমতে যথেষ্ট সংখ্যক ল'ৰা ছোৱালীয়েই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুহমহীয়া ঠাণ্ডাকো ঠাণ্ডা নুবুলি মহাবিদ্যালয়ৰ সন্মুখত থকা অসম আন্দোলনৰ পবিত্ৰ চিহ্ন শ্বহীদ বেদীকে ধৰি, গছ, বেৰত চূণ দিয়া, মহাবিদ্যালয় আৰু ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ ভিতৰে বাহিৰে থকা অপৰিষ্কাৰ ড্ৰেন চাফ কৰা, চৌহদ পৰিষ্কাৰ কৰা, ফুলনি আদিৰ কাম কৰাৰ উপৰিও মহাবিদ্যালয় ছাত্ৰাবাসৰ আধৰুৱা হৈ থকা পথটোৰ কাম সম্পূৰ্ণ কৰা কামত সকলো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিজৰ নিজৰ যি পাৰদৰ্শিতা দেখুৱালে তাক নকৈ নোৱাৰিলো।

এই শ্ৰমদান, ৰচনা প্ৰতিযোগিতাৰ উপৰিও নতুনকৈ প্ৰথম বাৰৰ বাবে প্ৰশ্নভিত্তিত সাধাৰণ-জ্ঞান প্ৰতিযোগিতা পতা হৈছিল। কিন্তু দেখা গ'ল যে শ্ৰমদান প্ৰতিযোগিতাত তেওঁলোকে যি দৰে পাৰদৰ্শিতা দেখুৱালে, তেনেদৰে উক্ত প্ৰতিযোগিতা দেখুওৱাব নোৱাৰিলে। সেয়ে আগলৈ এই বিষয়েও তেওঁলোকে যথেষ্ট পাৰদৰ্শিতা দেখুওৱাব পাৰিব বুলি আশা কৰিলো।

সকলো প্ৰতিযোগিতাতেই বেছি নম্বৰ পাই শ্ৰীমান জ্যোতি প্ৰসাদ শইকীয়াই বছৰৰ শ্ৰেষ্ঠ সন্মান অৰ্জন কৰিছে । এইবাৰ দল হিচাবে শ্ৰমদান প্ৰতিযোগিতাত শ্ৰীমান কুশল শৰ্মাৰ দলে শ্ৰেষ্ঠ পুৰস্কাৰ পাইছে । আনহাতে ছোৱালীৰ শ্ৰেষ্ঠ প্ৰতিযোগী হিচাবে মিচ্ নিৰ্মালি ডেকাই সন্মান লাভ কৰিছে ।

কলেজ সপ্তাহকে ধৰি বছৰটোৰ ভিতৰত কেইবাবাৰো চাফ্ চিকুনতা কৰাৰ উপৰিও কলেজ চৌহদত যথেষ্ট সংখ্যক গছ পুলি ৰোৱা হয় ।

শেষত যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকলে দিহা পৰামৰ্শ দি সহায় সহযোগ আগবঢ়োৱা বাবে মই তেখেত সকললৈ কৃতজ্ঞতা জনাইছো । সমাজ সেৱা বিভাগৰ অধ্যাপক শ্ৰীযুত বুদ্ধিন চন্দ্ৰ হাজৰিকা এম. এচ-চি. দেৱৰ অভিজ্ঞতা পুষ্ট দিহা-পৰামৰ্শ প্ৰদান কৰি সকলো পথ দেখুৱাই দিয়া বাবে মই তেখেতৰ ওচৰত চিৰকৃতজ্ঞ ।

সদৌ শেষত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মঙ্গলদৈ মহাবিদ্যালয়ৰ চিৰ-উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ অন্ত পেলালো ।

ধন্যবাদেৰে—
শ্ৰীউপেন বৰুৱা
সম্পাদক, সমাজ সেৱা বিভাগ ।
মঙলদৈ মহাবিদ্যালয় ।



## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন —

জয় জয়তে মঙ্গলদৈ মহাবিদ্যালয়ৰ পৰা অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকল আৰু অসমৰ জ্ঞাত-অজ্ঞাত সকলো শ্বহীদলৈ ১৯৮৮-৮৯ চনৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা তথা আমাৰ অশ্ৰু ভৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

লগতে মঙ্গলদৈ মহাবিদ্যালয় সমূহ অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্ত্তালৈ আমাৰ আন্তৰিক শ্ৰদ্ধা তথা অভিনন্দন জনাই ১৯৮৮-৮৯ চনৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ চমু প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

ইং ১৯৮৮-৮৯ চনৰ ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক হিচাবে আপোনালোকৰ সেৱা কৰিবলৈ যি কণ সুবিধা দিলে তাৰ বাবে আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ।

### মহাবিদ্যালয়ৰ সপ্তাহ :—

বিগত বছৰৰ দৰে এই বছৰো কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ মুৰত এক গধুৰ দায়িত্ব আহি পৰে। সেয়া হ'ল, মহাবিদ্যালয় সপ্তাহ (College week) ইং ২৬।১২।৮৮ তাৰিখৰ পৰা ইং ১।১।৮৯ তাৰিখলৈ ৭ দিনীয়া কাৰ্য্যসূচীৰে আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত অনুষ্ঠিত হোৱা বিভিন্ন খেল সমূহ বিশেষকৈ বেডমিণ্টন, কেৰম, টেবুল টেনিচ, ডবা, মিক্সডাবল বেডমিণ্টন, মিক্সডাবল কেৰম আৰু মিক্সডাবল টেবুল টেনিচ আদি খেল সমূহ অনুষ্ঠিত হয়। উক্ত খেল সমূহ বিভিন্ন অসুবিধাৰ মাজেৰে নিয়াৰিকৈ চলাই নিওঁতে প্ৰত্যেকজন সচেতন ছাত্ৰৰ পৰা পোৱা সহায় পৰামৰ্শ তথা ত্যাগৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

এই খিনিতে উল্লেখ কৰো যে, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-জিৰণি কোঠাটিৰ বৰ্ত্তমান অৱস্থা বৰ শোচনীয়। কাৰণ ছাত্ৰৰ অনুপাতে বিভিন্ন খেল ধেমালীৰ সামগ্ৰী আৰু পুঞ্জিৰ পৰিমাণ বহু কম।

তদুপৰি ছাত্ৰ জিৰণি কোঠাৰ বেৰবোৰ মেৰামতি নকৰাৰ ফলত যি কণ খেল সামগ্ৰী আছে। তাৰো আজি যোৱা কেইবছৰৰ পৰা চোৰ কৰি নিয়াৰ পৰিলক্ষিত হৈছে। চোৰ হোৱাৰ পিছত ছাত্ৰৰ মনলৈ আহে আৰু বহু ছাত্ৰই বিৰক্তিত প্ৰশ্ন কৰে যে, সম্পাদক বা সম্পাদিকাই কি কৰে ? কথা হ'ল সম্পাদক বা সম্পাদিকাই মাত্ৰ অধ্যক্ষ মহোদয়ৰ ওচৰলৈ আবেদনহে জনাব পাৰে। এই সমস্যা সমাধান হবলৈ হ'ল অকল সম্পাদক বা সম্পাদিকাৰ সহানুভূতি থাকিলেই নহয়। এইবোৰ সমস্যাৰ সমাধান হব লাগিলে অধ্যক্ষ মহোদয় ছাত্ৰ ছাত্ৰীৰ সকলোৰে সহানুভূতি আৰু আন্তৰিকতাৰ প্ৰয়োজন।

গতিকে মই অধ্যক্ষ মহোদয়ক অনুৰোধ জনাওঁ যে, ছাত্ৰ জিৰণি কোঠাটো মেৰামতিৰ বাবে ব্যৱস্থা কৰে। আৰু লগতে অৰ্ধ-নিৰ্মিত হৈ থকা ছাত্ৰ-জিৰণি কোঠাৰ বিজুলী যোগানৰ এতিয়াও সম্পূৰ্ণ ৰূপে হৈ উঠা নাই। অধ্যক্ষ মহোদয়ে অৰ্ধ-নিৰ্মিত হৈ থকা ছাত্ৰ জিৰণি কোঠাৰ বিজুলী যোগানৰ প্ৰতিও দৃষ্টি গোচৰ দিব বুলি আশা কৰিলো।

প্ৰতিবেদনৰ শেষত মই বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত কুমুদ চন্দ্ৰ শৰ্ম্মা চাৰ দেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কাৰ্য্যকালৰ আৰম্ভণীৰে পৰা শেষৰ লৈকে সকলো দিশতে সহায় কৰা মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা তথা মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাস-ছাত্ৰীবাস আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক সেৱা জ্ঞাপন কৰিছো। আৰু মোক বিভিন্ন দিশত সহায় কৰি অহা ছাত্ৰ বন্ধু সকল সৰ্ব্বশ্ৰী দীপক বৰুৱা, পুলিন ডেকা, নাৰায়ণ চহৰীয়া, শৈলেন্দ্ৰ চহৰীয়া, হেমন্ত বৰুৱা, মনিকাঞ্চন বৰুৱা, গিৰিশ ডেকা আৰু হংস চহৰীয়ালৈ মোৰ আন্তৰিক সেৱা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল, ক্ৰুটিৰ বাবে ক্ষমা ভিক্ষা প্ৰাৰ্থনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। জয় মঙ্গলদৈ মহাবিদ্যালয়ৰ।

ধন্যবাদেৰে

**শ্ৰীভগৱান চহৰীয়া**

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

মঙ্গলদৈ মহাবিদ্যালয়

১৯৮৮-৮৯ চন।



## সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া শত শহীদ সকললৈ মই মোৰ অশ্ৰু অঞ্জলি নিবেদিছো. লগতে এই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা যাচিছো। ১৯৮৮-৮৯ চনৰ "সুকুমাৰ কলা" বিভাগৰ সম্পাদক হিচাবে গুৰুদায়িত্ব বহন কৰিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত বিনা প্ৰতিদ্বন্দীতাই জয়ী হওঁ।

প্ৰতিখন মহাবিদ্যালয়তে কম বা বেছি পৰিমাণে 'সুকুমাৰ কলা' শিল্পী আছেই। সেয়েহে পোন প্ৰথমে মই এই বিষয়ৰ দায়িত্ব লৈ মহাবিদ্যালয়ত যি পৰিমাণৰ ছাত্ৰ-ছাত্ৰী আছে, তেওঁলোকৰ সুবিধাৰ কাৰণে 'হস্তশিল্প আৰু 'চিত্ৰশিল্প'ৰ ওপৰত মনোনিবেশ কৰিবলৈ ললো। কিন্তু দুখৰ বিষয় এয়ে যে আমাৰ মহাবিদ্যালয়ত এই 'সুকুমাৰ কলা' শিল্পী অতি নগণ্য। তথাপি এই বিষয়ক আমি এখন মহাবিদ্যালয়ৰ পৰা কেতিয়াও বাদ দিব নোৱাৰো। মহাবিদ্যালয় সপ্তাহত মই এই 'সুকুমাৰ কলা' বিভাগৰ ছাত্ৰ ছাত্ৰী সকলৰ বাবে বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। 'হস্তশিল্প' প্ৰতিযোগিতাৰ ভিতৰত আছিল বোৱাকটা, এম্ব্ৰইডাৰী, নিটিং, কাটিং ········· ইত্যাদি। আনহাতে 'চিত্ৰশিল্প" প্ৰতিযোগিতাৰ ভিতৰত আছিল পানীৰং, পেঞ্চিলচিত্ৰ, তৈলচিত্ৰ ......ইত্যাদি আৰু লগতে পুষ্পসজ্জা প্ৰতিযোগিতাও আছিল। পোন প্ৰথম বাৰৰ বাবে মই মহাবিদ্যালয় সপ্তাহত এখন প্ৰতিযোগিতা মূলক 'সুকুমাৰ কলা' প্ৰদৰ্শনীৰো আয়োজন কৰিছিলো। উক্ত প্ৰদৰ্শনীখনত 'শুকান বাহঁত সপোনৰ সফুৰা সজা' অসমৰ বিশিষ্ট সুকুমাৰ কলা শিল্পী শ্ৰীযুত চাৰু বৰুৱাৰ (ওৰাং) নিজ হাতেৰে সজা বিভিন্ন ধৰণৰ প্ৰদৰ্শনীমূলক বস্তু ছাত্ৰ ছাত্ৰী সকলক দেখুৱাবলৈ আনিছিলো। বিগত বছৰটোত মই আৰু দুটি কাম মহাবিদ্যালয়ৰ গৌৰৱৰ হকে কৰিবলৈ আয়োজন কৰিছিলো। ইয়াৰ ভিতৰত আছিল মহাবিদ্যালয়ৰ চৌহদত এটি প্ৰতিমূৰ্তি স্থাপন আৰু ছাত্ৰ ছাত্ৰী সকলৰ মাজত সুকুমাৰ চিত্ৰ কলা প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা। কিন্তু দুৰ্ভাগ্যবশতঃ মোৰ বিভাগৰ পুজিৰ পৰিমাণ কম হোৱাৰ বাবে কাম দুটি কৰিবলৈ সম্ভৱ নহ'ল। তথাপি মোৰ পুজিত যিকন ধন বাকী আছিল, তাৰে মই মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত ছাত্ৰ

ছাত্ৰী সকলৰ বহিবৰ সুবিধাৰ বাবে পকাৰ বহা বেঞ্চ ২ (দুই) খন সাজিলো।

ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ লগতে মানসিক উৎকৰ্ষ সাধনৰ কাৰণে মহাবিদ্যালয়ত এই 'সুকুমাৰ কলা' বিভাগ থকাটো অতি প্ৰয়োজন। ছাত্ৰ ছাত্ৰীৰ প্ৰধান কৰ্তব্য হ'ল অধ্যয়ন। এইটো সঁচা কথা যে আজিৰ যুগ প্ৰতিযোগিতাৰ যুগ, আমি পঢ়াৰ লগতে আৰু কিছুমান কামকাজত নিহিত হৈ থাকিব লাগিব। সেয়েহে এজন কমদক্ষ ছাত্ৰই হওক বা ছাত্ৰীয়েই হওক যদি এই 'সুকুমাৰ কলা' বিষয়ত বিশেষ পাৰদৰ্শিতা দেখুৱাই, তেওঁৰ যে আজিৰ যুগত সন্মানৰ লগতে দেশৰ গৌৰৱ জড়িত থাকে, ইয়াকো আজিৰ যুগে প্ৰমাণ নকৰাকৈ থকা নাই।

সদৌশেষত মোৰ কাৰ্য্যকালৰ বছৰটোত সকলো ফালৰপৰা দিহাপৰামৰ্শ দি অহা 'সুকুমাৰ কলা" বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰনেন্দু সেন দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো, লগতে মোৰ কাৰ্য্যকালৰ প্ৰতিটো খোজতে মোলৈ উৎসাহ সহযোগ দি অহাৰ বাবে সমূহ ছাত্ৰ ছাত্ৰী তথা বন্ধু বান্ধৱী শিক্ষাগুৰু সকলক মোৰ হিয়াভৰা মৰম আৰু শ্ৰদ্ধা যাচিলোঁ।

ধন্যবাদেৰে
শ্ৰীবিভূতি ৰাজবংশী
সম্পাদক, সুকুমাৰ কলা বিভাগ
মঙ্গলদৈ মহাবিদ্যালয় (ছাত্ৰ একতা সভা)
১৯৮৮—৮৯ চন।



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

সমূহ ছাত্ৰ ছাত্ৰীকে মোৰ অভিনন্দন জ্ঞাপন কৰি প্ৰতিবেদনৰ পাতনি মেলিছো। মোৰ এবছৰীয়া কাৰ্য্যকাল চোৱাত মোৰ দায়িত্ব তথা কৰ্ত্তব্য কেনেদৰে পালন কৰিছো তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত ন্যস্ত কৰিছো। মোক এনে এটা দায়িত্বৰ বাবে নিৰ্বাচিত কৰাত সমূহ ছাত্ৰ ছাত্ৰীৰ ওচৰত মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালৰ প্ৰথমচোৱাতেই মহাবিদ্যালয় সপ্তাহৰ দায়িত্ব আহি পৰে। বিগত কালৰ দৰে এইবাৰো ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা সকলোবোৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। কিন্তু এইবাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ অন্তঃদাৰ খেলুৱৈ হোৱাৰ যোগ্যতা কোনো ছাত্ৰীয়ে অৰ্জন কৰিব নোৱাৰিলে।

বিগত সম্পাদিকাৰ কাৰ্য্যকালৰ শেষৰ চোৱাত সকলো বস্তু চুৰি হোৱা বাবে কাৰ্য্যভাৰ গ্ৰহণৰ সময়ত ছাত্ৰী জিৰণি কোঠাৰ আহিলা থোৱা কাঠৰ বাকচটোৰ বাহিৰে কোনো এপদ বস্তুৱেই মই নাপালো। সেয়েহে সকলো আহিলা মই নতুনকৈ কিনিব লগীয়া হৈছিল। এইখিনিতেই মই কবলৈ বাধ্য, যে, নতুনকৈ আহিলা কিনাৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ কাৰ্য্যনিৰ্বাহক সভাই মোৰ প্ৰতি কোনো প্ৰকাৰৰ সহায় আগ নবঢ়ালে। ছাত্ৰ একতা সভাই জিৰণি কোঠা পুজিৰ পৰা ছাত্ৰী কোঠালৈ ৪০% ধনহে অনুদান দিয়ে। ফলত প্ৰয়োজনতকৈ কম বস্তুৰে কাৰ্য্যকাল চলাবলগীয়া হওঁ।

ছাত্ৰী জিৰণি কোঠাৰ দুৱাৰ খিৰিকী সকলোবোৰ বাহিৰৰ পৰা টানি খুলিব পাৰি। সেয়ে এইবাৰো বস্তু চুৰি হোৱাৰ ভয়ত মই উক্ত বস্তুসমূহ মহাবিদ্যালয়ৰ কাৰ্য্যালয় ভবনত থবলৈ বাধ্য হওঁ। ছাত্ৰী জিৰণি কোঠাৰ অসুবিধাসমূহ দূৰ কৰিবলৈ কতৃপক্ষৰ ওচৰত অনুৰোধ জনালো।

শেষত, যিসকল ছাত্ৰ ছাত্ৰীয়ে মোৰ কাৰ্য কালচোৱাত সহায় আগবঢ়ালে তেওঁলোকক মই ধন্যবাদ জ্ঞাপন কৰিলো। বিশেষকৈ ৰিজু, হেমন্ত, ধন, ভূপেশ, সৰুমইনা, মুন্না, প্ৰনব,মনোজ আৰু জ্ঞানী, কৰবী, অলিয়ে মহাবিদ্যালয় সপ্তাহৰ সমূহ খেল সুচাৰুৰূপে চলাই নিয়াত মোক যি সহায় আগবঢ়ালে তাৰবাবে মই তেওঁলোকৰ ওচৰত কৃতজ্ঞ। বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপিকা আৰু অধ্যক্ষ মহোদয়েও ব্যক্তিগত ভাবে দিহা পৰামৰ্শ তথা সহায় আগবঢ়াই মোক তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ কৰি ৰাখিলে।

শেষত, প্ৰতিবেদন লিখিবলৈ সুবিধা দিয়াৰ বাবে আলোচনী সম্পাদকক ধন্যবাদ জনাইছো। আৰু বছৰটোত হোৱা ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি, মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

মিচ্ মনিকা দেৱী
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।



## ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ প্ৰতিবেদন

জয়-জয়ন্তে দেশমাতৃকাৰ হকে, দহৰ হকে প্ৰাণাহুতি দিয়া সকলক শ্ৰদ্ধাৰে সুৱঁৰিছো আৰু যি সকলে নিজৰ জীৱন বিপন্ন কৰি জীৱিত হৈও মৃত তেখেত সকলৰ উজ্জ্বল উত্তৰোত্তৰ কামনা কৰিলো। এখনি ক্ষুদ্ৰ প্ৰতিবেদনৰ জৰিয়তে ৰাষ্ট্ৰীয় সেৱা আচনিৰ দৰে বৃহৎ কলেবৰ এটিৰ এটি চমু আভাস হে দিব পৰা যায়। অন্যথাও নাই। যা নহওঁক ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ তৰফৰ পৰা এখনি চমু প্ৰতিবেদন ডাঙি ধৰিলো।

**সমাজ আৰু প্ৰকৃতি :** উঠোতে বহোতে, নৈমিত্তিক জীৱনত মানুহ, সমাজ, প্ৰকৃতি ইহঁতৰ ওতঃপ্ৰোতঃ সম্বন্ধ চিৰ প্ৰকাশ্য। এই সম্বন্ধ কোনেও নুই কৰিব নোৱাৰে। সমাজ প্ৰকৃতি আদিৰ এই সম্বন্ধৰ উৎকৰ্ষ সাধনৰ জৰিয়তে মানৱ জাতিৰ কল্যাণ সাধনাত ব্ৰতী হোৱাৰেই আন এটি নাম সমাজসেৱা। জীৱন কালত এই উদ্দেশ্য বুকুত বান্ধি নিজকে এক সাধনাত ব্ৰতী কৰা লোকৰ সংখ্যা পৃথিৱীৰ বিশাল জনসমূদ্ৰৰ মাজত আঙুলিত লেখিব পৰা বিধৰ। প্ৰত্যেক মানুহৰ মনত যেতিয়া এটি সেৱাৰ মনোভাৱ গা-কৰি উঠিব তেতিয়াহে মানৱ জাতি ভাতৃত্বৰ বান্ধোনেৰে বান্ধ খোৱাৰ সম্ভাৱনা দেখা যায় আৰু প্ৰকৃতিয়েও হয়তো হাঁহি মুখে সাৱতি লব মানৱৰ সেই ভাতৃত্বৰ হাঁহি উদগতিৰ বংসেলা।

### ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু মঙ্গলদৈ মহাবিদ্যালয় :

সমাজৰ বিভিন্ন সমস্যাৰ বিষয়ে অবগত কৰি যুৱক সমাজক সমাজ সচেতনশীল কৰাৰ উদ্দেশ্যৰে ১৯৭০-৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আৰম্ভ কৰা হয়। এই আঁচনিৰ মূল লক্ষ্য হ'ল দেশৰ পিচপৰা অঞ্চলবোৰক আন অঞ্চল সমূহৰ সৈতে খোজ মিলাব পৰা কৰাতো আৰু কৃষি-বিজ্ঞান আদিৰ ক্ষেত্ৰত ন-ন চিন্তা চৰ্চাৰ প্ৰয়োগৰ জৰিয়তে দেশক উন্নতিৰ পথত আগুৱাই নিয়া। নিৰক্ষৰ লোক সকলক শিক্ষাৰ পোহৰ দি জাতীয় সত্বা জগাই তোলাৰ জৰিয়তে জাতীয় গঠন সু-দৃঢ় কৰাতোও উল্লেখনীয়।

১৯৭২ চনত মঙ্গলদৈ মহাবিদ্যালয়ত এই আঁচনিৰ মহাবিদ্যালয় গোটৰ আৰম্ভণি হয়। আৰু জন্মৰে পৰা মহাবিদ্যালয় গোটে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহান উদ্দেশ্য আগত ৰাখি আগবাঢ়ি গৈছে। তাৰ পৰিচয় মঙ্গলদৈ মহাবিদ্যালয়, নগৰ আৰু অঞ্চলটিৰ আশে-পাশে মন কৰিলেই দৃষ্টি গোচৰ হব। মঙ্গলদৈ নদীৰ গতি সলনি কৰি ৰন্দা, "কলেজ কেনেলে" মঙ্গলদৈ নগৰৰ সম্প্ৰসাৰণ ঘটোৱাৰ লগতে মহাবিদ্যালয় তথা কেইবাখনো গাওঁ অবশ্যম্ভাবী বিপদৰপৰা ৰক্ষা কৰাতো বিশেষ ভাৱে উল্লেখনীয়।

কাৰ্য্যকাল ঃ যোৱা ১২। ১০। ৮৮ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহাবিদ্যালয় গোটক চলাই নিয়াৰ যি গধুৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হৈছিল তাক পাৰ্যমানে সফল কৰাৰ চেষ্টা কৰিছিলো। নাজানো, এই ক্ষেত্ৰত কিমান দূৰ সফল হব পাৰিছো। তথাপি মোৰ জ্ঞাতে চেষ্টাৰ ক্ৰুটি কৰা নাই বুলি ভাবোঁ। কাৰ্য্যকালৰ আৰম্ভণিতে মুঠ ২৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক স্বেচ্ছাসেৱকৰ তালিকা ভুক্ত কৰা হয়। বৰ্ত্তমানলৈকে বিভিন্ন বিষয়ৰ ওপৰত কৰা আলোচনা চক্ৰসমূহৰ বাহিৰেও বিগত কালছোৱাত আত্মনিয়োগ কাৰ্য্যসমূহ তলত উল্লেখ কৰা হ'ল।

২৩। ১১। ৮৮ তাৰিখৰ পৰা ২৯। ১১। ৮৮ তাৰিখলৈ অনুস্থিত ৰাস উৎসৱত ৰাস উৎসৱ উদ্‌যাপন সমিতিৰ আহ্বান মৰ্মে গোটেই কেইদিন সুচাৰু ৰূপে পৰিচালনা কৰা হয়।

১০। ১২। ৮৮ তাৰিখে একদিনীয়া শিবিৰৰ জৰিয়তে, ৰাষ্ট্ৰীয় সেৱা আঁচনি মহাবিদ্যালয় গোটৰ পূৰ্বৰ সিদ্ধান্ত মৰ্মে, মঙ্গলদৈ নৈৰ পাৰত অৱস্থিত শ্বহীদ উদ্যানৰ মেৰামতি তথা পুনৰুদ্ধাৰ কৰা হয়।

২৬। ১২। ৮৮ তাৰিখৰপৰা ১। ১। ৮৯ তাৰিখলৈ অনুস্থিত মহাবিদ্যালয় সপ্তাহৰ পূৰ্ণ সহযোগিতাৰে মহাবিদ্যালয় চৌহদৰ উন্নয়নমূলক কামত হাত দিয়া হয়।

২৬। ২। ৮৯ তাৰিখে একদিনীয়া শিবিৰৰ জৰিয়তে মহাবিদ্যালয়ৰ পৰা নাতিদূৰত যোৱা বছৰ বিশেষ শিবিৰৰ যোগে আৰম্ভ কৰা প্ৰায় ৮০০ মিটাৰ দীঘল পথ এটিৰ নিৰ্মাণ কৰা হয়। এই পথটো সম্পূৰ্ণ হলে (যোৱা বছৰৰ খিনিৰে সৈতে) প্ৰায় ১০ খন গাওঁ উপকৃত হব।

ৰাঃ সেঃ আ-ৰ অধীনস্থ প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি (M.P.F.L.)ৰ জৰিয়তে যোৱা কেই বছৰৰ দৰে এইবেলিও মুঠ ৬০ গৰাকী স্বেচ্ছাসেৱক-সেৱীকাক প্ৰশিক্ষণ দি তেওঁলোকৰ দ্বাৰা ১ ঃ ৫ অনুপাতত সৰ্বমুঠ ৩০০ গৰাকী নিৰক্ষৰ লোকক শিক্ষাদান কৰা হয়। ১৯৮৯ চনৰ নৱেম্বৰ মাহত পুনৰ দ্বিতীয় পৰ্য্যায়ৰ শিক্ষাদান আৰম্ভ হব।

ইয়াৰোপৰি ২৯। ৭। ৮৯ তাৰিখৰ পৰা ২। ৮। ৮৯ তাৰিখলৈ কলিয়াবৰ মহাবিদ্যালয়ত হৈ যোৱা আন্তঃ বিশ্ববিদ্যালয় পৰ্য্যায়ৰ বিশেষ শিবিৰত অংশ গ্ৰহণকাৰী দলটোৱে সকলো দিশতে

বিশেষ সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। উক্ত শিবিৰত অংশ গ্ৰহণকাৰী দলটোৰ সদস্য সকল হ'ল —

শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা ( কাৰ্য্যসূচী বিষয়া )

শ্ৰীদিলীপ কুমাৰ নাথ ( অধিনায়ক )

শ্ৰীকুশল শৰ্ম্মা

শ্ৰীপ্ৰমোদ ডেকা

শ্ৰীজ্যোতিষ চন্দ্ৰ নাথ আৰু

শ্ৰীঅনজন ডেকা।

শেহতীয়া ভাৱে যোৱা ১০।৯।৮৯ তাৰিখ ৰবিবাৰে এটি অৰ্দ্ধদিনীয়া শিবিৰৰ জৰিয়তে মহাবিদ্যালয় চৌহদৰ উন্নয়ণত হাত দিয়া হয়।

কাৰ্য্যকাল শেষ নোহোৱাকৈয়ে প্ৰতিবেদন দিবলগীয়া হোৱা বাবে ই পূৰ্ণতা নাপাব। বাকী থকা কালছোৱাৰ বাবেও বিশেষ শিবিৰকে ধৰি কেইটিমান বিশেষ কামৰ আঁচনি প্ৰস্তুত কৰা হৈছে।

দুখৰ বিষয় এই যে সেৱা আঁচনিৰ তৰফৰ পৰা পাবলগীয়া ধন ( Grant ) সময়মতে আৰু উচিত পৰিমাণত নোপোৱা বাবে শিবিৰ অনুস্থিত কৰাত বিশেষ অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছে। আশা ৰাখিছো আগলৈ এই বেমেজালিবোৰ দূৰ হব।

**কৃতজ্ঞতা :** কাৰ্য্যকাল চোৱাৰ সকলো দিশতে সততে দিহা পৰামৰ্শ আদিৰে অনুপ্ৰানীত কৰা কাৰ্য্যসূচী বিষয়া মহোদয় শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। লগতে সমূহ স্বেচ্ছাসেবক- সেবিকাকে তেওঁলোকৰ আন্তৰিক সহযোগিতাৰ বাবে অভিনন্দন তথা কৃতজ্ঞতা জনাইছো।

সদৌ শেষত সেৱা আঁচনিৰ উজ্জ্বল ভবিষ্যৎ কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু মঙ্গলদৈ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি
জয়তু আই অসমী—

**শ্ৰীদিলীপ কুমাৰ নাথ**
অধিনায়ক
ৰাষ্ট্ৰীয় সেৱা আঁচনি, মঙ্গলদৈ মহাবিদ্যালয়

# ENGLISH SECTION



Editore
**Mukta nanda Sarma**

Prof. In-Charge
**Idrish Ali, M.A.**

# SOME PROBLEMS OF TEACHERS AND EMPLOYEES OF AIDED COLLEGES–ASSAM

The teachers and employees appointed in an aided college in Assam during its early stage, share the burden and responsibility of establishing the institution. Their services at that stage of the college are mostly sacrifices for the life and growth of the institution. The pay offered to them in that period is nominal. The services of the teachers and employees appointed later on are also contributory to the growth and developement of the college. They render services at pay lower than that enjoyed by many of their counterparts elsewhere with some additional amenities and thus enable the sponsoring body or governing body to manage the college with its limited fund.

The appointments are no doubt their engagements for earning and maintaining lives and families. It cannot however be denied that some of them who are appointed at the begining of the college, offer their most energetic and active period of life to be engaged for the life and growth of the institution during its infant stage and at nominal pay and also without amenities available in other services Further, they continue their services till superannuation. It may be mentioned that even the members of the sponsoring body or governing body are not required to make such personal sacrifices as are mad by the teachers and employees at the early stage of an institution.

The teachers and employees are eligible for scales of pay only when the college reaches a certain stage of

developement, and in most cases, the scales of pay awarded first is also not satisfactory. Further, considerably long period elapses when the scales of pay, after several revisions, tend to come nearer to the commensurable level. Again, the benefits of the higher scales of pay awarded after some years of service are available to the teachers and employyees not from their respective dates of joining the posts, but from a certain later date fixed arbitrarily by the awarding authority. The considerations for the seniority made in the revised scales of pay do not compensate the loss of pay above the level of nominal pay received during early period of service.

There is no contemplation in the scales of pay to cover the early period of service of the founding teachers and employees. The scales of pay awarded do not show regards for the valuable services and sacrifices of the old employees of all categories and also fail to generate socially necessary impetus for similar beneficial services required for new ventures. The monthly differences between the total higher initial emoluments shown in the prevailing approved scales of pay and the nominal pay drawn by the founding teachers and employees in a new college till the college is eligible for the scales of pay, may give an idea of the approximate magnitude of the sacrifices made by the teachers and employees appointed at the early stage of the college for the betterment of the society for all times to come.

It is true that the position has now changed since the introduction of the U.G.C. scales of pay. It is also equally true that a new college and its employees still suffer much and their sufferances continue till the inclusion of the college in the deficit system. It is also till now true that the founding teacher and employees of all the colleges are not yet awarded any reciprocal benefit for their sacrifices and contributory services which were unavoidably necessary.

The growth of a college is generally a slow process and the pace of growth is not same for all, The

teachers and employees of the new college of which the pace of growth is very slow may get **higher scales of pay at a very late stage of their** services, as. such college requires long time to be able to satisfy the conditions of eligibility for U.G.C. scales of pay. There is also no provision for pay protection in such situation. Some of the teachers and employees of such college may reach the superannuation age before the introduction of the U.G.C. scales of pay in that college.

The institution goes on blooming and confening benefits upon the present and the future generations, but the teachers and employees who had rendered sacrifices and contributory services towards the birth and growth of the institution cannot continue in services to share its benefits as the imposition of superannuation without pensionary benefits puts full-stop to the flow of the legitimate shares of their own harvest. The teachers and employees who are partners of the co-operative effort which caused the life and growth of the institution are to go away without any provision for sharing the fruits of their past services and sacrifices. The institution so long served by the employees ceases to extend any benefit to the employees for their lives after retirement. The teachers and employees foll from the service life like old dry wintry leaves, cared for by none. It is an instance of grave social injustice.

The superannuation must not imply the termination of service for some offences. It should mean and really means the end of service tenure with some considerations for the life after retirement. The Government rightly makes such considerations and follows the established rule of granting pensionary benefits to the retired employees. There is also provision for family pension in Govt services. The Civil society can realise that the pensionary benefits are considerations for utilising the energetic and active period of life of an individual for social ends, authoritatively denying any scope for deveioping alternative sources of income for the maintenance of life and family after the end of service tenure.

Therefore, the superannuation without imposed upon the aided cllege employees benefite who render valuable services for the greatest good of the society and the nation at large, and for all generations to come, is unkind termination of service expressed in misleading term.

All will agree to the contention that there should be appreciation and encouragement for extending co-operation and offering beneficial services for social progress. In the sphere of education, which is most essential for individual, social and national progress and where the Govt. takes follow-up action only, some persons must come forward to offer sacrifices at the initial stage and for that purpose the society or the Government should make some provisons of additional reward for encouraging and attracting co operaton and beneficial services for future essential ventures.

We observe "Teachers Day' annually throughout the country in recognition of the great role of the teachers in enlightening the mankind and uplifting human culture and civilisation and thereby pay respect to the teaching community. It is however strange that the treatment shown to the section of the teachers who serve in the aided colleges is unsatisfactory. They are denied of their legitimate rights to pensionary benefits, family pension etc. The teachers who render sacrifice during the infancy of the college are exploited as they are denied of reciprocal reward for their initial sacrifices for the common good of all.

The employees-Govt or Non-Govt, are all social employees engaged for the services of the society. All the employees are therefore equal in the eyes of the moral principles embodied in law. The discriminatory treatment to the aided college employees in respect of scales of pay, pensionary benefits, family pension etc. is without logic and good sense, and also aqainst Rule of law and provisions for equality in the constitution. The unjust rules of supera-

nnuation should be modified and made similar to those applied in the case of Govt. services.

It is also natural justice that the man who offers his active period of life to be used-up for the services of the society and the society enjoys the benefits of his services, should in recognition, be awarded reciprocal benefit for his maintenance during the days of his invalidity due to old age.

**Md. Abdul Majid**
Principal
Mangaldai College

# A Brief Account of A Refresher Course

— by Bhupendra Nath Kakati,
Dept. of Physics.

University grants commission selected Bharathidasan University of Tiruchirapalli in Tamil Nadu to hold five number of refresher courses in Physics for college and university teachers for the session 1988-89. The fourth refresher course was being held fom 5 th June, 1989 to 2nd July, 1989 to which I was selected amongst the thirty eight total number of participants. Topics of discussion in this course were Atomic, Molecular and Nuclear physics. State-wise distribution of number of selected participants in this course were as follows : Assam (1) Orissa (1) ; Maharastra (2) ; Madhyapradesh (1) ; Uttar pradesh (1) ; Karnataka (1) ; Kerala (1) ; Lakkha Deep (1) ; Andhra pradesh (6) ; Tamil Nadu (23). The participants belonged to average age group forty, though there were four participants of age group fifty plus and an equal number of age group thirty. Of the thirty eight participants two were female and the rest male. Again there were at least six ph. D. s and many having some research experiences. I feel it a privilege to remain with such a learned gathering for a long period of 28 days. Boarding and lodging arrangements for the participants as well as for the resource persons were made in "Hotel Lakhmi" which is situated at a distance of seven kilometers from the Academic staff college where our classes were held. Morning coffee, break fast and dinner were served in the hotel and lunch and tea or coffee at break during classes were served by the canteen.

On 5th June, 1989 just at 10 A.M. our refresher course was inaugurated with wellcome addresses by the director Dr.S. Purusothaman and the course coordinator Dr.P.K. Punyaswamy. participants were provided with three free books, one notebook and a ball point pen. Then after a tea-break for 15 minutes prof. P.R. Subramaniam of department of Nuclear Physics

of Madras University took his class on Nuclear Reactions and Nuclear Forces. After taking our lunch class resumed at 2 P.M. It continued npto 4·45 P.M. with a tea break of 15 minutes at 3-30 P.M.

On 6th June we had another resource person in prof. K. Sidappa of Mangalore University who dwelt in Nuclear Decay and Radioactivity. In the last hour of that day we were introducing ourselves to one another by going to the black board (truly speaking the colour of the board is green and glossy and not black and rough) and writing there individual names and addresses in full.

I don't like to give a long list of all the resource persons and their topics of discussion in detail. But I must mention **a few** of them. Prof. T. Nagarajan of department of Nuclear Physics of Madras University made an elaborate discussion on Experimental Methods of Nuclear Structure study with special emphasis on Nuclear Spectroscopy. Prof. R. Parthasarathy of Institute of Mathematical Sciences, C. I. T. campus (Madras) dwelt in Theory of Elementary Particles. Dr. P. Thiagarajan of Argonue National Laboratory delivred two lectures on Neutron Scattering applied to the study of Macro molecules. Thiru N. S. Thampi of Accelerator laboratory (Kal pakkam) gave us information on Modern Particle Accelerators.

Dr. Vasantha Pattabhi of Bio-Physics department of Madras University and Dr. Saraswathy Vishveswara of Molecular Bio-Physics unit of Indian Institute of Science (Bangalore) were the two lady resource persons. Their topics of discussion were Quanteem and Micro Bio-physics. These topics were quite new to all our participants.

Dr. K. Srinivasa Rao of Institute of Mathematical sciences. C I T ( Madras ) dwelt in Nuclear Models and Nuclear Structures in four lectures very brilliantly. With exception to other resource persons who made use of transperancies very frequently, Dr. Srinivasa Rao made use of chalk and talk method using transperancies with limited purpose only. Also I must mention prof. K. Ramaswamy of department of physics of Annamalai University who discussed elaborately on topics of Atomic Spectra and Atomic Structure with special reference of application in Biology, Agriculture and Archeomagnetic dating.

Prof. A. Natarajan of physics department cf Bharathidasan University did a discussion on Theoretical Approaches to Molecular Structure, Force constants, etc. Molecular symmetry and group. Theory were discussed by prof.. S. Mohan of Raman School of physics of Pondichery. Though the subject is almost new to all of our participants prof. Mohan could make us understood what he taught. We found an interesting resource person in prof. M.

krishnapillai of chemistry department of Bharathidasan University who did interesting discussion on topics like 'Methods of Molecular Spectroscopy, Magnetic Resonances etc. Dr. S. Sundaram of Thanjavur Uuniversity made a discussion on Microwave spectroscopy.

Prof. B. M. Sivram of I I T (Madras) dwelt in Laser Raman Technique. Prof, A. Narayanswamy of Madras University discussed Mosbauer spectroscopy and Dr. V. Parthasarathy of Bharathidasan University had a discussion on Inter Molecular Forces. Dr, P, Kalianan of Bharathidasan University discussed Marco Molecules.

Another new subject to which we were introduced is 'chaos'. Dr, M. Laxmanan of physics department of Bharathidasan University introduced this very interesting subject to us.

On 24th June and 30th June we had been to the new campus of Bharathidasan University which is situated at a distance of 15 kilometers from Tiruchirapaili central. There infrared and ultra-violet spectrometer with electronic recording devices were demonstrated to us in the Chemistry departmeht Also we were shown the NMR spectrometer in the Botany department which was not in working condition. In preference to demonstration of computer programing in the physics department a few of us went to library.

In the morning of first July 1989 we went to St. Joseph college of Tiruchirapalli where an interesting Exhibition on Raman centenary celebration was being inaugurated. There we were warmly received by one of our fellow participant, Prof. N. Subramanian (Anna). After looking the exhibition we were being entertained with light refreshment and were taken to the Physics laboratory and the library. Established in the year 1844 the St. Joseph college at present provides facilities upto post graduate and ph, D. standard. The library has a good stock of books and journals of international standard. We then went to the Academic staff college where we took our lunch. At 3 P. M. that day valedictory function of our course was held. Thiru Muthu kumaramangalam, vice—chancellor of Bharathidasan University presided over the function and distributed certificates to us,

Dr. Laxmanan's class on 2nd july morning was the last lecture of the course, and only after his class certificates attendance were issued and travelling expenses paid to the participants.

Now I must mention something about boarding and lodging facilities provided to us. We the participants were not satisfied at all with the hotel accomodation. All the participants expressed their feelings that a university without having residential fac-

ilities of its own should not be selected by UGC for holding a refresher course on all India basis. The Director himself told in the inaugural day of the refresher course that it was the hotel Lakhmi only who agreed to the terms and condition laid down by the university to accomodate prticipants and resource persons. In the hotel we found rooms were not cleaned regularly, hotel boys were not responding properly and the food items with which we were served were not very much agreeable. Even participants from the neighbouring state Andhra Pradesh expressed dissatifaction when Idli and Dosa were served in place of rice in dinner. We were always served with south Indian vegetarian diet. Sometimes they gave us two or three chapatis also in the night meal. But the quality of the chapati is that you neither can call it a 'chapati' nor a 'puri'. One evening when one of our Maharastrian Participant friend, an old gentleman of very fine behaviour asked for one more chapati after he had taken two, the hotel boy behaved in such a manner that even our Tamil friends got agitated. The very next day the case was referred directly to the Director. He expressed sorry for the incident and assured that no such incident would occur in future.

Another difficulty we faced is the laugnage of communication. Amongst the participants ourslves we used English as the medium of expression. But to the hotel boys, to the salespersons in a shop or to any other common Tamil person you cannot express your requirement or feelings in English. They are very much against Hindi and they know a little of English Language which developed, in the human civilization as a medium of expression of one's feelings to another, as a binding force of uniting man with a man, now falling in the hands of self seeking politicians and chauvinist forces stands in the way of very unity of the people. The very process of unity of the people which was developing through continuous struggle for independance from British imperialist rule was shattered by wrong policies adopted and followed by the independent rulers of the country. If English were not projected as a foreign language and Hindi were not imposed as the only National language by the rulers of free India, the present day picture might have been a different one. That is the feeling of most of our participants. Another wrong policy adopted by the rulers of our free India is the policy of Reorganisation of states on linguistic basis. We feel, an Indian citizen should be allowed to enjoy equal and non infringible rights everywhere throughout the country, irrespective of caste, creed religion and linguistic group to which he

belongs. This principle could have been maintained even after safeguarding the interest of under privileged class and weaker section of the people of our country.

During leisure time we, the participants, had discussions within ourselves, on the much advertised and forcefully imple, mented without any academic debates and discussion, Rajib Gandhi's so called New National Education Policy. In our opinion it will do more harm than any good to the students, teachers and society as a whole. Keeping the whole nation out of reach of democratic secular and scientific education only a handful of elitist privileged section would be created.

I canot resist the temptation of expressing my feelings towards Tamil society which I encountered for a period of one month. I found their social behaviour very decent. No phenomenon like eve teasing I noticed during my stay in Tiruchirapalli. Behaviour towards opposite sex is modest. Tiruchirapalli, though a district head quarter only, is bigger than our state head quarter Guwahati. It is a busy city with road and rail communication available twenty four hours a day. The city is of tourists' attraction. There is a shopping centre known as Burna market where foreigh goods are available. But Tamil boys and girls, I noticed, are not attracted towards foreign garments and draesses. They wear simple and modest dresses.

Business-persons shop keepers and their sales persons we found them gentle behaved. Even after looking a number of articles and after bargaining if you come back without buying a single piece they will behave you politely which behaviour you connot expect in a north Indian counterpart.

Last but not the beast I must mention the help and friendly association our Tamil participant friends rendered to us. From going to market along with us to lending of money without interest they extended their helping hands to all of us, when the authority didnot agree to give us our traveling expenses before 2nd July the closing day of the refresher course, prof. M. Elango of AAGA College, Musiri ( Trichy Dt. ) came forward with his other friends to help needy participants with money.

Hope, my memory will not fail in recalling in future the days I spent in Tiruchirapalli along with all other perticipants and also the resource persons drawn from different parts of the country.

—+—

## Source Of My Song

**Kulendra Nath Deka**
T. D. C. 2nd Yr. (Arts)

You jumped and Sang
Sitting at the door of my heart
Remembrance came to my mind
Of boyhood years.

How you briskly danced !
And I stared at your
Smiling face, eternal face ... ...

Songs that you sang
I thought them madrigal
Or fountains that come from
The Blue Hills

That encouraged me
It is the source of my songs

O

## The Flower

**Lachit Chandra Barman**
T. D. C. 1st Yr. (Sc.)

Oh God ! who created the flower ?
To worship
For Love
It is only, the flower.

For decoration
For the play
It is only, the flower.

For the bed of roses
For the funeral ceremony
It is Only, the flower.

For the brook
For the garden
It is Ouly, the flower.

For the bird
For the bee
It is Only, the flower

A man can not be a flower
A paper can not be a flower
But flower is flower.

O

## EDITORS AND PROF. IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE FROM 1958—88-89

| Session | Editor | Prof. in-charge |
|---|---|---|
| 1958—59 | Shri Bodheswar Deka | Shri P. Bora |
| 1960—61 | Shri Soneswar Sarma | Shri D. Neog |
| 1961—62 | Shri Hara Gauri Adhikari | Shri P. Bora |
| 1962—63 | Shri Maheswar Kalita | Shri D. Neog |
| 1963—64 | Shri Tuwa Ram Deka | Shri D. Neog |
| 1964—65 | Md. Fazlul Karim | Shri D, Neog |
| 1965—66 | Shri Bashab Ch. Sahariah | Shri D. Neog |
| 1966—67 | Shri Hem Kanta Deka | Shri J. C. Sarma |
| 1968—69 | Shri Naren Hazarika | Shri J. C. Sarma |
| 1969—70 | Shri Prabhat Nr. Choudhury | Shri J. C, Sarma |
| 1970—71 | Shri Dinabardhu Sarma | Shri J. C. Sarma |
| 1971—72 | Md. Mahiuddin Jiaul Haque | Shri B. Kakati |
| 1972—73 | Shri Premananda Nath | Shri B. Kakati |
| 1973—74 | Shri Bhabendra Ch. Deka | Shri B. Kakati |
| 1974—75 | Shri Juran Ch. Kalita | Shri B. Kakati |
| 1975—76 | Shri Debendra Kr. Sarma | Shri B. Kakati |
| 1976—77 | Shri Bhaba Kt. Hazarika | Shri B. Kakati |
| 1977—78 | Shri Paramananda Razbongshi | Miss Naharun Nesha |
| 1978—79 | Shri Sailendra Kr. Sarma Baruah | Shri M. P. Baruah |
| 1979—81 | Shri Pankaj Kr. Goswami | Shri Bizay Goswami |
| 1981—82 | Shri Gajendra Baruah | Shri Bharat Sarmah |
| 1982—83 | Shri Biswajeet Goswami | Shri Bharat Samah |
| 1983—84 | Shri Dulal Baruah | Shri Bharat Sarmah |
| 1985—86 | Shri Siba Prasad Baruah | Shri Matiram Medhi |
| 1986—87 | Shri Minaram Hazarika | Shri Matiram Medhi |
| 1987—88 | Shri Bhabesh Baruah | Shri Matiram Medhi |
| 1988—89 | Shri Mukta nanda Sarma | Md. Idrish Ali |

মঙলদৈ মহাবিদ্যালয় ছাত্র সন্থাৰ হৈ আলোচনী বিভাগৰ সম্পাদক শ্ৰীমুক্তানন্দ শৰ্মাৰ দ্বাৰা প্ৰকাশিত আৰু সূৰ্য্যহড়ী প্ৰিণ্টিং ৱৰ্কচ, মঙলদৈত মুদ্ৰিত ।